
# মঙ্গলদৈ মহাবিদ্যালয় আলোচনী



সম্পাদিকা ঃ প্ৰণামিকা শৰ্মা




মঙলদৈ মহাবিদ্যালয়

# আলোচনী

বাৰ্ষিক প্ৰকাশ

২০০৬-০৭ বৰ্ষ

ড° বিজয় কুমাৰ শৰ্মা
তত্বাৱধায়ক

শ্ৰীপ্ৰণামিকা শৰ্মা
সম্পাদিকা

MANGALDAI COLLEGE MEGAZINE : 2006-07, Published by Mangaldai College Students' Union, Mangaldai College, Mangaldai, Darrang, Assam.

## 'মঙলদৈ মহাবিদ্যালয় আলোচনী'ৰ নেপথ্যত

মুখ্য উপদেষ্টা : ড° যাদৱ চন্দ্ৰ নাথ
ছাজাদুৰ ৰহমান

উপদেষ্টা : শ্ৰীযুত বিচিত্ৰ কুমাৰ মেধি
শ্ৰীযুত মতিৰাম মেধি
শ্ৰীযুতা ৰূপজ্যোতি বৰুৱা
শ্ৰীযুত ঘনকান্ত বৰুৱা

তত্বাৱধায়ক : ড° বিজয় কুমাৰ শৰ্মা

সম্পাদিকা : শ্ৰীপ্ৰণামিকা শৰ্মা

সদস্য : শ্ৰীনয়ন চহৰীয়া
শ্ৰীমুনিন্দ্ৰ ডেকা
শ্ৰীপ্ৰণিতা দেৱী
শ্ৰীমনোজ হাজৰিকা
শ্ৰীশিৱশঙ্কৰ চৌধুৰী

বেটুপাত : শ্ৰীদুলাল ডেকা
ষ্টুডিঅ' হলীউদ

স্কেচ্ : শ্ৰীমৃত্যুঞ্জয় কুমাৰ দেৱশৰ্মা

অংগসজ্জা : সম্পাদিকা

অক্ষৰ বিন্যাস : শ্ৰীগৌতম ডেকা
শ্ৰীমিতালী নাথ

মুদ্ৰণ : কম্প-এড্ অফছেট
এম জি ৰোড্, মঙলদৈ।

## মোৰ হিয়াৰ সহস্ৰ কৃতজ্ঞতা

প্ৰতিটো দিশতে দিহা-পৰামৰ্শৰে সহায় কৰি অহা প্ৰাক্তন অধ্যক্ষ ড° যাদৱ চন্দ্ৰ নাথ, বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষ ছাজাদুৰ ৰহমান, তত্বাৱধায়ক ড° বিজয় কুমাৰ শৰ্মা চাৰৰ লগতে পাণ্ডুলিপি পৰীক্ষা কৰি দিয়া অধ্যাপক প্ৰমোদ শৰ্মা, অধ্যাপিকা ৰূপজ্যোতি বৰুৱা আৰু আছিৰ উদ্দিন চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদনা সমিতিৰ সমূহ সদস্যৰ উপৰিও বেটুপাতৰ শিল্পী দুলাল ডেকা, প্ৰবীণ ডেকা তথা স্কেচ্ শিল্পী মৃত্যুঞ্জয় কুমাৰ দেৱশৰ্মালৈ কৃতজ্ঞতা নিবেদিছোঁ।

যিসকল লেখক-লেখিকাৰ দ্বাৰা আলোচনীখন সমৃদ্ধ হ'ল তেওঁলোকলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কম্প-এড্ অফছেটৰ স্বত্বাধিকাৰ ৰাণা আলমদেৱৰ লগতে কৰ্মীবৃন্দলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

যিকোনো ক্ষেত্ৰতে দিহা-পৰামৰ্শৰে সহায় কৰা মহাবিদ্যালয়ৰ শিক্ষাগুৰুবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

— সম্পাদিকা




আয়ে দিয়া বিহু গামোচাৰে
গুলি খোৱা তেজ মচি
ৰণ দেৱতাৰ ৰঙা থাপনাত
জ্বলাওঁ শলিতা গছি
পুনৰ সপ্তম সাজু হৈছো আই
দিবলৈ জীৱন দান।।

— ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালা

# মহাবিদ্যালয় সংগীত

ৰচনা ঃ শ্রীপ্রভাত চৌধুৰী
সুৰ আৰু স্বৰলিপি ঃ কুমাৰ আনন্দ নাৰায়ণ দেৱ
তাল ঃ দাদ্‌ৰা (ভাতখাণ্ডে পদ্ধতিত স্বৰলিপি কৰা হৈছে)

মহাজীৱনৰ মহা সাধনাৰ
আশাৰ গজালি তুমি,
জ্ঞান গৰিমাৰ ধ্যান ধাৰণাৰ
মহান পূণ্যভূমি।। ১।।
অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্রদীপ শিখাৰে বিলালা
সুধা সঞ্জিৱনী।
বিকশিত আজি শত শত দল
তোমাৰ চৰণ চুমি।। ২।।
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বান,
শত প্রদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওক প্রতিভাত
নৱ প্রতিভাৰ খনি।। ৩।।

Prof. Indira Goswami has won several National and International Awards which includes Bharatiya Jnanpith award, Sahitya Academy award, Bharat Nirman award, K.K. Foundation National award, Assam Sahitya Sabha award, International Tulsi award, Katha award etc. Film based on her novel also received National and International awards. She has been honoured with D.Litt degree from Rabindra Bharati University. She has been honoured by several Universities and Institutions. She is a member of many National and International bodies.

ASSAM :

House No. 23,
Uma Kanta Goswami Enclave,
Gandhi Basti,
North Sarania Bylane - 6
Guwahati - 781 003
Ph. : 0361-2664266
0361-2668314
9811888759

PROF. INDIRA GOSWAMI M.A. Ph.D.
(MAMONI RAISOM GOSWAMI)

– শুভেচ্ছা বাণী –

মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীখন
এইবাৰ সম্পাদনা কৰিছে সুশ্ৰী প্ৰনামিকাই
সময়াই। মোৰ দৃঢ় বিশ্বাস এই
আলোচনীখনে দৰজেৰ উচ্চ সাহিত্যিক
বিষয়ে অৱলোকন হওক কৰিব পাৰিব।
অকল ছাত্ৰ-ছাত্ৰীয়ে নহয় — সাধাৰণ
পাঠকেও নিশ্চয় এই আলোচনীখনক
উৎসাহেৰে লব পাৰিব।
মই এই আলোচনীৰ দীৰ্ঘ-
জীৱন কামনা কৰিলোঁ।

মামনি ৰয়ছম গোস্বামী
17. 3. 08



# উৎসৰ্গিত


মই মহাকাল হৈ
পুৰণিক ভাঙি ছিঙি
ধ্বংস বিধ্বংস কৰি
নাচোঁ নাচ প্ৰলয় তাণ্ডৱ

সৃষ্টিৰ উচ্ছেদ কৰি
নবীন সৃষ্টিৰ বাবে
পৰিগ্ৰহ শিলাৰূপ
কৰি থাকোঁ যুগ যুগ ধ্যান।
(ন-জোৱান-ই-হিন্দ)

প্ৰেমিক, শ্বহীদ, স্বপ্নাতুৰ
সকলো শুভাকাঙ্খীলৈ
এই সংখ্যাৰ আলোচনী উৎসৰ্গিত।

— সম্পাদিকা

অধ্যক্ষৰ আসনত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ



মাননীয় মঃ ছাজাদুৰ ৰহমান



# সম্পাদকীয়

স্বপ্ন বিভোৰ মন
কিবা এটা কৰাৰ হাবিয়াস
সকলোৰে আশিস মৰমস্নেহ
শিৰত লৈ
দায়িত্ব ল'লো আলোচনী সম্পাদনাৰ
মহাবিদ্যালয়ৰ আলোচনীখনত
ছাত্ৰ-ছাত্ৰীসকলৰ
অলীক কল্পনাই মন সাগৰৰ
নদ-নদী, গছ-গছনি, জোন-তৰাৰে সৈতে
মনৰ দাপোনত নাচি-বাগি ফুৰি
ক্ষণিকৰ বাবে হ'লেও পাঠকৰ
হৃদয় জুৰাই।
কবিতা, গল্প, প্ৰৱন্ধৰ কৰণিয়ে
সুপ্ত প্ৰতিভাক কৰে জাগ্ৰত
আমাৰ মন-প্ৰাণ হয় আ !াদিত
যুৱ উচ্ছৃংখলতাই চানি ধৰা সমাজক
অবাঞ্চিত পথত ভৰি দিয়া সকলক
বগা কাগজৰ ওপৰত
নীলা আখৰেৰে লিখা মনৰ ভাষাই দিব সঁহাৰি।
মোক সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শ
আগবঢ়োৱা শিক্ষা গুৰুসকলক
আলোচনী সম্পাদনা সমিতিৰ উপদেষ্টা সকলক
ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতাৰ লগতে আন্তৰিক
ধন্যবাদ জ্ঞাপন কৰিলোঁ,
এইখিনিতে মোৰ মনে কোৱা ভাবৰ
সামৰণি মাৰিলোঁ।

শ্ৰদ্ধাৰে—



শ্ৰীপ্ৰণামিকা শৰ্মা
সম্পাদিকা, আলোচনী বিভাগ

# সূচীপত্ৰ


## প্ৰবন্ধ

❑ ইংৰাজ কবি কীটছ্‌ৰ বিষয়ে ২
✍ ছাজাদুৰ ৰহমান

❑ পদাৰ্থ বিজ্ঞানৰ কথা বতৰা ৪
✍ ডঃ খলিলুৰ ৰহমান

❑ পৰিবেশ আৰু নাগৰিকৰ কৰ্তব্য ৭
✍ মতিৰাম মেধি

❑ অসমত ক্ষুদ্ৰ উদ্যোগীকৰণৰ প্ৰয়োজনীয়তা ১০
✍ উমেশ চন্দ্ৰ শৰ্মা

❑ অসমীয়া আধুনিক গীতৰ পথিকৃৎ দৰঙৰ দুগৰাকী সংগীতাচাৰ্য কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ আৰু দুৰ্ল্লভ চন্দ্ৰ দাস ১২
✍ প্ৰভাত চৌধুৰী

❑ সৃষ্টি ৰহস্যময়তাৰ প্ৰতি এক অনুভৱ ১৭
✍ পবিত্ৰ কুমাৰ নাথ

❑ তথ্য প্ৰযুক্তিৰ দিশত মঙলদৈ মহাবিদ্যালয় ১৮
✍ দীপেন নাথ

❑ নিবনুৱা সমস্যা, কেৰিয়াৰ আৰু ছাত্ৰ-ছাত্ৰীৰ কৰণীয় ২০
✍ বিদ্যুৎ বৰুণ শৰ্মা

❑ অসমীয়া সাহিত্যত চুফীবাদ ঃ এক আলোকপাত ২২
✍ জয়ন্ত ডেকা

❑ লিওনাৰ্ডো দা ভিঞ্চি ঃ মনালিছা ২৪
✍ বাবুল নাথ

❑ এইড্‌ছ (AIDS) এক অদৃশ্য মহামাৰী ২৫
✍ মৃত্যুঞ্জয় নাথ

❑ গীতি কবি পাৰ্বতি প্ৰসাদৰ অমৰ সৃষ্টি ২৬
✍ কৃষ্ণকান্ত নাথ

❑ মাদক দ্ৰব্য ঃ সমাজত ইয়াৰ প্ৰভাৱ ২৭
✍ কৰবী শৰ্মা

❑ বৰ্তমানৰ শিক্ষা ব্যৱস্থা ২৮
✍ ডেইজী নাথ

❑ উচ্ছৃংখল যুৱ প্ৰজন্ম ২৯
✍ কৰবী গোস্বামী

❑ বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ ফেশ্বন ঃ মোবাইল আৰু বাইক ৩০
✍ পম্পী শৰ্মা

## কবিতা

❑ যদি মই নৈঋতত... ৩২
✍ বিচিত্ৰ বৰদলৈ

❑ বৰষা ৩৩
✍ যদুমণি নাথ

❑ শুভ্ৰ নিয়ৰকণা ৩৩
✍ ধৰিত্ৰী বৰুৱা

❑ অপেক্ষা ৩৪
✍ দীপাঞ্জলি হাজৰিকা

❑ পৃথিৱীৰ অসুখ ৩৪
✍ পিংকি কুমাৰ

❑ এদিন কঁহুৱা ফুলিব ৩৫
✍ সৌৰজ্যোতি শৰ্মা

❑ মৃতকৰ মূল্য ৩৫
✍ হেৰম্ব জ্যোতি শৰ্মা (নিতুমণি)

❑ প্ৰকৃতিৰ বুকুত 'মই' ৩৫
✍ পম্পী শৰ্মা

❑ সময়সোঁতত মই ৩৬
✍ বিপ্লৱ

❑ তেনেকৈয়ে ভাল আছিল... ৩৬
✍ নীলাক্ষী চহৰীয়া

❑ হেড্‌ছাৰ আৰু 'ক' ৩৭
✍ ভাস্কৰজ্যোতি নাথ

❑ সংগ্ৰাম ৩৮
✍ দিপালী কলিতা

❑ সম্ভাৱনীয়তাৰ অংকত নচলে দিঠকৰ পৃথিৱী ৩৮
✍ মুনীন্দ্র শৰ্মা

❑ মোৰ এটি সপোন আছে ৩৯
✍ ভনিতা দেৱী

❑ অমানিশাৰ এন্ধাৰ নহবি ৩৯
✍ মহেশ শৰ্মা

❑ নষ্টালজিক অনুভৱ ৪০
✍ মৌচুমী হাজৰিকা

❑ নশ্বৰ সপোনৰ মাজে মাজে ৪১
✍ মুন্না ডেকা

❑ কিনো? ৪১
✍ জয়ন্ত ভাগৱতী

❑ কোনযাৰ কথাই জগৰ লগায় ৪২
✍ সুৰজিৎ কুমাৰ নাথ

❑ কুঁৱলী ৪২
✍ দাক্ষায়িনী ভট্টাচাৰ্য্য

❑ আগুৱাই যামে আমি ৪৩
✍ আতিকুৰ ৰহমান

❑ জীৱনৰ অন্তিম ক্ষণত ৪৩
✍ ছিদ্দিক আলী

❑ কুঁৱলীৰ আঁৰে আঁৰে ৪৪
✍ চুইটি ডেকা

❑ জোনাকে ওপচা দুৱৰিৰ দলিচাত ৪৪
✍ তৃষ্ণা দেৱী

গল্প

❑ অস্ত আকাশৰ ফালে ৪৬
✍ মুন্না ডেকা

❑ 'ব্যৱসায়' দ্যা গ্ৰেট ৪৮
✍ ভৃগু ফুকন ডেকা

❑ অব্যক্ত ৫০
✍ অভিজিৎ ভট্টাচাৰ্য্য (হেৰম্বজ্যোতি)

❑ আশী দিনত পৃথিৱী ভ্ৰমণ ঃ জুল ভাৰ্ণে ৫২
✍ জ্যোতিস্মিতা ডেকা

❑ আৰতি ৫৪
✍ জুৰিপ্ৰিয়া দেৱী

❑ এটা নতুন দিনৰ অপেক্ষাত ৫৭
✍ কৰুণা শৰ্মা

❑ মৃত্যু-অমৃত্যু ৫৮
✍ পিংকি কুমাৰ

❑ ৰিক্সাৱালা ৫৯
✍ কংকণ দেৱশৰ্মা

❑ এইসেন্ধাত জীৱনৰ ৰং ৬১
✍ মুন্না ডেকা

❑ হৃদয়ৰ উকা পৃষ্ঠা ৬৪
✍ ডেইজী নাথ

❑ জীৱনৰ অনুভৱ ৬৬
✍ হিমাদ্রী বশিষ্ঠ

❑ আশাবোৰ হেৰাই থাকিল ৬৬
✍ অন্নপূৰ্ণা কাশ্যপ

❑ জীৱনৰ অনুভৱ ৬৭
✍ অন্নপূৰ্ণা কাশ্যপ

❑ বাৰ্ধক্য ৬৭
✍ কঙ্কন দেৱ শৰ্মা

❑ ফেশ্যন শ্ব' ৬৮
✍ ভাস্কৰ জ্যোতি নাথ

❑ মানাহ ঃ এটি নষ্টালজিক অনুভৱ ৬৮
✍ মৌচুমী হাজৰিকা

❑ Political Participation of Woman in India... ৭১
✍ Barnali Deka

❑ Women – A Journey ৭৩
✍ Bandana Bharadawag

❑ A Bird's Eyeview on the NCC (S.W.)..... ৭৫
✍ Leena Saikia


❑ Thinks ৭৬
✍ Bohni Sikha Ghosh

❑ Way to Pleasure ৭৬
✍ Sangeeta Sarmah

❑ ফটো পৃষ্ঠা

❑ বিভাগীয় সম্পাদকীয় প্ৰতিবেদন





# প্ৰবন্ধ

*'প্ৰবন্ধ, গদ্য-পদ্য উভয়তে ৰচিত হ'ব পাৰে যদিও গদ্যই ইয়াৰ সাধাৰণ বাহন। অন্যান্য সাহিত্যৰ দৰে প্ৰবন্ধৰ উদ্দেশ্যও পঢ়ুৱৈৰ মনত সৌন্দৰ্য্যৰ সৃষ্টি কৰি আনন্দ দান কৰা আৰু জ্ঞানৰ পৰিধি প্ৰশস্ত কৰি তোলে। আনহাতে ই বিষয়বস্তুৰ ওপৰত কৌতুকৰ বোল সানি আৱৰ্ণনীয় সুষমা দান কৰে।'*

*— ৰামমল ঠাকুৰীয়া*

# ইংৰাজ কবি কীটছ্‌ৰ বিষয়ে

✍ ছাজাদুৰ ৰহমান
অধ্যক্ষ

Words worth, Shelley, Coleridge, Byron আদি Victorian যুগৰ ৰোমান্টিক কবি সকলৰ ভিতৰত Keats অন্যতম। ১৭৯৫ চনৰ ২৯ অক্টোবৰত তেওঁ জন্ম গ্ৰহণ কৰে। কীটছ্‌ৰ জীৱন কাল আছিল অতি চুটি। মাত্ৰ ২৫বছৰ ৪ মাহতে যক্ষ্মা ৰোগত আক্ৰান্ত হৈ ১৮২১ চনত ২৩ ফেব্ৰুৱাৰীত ৰোমত মৃত্যু হয়।

"Here lies one whose name was write in with water" এই বাক্যাংশৰ বাহিৰে তেওঁৰ নাম ৰোমত থকা কবৰত খোদিত নকৰিবলৈ মৃত্যুৰ আগতে তেওঁৰ বন্ধু Severn ক পৰামৰ্শ দি গৈছিল।

যক্ষ্মাৰোগত কলিজাৰ পৰা ওলাই অহা জেতুকাৰ ৰসৰ দৰে ৰঙা তেজে তেওঁৰ আসন্ন মৃত্যুৰ সংবাদ কঢ়িয়াই আনিলেও বিয়া কৰোৱাৰ আশাৰে হৃদয়ৰ অন্তৰালত পুহি ৰাখিছিল Fanny Brawne ৰ প্ৰতি গভীৰ ভাল পোৱা। Fanny Brawne লৈ লিখা চিঠিত Keats এ প্ৰেম আৰু মৃত্যুক এক সমান্তৰাল বুলি কৈছে।

"I have two luxuries to brood over in my walks, your loveliness and hour of my death, O, I could take possession of them both in the same moments".

তেওঁৰ জীৱনত চিন্তা কৰিবলগীয়া দুটাই বিলাসিতা। এটা হৈছে তেওঁৰ প্ৰেয়সীৰ সৌন্দৰ্য্য আৰু আনটো হৈছে তেওঁৰ মৃত্যুৰ মুহূৰ্ত। তেওঁ দুয়োটা একে সময়তে সাৱটি ল'ব পাৰে। সৰুতে পঢ়া Fairy tales হোমাৰৰ Illiad, Coleridge ৰ অলৌকিক কল্পনা ৰাজ্য, মাধ্যযুগৰ বীৰত্বৰ কাহিনীয়ে কীটছ্‌ৰ কবিতাত প্ৰভাৱ পেলাইছিল। Homer ৰ Illiad পঢ়ি তেওঁ ইমান আপ্লুত হৈছিল যে তেওঁ এটা Sonnet ত লিখিছিল।

"Then felt I like some watcher of the skies Where a new planet into his ken" তেওঁ অনুভৱ কৰিলে তেওঁ যেন আৱিস্কাৰ কৰিলে।

১৮১৭ চনত প্ৰকাশ পোৱা তেওঁৰ "The poems" কবিতাৰ এটা Sonnet ৰ বাহিৰে বাকী কেইটা আছিল অপৰিপক্কৰ। তেওঁৰ দ্বিতীয় প্ৰকাশ Endymion এ তেওঁক Barnfield আৰু Lodge ৰ সমকক্ষলৈ লৈ গ'ল। Lockhart, quarterly Review (১৮১৮) আৰু Cockney স্কুলৰ Blackwood কাকতে keats ৰ কবিতা সমালোচনা কৰি থকা সৰা কৰিছিল। এই সমালোচনাই কীটছ্‌ৰ শৰীৰ, মন একেবাৰে ভাঙি পেলাইছিল। Shelley ৰ Adonis কবিতাত এই কথা উল্লেখ কৰিছে।

Endymion কাব্য চাৰিটা খণ্ডত বিভক্ত। ইয়াত পেন আৰু বককাচ নামৰ দুজন গ্ৰীক দেৱতাৰ স্তোত্ৰ প্ৰকাশ কৰা হৈছে।

১৮২০ চনত "Lamia and other poems" প্ৰকাশ কৰে। এই গ্ৰন্থত আছে Lamia, Isabella, The eve of St. Agnes, Hyperion আদি কবিতা। Hyperion তেওঁৰ অৰ্দ্ধসমাপ্ত কবিতা। ইয়াৰ দুটা পদৰ বাহিৰে বাকী অংশ প্ৰশংসনীয় নহয়। "Keats was notoriously uneven. He was not a master of lyrical short poems in the senses, say that Blake was".

গ্ৰীক পুৰাণৰ পৰা সংগৃহীত বিষয়বস্তু লৈ Milton ৰ Lost paradise ৰ আৰ্হিত Hyperion কবিতা ৰচিত। Paradise lost ত Milton এ অভিজ্ঞতাক বেছি গুৰুত্ব দিছে কিন্তু কীট্‌ছে Hyperion কবিতাত অভিজ্ঞতাতকৈ কল্পনাহে বেছি গুৰুত্ব দিয়া যেন অনুমান হয়।

কীছ্‌ৰ কবিতাৰ ভিতৰত পাঁচটা কবিতাই তেওঁৰ কাব্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। সেই কেইটা হৈছে। Ode to Nightingale, Ode to Grecian urn, Ode to Automn, Ode to Melancholy আৰু Ode to Pshyche.

Ode to Nightingale আৰু Ode to Grecian urn কবিতা দুটা "Annals of fine Arts" ত প্ৰথম প্ৰকাশ পায়। Kilburn পথাৰত খোজকাঢ়ি ফুৰি থাকোতে তেওঁৰ বন্ধু Mr. Haydon ৰ আগত সুমধুৰ কণ্ঠেৰে এই কবিতা দুটা আবৃতি কৰি শুনাইছিল।

Ode to Melancholy কবিতাৰ প্ৰথম পাণ্ডু লিপিত তেওঁ আবেগ অনুভুতিৰ বিপৰীতে বিষন্নতাৰ লগত নিৰানন্দ আৰু শংকাৰ সম্পৰ্ক দেখুৱাব খুজিছিল।

তললৈ ওলমি পৰা ফুলৰ ওপৰত বৰষুণ দিয়া অথচ উচুপি থকা মেঘৰ দৰে, সেউজীয়া পাহাৰ ঢাকি ধৰাৰ ছাঁৰ দৰে যদি বিষাদ আৰু বেদনা নামি আহে "But when the melancholy fit shall fall Sudden from Heaven, like a weeping cloud

That fosters droop-headed flowers all And hides the green-hill in an April shroud" তেন্তে তাক শান্ত কৰিব পাৰে একমাত্ৰ ৰাতিপুৱা প্ৰস্ফুতিত গোলাপ নাইবা লৱণ যুক্ত বালিচৌৰ ৰামধেনুৰ।

"Then glut thy sorrow on a morning rose or on the rainbow of the salt sand-wave or on the wealth of globbed peonies"

বিষন্নতা আৰু মধুৰতাৰ মাজতে জীৱনৰ আনন্দ আৰু আনন্দৰ মাজতে বিষাদ-বিষন্নতা জড়িত থাকে। যদি তোমাৰ প্ৰেয়সীয়ে তোমাৰ ওপৰত খং দেখুৱাই তেন্তে তেওঁৰ হাতখন তোমাৰ হাতৰ মাজত বন্দী কৰি ৰাখিবা আৰু খং কৰিব দিবা। তুমি তাইৰ চকুযুৰিলৈ গভীৰ দৃষ্টিৰে চাই থাকিবা।

"Or if thy mistress some rich anger shows Imprison her soft hand and let her rave And feed deep deep upon her peerless eyes"

Ode to melancholy কবিতাত Keats ৰ ওপৰত Burton ৰ Anatomy of relancholy কবিতাৰ আংশিক প্ৰভাৱ পৰিছে। Burton ৰ মতে পৰিপূৰ্ণ আনন্দই বিষাদ, বেদনা। কিন্তু Keats এ সকলো আনন্দতে বিষাদ দেখা পাইছে।

Ode to Nightingale কবিতাত কবিয়ে নিষ্ঠুৰ বাস্তৱতাৰ পৰা আতৰি Nightingale চৰাইৰ আদৰ্শ ৰাজ্যত সোমাই পৰিব বিচাৰিছিল। এই কবিতা আছিল তেওঁৰ জীৱনৰ স্বতঃ স্ফূৰ্ত্ত প্ৰকাশ। Wentworth place ৰ বগৰী গছত Nightingale চৰাইজনীয়ে গান গোৱা শুনি তেওঁ মোহিত হৈছিল আৰু এই বেদনাদায়ক অথচ সুন্দৰ কবিতাটো ৰচিছিল। Nightingale চৰাইৰ গান শুনাৰ লগে লগে তেওঁৰ অন্তৰ বিষাদেৰে ভৰি পৰিল আৰু হিমশীতল মৌনতাই কঢ়িয়াই আনিলে অন্তহীন বেদনা। যেন চেতনা নাশক বিষ খাই তেওঁৰ চেতনা লুপ্ত হৈছে।

"My heart aches and a drowsy numbness pains My Sense, as though of Hemlock I had drunk"

এই কবিতাত তেওঁ জীৱনৰ করুণ দিশ এটা দাঙি ধৰিছে। সাংসাৰিক দুঃখ-বেদনাৰ পৰা তেওঁ পলাই ফুৰিব খুজিছে।

Nightingale ৰ সুখ দেখি কবিৰ হিংসা ওপজা নাই, কিন্তু তাইৰ সুখত সুখী হোৱাতোহে তেওঁ কামনা কৰিছে।

"But being too happy in thine happiness That thou light winged Dryad of the trees" এইয়া কেৱল কবিৰ ইচ্ছা নহয়, বাস্তৱ বেদনাৰ প্ৰতিফলনহে।

"That I might drink and leave the world Len seen
And with the fade away into the forest dim"

সুধা পান কৰি এই পাৰ্থিব জগত ত্যাগ কৰি Nightingale চৰাইৰ লগত অটব্য অৰণ্যত মিলি যাব পাৰিহেঁতেন, তেতিয়া হ'লে তেওঁ পাহৰি যাব পাৰিলেহেঁতেন এই অৱসাদ, দুঃখ বেদনা, চিন্তা আৰু এই সংসাৰ, য'ত মানুহে কেৱল শুনে পৰস্পৰৰ আৰ্তনাদ। এইয়া নিৰাশাৰ সংসাৰ য'ত সৌন্দৰ্য আৰু প্ৰেম ক্ষণস্থায়ী।

Where beauty cannot keep her lustrous eyes
Or new love pine at them beyond tomorrow.

সমালোচক সকলে যি ধৰণৰ মন্তব্য নিদিয়ক Keats ইংলেণ্ডৰ এজন বিখ্যাত কবি। ○○

## আচৰিত কিন্তু সঁচা

- পৃথিৱীত বহু কোটি মানুহ আছে যদিও পৃথিৱীৰ কোনো এজন মানুহৰেই আঙুলিৰ ছাপ আন এজনৰ সৈতে একে নহয়। আনকি সদৃশ যমজ সন্তানৰো আঙুলিৰ ছাপ ইজনৰ লগত সিজনৰ নিমিলে।
- শুনিলে আচৰিত যেন লাগিলেও এই কথা সঁচা যে বৰফ পৰিবেষ্টিত অঞ্চলত বসবাস কৰা এস্কিমোসকলেও ৰিফ্ৰিজাৰেটৰ ব্যৱহাৰ কৰে। খোৱা বস্তু যাতে গোট মাৰি বৰফ হৈ নাযায়, তাৰ বাবে ফ্ৰিজৰ সহায়ত সেইবোৰ ঠিক কৰি ৰাখিবলৈকে আধুনিক এস্কিমোসকলৰ মাজত ফ্ৰিজৰ ব্যৱহাৰ বহুল।
- হাঁহিলে মানৱ শৰীৰৰ প্ৰায় ৬৫০ ডাল পেশীৰ ভিতৰত প্ৰায় ১৫ ডালৰ পৰিশ্ৰম হয় আৰু ভ্ৰু কোঁচালে পৰিশ্ৰম হয় প্ৰায় ৬০ ডালৰ। সেয়ে ভ্ৰু কোঁচোৱাতকৈ হাঁহি থকাই ভাল।
- জন্মৰ সময়ত মানৱ শিশুৰ দেহত ৩৫০ ডাল ভিন ভিন হাড় থাকে। কিন্তু প্ৰাপ্তবয়স্ক মানুহ এজনৰ দেহত থাকে মাথোন ২০৬ ডাল হাড়। সদ্যজাত মানৱ শিশুৰ বাকীবোৰ হাড় নোহোৱা হয়নে? নহয়। লগ লাগি যোৱাৰ ফলতহে সংখ্যা কমি যায়।

# পদাৰ্থ বিজ্ঞানৰ কথা বতৰা

✍ ডঃ খলিলুৰ ৰহমান
অতিথি শিক্ষক, গুৱাহাটী বিশ্ববিদ্যালয়
প্ৰাক্তন মুৰব্বী অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ, মঙলদৈ মহাবিদ্যালয়

ৰবিবাৰ দুপৰীয়া। ভাত খোৱাৰ পিছত আৰামকৈ চকীত আধাশোৱা অৱস্থাত বহি টিভিত কিবা-কিবি চাই আছিলো। এনেতে বাহিৰত কোনোবাই 'ককাইটি ও ককাইটি' বুলি মতা যেন পালো। এলাহতে উঠিব মন যোৱা নাই যদিও উঠিলো। বাহিৰত ওলাই গৈ চালো, ভেবেলা। লগত এটি ল'ৰা। ভেবেলা ওচৰতে গাঁও এখনত থাকে। টাউনত 'কামলা' কাম কৰিব আহে। আমাৰ ঘৰতো মাজে সময়ে কাম কৰে। ড্ৰইং ৰুম খুলি সিহঁতক বহিব দিলো। 'হ'ব, হ'ব' বুলি ভেবেলাই মুঢ়া এটাকে টানি লৈ বহিল। লগত অহা ল'ৰাটোও আন এটা মুঢ়াত কুচমুচ খাই বহিল। ভেবেলাই পৰিচয় কৰাই দিলে। 'আমাৰ সৰু ল'ৰা নেছিম। এইবাৰ মেট্ৰিক পাচ কৰিছে।' গম পালো নেছিমে আমাৰ কলেজতে নাম লগাব খুজিছে আৰু তাৰ ইচ্ছা বিজ্ঞান শাখাত নাম লগোৱাৰ। এই বিষয়েই সিহঁতে মোৰ পৰামৰ্শ বিচাৰি আহিছে। কথা ওলাল পদাৰ্থ বিজ্ঞানৰ বিষয়ে। ভেবেলাই ক'লে 'ককাইটি, মই ইয়াক আৰ্টছতেই পঢ়িব কৈছিলো। সি পিছে নেৰে, ছাইঞ্চহে বোলে পঢ়িব। তাতে আকৌ ফিজিক্স বোলা বিষয়টো সি ল'ব খোজে। সেইটো বোলে বৰ টান বিষয়? আমি মুৰুখ মানুহ, এইবোৰৰ বিষয়ে একো নাজানো। সেইবাবেই কি ভাল হয় আপোনাক সুধিবলৈ আহিলো।

মই সিহঁতক আশ্বস্থ কৰি ক'লো 'ফিজিক্স বা পদাৰ্থ-বিজ্ঞান যে টান বিষয় সেয়া নহয়। যিবোৰ ল'ৰা ছোৱালীয়ে অঙ্ক আৰু বিজ্ঞান ভাল পায় সিহঁতৰ বাবে পদাৰ্থ-বিজ্ঞান তেনেই উজু হয়। সুধি গম পালো নেছিমে অৰ্থাৎ ভেবেলাৰ ল'ৰাটো ফাষ্ট ডিভিচনত অঙ্কত লেটাৰলৈ পাচ কৰিছে আৰু বিজ্ঞানতো বোলে অলপৰ কাৰণে লেটাৰ পোৱা নাই। এইখিনিতে ভেবেলাই ক'লে- 'ককাইটি, আপোনালোকৰ সেয়া পদাথি বিজ্ঞাননো কি? সেয়া পঢ়িলে কি শিকিব পাৰি?'

ভেবেলাৰ অনুসন্ধিৎসাত ভাল লাগিল। ক'লো 'চোৱা, প্ৰকৃতিত ঘটি থকা বিভিন্ন ঘটনাবোৰ আচলতে কি নিয়মত চলে তাৰে অধ্যয়নেই বহলভাবে পদাৰ্থ বিজ্ঞান বুলি ক'ব পৰা যায়। বহুকাল ধৰি দেশ-বিদেশৰ বিজ্ঞানীসকলে অশেষ কষ্ট আৰু সাধনাৰে প্ৰকৃতিৰ নিয়মৰ বহু কথা উলিয়াইছে। এতিয়াও পিছে উলিয়াবলগীয়া কথাবো কিন্তু ওৰ পৰা নাই। পৰিসৰ বাঢ়ি যোৱাত প্ৰকৃতিৰ কিছুমান বিষয়ৰ কথা— যেনে গছ-গছনি, প্ৰাণী, বিভিন্ন ৰাসায়নিক পদাৰ্থ আদি এইবোৰৰ কথা বিজ্ঞানৰ উদ্ভিদ বিজ্ঞান, প্ৰাণী বিজ্ঞান, ৰসায়ন বিজ্ঞান আদি আন কিছুমান শাখাত সামৰি লোৱা হৈছে। বৰ্তমানে পদাৰ্থ বিজ্ঞান বিভিন্ন ধৰণৰ শক্তিৰ অধ্যয়নতেই সীমাবদ্ধ কৰি ৰখা হৈছে বুলি ক'ব পাৰি। পদাৰ্থ-বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়বোৰ সাধাৰণতে কেইবাটাও ভাগত বিভক্ত কৰি অধ্যয়ন কৰা হয়।' —এই বুলি কৈ অলপ ৰ'লো। ভেবেলা আৰু নছিমে মোৰ মুখৰফালে চাই একান্তমনে কথাবোৰ শুনি আছিল। এইবাৰ নছিমে অলপ সেমেনা-সেমেনিকৈ মাত দিলে— 'ছাৰ, কথাবোৰ অলপ বহলাই ক'ব নেকি?'

'ও, ঠিক আছে। পদাৰ্থ বিজ্ঞানৰ বিভিন্ন শাখাবোৰৰ বিষয়ে অলপ আভাস দিলে কথাবোৰ ভালকৈ বুজিব পাৰিবা নেকি? শুনা বাৰু তেনেহ'লে' —এইবুলি কৈ মই আকৌ আৰম্ভ কৰিলোঁ।

'প্ৰকৃতিৰ বিভিন্ন পৰিঘটনা অধ্যয়ন কৰি পদাৰ্থ বিজ্ঞানী এজনে প্ৰথমতে এটা নিয়ম বা তত্ব চিন্তা কৰি উলিয়ায়। এই অধ্যয়ন যিমানে নিখুত আৰু নিৰ্ভুল হ'ব সিমানে তেওঁৰ সিদ্ধান্ত সঠিক হ'ব। এইবাবে পদাৰ্থ বিজ্ঞানত বিভিন্ন বস্তুৰ জোখ-মাখ অত্যন্ত গুৰুত্বপূৰ্ণ। এই কাৰণেই দৈৰ্ঘ্য, ভৰ, সময় আদি কি ধৰণে নিখুতভাৱে জুখিব পাৰি তাৰ অধ্যয়নৰেই প্ৰাথমিক পদাৰ্থ বিজ্ঞানৰ আৰম্ভনি কৰা হয়। তাৰ পিছত যান্ত্ৰিক পদাৰ্থ বিজ্ঞানৰ অধ্যয়ন হাতত লোৱা হয়।'

ভেবেলাই মাত লগালে— 'তাৰমানে, ককাইটি, গাড়ী-মটৰ, ধান-মিল, ট্ৰেক্টৰ এইবোৰৰ বিষয়ে নেকি?'

মই ক'লো, -'প্ৰায় তেনেকুৱাই। কিন্তু চিধাই সেইবোৰত নগৈ তাৰ গুৰিৰ কথা কিছুমান আলোচনা কৰা হয়। যেনে - গতি কি, বল কি, শক্তি কি, কাৰ্য কি, কেনেকৈ এইবোৰ জুখিব পাৰি - এইবোৰ কথা। মন কৰিবা এইবোৰ শব্দ আমি দৈনন্দিত জীৱনতো ব্যৱহাৰ কৰো; কিন্তু পদাৰ্থবিজ্ঞানত এইবোৰ নিৰ্দিষ্ট আৰু নিৰ্ধাৰিত অৰ্থহে ব্যৱহাৰ কৰা হয়।

নেছিমে লাহেকৈ মাত লগালে, — 'ছাৰ, কথাটো উদাহৰণৰ সৈতে বুজাই দিব নেকি?'

'ও, ভাল কথায়ে কৈছা। শুনা; মই আকৌ আৰম্ভ কৰিলো। 'ধৰা এজন মানুহে ডাঙৰ শিল এটা দিনটো ঠেলি আছে। ঠেলি ঠেলি ঘামি-জামি তেওঁ হায়ৰাণ হৈ গৈছে কিন্তু শিলটো লৰাব পৰা নাই। এই ক্ষেত্ৰত মানুহজনে কাৰ্য কৰিলে নে নাই? তোমালোকে কবা, -বেচেৰা ঠেলি ঠেলি ঘামি গৈছে। গতিকে অলপ হ'লেও কাৰ্য হৈছে। কিন্তু পদাৰ্থবিজ্ঞানৰ 'কাৰ্যৰ' সংজ্ঞা মতে বল প্ৰয়োগ কৰি লৰাব পাৰিলেহে কাৰ্য হ'ব। গতিকে এইমতে মানুহজনৰ দ্বাৰা কোনো কাৰ্য হোৱা নাই। ...... সি যি কি নহওঁক, যি কথা কৈ আছিলো। যান্ত্ৰিক পদাৰ্থ বিজ্ঞানত পদাৰ্থৰ গতি বিষয়ক সূত্ৰবোৰ, কাৰ্য, যান্ত্ৰিক শক্তি, ক্ষমতা, মাধ্যাকৰ্ষণ তথা মহাকৰ্ষণ, ঘূৰি থকা বস্তু, দুলি থকা বস্তু ঘৰ্ষণ আদি বিষয়ে আলোচনা কৰা হয়। তদুপৰি কঠিন, তৰল আৰু গেছীয় পদাৰ্থৰ সাধাৰণ ধৰ্মবো আলোচনা ইয়াত কৰা হয়।

'পদাৰ্থবিজ্ঞানৰ আন এটা গুৰুত্বপূৰ্ণ শাখা হৈছে বিদ্যুৎ। বিদ্যুৎ শক্তিৰ বিভিন্ন ব্যৱহাৰ তোমালোকেটো দেখিয়েই আছা। ব্যৱহাৰৰ ফালৰ পৰা সবাতোকৈ সুবিধাজনক শক্তি হৈছে বিদ্যুৎ। এন্ধাৰত পোহৰ দিবলৈ, গৰমত জুৰ পৰিবলৈ, ঠাণ্ডাত গৰম কৰিবলৈ, নাদৰ পৰা পানী তুলিবলৈ, টি ভি, ৰেডিঅ', টেপ ৰেকৰ্ডাৰ, ভিডিঅ'ৰে মনোৰঞ্জন কৰিবলৈ, টেলিফোন মোবাইলেৰে খবৰ পঠিয়াবলৈ, এক্সৰে-আলট্ৰাচাউণ্ডেৰে চিকিৎসাত সহায় কৰিবলৈ ইত্যাদি। ইয়াৰ এশ এটা ব্যৱহাৰ তোমালোকে দেখিয়েই আছা, কৰিয়েই আছা। এই বিদ্যুৎ কি, কেনেকৈ ইয়াক উৎপন্ন কৰিব পাৰি, কেনেকৈ ইয়াক জুখিব পাৰি, ই মূলত কি কি ক্ৰিয়া কৰিব পাৰে, ক্ৰিয়াবোৰ কি কি কামতনো ব্যৱহাৰ কৰিব পাৰি, পৰিৱৰ্তী বিদ্যুতে (এ চি) নো কি, বিদ্যুতেৰে কেনেকৈ ৰেডিঅ', টিভি চলে ইত্যাদি কথা এই শাখাত আলোচনা হয়।

তাৰপিছত, পোহৰ বিজ্ঞানৰ শাখাত পোহৰৰ ধৰ্ম কি, প্ৰতিফলন-প্ৰতিসৰণ কি আৰু ই কেনে নিয়ম মানি চলে, এইবোৰ নিয়ম জানি দূৰবীক্ষণ, অনুবীক্ষণ, কেমেৰা ইত্যাদি যন্ত্ৰ কেনেকৈ সাজিব পাৰি, চশমাৰ 'পাৱাৰ'নো কি, ৰঙা-নীলা, বগা-ক'লা ৰংবোৰনো কি, পোহৰনো দৰাচলতে কি, কিমান বেগেৰে ই চলে.... এইবোৰ কথা আলোচনা কৰা হয়। বিজ্ঞানীসকলো কোনো বস্তুৰ পৰা ওলোৱা পোহৰ বিশ্লেষণ কৰিয়েই ক'ব পাৰে তাত কি আছে। সূৰ্য্যত কি আছে, তৰাত কি আছে এই কথা এনে পদ্ধতিৰেই আমি জানিব পাৰিছো।'

ভেবেলাই ইমানপৰে মনে মনে শুনি আছিল। এতিয়া মাত লগালে 'হয়নে ককাইটি, মানুহে বোলে ৰকেটেৰে জোন-বেলিলৈকে গৈছে?'

কথা শুনি নেছিমে মিচিকিয়াই হাঁহি দেউতাকৰ ফালে চাই ক'লে 'আব্বাজান, মানুহে জোনলৈকেহে গৈছে; বেলিলৈকে যোৱা নাই নহয় আৰু বেলিলৈকে গ'লে মানুহঁতো পুৰি ছাঁই হৈ যাব, নহয় চাৰ?' নেছিমে সঁহাৰি বিচাৰি মোৰ মুখৰফালে চালে।

মই ক'লো, 'তুমি থিকেই কৈছা নেছিম, বেলি ইমান গৰম বস্তু যে তাৰ পৰা প্ৰায় পোন্ধৰ কোটি কিলোমিটাৰ দূৰত্বত থাকিও তাৰ পৰা অহা তাপ কেতিয়াবা আমাৰ বাবে অসহ্য হৈ যায়। গতিকে, তোমাৰ কথা যে সত্য সেয়া সহজেই অনুমান কৰিব পাৰি। এইখিনিতে মোৰ তাপ শক্তিৰ কথা মনলৈ আহিছে। পদাৰ্থ বিজ্ঞানৰ এয়া এক অন্যতম শাখা। এই শাখাত তাপনো কি, ইয়াক কেনেকৈ জুখিব পাৰি, ইয়াৰ প্ৰভাৱত কি কি হয়, এই শক্তি কেনেকৈ ব্যৱহাৰ কৰিব পাৰি, তাপ এঠাইৰ পৰা কেনেকৈ আন ঠাইলৈ যায় ইত্যাদি কথা আলোচনা কৰা হয়। মন কৰিবা, আমি ব্যৱহাৰ কৰা পেট্ৰ'ল-ডিজেল বা কয়লাৰে চলা ইঞ্জিনবোৰ দৰাচলতে তাপ ইঞ্জিনহে। এইবোৰত তেল-কয়লা পুৰি উৎপন্ন হোৱা তাপক যান্ত্ৰিক শক্তিলৈ ৰূপান্তৰিত কৰা হয়। বিজ্ঞানীসকলে কয় যে সকলো ধৰণৰ শক্তি অৱশেষত তাপ শক্তিলৈ ৰূপান্তৰিত কৰা হয়।' মই এইবাৰ নেছিমৰ ফালে চাই সুধিলো, 'তুমি বাৰু আৰু কিবা শক্তিৰ কথা জানানে?'

নেছিমে অলপ চিন্তা কৰি ক'লে, 'ছাৰ, শব্দও শক্তি নহয়জানো?'

'অৱশ্যেই', মই ক'লো। 'শব্দও যে এটা শক্তি বহুতৰে এই কথা মনলৈ নাহে। জোৰে শব্দ হোৱা ঢেৰেকনি বা ফটকা-বোমাৰ বিস্ফোৰণৰ শব্দত ঘৰৰ দুৱাৰ-খিৰিকি কঁপি যায়, কেতিয়াবা খিৰিকিৰ আইনা ফাটি নাযায় জানো? সি যি কি নহওক পদাৰ্থ বিজ্ঞানৰ শব্দ বিজ্ঞান শাখাত শব্দ কি, শব্দ কেনেকৈ উৎপন্ন কৰিব পাৰি, কেনেকৈ জুখিব পাৰি, বিভিন্ন উৎসৰ পৰা অহা শব্দৰ পাৰ্থক্য কি, বিভিন্ন মাধ্যমৰ মাজেৰে শব্দ কিমান বেগেৰে যায়, শব্দই সৃষ্টি কৰা সংগীত আৰু কোলাহলৰ পাৰ্থক্য কোনখিনিত এইবোৰ কথা আলোচনা কৰা হয়। লগতে আমি শুনিব নোৱাৰা শব্দ— যাক অতিশব্দ বা আলট্ৰাচাউণ্ড বোলা হয়- সেই বিষয়েই কিছু আভাসদিয়া হয়।

পেটত পাথৰ হ'লে তাৰ উমান পাবলৈ বা মাতৃগৰ্ভত কেঁচুৱাৰ অৱস্থান জানিবলৈ অতিশব্দৰ ব্যৱহাৰৰ কথা তোমালোকে জানায়ে চাগে।'

'এইবোৰৰ ওপৰিও চুম্বকত্বকো আন এবিধ শক্তি হিচাপে পদাৰ্থ বিজ্ঞানত অধ্যয়ন কৰা হয়। পিছে, বিদ্যুৎ আৰু চুম্বকত্ব ক'বলৈ গ'লে একেটা বস্তুৰেই ইপিঠি-সিপিঠি। বিদ্যুতেৰে চুম্বক বনাব পৰা যায়। আকৌ, চুম্বকৰ সহায়েৰে বিদ্যুৎ উৎপন্ন কৰিব পৰা যায়। নেছিমে এইবোৰ কথা ক্লাছত পাইছিলানে?' —নেছিমৰ ফালে চাই সুধিলো।

'হয় ছাৰ, এটা গজালৰ ওপৰত তাৰ এটা মেৰুৱাই তাঁৰ মাজেৰে বিদ্যুৎ পঠিয়ালে গজালটো চুম্বকত্ব প্ৰাপ্ত হয়। কিন্তু চুম্বকত্বৰ পৰা বিদ্যুৎ.... ছাৰ, এই কথা ক'ত আছে মনত পেলাব পৰা নাই।' —নেছিমে উত্তৰ দিলে।

'কিয়, ফেৰাডেৰ বিদ্যুৎ-চুম্বকীয় আৱেশ সূত্ৰ পঢ়া নাছিলা?' —মই আকৌ আৰম্ভ কৰিলোঁ। 'কোনো এটা তাঁৰৰ কুণ্ডলীৰ ওচৰত যদি এডাল চুম্বক অনা-নিয়া কৰা যায় তেনেহ'লে তেনেহ'লে কুণ্ডলীটোত এটি বিদ্যুৎ প্ৰৱাহ উৎপন্ন হয়। মাইকেল ফেৰাডেৰ এই যুগান্তকাৰী আৱিষ্কাৰৰ ফলতেই বৈদ্যুতিক জেনাৰেটৰ সজা সম্ভৱ হৈছে। বিয়াঘৰ বা দোকানৰ সৰু জেনাৰেটৰৰ পৰা আৰম্ভ কৰি বিদ্যুৎ উৎপাদন কেন্দ্ৰৰ বিশাল জেনাৰেটৰৰ সহায়েৰেই বিদ্যুৎ উৎপাদিত হয়। মুঠতে চুম্বকত্ব এনে এবিধ শক্তি যাক বৈদ্যুতিক শক্তিৰ লগতো সাঙুৰিব পাৰি। দৰাচলতে চুম্বকত্ব প্ৰতি পদাৰ্থৰে অণু-পৰমাণুবোৰতেই থাকে। বিদ্যুতৰো গুৰি পৰমাণুৰ ভিতৰত থকা অতি ক্ষুদ্ৰ ইলেক্ট্ৰন কণাবোৰ। ....এ, কথাতে কথা ওলায়। এই যে ইলেক্ট্ৰন কণাৰ কথা ক'লো এইবোৰ আৰু পদাৰ্থৰ অন্তৰতম অংশত থকা আন কণাবোৰৰ বিষয়ে পদাৰ্থ বিজ্ঞানৰ নৱতম শাখা হ'ল আধুনিক পদাৰ্থ বিজ্ঞান।' এনেতে ঘৰৰ মানুহজনীয়ে চাহ তিনিকাপ আৰু লগতে বিস্কুট কেইটামান লৈ সোমাই আহিল। সিহঁতক চাহ খাবলৈ দি ময়ো চাহৰ কাপত সোঁহা এটা মাৰিলো আৰু সামৰিবলৈ আগবাঢ়িলোঁ।

'যি কথা কৈছিলো, পদাৰ্থ বিজ্ঞানৰ নৱতম আৱিষ্কাৰবোৰকেই মূলত আধুনিক পদাৰ্থ বিজ্ঞান শাখাত সামৰি লোৱা হৈছে। পদাৰ্থৰ ক্ষুদ্ৰতম অংশ অণু আৰু পৰমাণু বুলি বিজ্ঞানীসকলে জানিছিল। কিন্তু ঊনৈশ শতিকাৰ শেষৰ পিনে ৰাডাৰফ'ৰ্ড নামৰ ব্ৰিটিছ বিজ্ঞানী এজনে প্ৰথম দেখুৱালে যে পৰমাণুবোৰ যাৰ ইংৰাজী নাম 'এটম' অৰ্থাৎ অকাট্য, সিও ভাঙি যায় আৰু তাৰ ভিতৰৰ পৰা ইলেক্ট্ৰন নামৰ এবিধ কণা ওলায়। ইয়াৰ পিছত পৰমাণুকলৈ আৰু বহু গৱেষণা চলিল আৰু প্ৰটন, নিউট্ৰন আদি কণাবোৰ আৱিষ্কাৰ হ'ল। এক্স-ৰে আৱিষ্কাৰ হ'ল। কিছুমান পদাৰ্থই কেতবোৰ ৰশ্মি বিকিৰণ কৰি নিজে নিজে ভাঙি গৈ আন পদাৰ্থত পৰিণত হোৱা পৰিঘটনা, —যাক তেজষ্ক্ৰিয়তা বোলা হয়, সেয়া আৱিষ্কাৰ হ'ল। ইমান দিনে ধ্ৰুৱ বুলি জানি থকা স্থান, কাল আৰু ভৰ এই তিনিওকে মহাবিজ্ঞানী আইনষ্টাইনে আপেক্ষিক বুলি দেখুৱাই দি মানুহৰ জগতৰ ধাৰণাকেই ওলট-পালট কৰি দিলে। তেওঁ আৰু দেখুৱালে যে ভৰ আৰু শক্তি একে বস্তুৰেই ইপিঠি-সিপিঠি। দ্বিতীয় মহাযুদ্ধত ব্যৱহৃত এটম বোমাৰ ধ্বংস-যজ্ঞত ইয়াৰ প্ৰমাণ দেখা পাই জগতবাসী হতভম্ব হৈ গ'ল।.....এইবোৰ কথা সামৰি হয় আধুনিক পদাৰ্থ বিজ্ঞান শাখাটো।' —মই অলপ ৰ'লো।

'তেনেহ'লে পদৰ্থ-বিজ্ঞানৰ কথা এইবোৰেই?', —চাহৰ পিছত আনি দিয়া তামোল চোবাই চোবাই ভেবেলাই সুধিলে।

'নাই, শেষ হোৱা নাই। পদাৰ্থ বিজ্ঞানৰ আৰু এটা শাখাৰ যথেষ্ট বিকাশ ঘটিছে আৰু নতুন নতুন প্ৰয়োগেৰে ই আধুনিক জীৱন যাত্ৰাৰ ই অবিচ্ছেদ্য অংগ হৈ পৰিছে। ৰেডিঅ', টি ভি, টেলিফোন, মোবাইল ফোন, কম্পিউটাৰকে আদি কৰি অসংখ্য যন্ত্ৰৰ মূল কথাৰ আলোচনা পদাৰ্থ বিজ্ঞানৰ যিটো শাখাৰ অন্তৰ্ভুক্ত তাৰ নাম ইলেক্ট্ৰ'নিকচ্। চিকিৎসা-বিজ্ঞান, যোগাযোগ ব্যৱস্থা, কৃত্ৰিম উপগ্ৰহ ব্যৱস্থা, ঘৰত ব্যৱহাৰ কৰা বিভিন্ন আহিলা, আধুনিক পুতলা আদি বহু দিশত দিনক দিনে ইয়াৰ ব্যৱহাৰ বাঢ়িয়েই আছে। ইয়াৰ উপৰিও কঠিন পদাৰ্থক লৈ চলিড্ষ্টেট ফিজিক্স, জ্যোতিষ্ক আৰু জগতৰ সৃষ্টি আদি কথালৈ এচ্‌ট্ৰ'ফিজিক্স, অতি ক্ষুদ্ৰ বস্তুৰ বিষয়ে নেন'ফিজিক্স, ইলেক্ট্ৰ'ন-প্ৰটন-কোৱাৰ্ক আদি কণাৰ বিষয়ে পাৰ্টিকলফিজিক্স, কোৱাণ্টাম বলবিদ্যাক লৈ কোৱাণ্টাম ফিজিক্স আদি পদাৰ্থ বিজ্ঞানৰ নৱতম শাখাৰ সৃষ্টি হৈছে আৰু হৈ আছে।

ভেবেলাৰ আৰু কাম আছিল চাগে। সি ক'লে, 'ককাইটি, কেইটা বাজিল?' মই ঘড়ী চাই সময়টো কৈ দিয়াত সি ক'লে, 'ককাইটি, আজি আমি উঠো। পিছে ল'ৰাটোক চাইঞ্চত দিব লাগিব আৰু আপোনালোকৰ পদাৰ্থ বিজ্ঞান বোলা বিষয়টো তাক পঢ়িব দিবই লাগিব। এইবোৰ কথা নাজানিলে সিহঁতে জগতখনৰনো কি জানিব?'

দেখিলো, কথা শুনি নেছিমৰ মুখখন উজ্জ্বল হৈ উঠিছে।OO

# পৰিৱেশ আৰু নাগৰিকৰ কৰ্তব্য

✍ মতিৰাম মেধি
জ্যেষ্ঠ প্ৰবক্তা, ভূগোল বিভাগ

আমাৰ চাৰিওফালে বিৰাজমান জৈৱ, অজৈৱ সকলো ধৰণৰ বস্তুকে সামৰি পৰিৱেশ বুলি কোৱা হয়। পৰিৱেশ শব্দৰ সহজ অৰ্থ হৈছে- এটা ব্যৱস্থাত নিহিত উপাদান সমূহৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক। পৰিৱেশৰ ইংৰাজী প্ৰতিশব্দ "Environment" শব্দটো ফৰাছী ভাষাৰ "Environner" ৰ পৰা অনা হৈছে। ১৯৮৬ চনত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পৰিৱেশ সুৰক্ষা আইনে "Environment" protection Act,1986) দিয়া সংজ্ঞামতে 'আমাৰ চৌপাশে থকা ভূমি, বায়ু, পানী আদিৰ মাজত থকা আন্তঃ সম্পৰ্ক আৰু মানুহ, জীৱজন্তু আৰু সম্পত্তি আদিৰ সম্পৰ্কই হৈছে পৰিৱেশ' (Environment in the sum total of air, water and land, interrelationship among themselves and also with human beings, other living organism and property). এটা পৰিৱেশৰ প্ৰধান উপাদান তিনিটা হ'ল-(১) অজৈৱ উপাদান (২) জৈৱ উপাদান আৰু (৩) শক্তি উপাদান। অজৈৱ উপাদানক আকৌ তিনিটা ভাগত ভগোৱা হৈছে- এই তিনিটা ক্ৰমে ভূমণ্ডল, জলমণ্ডল আৰু বায়ুমণ্ডল। ভূপৃষ্ঠৰ উদ্ভিদ আৰু প্ৰাণীৰ সমষ্টিয়েই হ'ল জৈৱ উপাদান। সেইদৰে সৌৰশক্তি, বৈদ্যুতিক শক্তি, আনৱিক শক্তি আদিয়েই হৈছে শক্তি উপাদান।

পৰিৱেশ সাধাৰণতে দুই ধৰণে ভাগ কৰা হয়। প্ৰাকৃতিক পৰিৱেশ আৰু মানৱ পৰিৱেশ। প্ৰকৃতিৰ দ্বাৰা যি পৰিৱেশ সৃষ্টি হয় তাকেই প্ৰাকৃতিক পৰিৱেশ বোলে। প্ৰকৃতিৰ অবয়ব সমূহে এনে এক অৱস্থানত থাকে য'ত বিভিন্ন উপাদানসমূহ সম্পৰ্কীত হৈ থাকে। উদাহৰণ স্বৰূপে মাটিয়ে গছ-গছনিক আহাৰ পানী যোগায়, গছ-গছনিয়ে জীৱ জন্তুক আশ্ৰয় দিয়ে, ভূমিক্ষয় ৰোধ কৰে আৰু কাৰ্বন-ডাই-অক্সাইড গেছ শোষণ কৰে। জীৱ-জন্তু আৰু মানুহে সৃষ্টি কৰা পৰিৱেশই হৈছে মানৱ সৃষ্ট পৰিৱেশ। মানুহে সৃষ্টি কৰিবও পাৰে বা ধ্বংস কৰিবও পাৰে কাৰণেই মানুহ পৰিৱেশৰ আটাইতকৈ শক্তিশালী উপাদান। মানৱ সৃষ্ট পৰিৱেশত যান-বাহন, প্ৰযুক্তি বিদ্যা, গৃহ নিৰ্মাণ কৃষি সঁজুলি, বান্ধ নিৰ্মাণ, উদ্যোগীকৰণ, কম্পিউটাৰ পদ্ধতি আদি অন্তৰ্ভূক্ত হৈছে।

এখন ঠাইৰ প্ৰাকৃতিক আৰু মানৱ সৃষ্টি পৰিৱেশে মানুহৰ জীৱন যাত্ৰাত যথেষ্ট প্ৰভাৱ পেলায়। বিশেষকৈ ঠাইখনত বসবাস কৰা লোকসকলৰ কৰ্ম পদ্ধতি, কৰ্মশক্তি অৰ্থনীতি, বৰ্ণ, পোচাক-পৰিচ্ছদ, আহাৰ, বসবাস কৰা প্ৰণালী আৰু চিন্তা-চৰ্চাত পৰিৱেশৰ প্ৰভাৱ স্পষ্টভাৱে দেখিবলৈ পোৱা যায়। আৰব মৰুভূমিৰ তপত বালিৰ মাজৰ বেদুইনসকল, টিয়েচান পৰ্বত আৰু পামিৰ মালভূমিৰ ভ্ৰাম্যমান খিৰগিজ লোকসকল, উত্তৰপূৰ ভাৰতৰ আপাটানি, মিচিমি, ডফলা, নগা আদি জনজাতিসকলক প্ৰাকৃতিক পৰিৱেশেই তেওঁলোকৰ কৰ্মপন্থা নিৰ্ধাৰণ কৰি দিছে। ভূ-পৃষ্ঠত প্ৰাণী, উদ্ভিদ আৰু অনুজীৱ সমূহ জীয়াই থাকিবলৈ অজৈৱিক উপাদান যেনে পানী, মাটি, পোহৰ, তাপ, বায়ু আদিৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল হয় আৰু সিবিলাকৰ লগত সম্পৰ্ক স্থাপন কৰিব লগীয়া হয়। সেয়ে জৈৱিক উপাদান সমূহৰ অজৈৱিক উপাদান সমূহৰ লগত থকা এই সম্বন্ধৰ বিজ্ঞান সন্মত অধ্যয়নকে পৰিস্থিতি বিজ্ঞান (Ecology) বুলি কোৱা হয়। জাৰ্মানীৰ প্ৰাণী বিজ্ঞানী Ernst Heackel লে ১৯৬৬ চনত ব্যৱহাৰ কৰা "Ockogie" শব্দটিৰ পৰাই Ecology নামটি অহা বুলি জনা যায়। "Ecology শব্দটি দুটা গ্ৰীক শব্দৰ পৰা সৃষ্টি হৈছে- "Oikos" শব্দৰ অৰ্থ ইংৰাজীত "House" অৰ্থাৎ বাসস্থান বুজায় " Logos" শব্দই অধ্যয়নক বুজায়। কোনো এটা অঞ্চলৰ জীৱবোৰ আৰু সিহঁতৰ পৰিসীমাত থকা প্ৰাকৃতিক আৰু আন আন অৱয়ৱ সমূহৰ সম্পৰ্কৰ লগত সামঞ্জস্য ৰাখি কৰা অধ্যয়নেই পৰিস্থিতি বিজ্ঞান। এই অধ্যয়নৰ দ্বাৰা পৰিৱেশে জীৱবোৰৰ ওপৰত কেনেদৰে ক্ৰিয়া কৰে; এটা প্ৰজাতিয়ে আন এটা প্ৰজাতিৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলাই বা ক্ৰিয়া কৰে সেই বিষয়ে আলোচনা কৰা হয়। এই আলোচনাত প্ৰাণীবোৰৰ বিষয়ে প্ৰধান আলোচ্য বিষয় হৈছে ইহঁতৰ আবাসভূমি (Habitat) আৰু কাৰ্যকলাপৰ ক্ষেত্ৰ (Niche) অৰ্থাৎ এই অধ্যয়নত কোনো এটা অঞ্চলত বসবাস কৰা প্ৰাণীসমূহে পৰিৱেশৰ লগত কোনেধৰণে অৱস্থান কৰিছে তাকে প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰা হয়।

পৰিস্থিতি বিজ্ঞান অধ্যয়ন কৰোতে মন কৰিবলগীয়া প্ৰধান বিষয়টি হৈছে পৰিস্থিতি তন্ত্ৰ (Ecosystem)। এই পৰিস্থিতি তন্ত্ৰ হ'ল- পৰিৱেশৰ জৈৱিক আৰু অজৈৱিক উপাদান বিলাকৰ একত্ৰীকৰণৰ ফলত সৃষ্টি হোৱা এক 'তন্ত্ৰ'। অৰ্থাৎ এখন বাসভূমিত বসবাস কৰা জীৱৰ সমষ্টি আৰু ভৌতিক

কাৰকবোৰ একেলগে ইটোৱে সিটোৰ লগত ক্ৰিয়া কৰি পৰিস্থিতি তন্ত্ৰৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে আমাৰ পৃথিৱীখন এক বৃহৎ পৰিস্থিতি তন্ত্ৰ হিচাপে ধৰিব পাৰি। কিয়নো পৃথিৱীত থকা জৈৱ উপাদান যেনে প্ৰাণী, উদ্ভিদ, অনুজীৱ আদিয়ে অজৈৱিক উপাদান পানী, মাটি বায়ু আদিৰ লগত পৰস্পৰে ক্ৰিয়া কৰি জৈৱ বৈচিত্ৰতাৰ (Biodiversity) সৃষ্টি কৰি আহিছে। এই বৃহৎ পৃথিৱীখনক একেলগে অধ্যয়ন কৰাটো সম্ভৱ নহয় বাবেই পৰিবেশ বিজ্ঞানীসকলে পৃথিৱীৰ পৰিস্থিতি তন্ত্ৰক- অৰণ্য, মৰুভূমি, তৃণভূমি, জলজ পৰিস্থিতি তন্ত্ৰ ইত্যাদি ভাগ কৰি লৈ পৰিবেশ অধ্যয়ন কৰিছে। পৰিস্থিতি তন্ত্ৰৰ চাৰিটা উপাদান থাকে (১) অজীৱী পদাৰ্থ(abiotic substances) পানী, কাৰ্বন-ডাই-অক্সাইড, অক্সিজেন, নাইট্ৰ'জেন, ফচফৰাচ, পটাচিয়াম, কেলচিয়াম আদি। (২) উৎপাদক (Producers) সেউজীয়া গছ-গছনি, শেলুৱৈ আদি (৩) উপভোক্তা (Consumers) সকলো প্ৰাণী (তৃণভোজী, মাংসভোজী, সৰ্বভোজী) আৰু (৪) বিয়োজক (Deconposer) ভেঁকুৰ, বেক্টেৰিয়া আদি অনুজীৱবোৰ।

পৃথিৱীৰ সভ্যতাৰ আৰম্ভণীৰ লগে লগেই মানুহে পৰিবেশৰ সুন্দৰ অৱস্থানত হস্তক্ষেপ আৰম্ভ কৰে। গছ-বন কাটি ধ্বংস কাৰ্য আৰম্ভ কৰে আৰু জীৱিকাৰ বাবে জীৱজন্তু হত্যা আৰম্ভ কৰে। এই কাৰ্য্যৰ ফলত পৰিবেশ দূষিত হোৱাৰ লগতে বহুতো উদ্ভিদ আৰু প্ৰাণী চিৰদিনৰ বাবে পৃথিৱীৰ বুকুৰ পৰা হেৰাই গৈছে আৰু জৈৱবৈচিত্ৰৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে। কালক্ৰমত পৃথিৱীত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতি ঘটিল, উদ্যোগৰ ক্ৰমপ্ৰসাৰণ হ'ল, যান বাহন ব্যৱহাৰ হ'ল ফলত পৰিবেশৰ ওপৰত অধিক চাপ পৰি ই বিঘ্নিত হ'ব ধৰিলে। সেইদৰে বনাঞ্চল ধ্বংসৰ ফলত মৰুকৰণ (Desertification), ভূমিক্ষয় (Soilerosion) জীৱ বৈচিত্ৰৰ হ্ৰাস Reduction in Biodiversity), বায়ুমণ্ডলৰ অৱস্থাৰ বিসংগতি (Disturbance of atmosphere), বানপানীৰ প্ৰকোপ বৃদ্ধি (inpact of flood Hazards) প্ৰভৃতি অনেক পাৰিপাৰ্শ্বিক অৱস্থাৰ কাৰণ বুলি গণ্য কৰা হৈছে। এই ধৰণৰ পাৰিপাৰ্শ্বিক অৱক্ষয় ঘটি থাকিলে ভৱিষ্যতে অন্যান্য জীৱৰ লগতে পৃথিৱীৰ মানুহৰো বসবাসৰ বাবে সম্পূৰ্ণ অনুপযোগী হৈ পৰিব। সেই বাবেই গোলকীয় ভিত্তিত পোন প্ৰথম বাৰৰ বাবে পৰিবেশ সংৰক্ষণৰ গুৰুত্ব সম্পৰ্কত আলোচনা কৰিবলৈ চুইডেনৰ ষ্টকহম চহৰত ১৯৭২ চনত ৫ জুনত বিশ্বৰ ১১২খন ৰাষ্ট্ৰৰ মুৰব্বীসকল মিলিত হয়। ইয়াৰ পিছৰ পৰাই ৫ জুন তাৰিখটো বিশ্ব পৰিবেশ দিৱস হিচাপে পালন কৰি অহা হৈছে।

পৰিবেশ সংৰক্ষণ আৰু সুৰক্ষা কৰাটো প্ৰতিজন ভাৰতীয় নাগৰিকৰে মৌলিক কৰ্তব্য হিচাপে আমাৰ সংবিধানে চিহ্নিত কৰিছে। ভাৰত চৰকাৰে ১৯৮৬ চনৰ ১৯ নৱেম্বৰৰ পৰা 'পৰিবেশ সুৰক্ষা আইন' বলবৎ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰক পৰিবেশ সংৰক্ষণ তথা উন্নতিৰ বাবে সৰ্বোচ্চ ক্ষমতা প্ৰদান কৰিছে।

চৰকাৰে গ্ৰহণ কৰা পৰিবেশ আইনখন ভাৰতৰ সকলো ৰাজ্যতে সমানে প্ৰযোজ্য হৈছে। কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা এই আইনখনত পৰিৱেশ সংৰক্ষণৰ বাবে ৰাজ্যচৰকাৰ সমূহে মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰিছে। এই আইনৰ মূল ভূমিকাবোৰ হ'ল।

১) মাটি, পানী আৰু বায়ুমণ্ডলৰ মানদণ্ড বজাই ৰখা।

২) শব্দকে ধৰি অন্যান্য প্ৰদূষণসমূহ এক নিৰ্দিষ্ট সীমালৈহে সৃষ্টি কৰিবলৈ অনুমতি দিয়া আৰু ইয়াৰ বাবে উপযুক্ত ব্যৱস্থা হাতত লোৱা যাতে প্ৰদূষণৰ পৰিমাণ অনুমোদিত সীমাতকৈ অধিক নহয়।

৩) ক্ষতিকাৰক আৰু মাৰাত্মক পদাৰ্থবোৰ উপযুক্তভাৱে ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰা।

৪) পৰিবেশ প্ৰদূষিত হ'ব পৰা দুৰ্ঘটনাৰ পৰা হাত সাৰি থাকিবলৈ আগতীয়া প্ৰতিৰোধী ব্যৱস্থা কৰা।

পৰিবেশ সুৰক্ষা আইন, ১৯৮৬ ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে বিপদমুক্ত আৱৰ্জনা ব্যৱস্থাপন আৰু ব্যৱহাৰ ১৮ বিধ, ১৯৮৯ (Hazardous Wastes Management and Handling Rule, 1989) ও বলবৎ কৰিছে। উক্ত আইনমতে বিধ বিপদজনক পেলনীয়া দ্ৰব্য চিনাক্ত কৰা হৈছে আৰু এই দ্ৰব্যৰ গৰাকী ইয়াৰ ফলত সৃষ্টি হ'ব পৰা যিকোনো সাম্ভাব্য বিপদৰ বাবে দায়ী হ'ব।

ভূ-পৃষ্ঠৰ বিভিন্ন স্থানত প্ৰাকৃতিক পৰিবেশৰ লগত মানুহৰ অনুকুলন সম্ভৱ হৈছে যদিও কোনো এটা অঞ্চলৰ মানুহৰ জীৱন যাত্ৰা প্ৰাণালীত তেওঁলোকৰ বুদ্ধি, কৰ্মদক্ষতা আৰু বিচক্ষণতাৰ প্ৰকৃত পন্থা নিৰ্ধাৰণ কৰে 'সংস্কৃতিয়েহে'। ফৰাচী ভূগোলবিদ Vidal dela Blache য়ে পৰিবেশ সম্পৰ্কত কৈছে Environment provies man with a number of possibilities and man choses how he wants to live in. The Choice is determined by man's culture. It is the culture through which man tries to adopt himself to a particular enviroment. পৰিবেশৰ মাজত বিভিন্ন সম্পদৰাজি ব্যৱহাৰ

কৰি এখন ঠাইৰ উন্নয়নৰ বিভিন্ন দিশ মুখ্যভাবে ঠাইখনৰ মানুহৰ কৰ্ম সংস্কৃতিয়েহে নিৰ্ধাৰণ কৰে। সেয়ে, পৰিবেশ বিজ্ঞানী সকলে প্ৰধানকৈ সংস্কৃতি আৰু পৰিবেশৰ মাজৰ সম্পৰ্ক উপলব্ধি কৰি সাংস্কৃতিক পৰিস্থিতি (Cultural ecology) সম্পৰ্কে মত দাঙি ধৰিছে। এই সন্দৰ্ভত J. steward (1968) নামৰ বিজ্ঞানীজনে কোৱা এষাৰ কথা বিশেষভাৱে উল্লেখযোগ্য। তেওঁ কৈছে Cultural ecology is the study of the processes by which a society adopts to its environment.

এতিয়া এখন গাঁৱৰ পৰিবেশৰ কথাকে ধৰা হওঁক। গাঁওখনৰ পৰিবেশ তাত থকা মানুহ, বিদ্যালয়, গছ-গছনি যাতায়ত, বজাৰ, পথাৰ-সমাৰ আদিৰ মাজৰ সম্পৰ্কৰ কথাকে বুজাব। গাঁওখনত খেতিবাতি কৰিব পৰা পথাৰ-সামৰ যদি আছে, পঢ়া শুনা কৰাৰ বাবে বিদ্যালয় যদি আছে, ভাল যাতায়ত ব্যৱস্থা যদি আছে, গছ-গছনিৰে সুশোভিত যদি সেউজীয়া পৰিবেশ থাকে, কৃষিজাত সামগ্ৰী বেচা-কিনাৰ বাবে যদি এখন বজাৰ থাকে; তেনেহ'লে গাঁওখনৰ পৰিবেশ আমি ভাল বুলি কম। কিন্তু এই উপাদানসমূহৰ লগত গাওঁখনৰ মানুহৰ মানসিকতাৰ প্ৰশ্নও জড়িত হৈ থাকে। যদি তেওঁলোকে গছ-গছনিবোৰ কাটি শেষ কৰে, জলাশয়বোৰ পুতি পেলায়, পৰস্পৰৰ মাজত দ্বন্দ-খৰিয়াল হয়, মাদক দ্ৰব্য সেৱন কৰে, ডাঙৰৰ লগত সৰুৰ মত পাৰ্থক্য হয়, তেতিয়া সেই গাঁওখনৰ পৰিবেশ ভাল বুলিব নোৱাৰি। সেয়ে, পৰিবেশৰ লগত কেৱল পাৰ্থিৱ উপাদান সমূহেই নহয় মানুহৰ মানসিকতা বা সাংস্কৃতিক ভাৱধাৰাহে প্ৰধানকৈ জড়িত হৈ থাকে। যাৰ বাবে ঠাইখনত বসবাস কৰা নাগৰিকসকল দায়বদ্ধ হৈ থাকে।

মানুহৰ চিন্তাধাৰা আৰু স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলোৱা ভৌতিক সামাজিক আৰু জৈৱিক পৰিবেশৰ ভিতৰত সামাজিক পৰিবেশে নিৰ্দিষ্টভাৱে মানসিকতাৰ সৃষ্টি কৰিব পাৰে। এই পৰিবেশে সাধাৰণতে অন্ধবিশ্বাস, গোড়ামি, পৰস্পৰৰ মাজত সহযোগিতা নথকা, লিখা-পঢ়া আদি সময়মতে নকৰা, নিৰ্দ্ধাৰিত বয়সৰ আগতে বা পিছত বিয়াবাৰু কৰোৱা, মাদক দ্ৰব্য সেৱন কৰা, চিনেমা টি ভি আদিত অধিক মনযোগ দিয়া বা প্ৰয়োজনীয় কাম কাজ ঠিকমতে নকৰাৰ বাবেই মানুহৰ মানসিকতাই কেতিয়াবা অন্যৰূপো লব পাৰে। অৱশ্যে কোনো সম্পদৰাজিৰ স্থানীয়ভাৱে ব্যৱহাৰ নোহোৱা বা নিশ্চিত প্ৰাপ্যৰ পৰা বঞ্চিত হ'লেও মানুহে প্ৰাপ্যৰ বাবে সংঘবদ্ধ হৈ প্ৰচেষ্টা হাতত লব পাৰে আৰু ই প্ৰয়োজনীয়ও।

বৰ্তমান মাজে-সময়ে সমাজত গঢ় লৈ উঠা যুৱ মানসিকতাৰ বাবে অৱশ্যে ভৌগোলিক বা প্ৰাকৃতিক পৰিবেশকে দায়ী কৰিব নোৱাৰি। কোনো এখন ঠাইৰ পৰিবেশৰ বিভিন্ন উপাদানৰ লগতে মানুহে সৃষ্টিকৰা কৃষ্টি আৰু সাংস্কৃতিক চিন্তা ধাৰাইহে ইয়াৰ প্ৰধান কাৰণ হ'ব। আগতে উল্লেখ কৰা গাঁওখনৰ মানুহখিনিয়ে যদি পৰিবেশে প্ৰদান কৰা উপাদানসমূহ উপযুক্ত ব্যৱহাৰেৰে উৎপাদনমুখী সংস্কৃতি গঢ়ি তুলিব পাৰে তেনেহ'লে যুৱ মানসিকতাইও কেতিয়াও অন্য ৰূপ লব নোৱাৰিব। এই সংস্কৃতিয়ে তেওঁলোকক কঠোৰ পৰিশ্ৰমী আৰু নিপুন নাগৰিক হোৱাত সহায় কৰিব। কাৰণ এইটো পৰিলক্ষিত হৈছে যে প্ৰাকৃতিক পৰিবেশৰ উপাদান সমূহেই মানুহৰ কৰ্মসংস্কৃতি আৰু অৰ্থনীতিৰ বুনিয়াদ ৰচনা কৰিছে।

নিয়োগবা কৰ্মসংস্থানো যুৱ সমাজৰ বাবে একান্তভাৱে প্ৰয়োজনীয়। নিয়োগ ব্যৱস্থা সঠিক হ'লে সমাজৰ ব্যক্তি এজনে নিজে সবল হোৱাৰ লগতে ক্ৰয় ক্ষমতাও লাভ কৰিব। মনত অধিক শক্তি আৰু আনন্দ পাব। কাম কৰাৰ সু-ব্যৱস্থা থাকিলে বা কাম কৰাৰ সুবিধা পালে মানুহে নিজৰ কামৰ উপৰিও সমাজৰো কাম কৰি সুনাম অৰ্জন কৰিব পাৰিব। আনহাতে কাম কৰাৰ সু-ব্যৱস্থা নাথাকিলে অৰ্হতাসম্পন্ন যুৱক-যুৱতী সকলো হতাশাগ্ৰস্ত হৈ কেতিয়াবা বিপথে পৰিচালিত হ'ব পাৰে। মানসিক অশান্তিত ভুগি ৰাগিয়ালবস্তু সেৱন কৰি অসামাজিক কাম-কাজত লিপ্ত হ'বও পাৰে। সেয়ে, পৰিবেশ আৰু সংস্কৃতিৰ সম্পৰ্ক উপলব্ধি কৰি সম্পদসমূহক উপযুক্তভাৱে ব্যৱহাৰ কৰি উচ্চ মানৰ সাংস্কৃতিক পৰিবেশ গঢ়াৰ বাবে সকলোৱে আঁচনি লব লাগিব। এই আঁচনিত পৰিবেশৰ অন্যান্য সম্পদৰাজিৰ লগতে মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বিজ্ঞান সন্মত দিশ সন্নিবিষ্ট হ'ব লাগিব।

শেষত আমাৰ গাঁও অঞ্চলৰ এখন শৈক্ষিক স্কুলৰ পৰিবেশ দাঙি ধৰা হ'ল। এখন স্কুলৰ পৰিবেশ বুলি কওঁতে স্কুল ঘৰটিৰ লগতে এখন আহল বহল খেল পথাৰ, সন্মুখত ফুলৰ বাগিছা, স্বাস্থ্যসন্মত পৰিবেশ, অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী আৰু যথেষ্ট ছাত্ৰ-ছাত্ৰী থাকিলেই নহ'ব। তাত থাকিব লাগিব শিক্ষক ছাত্ৰৰ মাজৰ আন্তৰিক সম্পৰ্ক, শিক্ষকৰ উপদেশ মানি ছাত্ৰ-ছাত্ৰীয়ে সকলো কামতে অংশ গ্ৰহণ কৰি পৰীক্ষাত ভাল ফলাফল দেখুৱাব লাগিব। পৰীক্ষা গৃহত অসৎ উপায় অবলম্বন কৰিব নালাগিব। কাৰণ পৰিবেশ শব্দটিৰ লগতে নৈতিক কথাটিও সদায় জড়িত হৈ থাকে। ○○

# অসমত ক্ষুদ্ৰ উদ্যোগীকৰণৰ প্ৰয়োজনীয়তা

✍ উমেশ চন্দ্ৰ শৰ্মা
প্ৰৱক্তা

২০০১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি অসমৰ মুঠ নিবনুৱাৰ সংখ্যা প্ৰায় ১৯ লাখ ২০ হাজাৰ, যত শিক্ষিত নিবনুৱাৰ সংখ্যা প্ৰায় ১০ লাখ ১৭ হাজাৰ। প্ৰতি বছৰে নিবনুৱাৰ সংখ্যা বাঢ়ি আছে আৰু এই সমস্যাৰ জটিলতাই হতাশগ্ৰস্ত যুৱকসকলক বন্দুকৰ কৃষ্টি (Gun culture) আৰু সহজ ধন (Easy Money) ৰ প্ৰতি ঢাল খুৱাইছে।

বৰ্তমান অৰ্থনৈতিক পৰিস্থিতিত অসমৰ উন্নতিৰ বাবে তথা সৰ্বনাশী নিবনুৱা সমস্যা সমাধানৰ হকে ক্ষুদ্ৰ ব্যৱসায় তথা উদ্যোগ স্থাপনে যে এক যোগাত্মক ভূমিকা লব পাৰে সেই বিষয়ে কোনো সন্দেহ নাই। চৰকাৰে ইতিমধ্যে শিক্ষিত বা অশিক্ষিত যুৱকক নতুনকৈ কৰ্মসংস্থাপন দিবলৈ অপৰাগ বুলি ঘোষণা কৰি থৈছে। এনে পৰিস্থিতিত আত্মসংস্থাপনৰ বিকল্প নাই। চামে চামে উঠি অহা নতুন প্ৰজন্মক কৰ্মমুখী কৰিবৰ বাবে চৰকাৰী চাকৰিৰ মায়াজালৰ পৰা মুক্ত হৈ স্বাৱলম্বী হ'বলৈ উৎসাহ প্ৰদান কৰিব লাগিব। এনে প্ৰচেষ্টাত চাকৰি মুখাপেক্ষী অসমীয়া সমাজৰ সংস্কৃতিয়ে শ্ৰমক যথোচিত মৰ্যাদা দিবলৈ শিকিব লাগিব। অসমৰ যুৱক-যুৱতীয়ে স্বাৱলম্বী হোৱাৰ বাবে ক্ষুদ্ৰ ব্যৱসায় তথা উদ্যোগ স্থাপন কৰাৰ উপৰি বিভিন্ন সেৱা ক্ষেত্ৰটো অংশীদাৰ হ'ব লাগিব। তেতিয়াহে প্ৰকৃতাৰ্থত অসমৰ উন্নতিৰ হকে এক আন্দোলন গঢ়ি তোলা হ'ব।

অসমৰ নিবনুৱা সমস্যাৰ প্ৰধান কাৰণ হিচাপে আমি মূলতঃ অত্যাধিক জনসংখ্যা বৃদ্ধি আৰু ঔদ্যোগিক অনগ্ৰসৰতা কেইধৰিব লাগিব। ইয়াৰ উপৰি চৰকাৰী বা বেচৰকাৰী ক্ষেত্ৰত চাকৰিৰ অভাৱ, আত্ম সংস্থাপনৰ বাবে বেংক বা আন আন বিত্তীয় অনুষ্ঠানৰ ঋণ দিয়াৰ ক্ষেত্ৰত ঋণাত্মক ভূমিকা, পুৰণিকলীয়া কৃষি পদ্ধতি, যৌথ পৰিয়াল ব্যৱস্থা, প্ৰচলিত শিক্ষা ব্যৱস্থা বৃত্তিগত অনুষ্ঠানৰ অভাৱ, উদ্যোগিক ভাৱাপন্ন ব্যক্তিৰ অভাৱ অস্থিৰ আইন-শৃঙ্খলা পৰিস্থিতি ইত্যাদিকে ধৰিব লাগিব।

অসমৰ বৰ্তমান ক্ৰমবৰ্দ্ধমান জনসংখ্যাই এক গভীৰ সমস্যাৰ সৃষ্টি কৰিছে। তাৰোপৰি ওচৰ চুবুৰীয়া দেশৰ পৰা হোৱা প্ৰব্ৰজনেও ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ফলস্বৰূপে জনমুৰী আয় বৃদ্ধিত বাধা, মূলধন গঠনত বাধা, খাদ্য সমস্যা, নিবনুৱা সমস্যাৰ লগতে আন বহুতো সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। অসমত ক্ৰমবৰ্দ্ধমান শিক্ষিত নিবনুৱা সমস্যা এক অভিশাপ স্বৰূপ হৈ পৰিছে। গতিকে নিবনুৱা সমস্যা সমাধানৰ বাবে চৰকাৰৰ উপৰি বিভিন্ন অনুষ্ঠান, বেংক, অন্যান্য বিত্তীয় অনুষ্ঠান সমূহ আহিব লাগিব। স্থানীয় সম্পদৰ ওপৰত ভিত্তি কৰি গ্ৰামীন তথা চহৰ অঞ্চলত উদ্যোগ গঢ়ি তোলাৰ উপৰি কৃষিগত শিক্ষানুষ্ঠান স্থাপন, আন্তঃগাঠনি ব্যৱস্থাৰ উন্নয়ন, ক্ষুদ্ৰ শিল্প, হস্ততাঁত শিল্প স্থাপনৰ উপৰি আত্মসংস্থাপনৰ বাবে চৰকাৰৰ বিভিন্ন আঁচনি ৰূপায়নত গুৰুত্ব দিব লাগিব। অসমত বিভিন্ন কেঁচামাল তথা শক্তিৰ কোনোদিনে অভাৱ হোৱা নাই। কিন্তু যাতায়ত, বজাৰ, উপযুক্ত শিল্প উদ্যোগী তথা কাৰ্য্যনিৰ্বাহিক আৰু মূলধনৰ অভাৱৰ বাবে ইয়াত লেখত লবলগীয়া উদ্যোগ গঢ়ি উঠা নাই। অসমৰ চহৰ তথা গ্ৰামাঞ্চলত এতিয়াও আত্মসংস্থাপনৰ বাবে বিভিন্ন সম্ভাৱনাক্ষেত্ৰ লুকাই আছে। কুটীৰ আৰু শিল্প অনুষ্ঠানসমূহে অসমৰ গ্ৰামাঞ্চলৰ নিবনুৱা সমস্যা সমাধানত এক উল্লেখযোগ্য অৰিহণা যোগাব পাৰে। অসমৰ সম্ভাৱনাময় কুটীৰ আৰু শিল্প উদ্যোগবোৰ কাঁহ-পিতলৰ শিল্প, বয়ন শিল্প, সোণ-ৰূপৰ কাম, হাঁতী দাঁতৰ কাম, কমাৰৰ শিল্প, বাঁহ-বেতৰ শিল্প, কাঠৰ শিল্প আদিয়েই প্ৰধান।

অসমত বহুতো সম্ভাৱনাময় ক্ষুদ্ৰ উদ্যোগ গঢ়ি তুলিব পৰা যায়। এইবিলাকৰ ভিতৰত কৃষিভিত্তিক উদ্যোগ, খনিজ ভিত্তিক উদ্যোগ তথা আনুসঙ্গিক উদ্যোগবোৰ। কৃষিভিত্তিক উদ্যোগবোৰৰ ভিতৰত ফলমূল সংৰক্ষণ উদ্যোগ, ধান ভঙা কল, তেল আৰু আটা ময়দাৰ কল, ক্ষুদ্ৰ চাহ উদ্যোগ, ৰেচম আৰু বয়ন উদ্যোগ ইত্যাদি উল্লেখযোগ্য। বনজভিত্তিক উদ্যোগবোৰৰ ভিতৰত কাঠ ফলা কল, প্লাইউদ উদ্যোগ, খয়ৰ উদ্যোগ, চামৰা উদ্যোগ, হাডবোৰ্ড উদ্যোগ, কফি আৰু ৰাবাৰ উদ্যোগ ইত্যাদি। খনিজ ভিত্তিক উদ্যোগবোৰৰ ভিতৰত ষ্টিল ওবাৰ্কশ্বপ, মটৰ গেৰেজ, ষ্টিল, তাৰৰ নেট, কাটাতাঁৰ, এলুমিনিয়াম, ফেকটৰি ইত্যাদি। ইয়াৰ উপৰিও অন্যান্য বহুতো উদ্যোগ যেনে প্ৰিন্টিং প্ৰেছ, ইটা উদ্যোগ, বৰফ উদ্যোগ, ৰসায়নিক উদ্যোগ ইত্যাদি। কৃষিভিত্তিক আনুসঙ্গিক খণ্ডত ম'হ পালন, কুকুৰা পালন, মীন খেতি আদিও আধুনিক পদ্ধতিত কৰিব পাৰিলে আত্ম সংস্থাপনত অৰিহণা যোগাব।

অৰ্থনৈতিকভাৱে স্বচ্ছল ঘৰৰ যুৱক-যুৱতীৰ বাবে এনে উদ্যোগ গঢ়ি তুলি স্বাধীনভাৱে ব্যৱসায় আৰম্ভ কৰাত কোনো অসুবিধা নাই প্ৰয়োজন মাথো একাগ্ৰতা আনহাতে যিখিনি যুৱক-যুৱতী অৰ্থনৈতিকভাৱে স্বচ্ছল ঘৰৰ নহয় তেওঁলোকৰ বাবে মূলধন গঠনত প্ৰথমতে কিছু সমস্যা হয়। কিন্তু গ্ৰামাঞ্চলত লুকাই থকা বিপুল পৰিমাণৰ ক্ষুদ্ৰ সঞ্চয়সমূহ যদি সমবায় অনুষ্ঠান আদিৰ দৰে গণতান্ত্ৰিক তথা বাইজৰ অনুষ্ঠানৰ যোগেদি সংগ্ৰহ কৰিব পাৰে তেনেহ'লে ই মূলধন গঠনত যথেষ্ট পৰিমাণে সহায়ক হ'ব। তদুপৰি স্বনিয়োগৰ বাবে থকা চৰকাৰৰ বিভিন্ন আঁচনি গ্ৰহণ কৰিব পাৰিলেও উদ্যোগ বিভাগৰ জৰিয়তে বিভিন্ন বেংক বা বিত্তিয় অনুষ্ঠানৰ পৰা ঋণ হিচাপে মূলধন সংগ্ৰহ কৰিব পাৰি।

ক্ষুদ্ৰ উদ্যোগ স্থাপনৰ বাবে কিছুমান সুবিধাৰ প্ৰয়োজন। উদাহৰণ স্বৰূপে কেঁচামালৰ যোগান, পৰ্য্যাপ্ত শ্ৰমিকৰ যোগান, শক্তিৰ যোগান, উন্নত পৰিবহন ব্যৱস্থাৰ সুবিধা, আৱশ্যকীয় জলবায়ু, বিত্তীয় সুবিধা, বজাৰৰ সুবিধা, কাৰিকৰী কৌশল ইত্যাদি। এনে উদ্যোগ স্থাপনৰ ক্ষেত্ৰত অসম ৰাজ্যখন যদিও তুলনামূলকভাৱে আন ৰাজ্যতকৈ পিছপৰা, কিন্তু লাহে লাহে অসমত উদ্যোগ স্থাপনৰ বাবে বিভিন্ন সা-সুবিধা সৃষ্টি হোৱাৰ লগে লগে এনে উদ্যোগৰ সংখ্যা ক্ৰমে বৃদ্ধি পাই আহিছে। ১৯৫১ চনত অসমৰ পঞ্জীভুক্ত ক্ষুদ্ৰ উদ্যোগৰ সংখ্যা আছিল মাথোন ৯৪ টা। ২০০১ চনলৈ এই সংখ্যা ৩২,২৮০ টালৈ বৃদ্ধি পাইছে।

অসম চৰকাৰে ক্ষুদ্ৰ উদ্যোগ স্থাপন তথা বিস্তাৰৰ বাবে ইতিমধ্যে উদ্যোগ পাম আঁচনি হাতত লৈছে। এই আঁচনিৰ জৰিয়তে থলুৱা উদ্যোগীসকলক উদ্যোগ স্থাপনৰ ক্ষেত্ৰত বহুতো সা-সুবিধা আগবঢ়ায়। অসমত মুঠ ২১ খন উদ্যোগ পাম স্থাপন কৰা হৈছে। এই পামবোৰ গুৱাহাটী, ঢেকীয়াজুলি, তিনিচুকীয়া, যোৰহাট, বদৰপুৰ, নলবাৰী, শিৱসাগৰ, নগাঁও, নিউ বঙাইগাঁও, লাহোৱাল, বিহপুৰীয়া, গৌৰীপুৰ, বোকাজান, ডিব্ৰুগড়, ডিমৌ ইত্যাদি। অসমত বিনিয়োগ তথা নতুন শিল্প স্থাপনত উদগনি দিয়াৰ বাবে ১৯৮৭ চনৰ পৰা উদ্যোগিক নীতি গ্ৰহণ কৰিলেও ইয়াক সঠিকভাৱে কাৰ্য্যকৰী কৰিব পৰা নাছিল। ১৯৯৭ চনৰ উদ্যোগিক নীতিয়েহে উদ্যোগীসকললৈ উদ্যোগ গোটৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ সা-সুবিধা প্ৰদান কৰিছে। এই উদ্যোগীক নীতিয়ে স্থানীয় উদ্যোগীৰ নিপুণতা বিকাশত সহায় কৰা, মহিলা উদ্যোগীৰ বিকাশত সহায় কৰা, ৰুগ্ন উদ্যোগসমূহক পুনৰুজ্জীৱিত কৰা ইত্যাদি বিশেষ গুৰুত্ব আৰোপ কৰিছে।

এটা স্বাভাৱিক উদ্যোগিক গোটৰ সকলোবোৰ কাৰ্য্যকৰী অংগ যেনে কেন্দ্ৰীয় কাৰ্য্যকৰী অংগ, বিত্তীয় পৰিচালনা, সাধাৰণ প্ৰশাসন, উৎপাদন পৰিচালনা, বজাৰ পৰিকল্পনা ইত্যাদি সকলোবোৰ কাৰ্য্যক্ষম হৈ থাকে। যদি উপৰোক্ত কাৰ্য সমূহ সঠিকভাৱে ৰূপায়ন নহয় তেনেহ'লে ই ৰুগ্ন হৈ পৰিব। অন্যান্য কিছুমান বাহ্যিক কাৰণ যেনে দক্ষলোকৰ অভাৱ, সীমিত বিত্তীয় যোগান, নিম্নমুখী চাহিদা, কেচাঁমালৰ অনিয়মিত যোগান প্ৰাকৃতিক দুৰ্যোগ ইত্যাদি। অসম চৰকাৰে উদ্যোগিক গোটবোৰক বিত্তীয় তথা অন্যান্যভাৱে সহায় কৰিব পৰাকৈ ১৯৮৪ চনৰ এপ্ৰিল মাহৰ পৰা কাৰ্যকৰী হোৱাকৈ "The Assam State Industrial Relief undertaking special provision Act" 1984 খন প্ৰণয়ন কৰিছে। তদুপৰি কেন্দ্ৰীয় চৰকাৰে ৰুগ্ন উদ্যোগসমূহক পুনৰ সংস্থাপনত সহায় কৰাৰ বাবে উদ্যোগিক আৰু বিত্তীয় পুনৰ সংস্থাপন পৰিষদ (Board of Industrial and Financial Reconstaruction) গঠন কৰি দিছে। পৰিষদে এই ৰুগ্ন উদ্যোগসমূহৰ আবেদন বিচাৰ কৰি I.D.B.I., I.F.C.I., I.C.I.C.I., I.R.B.I. S.B.I. আৰু অন্যান্য সহযোগী বেংকসমূহৰ যোগেদি উদ্যোগসমূহৰ পুনৰ সংস্থাপনত সহায় কৰে।

বৰ্তমান অসমৰ ৰুগ্ন অৰ্থনৈতিক অৱস্থাৰ পৰিপেক্ষিতত অসমৰ উন্নতিৰ বাবে তথা নিবনুৱা সমস্যা সমাধানৰ বাবে যুৱক-যুৱতীক স্বাৱলম্বী হোৱাৰ বাবে ক্ষুদ্ৰ ব্যৱসায় তথা উদ্যোগ স্থাপনৰ বিকল্প নাই। চৰকাৰে বিভিন্ন উদ্যোগিক নীতিৰ জৰিয়তে বহুতো সা-সুবিধা প্ৰদান কৰিছে যদিও উপযুক্ত পৰ্যবেক্ষণৰ অভাৱত উদ্যোগীসকলে বাস্তৱিক ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছে। গতিকে চৰকাৰে বিশেষকৈ শিক্ষিত নিবনুৱা লোকসকলক উদ্যোগ আৰু ব্যৱসায় জগতৰ সৈতে চিনাকি কৰি দিবৰ বাবে আন্তৰিকতাৰে প্ৰচেষ্টা হাতত লব লাগে। তদুপৰি নতুন পুৰুষক উদ্যোগ আৰু ব্যৱসায় জগতৰ লগত পৰিচয় কৰি দিয়াৰ বাবে স্কুল-কলেজৰ পাঠ্যক্ৰমত আনুষ্ঠানিক শিক্ষাৰ অংগ হিচাপে অন্তৰ্ভুক্ত কৰিব লাগে। চৰকাৰে এনে প্ৰচেষ্টাত শিক্ষাবিদ, অৰ্থনীতিবিদ, বুদ্ধিজীৱি, কাৰীকৰি লোক, সমাজহিতৈষী,. সাংবাদিক, উদ্যোগী আদি ব্যক্তিক জড়িত কৰিব পাৰিলে নতুন শতিকাটোত অধিক সুফল আশা কৰিব পাৰি।OO

❑ প্ৰকৃতিক বিষাক্ত কৰিলে প্ৰকৃতিয়েও এদিন তোমাৰ জীৱন বিষময় কৰি তুলি। — *টনী ফলাৰী*

# অসমীয়া আধুনিক গীতৰ পথিকৃৎ দৰঙৰ দুগৰাকী সংগীতাচাৰ্য কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ আৰু দুৰ্ল্লভ চন্দ্ৰ দাস

✍ প্ৰভাত চৌধুৰী
প্ৰাক্তন ছাত্ৰ

অসমীয়া আধুনিক গীত বুলিলে আমি আজি যিটো ধাৰাক বুজোঁ সেই ধাৰাটো আৰম্ভ হৈছিল উনবিংশ শতিকাৰ শেষৰ ফালে। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতলৈ যোৱাৰ পিছত বৃটিছ শাসক সকলে অসমক বংগৰ সৈতে চামিল কৰি শাসন কাৰ্য চলাইছিল। অসমৰ মানুহ তেতিয়া বৃটিছ শাসকক প্ৰশাসনীয় কাম কাজত সহায় কৰিব পৰাকৈ শিক্ষিত হৈ উঠা নাছিল বাবে বংগ দেশৰ কাকতী মহৰিয়ে শাসনৰ কাম কাজ চলাইছিল। এদিন সেইসকললোকৰ পৰামৰ্শক্ৰমে অসমত অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষাক প্ৰশাসনীয় কাম-কাজ চলাবলৈ ব্যৱহাৰ কৰা হ'ল আৰু বিদ্যালয়সমূহতো বঙলা ভাষাকে শিক্ষাৰ মাধ্যম ৰূপে লোৱা হ'ল। দীঘলীয়াকৈ এই প্ৰক্ৰিয়া চলি থকাত সেই শিক্ষাৰে শিক্ষিত আঢ্যৱন্ত অসমীয়া লোকসকলে অসমীয়া গীতমাত আদিৰ ঠাইত বঙালী গীত মাতক ৰঙা দলিচা পাৰি আঁদৰিলে। অৱশ্যে খৃষ্টান পাদ্ৰীসকলৰ প্ৰচেষ্টাত অসমীয়া ভাষাৰ পুনৰুদ্ধাৰ হোৱাৰ পিছত এচাম জাতীয়বোধ সম্পন্ন সচেতন প্ৰৱাসী অসমীয়া গুণী ব্যক্তিয়ে অসমীয়া ভাষা সাহিত্য আৰু গীত মাতবোৰ যাতে পুনৰ উদ্ধাৰ কৰিব পাৰি তাৰ বাবে একাগ্ৰচিত্তে প্ৰচেষ্টা হাতত ল'লে।

১৮৭২ চনত গংগা গোবিন্দ ফুকনৰ নেতৃত্বত কলিকতাৰ প্ৰৱাসী ছাত্ৰসকললৈ 'অসমীয়া ছাত্ৰৰ সাহিত্য সভা' আৰু ১৮৭৬ চনত প্ৰৱাসী ছাত্ৰসকলে 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা' নামৰ আন এটি সংগঠন গঢ়ি তোলে। বাইছ বছৰ বিদেশত থাকি উভতি অহা ডাঃ ৰাধিকা ৰাম ঢেকিয়াল ফুকনক 'অঃ ভাঃ উঃ সাঃ সভাই সম্বৰ্ধনা জনোৱা সভাখনত ঢেকিয়াল ফুকনে "আগবাৰী শুৰনি কাকিনী তামোল ঐ, পাছবাৰী শুৰনি পাণ" আৰু "পতিত পাৱণ হৰি পতিত পাৱণ" শীৰ্ষক কীৰ্ত্তনৰ পদৰ সুৰ বেহেলাত বজাই শুনোৱাত সকলো আচৰিত হ'ল। কাৰণ সেই সময়ত অসমীয়া গীত-মাতৰ সুৰ হাৰমনিয়াম বা অন্য বাদ্য যন্ত্ৰত বজাব পাৰি বুলি কোনোৱে ভাবিব পৰা নাছিল। সেয়া আছিল আত্মবিশ্বাসৰ আৰম্ভণি। ইয়াৰ পিছত সত্য নাথ বড়াই (১৮৬০-১৯৫২) ১৮৮৮ চনত 'গীতাৱলী' নামৰ এখন গীতৰ সংকলন অসমীয়া ভাষাত ছপা কৰি প্ৰকাশ কৰে। কিন্তু অসমীয়া আধুনিক গীতক সন্মানজনকভাৱে প্ৰতিষ্ঠা কৰে সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাদেৱে (১৮৬৫-১৯১৪)। তেখেতে নানা প্ৰতিকুল পৰিস্থিতিৰ মাজতো ভাৰতীয় শাস্ত্ৰীয় সঙ্গীতৰ বিস্তৃত জ্ঞান আহৰণ কৰিছিল। নিজে অসমীয়া ভাষাত গীত ৰচনা কৰি অসমীয়া থলুৱা সুৰ আৰু শাস্ত্ৰীয় সঙ্গীতৰ ৰাগৰ আলমত সুৰাৰোপ কৰি সংগীতবৈঠকীবোৰত পৰিৱেশন কৰি গুণী শ্ৰোতাৰ সমাদৰ লাভ কৰিছিল। তেখেতে ১৯০৯ চনত অসমৰ বিভিন্ন কবি সাহিত্যিকসকলৰ পৰা সংগ্ৰহ কৰা ৪২২ টা গীতৰ এক সংকলন 'সংগীতকোষ' প্ৰকাশ কৰে আৰু সেই গীতবোৰত নিজে সুৰাৰোপ কৰে। ১৯১০ চনত সংগীত শিক্ষাৰ পুথি 'সংগীত সাধনা' প্ৰকাশ কৰে। লক্ষ্মীৰাম বৰুৱাৰ কণ্ঠত অসমীয়া গীত আৰু সুৰে পুনৰ প্ৰাণ পালে।

বৰুৱাদেৱৰ প্ৰিয় শিষ্য অনেক কীৰ্ত্তিৰে কীৰ্ত্তিমান কীৰ্ত্তিনাথ শৰ্মা বৰদলৈৰ জন্ম হয় ১৮৭৮ চনত দৰং জিলাৰ বৰ্ত্তমান ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুইতপাৰৰ কুৰুৱা গাঁৱত। তেখেতৰ পিতৃৰ নাম দেহীৰাম পাটগিৰী আৰু মাতৃৰ নাম মহেশ্বৰী দেৱী। তেওঁলোকৰ পূৰ্বপুৰুষ কান্যকুব্জৰ পৰা অহা। উপৰিপুৰুষসকল আহোম ৰাজত্ব কালত মজুন্দাৰ বৰুৱা খিতাপধাৰী আছিল। আঠ বছৰ বয়সত পিতৃহাৰা হোৱাত বায়েক সোমেশ্বৰী দেৱী আৰু ভিনীয়েক হাকিম মাধৱ চন্দ্ৰ বৰদলৈৰ তত্বাৱধানত শিক্ষা জীৱন আৰম্ভ কৰে উত্তৰ গুৱাহাটীত। শৈশৱত পিতৃৰ মুখৰ পৰা সেই সময়ত প্ৰচলিত গীতমাতবোৰ শুনি তেওঁ আকৃষ্ট হৈছিল। হাইস্কুলীয়া জীৱন আৰম্ভ হয় গুৱাহাটীত। সেই সময়তে লক্ষ্মীৰাম বৰুৱাৰ পৰা সংগীতৰ প্ৰাৰম্ভিক জ্ঞান লাভ কৰিছিল। এন্ট্ৰেঞ্চ (এতিয়াৰ মেট্ৰিক) পাছ কৰাৰ পিছত প্ৰথমতে কটন কলেজত নাম লগায় যদিও কিছুদিন পিছত কলিকতাৰ চেণ্ট জেভিয়াৰ্চ কলেজলৈ পঢ়িবলৈ যায়। কিন্তু এফ এ আধৰুৱা কৰি তেওঁ গুৱাহাটীলৈ উভতি আহে। এইবাৰ লক্ষ্মীৰাম বৰুৱাৰ অধীনত বেহেলা, বাঁহী, ক্লেৰিয়নেট আদি বাদ্যযন্ত্ৰ বজাবলৈ শিকে।

১৯০২ চনত ছিপাঝাৰত শিক্ষক হিচাপে তেওঁ কৰ্ম জীৱন আৰম্ভ কৰে। ইতিমধ্যে ১৯০৩ চনত কেইগৰাকীমান শিক্ষানুৰাগী ব্যক্তিৰ প্ৰচেষ্টাত মঙলদৈত এখন ল'ৰাৰ হাইস্কুল স্থাপন কৰা হয়। অন্যতম প্ৰতিষ্ঠাতা ৰজত চন্দ্ৰ বৰুৱাই ১৯০৪ চনত বৰদলৈদেৱক

হাইস্কুলৰ শিক্ষকৰূপে মকৰল কৰে। ১৯০৬ চনত সু-সাহিত্যিক বেণুধৰ ৰাজখোৱাই এক্সট্ৰা এচিস্টেন্ট কমিচনাৰ (E.A.C.) হৈ মঙলদৈত যোগদান কৰে আৰু সেই বছৰৰে অক্টোবৰ মাহৰ ছয় তাৰিখে ৰাজখোৱা দেৱৰ বাসভৱনতে এখন অনুষ্টুপীয়া সভা পাতি "মঙলদৈ মজলিছ" নামৰ এটি সাহিত্য সংস্কৃতিৰ চৰ্চাৰ অনুষ্ঠান স্থাপন কৰে। ৰজত চন্দ্ৰ বৰুৱাক সম্পাদক, বৰদলৈদেৱক সহকাৰী সম্পাদক আৰু ৰাজখোৱাদেৱ নিজে সেই অনুষ্ঠানটোৰ সভাপতি আছিল। সপ্তাহত এবাৰকৈ অনুষ্ঠিত হোৱা মজলিছত বৰদলৈদেৱে প্ৰায়ে গীত পৰিৱেশন কৰিছিল আৰু প্ৰকৃতাৰ্থত অনুষ্ঠানটোৰ আয়োজকৰ ভূমিকা বৰদলৈদেৱেই গ্ৰহণ কৰিছিল। তেখেতৰ শিক্ষকৰ পদটি অবৈতনিক আছিল। ৰাজখোৱাদেৱৰ তৎপৰতাত মঙলদৈ কাছাৰীত তেখেতে দ্বিতীয় কেৰাণীৰ চৰকাৰী চাকৰি লাভ কৰে।

১৯০৭ চনত লক্ষ্মীৰাম বৰুৱা চাকৰি সূত্ৰে তেজপুৰলৈ বদলি হৈ যায়। ইতিমধ্যে নৱনিৰ্মিত বাণ-ৰংগমঞ্চৰ জৰিয়তে তেজপুৰত এক সাংস্কৃতিক জাগৰণ আৰম্ভ হৈছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পিতৃ পৰমানন্দ আগৰৱালাৰ প্ৰযোজনা আৰু লক্ষ্মীৰাম বৰুৱাৰ পৰিচালনাত অসমৰ বচা বচা সঙ্গীতজ্ঞ কেইগৰাকীমানক গোটাই 'তেজপুৰ অৰ্কেষ্ট্ৰা দল' নামেৰে এটা অৰ্কেষ্ট্ৰা দল গঠন কৰিলে। বৰদলৈদেৱ এই দলৰ বেহেলা বাদক আছিল।

দৰঙৰ ব্যাস সংগীত, দুৰ্গাবৰী, সুকনান্নী, কুৰুৱা অঞ্চলৰ মনপৰসা ভাটিয়ালী, বাৰমাহী আদি গীতৰ লগতে অসমৰ বিভিন্ন লোক সংগীত আৰু জনজাতীয় গীতমাতৰ ওপৰত বৰদলৈদেৱৰ গভীৰ জ্ঞান আছিল।

১৯১১ চনত কেৰাণী চাকৰি বাদ দি তেখেত গোলাঘাটত শিক্ষকতা কৰিবলৈ লয়। সেই সময়ত দ্বিতীয়বাৰৰ বাবে তেখেতে বেণুধৰ ৰাজখোৱাৰ সান্নিধ্য লাভ কৰে আৰু 'মঙলদৈ মজলিছ'ৰ আৰ্হিত 'গোলাঘাট মজলিছ' নামৰ এটা অনুষ্ঠান প্ৰতিষ্ঠা কৰে। ইয়াৰোপৰি 'গোলাঘাট নাট্য সংঘ' আদি অনুষ্ঠানৰ সৈতেও জড়িত হৈ সঙ্গীতৰ সাধনা অক্ষুন্ন ৰাখে।

ইয়াৰ আগতে লক্ষ্মীৰাম বৰুৱাই ধুবুৰীত চাকৰি কৰি থকা সময়ছোৱাত (১৮৯০-১৯০৭) বৰুৱাদেৱৰ আহ্বানক্ৰমে বৰদলৈদেৱে একাধিকবাৰ গৌৰীপুৰ বিজনী আদি ঠাইৰ 'ৰাজবাড়ী'ত গীত পৰিৱেশন কৰিছিল। পিছলৈ চাকৰি সূত্ৰে ধুবুৰীত থকা কালতো তেওঁ ৰাজপৰিয়ালৰ পৰা সমাদৰ লাভ কৰিছিল। ১৯১৭ চনত শিৱসাগৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ প্ৰথম অধিৱেশনত বৰদলৈদেৱে ধুবুৰীৰ প্ৰতিনিধি হিচাপে যোগদান কৰিছিল। ধুবুৰীত থকা কালছোৱাত অসমীয়া গীতমাত পৰিবেশন কৰি জমিদাৰসকলৰ প্ৰিয়ভাজন হোৱাই নহয়, তেখেতসকলৰ সহযোগ আৰু পৃষ্ঠপোষকতাত গোৱালপাৰা জিলাখনক বঙালী গীতৰ প্ৰভাৱমুক্ত কৰি অসমীয়া গীতক প্ৰতিষ্ঠা কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল।

বৰদলৈদেৱে তেখেতৰ পূৰ্বসূৰী সত্যনাথ বড়া, লক্ষ্মীৰাম বৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞি বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, বেণুধৰ ৰাজখোৱা আৰু চন্দ্ৰধৰ বৰুৱাৰ দৰে গীত লিখিবলৈ আৰম্ভ কৰিছিল আৰু প্ৰায় দুশমান গীত ৰচনা কৰি সেইবোৰত সুৰাৰোপ কৰি নিজে গোৱাৰ উপৰিও আনৰ হতুৱাই গোৱাইছিল। স্থানীয় আইনাম, বিয়ানামকে ধৰি বিভিন্ন থলুৱা সুৰক আধাৰ হিচাপে লৈ সুৰ সৃষ্টি কৰাৰ উপৰিও ভাৰতীয় শাস্ত্ৰীয় ৰাগৰাগিণীৰ ওপৰত ভিত্তি কৰিও সুৰ সৃষ্টি কৰিছিল।

যোৰহাটতে তেওঁ দীঘলীয়া সময় অতিবাহিত কৰে। প্ৰায় পোন্ধৰ বছৰৰো বেছি সময় যোৰহাটত কটোৱা কালছোৱাত বৰপুত্ৰ মুক্তিনাথৰ সৈতে যুটীয়াভাৱে চাৰিখনকৈ নৃত্যনাটিকা লিখি উলিয়াই সেইবোৰ মঞ্চস্থ কৰে। ১৯৩০ চনত চৰকাৰী চাকৰি বাদ দি যোৰহাটৰ পৰা ক্ৰমে 'অসম ৰাইজ', 'বাতৰি' আৰু 'অসম বাতৰি' নামৰ তিনিখন কাকত সম্পাদনা কৰে। সেই সময়ছোৱাতে তেওঁৰ নাম যশ চাৰিওফালে বিয়পি পৰে। বেণুধৰ ৰাজখোৱা, চন্দ্ৰধৰ বৰুৱা, দুৰ্গেশ্বৰ শৰ্মা আৰু পদ্মধৰ চলিহাই লিখা বহুতো গীতত এই ছোৱা সময়তে সুৰাৰোপ কৰাৰ উপৰিও সুৰ চানেকিও কৰে। এইখিনি সময়তে মাজু পুত্ৰ ডাঃ হৰিনাথ শৰ্মা বৰদলৈৰ 'নেফা'ত (বৰ্তমান অৰুণাচল প্ৰদেশ) চাকৰি কৰি থকা অৱস্থাত আকস্মিক মৃত্যুৱে তেখেতক ভীষণ মনোকষ্ট দিয়ে। সামৰিক বাহিনীত বিদেশত চাকৰি কৰি ঘূৰি অহা হৰিনাথো মুক্তিনাথৰ দৰে এজন ভাল সুৰকাৰ আছিল। পশ্চিমীয়া সুৰৰ ওপৰত তেওঁৰ যথেষ্ট দখল আছিল। অসমীয়া গীতত পশ্চিমীয়া সুৰৰ মৃদু প্ৰলেপ সানি গীতবোৰক শ্ৰুতি মধুৰ কৰিব পৰা গুণে শ্ৰোতাই তেনে গীতবোৰ আঁদৰি লৈছিল। 'আৱাহন'ৰ পাতত একাধিক গীতিকাৰৰ গীতৰ স্বৰলিপিও সেই সময়ত প্ৰকাশ পাইছিল। পিতৃ কীৰ্ত্তিনাথৰ দুটি বিখ্যাত গীত 'শেৱালিৰে তলভৰা কুমলীয়া ফুল' আৰু 'হালি জালি পখিলী ফুল মধু বিচাৰি'ৰ সুৰাৰোপ কৰাৰ সময়ত পিতৃক হৰিনাথে সহায় কৰি দুয়োটা গীততে পশ্চিমীয়া সুৰৰ স্নিগ্ধ পৰশ বুলাই শ্ৰোতাৰ পৰা অভাৱণীয় সমাদৰ লাভ কৰিছিল। বৰপুত্ৰ মুক্তিনাথো আছিল একেধাৰে গীতিকাৰ, সু-সাহিত্যিক, অসমীয়া সংগীতৰ গৱেষক আৰু সুৰকাৰ। অসম সাহিত্য সভাৰ নলবাৰী অধিবেশনৰ সংগীত শাখাৰ সভাপতি হিচাপে তেখেতে প্ৰদান কৰা ভাষণটোক এখন গৱেষণাপত্ৰ বুলিব পাৰি।

১৯৩৭ চনত গুৱাহাটীত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ বৰদলৈদেৱ আছিল সঙ্গীত শাখাৰ সভাপতি। এই সঙ্গীত সন্মিয়া অসম সাহিত্য সভাৰ ইতিহাসত নোহোৱা

নোপোজা ঘটনা ঘটিছিল। দৰ্শকৰ ভিৰ নিয়ন্ত্ৰণ কৰিব নোৱাৰি প্ৰথম নিশাৰ কাৰ্যসূচী বাতিল কৰি পিছদিনা দৰ্শকক নিয়ন্ত্ৰণ কৰিবলৈ টিকটৰ ব্যৱস্থা কৰিহে সঙ্গীত সন্ধিয়া অনুষ্ঠিত কৰিব পৰা গৈছিল। সঙ্গীত সন্ধিয়া উদ্বোধন কৰি তেখেতে অসমীয়া সঙ্গীতৰ ঐতিহ্য পৰম্পৰাৰ ওপৰত দীঘলীয়া গৱেষণা পত্ৰ পাঠ কৰিছিল। সেই ভাষণটোকে পিছলৈ 'কামৰূপীয় সঙ্গীত' নামেৰে পুথি আকাৰে ছপা কৰিছিল। ভাৰতীয় সঙ্গীতৰ প্ৰচলিত দুটি ধাৰাৰ বাহিৰে তেখেতে 'কামৰূপী' ধাৰা বুলি সুকীয়া এটি ধাৰা প্ৰৱৰ্তন কৰাৰ প্ৰয়াসেৰে গৱেষণা আৰম্ভ কৰিছিল। পৰৱৰ্তী কালত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে এই ধাৰণাটোক প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিও ভগ্ন স্বাস্থ্যৰ বাবে সম্পূৰ্ণ কৰিব নোৱাৰিলে।

ত্ৰিছৰ দশকৰ পৰা গ্ৰামোফোন ৰেকৰ্ডৰ যুগ আৰম্ভ হ'ল। দ্বিতীয় মহাযুদ্ধৰ সময়ত (১৯৪৩-১৯৪৬) বৃটিছ চৰকাৰে (Song and Pulicity) নামৰ বিভাগ এটা খুলি বৰদলৈদেৱক বিষয়া নিযুক্ত কৰে। ইয়াৰ কাৰ্যালয় আছিল শ্বিলঙত। এই সময়ছোৱাতে বৰদলৈদেৱে স্বৰচিত আৰু আন গীতিকাৰৰ দ্বাৰা ৰচিত কিছু বচা বচা গীত চৰকাৰী খৰছত গ্ৰামোফোন ৰেকৰ্ড কৰাবলৈ সক্ষম হয়। অসমৰ বিভিন্ন ঠাইৰপৰা সুকণ্ঠৰ গায়ক গায়িকা বিচাৰি আনি তেওঁলোকক গীত শিকাই কলিকতালৈ লৈ গৈ গীত বাণীবদ্ধ কৰাইছিল। অবিভক্ত অসমৰ কেইগৰাকীমান খাচী গায়ক গায়িকা ক্ৰমে এডিথ আৰমিনা ওৱালাং, ওৱেচলী ৰাণী (ডব্লিউ ৰাণী), এমাবেল এড়ঙাপ, হেনৰি ওৱালাং আৰু অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ৰাজবালা দেৱী, আৰতি দেৱী, যোগেশ ভড়ালী, অনুকূল নাথ, ৰাণী পাল, জিতেন দেৱ, সাৰদা শৰ্মা, বন্দনা বৰুৱা, তৰুণ হাজৰিকা, চুনী মিএগ, সমৰ দে আদি গুণী শিল্পীৰ কণ্ঠত গীতসমূহ বাণীবদ্ধ কৰোৱা হৈছিল। শিল্পীৰ আজীৱন সাধনাই অসমৰ শ্ৰোতা ৰাইজৰ পৰা স্বীকৃতি লাভ কৰিলে। গীত সমূহ শ্ৰোতাৰ মুখে মুখে হ'ল।

বৰদলৈদেৱে ৰচনা কৰা পুথিৰ সংখ্যা আঠখন। ১৯২৮ চনত অসমীয়া থলুৱা সুৰ আৰু সঙ্গীতৰ গৱেষণা মূলক গ্ৰন্থ 'সুৰ পৰিচয়' প্ৰকাশ পায়। ১৯৩৮ চনত আন এখন গৱেষণামূলক গ্ৰন্থ 'কামৰূপীয় সঙ্গীত' প্ৰকাশিত হয়। 'জাগৰণী' তেখেতৰ গীতৰ সংকলন। ইয়াৰ বাহিৰে 'বাসন্তীৰ অভিষেক', 'লুইত কোঁৱৰ', 'মেঘাৱলী' আৰু 'সুৰ বিজয়', — এই চাৰিখন গীতি আলেখ্য। 'সন্দীপিকা' তেখেতৰ জ্যোতিষ বিষয়ক গ্ৰন্থ।

'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে বৰদলৈদেৱৰ সাংগীতিক জ্ঞান আৰু কৰ্মৰাজিৰ ভূয়সী প্ৰশংসা কৰি গৈছে।

'সুৰ পৰিচয়' প্ৰসংগত ড° মহেশ্বৰ নেওঁগে লিখিছিল — 'Sur parichay' is a fine specimen of pioneer research in Assam's music. Probably Bordoloi's chief achivement is the working out of synthesis of classical modern Indian tunes, relegious Sankardeva's school, Durgabari, Suknanni, and other popular varities and tolk tunes.'

বৰদলৈদেৱৰ 'সুৰ বিজয়' নামৰ গীতি আলেখ্যখনিৰ মাজেদি তেখেতৰ অসমীয়া জাতীয়তাবাদী সত্তাৰ প্ৰতিফলন ঘটা দেখা গৈছে। ভাৰতীয় ৰাগ ৰাগিণীবোৰে অসম আক্ৰমণৰ উদ্দ্যেশ্যে আহি কৰতোৱা নদীৰ পাৰত কোঠ মাৰিছে। বড়ো কৌ ৰাগে লগে লগে অসমীয়া সুৰৰ অধিপতিক শত্ৰু অহাৰ বাতৰি দিলেগৈ। কৰতোৱা নৈৰ পাৰত দুই পক্ষৰ ৰাগ ৰাগিণীবিলাকৰ সুৰৰ যুদ্ধ হয়। যুদ্ধত অসমীয়া ৰাগ-ৰাগিণীবোৰে জয়লাভ কৰে। দুই পক্ষৰ মাজত অৱশেষত সন্ধি হয় আৰু ভাৰতীয় ৰাগ ৰাগিণীবোৰকো সন্মান সহকাৰে আমাৰ মাটিত স্থান দিয়া হয়। প্ৰাচীন কামৰূপক তেওঁ 'সুৰ লোক' বুলি আখ্যা দিছে। কৃষ্টি সভ্যতা আদিত যে প্ৰাচীন কামৰূপ ভাৰতৰ পৰা সম্পূৰ্ণ স্বাধীন আছিল আৰু এই মহা ৰাজ্যৰ ধৰ্ম আচাৰ-ব্যৱহাৰ আদিও যে ঘাইকৈ দ্ৰাবিড়ীয়, তুৰানীয় সংমিশ্ৰণত গঢ় লোৱা — সেই কথা 'সুৰ বিজয়' পুথিখনৰ পাতনিত উল্লেখ কৰিছে। লগতে নতুন প্ৰজন্মৰ প্ৰাচীন কামৰূপীয় ৰাগ-ৰাগিণীবোৰক পুনৰুদ্ধাৰত ব্ৰতী হ'বলৈ আকুলতাৰে আহ্বান জনাইছে।

তেখেতৰ বিখ্যাত কেইটিমান গীতৰ প্ৰথমাংশ এনেকুৱা — 'শেৱালিৰে তলভৰা কুমলীয়া ফুল', 'হালিজালি পখিলী, ফুলমধু বিচাৰি, আহে কেনে ঠেও ধৰি ঐ', 'ৰাইজে মোৰ ৰজাঐ, বুকুৰে বান্ধে ঐ, ৰাইজ মোৰ সেঁৱাৰে থলী', 'অসমীয়া মোৰ বুকুৰ আপোন', 'নামে মন্দাকিনী সৰগৰে পৰা, বয় সমীৰণ ধীৰে ধীৰে', 'নাগাবি বৰাগী মানৰে কথাঐ', আই সোণৰ অসম দেশ, এ-হে প্ৰকৃতি জীয়াৰী আদি। এই সুৰবোৰে বিগত শতিকাৰ মাজভাগত শ্ৰোতাক নতুন সোৱাদ দিছিল। সুখৰ কথা, আজিৰ প্ৰজন্মৰ এচামেও এই গীতবোৰক মৰমেৰে আকোঁৱালি লৈছে।

তেখেতৰ জীৱনটো আছিল বৈচিত্ৰপূৰ্ণ। তাৰ মাজতো পাৰিবাৰিক দুৰ্যোগে তেওঁক এৰা নাছিল। সৰুতে পিতৃ মাতৃক হেৰুৱাৰ পাছত মাজ বয়সত পত্নী বিয়োগ ঘটে। মাজু পুত্ৰ হৰিনাথৰ আকস্মিক মৃত্যুৰ পিছত সৰু পুত্ৰ নিৰুদ্দেশ হয়। এইবোৰ দুৰ্ঘটনাই তেখেতৰ অন্তৰত মৰ্মান্তিক আঘাত দিছিল যদিও বৰপুত্ৰ মুক্তিনাথ বৰদলৈ আৰু ডাঙৰ বোৱাৰী বিজয়াৰ আদৰ যত্নই তেখেতৰ কৰ্মপ্ৰেৰণা যোগাইছিল।

জীৱনৰ শেষ সময়ছোৱা (১৯৪৯-১৯৫২) বৰপুত্ৰ মুক্তিনাথৰ লগত শদিয়াত কটাইছিল। শদিয়াৰ মনোৰমা প্ৰাকৃতিক পৰিৱেশে বৃদ্ধ বয়সতো তেখেতক প্ৰেৰণা যোগাইছিল। তাতে এখন

সংগীত বিদ্যালয় খুলি স্থানীয় ছাত্র-ছাত্রীক সংগীতৰ শিক্ষাদান কৰিছিল। ৰক্তচাপজনিত ৰোগত পক্ষাঘাত হৈ ১৯৫২ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৩ তাৰিখে শদিয়াত বৰপুত্ৰৰ চৰকাৰী বাসগৃহত তেখেতে নশ্বৰ দেহ ত্যাগ কৰে।

নিজৰ জন্মভূমি আই অসমীৰ অতীত গৌৰৱ বাৰেৰহণীয়া সংস্কৃতি, মৌ মিঠা সুৰে তেখেতৰ মনটোক সততে উদ্জীৱিত কৰি ৰাখিছিল। নিজ ৰাজ্যৰ প্ৰতিটো জনগোষ্ঠীৰ প্ৰতি তেখেতে অপৰিসীম শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল। এইজন কীৰ্তিমান পুৰুষক ধুবুৰীৰ মানুহে ধুবুৰীৰ বুলি, যোৰহাটৰ মানুহে যোৰহাটৰ বুলি, শিলঙৰ মানুহে শিলঙৰ আৰু শদিয়াৰ মানুহে শদিয়াৰ বুলি ক'ব খুজিলেও মানুহজনৰ ঘাই শিপাডাল আছিল দৰং জিলাৰ কুৰুৱাতহে।

দৰঙৰ আন এগৰাকী সংগীতজ্ঞ গীতিকাৰ তথা অসমীয়া আধুনিক গীতৰ অন্যতম বাটকটীয়া দুৰ্লভ চন্দ্ৰ দাসৰ নাম এই বিষয়ৰ বহুতো গৱেষকেও নাজানে। এই গৰাকী গীতিকাৰ, সুৰকাৰ, গায়ক আৰু সংগীতকাৰৰ জন্ম হৈছিল ১৮৮০ চনত বিলাসীপাৰাত। সৰুতে পিতৃ মাতৃক হেৰুৱাই আনুষ্ঠানিক উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ বাল্যকালতে জীৱিকাৰ অন্বেষণত গৃহ ত্যাগ কৰে। সৰুৰে পৰাই তেওঁৰ সংগীতৰ প্ৰতি প্ৰৱল ধাউতি আছিল যদিও সংগীতৰ শিক্ষা ল'ব পৰা কোনো গুৰু নথকা বাবে বঙালী ভাষাৰ যাত্ৰা পাৰ্টি এখনৰ সংগীত পৰিচালক (কথিত ভাষাত 'ওস্তাদ') এজনক গুৰু হিচাপে গ্ৰহণ কৰি যাত্ৰা পাৰ্টিৰ যাযাবৰী জীৱন আপোন কৰি লয়। সেই কালছোৱাতে তেওঁ বেহেলা, ক্লেৰিয়নেট, ঢোলোক, হাৰমনিয়াম, তবলাকে ধৰি বিভিন্ন বাদ্যযন্ত্ৰ সুন্দৰকৈ বজাব পৰা হোৱাৰ লগতে হিন্দুস্থানী ৰাগ-ৰাগিণীও কিছু পৰিমাণে আয়ত্ব কৰি লয়। সেই সময়ত (কুৰি শতিকাৰ প্ৰথম দশকৰ আৰম্ভনিৰ ফালে) অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বঙালী ভাষাৰ গীতৰহে প্ৰচলন আছিল। যাত্ৰা পাৰ্টিত থকা অৱস্থাতে দাসদেৱে অসমীয়া ভাষাত যাত্ৰা পাৰ্টিৰ উপযোগীকৈ নাটক লিখা আৰু অসমীয়া ভাষাত গীত লিখিবলৈ লয়। বেছিভাগ গীতেই নাটকৰ চৰিত্ৰৰ উপযোগী কৰি লিখা। তেওঁ কেইবাখনো নাটকো ৰচনা কৰে। অৱশেষত তেওঁ 'অসমীয়া যাত্ৰা দল' নামেৰে এটি যাত্ৰা পাৰ্টিৰ দলো গঠন কৰি পৰীক্ষামূলক ভাৱে অসমীয়া নাটক আৰু অসমীয়া গীত মাত পৰিৱেশন কৰিবলৈ লয় যদিও ৰাইজে আদৰি নোলোৱাত যাত্ৰা দল ভঙ্গ কৰি জীৱিকাৰ অন্বেষণত তেজপুৰত উপস্থিত হয়। এজন অসমীয়া আৰক্ষী বিষয়াই দাসদেৱৰ গীত শুনি মুগ্ধ হৈ তেওঁৰ লগতে থাকিবলৈ দিয়ে আৰু আৰক্ষী বিভাগত সৰু চাকৰি এটা যোগাৰ কৰি দিয়ে। পুলিচৰ চাকৰিৰ মাজতো তেওঁ সঙ্গীত চৰ্চা অব্যাহত ৰাখে। নিজৰ বুদ্ধিমত্তা আৰু কৰ্তব্য পৰায়ণতাৰ গুণত শেষলৈ দাৰোগা পদলৈ পদোন্নতি লাভ কৰে। কোনো কোনো সূত্ৰই ক'ব খোজে যে নিচেই সৰু অৱস্থাতে দাসদেৱে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদক গীত শিকাইছিল। অৱশ্যে ৰূপকোঁৱৰৰ কোনো ৰচনাতে আমি এই তথ্য পোৱা নাই।

পৰিয়ালৰ সদস্যৰ পৰা জানিব পৰামতে, দাস দেৱৰ পৰিয়ালৰ উপাধি সৰকাৰ আছিল। কি পৰিপ্ৰেক্ষিতত সৰকাৰৰ পৰা দাস উপাধি ল'বলগীয়া হ'ল সেই বিষয়ে জনা নাযায়। তেওঁৰ পিতৃ মাতৃৰ নামো জনা নাযায়। কিন্তু একমাত্ৰ ভায়েকৰ নাম পীতাম্বৰ সৰকাৰ আছিল।

বিগত শতিকাৰ তৃতীয় দশকত তেখেত মঙলদৈলৈ বদলি হৈ আহি মাটিবাৰী কিনি স্থায়ীভাৱে থাকিবলৈ লয়। তেজপুৰত থকা কালতে তেওঁ যোৰহাটৰ লীলাৱতী দাসৰ পাণি গ্ৰহণ কৰে। তেখেতৰ দুই পুত্ৰ গণেশ চন্দ্ৰ দাস আৰু সুধীৰ চন্দ্ৰ দাসৰ পৰিয়াল দুটা বৰ্তমান মঙলদৈ টাউনৰ ২নং ওৱাৰ্ডত বসবাস কৰি আছে। তেখেতৰ নাতি স্বৰ্গীয় অনিল দাস সত্তৰৰ দশকত 'দৈনিক অসম'ৰ সহকাৰী সম্পাদক আৰু পিছলৈ অধুনালুপ্ত 'অসম বাতৰি'ৰ সম্পাদকৰ দায়িত্ব বহন কৰিছিল। ১৯৭৭ চনত তেওঁ মঙলদৈ সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। অনিল দাস এজন ভাল গায়ক আৰু সুৰকাৰো আছিল। চাকৰি কৰাৰ আগতে তেওঁ অসমৰ ঠায়ে ঠায়ে সঙ্গীত আৰু কনচাৰ্ট পৰিৱেশন কৰিছিল। ১৯১১ চনৰ ডিচেম্বৰ মাহত বৃটিছ সম্ৰাট পঞ্চম জৰ্জৰ ৰাজ অভিযেক উপলক্ষে গোলাঘাটত অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানবোৰত তেওঁ অংশগ্ৰহণ কৰিছিল। সেই সময়ত গোলাঘাটত বেণুধৰ ৰাজখোৱা ই, এ, চি হৈ আছিল আৰু কীৰ্ত্তি নাথ শৰ্মা বৰদলৈ শিক্ষক হৈ আছিল।

"Srijut Durlove Chandra Das, Ostad of Tezpur, paid a visit to Golaghat during the celebration of the Coronation Durbar in Delhi, He rendered valuable assistance to our concert party in the performance of 'Upakshita'. I am most glad to say that he has fair tactics in teaching songs to young boys of which we had experience on the occasion. — এই প্ৰশংসা বাণী গোলাঘাটৰ 'লিলি ড্ৰেমেটিক ক্লাবৰ সভাপতি প্ৰমোদ চন্দ্ৰ ৰায়ৰ। একে প্ৰসংগত বেণুধৰ ৰাজখোৱাই লিখিছে— "Srijut Durlove Chandra Das, ostad of Tezpur paid a visit to Golaghat during the celebration of the coronation Festivities. He rendered valuable help to the Concert party in connection with the performance of "Sakuntala" by the Assamese Dramatic club. The charming dances of the sakhis (The girl companions) of 'Sakuntala" were mainly due to he excellenct music played by the Ostad.

ড° ভূপেন হাজৰিকাই শৈশৱৰ কালত গান শিকাৰ কথা সুঁৱৰি লিখিছে— "আমাৰ দিনত গীতি সাহিত্য দুৰ্বল আছিল। গীত নাছিল।

খেদি খেদি গান গাব লগা হৈছিল। বঙলুৱা ঠাচ, বঙলুৱা প্ৰভাৱ। হীনমন্যতাত ভুগি থকা এটা জাতিৰ সৈতে আমাৰ শৈশৱ অতিবাহিত হৈছিল। ঘৰতে দুৰ্ল্লভ দাৰোগাৰ গান গাইছিলো —

"মই তোমাৰ গলপতা
তুমি মোৰ চটি জোতা
মই তোমাৰ মূৰৰ ওৰণি
তুমি মোৰ ছাতা।।"

দুৰ্ল্লভ চন্দ্ৰ দাসৰ একমাত্ৰ গীতৰ পুথি 'সচিত্ৰ দুৰ্ল্লভ প্ৰেম সঙ্গীত' ১৯২৬ চনত প্ৰকাশ পায়। ইয়াৰ আগতে অসমীয়া ভাষাত প্ৰকাশিত অসমীয়া গীতৰ পুথিবোৰ হ'ল — সত্যনাথ বড়াৰ 'গীতৱলী' (১৮৮৮) বেণুধৰ ৰাজখোৱাৰ 'অসমীয়া ভাই' (১৯০১), 'বাঁহী' (১৯০৬), 'সৰু ল'ৰাৰ গান' (১৯১০), দুৰ্গেশ্বৰ শৰ্মাৰ 'অঞ্জলি' (১৯১০), 'নিবেদন' (১৯২০), পদ্মধৰ চলিহাৰ 'ফুলনি' (১৯১৫), 'স্বৰাজ সঙ্গীত' (১৯২১), 'গীত লহৰী' (১৯২৩), ডিম্বেশ্বৰ নেওগৰ 'আকুল পথিক' (১৯২২), আৰু 'সফুৰা' (১৯২৩)। 'সচিত্ৰ দুৰ্ল্লভ প্ৰেম সংগীত'ত ১৪৩ টা গীত সন্নিবিষ্ট কৰা আছে। লক্ষ্মীৰাম বৰুৱাৰ 'সঙ্গীত কোষ'ৰ গীতবোৰক পাঁচটা ভাগত ভগোৱা হৈছিল। সেইবোৰ আছিল 'ধৰ্ম সঙ্গীত', 'জাতীয় সঙ্গীত', 'প্ৰণয় সঙ্গীত', 'বিচ্ছেদ সঙ্গীত' আৰু 'বিবিধ সঙ্গীত'। দুৰ্ল্লভ চন্দ্ৰ দাসৰ গীতবোৰক গীতিকাৰে তিনিটা শাখাত ভগাইছে, — 'প্ৰণয় সঙ্গীত', 'বিচ্ছেদ সঙ্গীত' আৰু 'বিবিধ সঙ্গীত'। মাজে মাজে প্ৰেমিক প্ৰেমিকাৰ কেইখনমান ছবিও সন্নিবিষ্ট কৰা হৈছে।

চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ পিছত দাসদেৱে কোনো আগ্ৰহী ছাত্ৰই গান শিকিব গ'লে ঘৰতে গান শিকাইছিল। তেখেতৰ এজন ছাত্ৰ কমলা কান্ত শৰ্মা বৰ্তমান মঙলদৈ চহৰৰ প্ৰবীণতম নাগৰিক। ইয়াৰোপৰি মঙলদৈ চহৰৰ কাষতে থকা আৰেং গাঁৱৰ কেইজনমান ছাত্ৰয়ো তেখেতৰ পৰা সঙ্গীতৰ তালিম লোৱা কথা জনা যায়। সেই সময়ত আৰেং গাঁৱত প্ৰায়ে সঙ্গীতৰ বৈঠকী হৈছিল আৰু এই বৈঠকীবোৰত দাসদেৱ আছিল মধ্যমণি।

১৯২৬ চনত তেজপুৰৰ বিখ্যাত আইনজীৱি অন্নদা কুমাৰ পদ্মৱতীয়ে লিখিছিল — 'তেওঁ আসামত প্ৰথমে যাত্ৰা দল খুলি সঙ্গীত বিদ্যা ৰাইজৰ ওচৰত প্ৰকাশ কৰে। তেজপুৰৰে অন্য এজন আইনজীৱী চন্দ্ৰ নাথ শৰ্মাই লিখিছিল। "মিঃ দাস এজন সঙ্গীতজ্ঞ আৰু আমাৰ দেশৰ এজন ভাল বেহেলাদাৰ"। মঙলদৈৰ মেনাপাৰৰ প্ৰবীণ অভিনেতা যতীন্দ্ৰ মোহন দেৱশৰ্মাই এদিন কথা প্ৰসংগত দাসদেৱৰ এটি অতি জনপ্ৰিয় গীতৰ কথা কৈছিল। গীতটোৰ স্থায়ীখিনি এনে ধৰণৰ — "তপতে তপতে কৰিবা পিৰীতি, যেন বেঙেনা ভজাত আলুগুটি।"

অৱসৰৰ পিছতো তেখেতে পুনৰ 'অসমীয়া যাত্ৰা দল' খুলি অসমৰ ঠায়ে ঠায়ে যাত্ৰাভিনয় অনুষ্ঠিত কৰিছিল যদিও হাঁপানী ৰোগত আক্ৰান্ত হৈ জিৰণি ল'বলৈ বাধ্য হয়। তেখেতৰ সৈতে বাদ্যযন্ত্ৰ সঙ্গীতকাৰীসকল আছিল পোৱাল কাকতি (বেহেলা) মহেশ্বৰ দাস (তবলা), বিষ্ণু ভড়ালী (ঢোলোক), লীলা ভড়ালী আৰু ললিত মেধি।

দুবছৰৰ বাবে তেওঁ লোকেল ব'ৰ্ডৰ চৰকাৰী মনোনীত সদস্য আছিল। ১৯৪২ চনৰ ফেব্ৰুৱাৰী মাহৰ ৪ তাৰিখে এইগৰাকী সঙ্গীতাচাৰ্যৰ দেহাৱসান হয় মঙলদৈৰ নিজা বাসভৱনত। তেখেতৰ গীত এটি পাঠক সমাজৰ উদ্দেশ্যে প্ৰকাশ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ।

উঠা! কাণ কৰা অসমীয়া ভাই,
এৰা জুহাল গুৰিৰ কলাঘুমটি।
লোৱা বীৰ সাজ, এয়ে ৰণৰ মাজ,
এলাহ ভাৰ্গৰ — কৰি কাটি।।
চকু মুদি আৰু কিমান খোৱা কানি,
কামৰ বেলিকা তোমাৰ টোপনি।
ইমানতে ভাই চোৱা চকুমেলি,
কানি ধোৱা খোৱা পেলোৱা কাটি।।
নোগোটালে উঠি ধান চাউল এমুঠি,
কিনো খাবা ককাই দুবেলা দুমুঠি।
অজাতি বিদেশীৰ হ'বা বহতীয়া
যিমানে থাকিবা হাত সাৱটি।।
যাৰ যিবা সাধ্য নকৰিলে কাম,
থাকিবনে তোমাৰ অসমীয়া নাম?
দিনক দিনে গৈছে ভেটি মাটি
পুৱাবনে তোমাৰ দুখৰ ৰাতি?

এই গীতটোৰ কথাংশৰ পৰা অসম আৰু অসমীয়া জাতিৰ প্ৰতি তেখেতৰ অকৃত্ৰিম স্নেহ প্ৰীতি সুন্দৰভাৱে প্ৰকাশ পাইছে।

অসমীয়া আধুনিক গীতৰ আৰম্ভণি কালত এই দুগৰাকী দৰঙী সঙ্গীতাচাৰ্যই অভাৱণীয় অৱদান আগবঢ়াই গৈছে। দৰঙৰ সাহিত্য সংস্কৃতিৰ অনুষ্ঠান সমূহে তেখেত সকলৰ স্মৃতি ৰক্ষাৰ্থে যাৱতীয় ব্যৱস্থা হাতত ল'লে এই দুজনা মহান আত্মাৰ প্ৰতি প্ৰকৃত সন্মান প্ৰদৰ্শন কৰা হ'ব। OO

❑ মানুহে জ্ঞানতকৈ সুখৰ কামনা কৰে অধিক। কিন্তু এই কামনাৰ অৰ্থ হ'ল বৃদ্ধ নোহোৱাকৈ অমৰ হ'বলৈ চলোৱা চেষ্টাৰ লেখীয়া।

*— ছিডনি হেৰিছ*

# সৃষ্টিৰ ৰহস্যময়তাৰ প্ৰতি এক অনুভৱ

✍ পবিত্ৰ কুমাৰ নাথ
প্ৰবক্তা

বিশ্ব ব্ৰহ্মাণ্ডৰ পৰিধি সুবিশাল। অনুমান কৰা হয় যে বিশ্বব্ৰহ্মাণ্ডত প্ৰায়, ১বিলিয়নৰো অধিক তাৰকাৰাজ্য আছে। প্ৰতিখন তাৰকাৰাজ্যৰ অলেখ নক্ষত্ৰ আৰু সৌৰজগত আছে। লক্ষ লক্ষ নক্ষত্ৰ, গ্ৰহ, উপগ্ৰহ, গ্ৰহানুপুঞ্জ, ধুমকেতু, উল্কাপিণ্ড ধূলিকণা আদিৰ সৈতে বিশ্বব্ৰহ্মাণ্ডৰ আকাৰ সচাঁকৈয়ে ৰহস্যময়, যিয়ে মানুহক যুগ যুগ বিস্ময়াবিষ্ট কৰি ৰাখিছে আৰু হয়তো এই ৰহস্যময়তাৰ মাজতে পৰম শক্তিমান ঈশ্বৰৰ স্থিতি উপলব্ধি কৰিব পাৰি। বিশ্বব্ৰহ্মাণ্ডৰ এই বিশালতাৰ ধাৰণাটোও অকল্পনীয়। কোনো নক্ষত্ৰ পৃথিৱীৰ পৰা ইমান দূৰত আছে যে ইয়াৰ পোহৰ পৃথিৱীলৈ আহিবলৈ বহু শ বছৰ প্ৰয়োজন হয়। অথচ পোহৰৰ গতিবেগ চেকেণ্ডত ৩ লাখ কিঃ মিঃ। সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী আইনষ্টাইনৰ মতে 'ৰহস্যময়তাই হ'ল আমি পাব পৰা সুন্দৰতম অনুভৱ। প্ৰকৃত কলা আৰু প্ৰকৃত বিজ্ঞানৰ ভেটিত থাকে এই মৌলিক আবেগ। এই কথা নজনাজন আৰু বিস্ময়বিমূঢ় হব নোৱাৰাজন মৃতকৰ দৰে। ভয় মিহলি ৰহস্যৰ অনুভৱৰ পৰাই ধৰ্মৰ জন্ম।' আমাৰ বিনন্দীয়া পৃথিৱীখনৰ উৎপত্তি, বিশ্বব্ৰহ্মাণ্ডত ইয়াৰ স্থান আদিক লৈ টোলেমিৰ যুগৰ পৰা কপাৰনিকাছৰ সময়লৈকে প্ৰায় ১৫০০ বছৰ ধৰি ৰহস্যৰ আবৰ্তত সোমাই আছিল। আমাৰ সৌৰ জগতৰ একমাত্ৰ জীৱন স্থিতি থকা পৃথিৱী নামৰ গ্ৰহটোৰ সতে জড়িত থকা ভালেমান ৰহস্য এতিয়া উদঘাটন কৰা হৈছে। যদিওবা আমি জানো যে সূৰ্য্যৰ পৰা এক সুষম দূৰত্ব, উপবৃত্তকাৰ কক্ষপথ, বাৰ্ষিক গতি, আহ্নিক গতি, মাধ্যাকৰ্ষণ শক্তি, বায়ু, পানী, মাটি, সৌৰ তাপ ইত্যাদি কাৰকে পৃথিৱীৰ জীৱ জগতৰ পৰিবেশ সৃষ্টিত অৰিহনা যোগাইছে তথাপি এই কাৰক সমূহৰ বৈশিষ্ট্য, ধৰ্ম কাৰ্য্য আৰু সেইকাৰক সমূহৰ মাজত থকা সমন্বয় আৰু আন্তক্ৰিয়াই আমাৰ মাজত বাৰুকৈয়ে কৌতুহল জাগ্ৰত কৰে আৰু লগতে পৰিৱেশৰ এই সংকটময় কালত মানৱ সমাজৰ প্ৰতি এক মহান শিক্ষা বহন কৰে। পৃথিৱীৰ লগত জড়িত এই কাৰক সমূহৰ সৃষ্টি কাকতালীয় নে কোনো পৰমশক্তিৰ হাতৰ পৰশ? পৃথিৱীৰ বৰ্তমানৰ মাধ্যাকৰ্ষণ শক্তিৰ দহভাগৰো এভাগ কম হোৱাহেতেন ইয়াৰ বায়ুমণ্ডল ধৰি ৰাখিব পৰা শক্তি নোহোৱা হ'লহেতেন আৰু এই বায়ুমণ্ডলৰ বিভিন্ন স্তৰ, তাত থকা গেচ, বাষ্প, ধূলিকণাৰ পৰিমিত পৰিমাণ, হ্ৰস্ব তৰংগৰ সৌৰ শক্তি, স্থানিক দীৰ্ঘ তৰংগ, তাপ বাজেট (Heat Budget), জলচক্ৰ, নাইট্ৰজেন চক্ৰ, কাৰ্বনডাই অক্সাইট চক্ৰ, অক্সিজেন চক্ৰ, জৈৱ আৰু অজৈৱ উপাদান আদি অনেক কাৰকৰ জৰিয়তে পৃথিৱীৰ উপাদান আদি অনেক কাৰকৰ জৰিয়তে পৃথিৱীৰ বৃহৎ পৰিস্থিতি তন্ত্ৰ অৰ্থাৎ জীৱমণ্ডল বৰ্তি আছে। এয়া সচাঁকৈয়ে বিস্ময়জনক। তাৰোপৰি জীৱমণ্ডলৰ জীৱৰ মাজত অপৰিসীম বিচিত্ৰতা আছে। প্ৰাক্ কেম্ব্ৰিয়ান যুগৰ এককোষী জীৱৰ পৰাই বৰ্তমানলৈ ৩৫,০০০০ প্ৰজাতিৰ উদ্ভিদ আৰু ১১ নিযুতৰ অধিক প্ৰজাতিৰ জন্তুৰ সৃষ্টি হৈছে। নিৰবিচ্ছিন্ন ক্ৰমবিকাশৰ ধাৰাই (প্ৰক্ৰিয়াই) জীৱৰ মাজত এই বৈচিত্ৰতা আনি দিছে আৰু ভৱিষ্যতেও আনিব। সুদূৰ ভৱিষ্যতত ক্ৰমবিকাশৰ প্ৰক্ৰিয়াই আজিৰ জীৱজগতৰ কেনে ৰূপান্তৰ ঘটায় সেয়াও এক ৰহস্য।

পৃথিৱীৰ বাহিৰে বিশ্বব্ৰহ্মাণ্ডৰ আন গ্ৰহত জীৱ আছেনে? এই কৌতুহলে মানুহক অধীৰ উন্মনা কৰি তোলে। এই বিষয়ত আমাৰ বহুতৰে মনত যোগাত্মক সঁহাৰি উদয় হয় আৰু আমি বিশ্বব্ৰহ্মাণ্ডৰ নিযুত তাৰকাৰাজ্যৰ মাজত কোনো এখন সৌৰজগতত নিশ্চয় এক পৃথিৱী সদৃশ স্থানত আৰু পৃথিৱী সদৃশ বৈশিষ্ট্যৰ বিদ্যমান এনে গ্ৰহ নিশ্চয় আছে য'ত জীৱজগতৰ স্থিতি আছে। যদি সেই গ্ৰহৰ জন্মকাল আমাৰ পৃথিৱীতকৈ পিছৰ তেনেহ'লে আমি পেলিঅজয়িক বা মেচ'জয়িক যুগত এৰি অহা জীৱৰ স্থিতি তাত থকা কল্পনা কৰিব পাৰোহক। যদি সেই গ্ৰহটোৰ জন্মকাল আমাৰ গ্ৰহতকৈ আগৰ তেনেহ'লে আমাৰ পৃথিৱীত আহিব লগীয়া ভৱিষ্যতৰ প্ৰজন্ম দেখা পাব পাৰো আৰু যদিহে সেই গ্ৰহৰ জন্মকাল পৃথিৱীৰ লগত একে হয় তেনেহ'লে পৃথিৱীৰ সদৃশ জীৱৰ স্থিতি তথা মোৰ দৰে 'মই' ৰ স্থিতিও কল্পনা কৰিব নোৱাৰিনে, কাৰণ আমি এক ক্ৰমবিকাশ ধাৰাৰ অংগহে। হয়তো ই এতিয়াও এক কল্পবিজ্ঞানৰ বিষয়বস্তু।

এই ওপৰোক্ত ৰহস্যৰ আঁত বিচাৰি আজিৰ পৰা প্ৰায় ২৭বছৰ আগতে মহাকাশ যান দুখনে পৃথিৱীৰ পৰা দুটা বেলেগ দিশত যাত্ৰা আৰম্ভ কৰিছিল মহাকাশৰ বুকুত কোনা জীৱৰ সন্ধানত। এই যান দুখন এতিয়াও গৈ আছে পৃথিৱীৰ পৰা বহু দূৰত মহাকাশৰ বুকুত অকলশৰে যি দুখন যানেই হ'ল পৃথিৱীৰ

পৰা আটাইতকৈ দূৰত মহাকাশৰ বুকুত থকা মানৱনির্মিত যন্ত্র। বর্তমান ইয়াৰ দূৰত সূর্য্য আৰু পৃথিৱীৰ দূৰত্বৰ সত্তৰ গুণ। মহাকাশ যান দুখন আছে পৃথিৱীৰ বিষয়ে এক থুলমূল বিৱৰণ। ইয়াত পৃথিৱীৰ বিভিন্ন জীৱ জন্তুৰ ছবি আৰু মাত কথা, মানুৰ বিভিন্ন জাতি প্রজাতিৰ কথা, বৈজ্ঞানিক আৱিষ্কাৰৰ কথা, কলা কৌশল আদি বিভিন্ন কথা সমূহ সহকাৰে বাণীবদ্ধ কৰিছে। কোনোবা সভ্য জগতৰ প্ৰাণীয়ে ভয়েজাৰ যান খন তেওঁলোকৰ গ্ৰহত অৱতৰণ কৰাব পাৰিলে ভয়েজাৰৰ লগত পঠিয়াই দিয়া বাণীবদ্ধ ৰেকৰ্ডখন নিজে নিজে চালিত হ'ব আৰু এখন পৰ্দাত পৃথিৱীৰ বিষয়ে থকা খবৰবোৰ শব্দৰ সৈতে দৃশ্যমান হ'ব। গতিকে সৌভাগ্যক্ৰমে কোনো বৌদ্ধিক দিশত আগবঢ়া জাতিৰ হাতত এই তথ্য পৰিলেহে পৃথিৱীৰ সতে যোগাযোগ সম্ভৱ হ'ব। এই নতুন খবৰৰ বাবে হয়তো আমি আৰু কেইবছৰমান অপেক্ষা কৰিব লাগিব। আশা কৰা মতে ২০৩০ চনলৈকে আমাৰ সূৰ্য্যটো মহাকাশৰ অন্য তৰাৰ মাজত ভয়েজাৰে বিচাৰি উলিয়াব পাৰিব। কিন্তু পিচলৈ ভয়েজাৰ আমাৰ পৰা বহু দূৰলৈ গুচি যাব আৰু সূৰ্য্য আৰু পৃথিৱীক বিচাৰি উলিওৱাত অসুবিধা হ'ব।

প্ৰকৃতিত ক্ৰমবিকাশৰ বিভিন্ন স্তৰ পাৰ হৈ অহাৰ পিচত আজিৰ এই সৰ্বশ্ৰেষ্ঠ মানবৰ জন্ম। মানুহে যিমানে আকাশ, পৃথিৱী আৰু বিশ্বব্ৰহ্মাণ্ডৰ বিষয়ে থকা ৰহস্যৰ ভেদ ভাঙিছে সিমানে নতুন নতুন ৰহস্যই মানুহক প্ৰত্যাহ্বান জনাইছে আৰু মানুহৰ অনুসন্ধিৎসু মনক পেগেলছৰ নিজৰ ভাষাত এইদৰে কয় 'বিশ্বব্ৰহ্মাণ্ডৰ সম্পৰ্কত কোনো অন্তিম সত্য থাকিব পাৰে- সেইয়া মই নাজানো। তথাপি এনেকুৱা বিশ্বাসক একাষৰীয়াকৈ থৈ আৱিস্কাৰৰ ন ন পথ মুকলি কৰি ৰাখিব পাৰি। বিশ্বব্ৰহ্মাণ্ডই মোক খেদি ফুৰে! বিশ্ব ব্ৰহ্মাণ্ডৰ দ্বাৰা মই হৈ পৰো আলোড়িত, ৰহস্যৰ মেৰপাকে মোক কৰি তোলে বিস্ময়বিমূঢ়।' হে বিশ্বব্ৰহ্মাণ্ড তোমাক প্ৰণাম। ○○

# তথ্য প্ৰযুক্তিৰ দিশত মঙলদৈ মহাবিদ্যালয়

✍ দীপেন নাথ, প্ৰবক্তা
কম্পিউটাৰ বিজ্ঞান বিভাগ

শেহতীয়াভাবে তথ্য প্ৰযুক্তিৰ (Information Technology) বিষয়টোৱে সমগ্ৰ বিশ্বব্যাপি এক জাগৰণ গঢ়ি তোলাৰ প্ৰতি লক্ষ্য ৰাখি মঙলদৈ মহাবিদ্যালয়ত এই বিষয়টো অন্তৰ্ভূক্ত কৰি জিলাখনৰ ছাত্ৰ-ছাত্ৰীসকলক এই দিশত আগবঢ়াই নিয়াত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে। প্ৰণিধানযোগ্য যে মহাবিদ্যালয়খনত ২০০৫-০৬ শিক্ষা বৰ্ষৰে পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণীত কম্পিউটাৰ বিজ্ঞান বিষয়টো অন্তৰ্ভূক্তিৰ অনুমোদনেৰে (উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনৰ) তথ্যপ্ৰযুক্তিৰ দিশটিত মহাবিদ্যালয়খনে এক যুগান্তৰকাৰী পদক্ষেপ গ্ৰহণ কৰে। বৰ্তমান উচ্চতৰ মাধ্যমিক শ্ৰেণীত ১৪ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিষয়টি অধ্যয়ন কৰি আছে। আনহাতে উল্লেখযোগ্য কথাটি এই যে বিগত উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ প্ৰথম বাৰ্ষিকৰ পৰীক্ষা (কলা + বিজ্ঞান) ৰ ফলাফল তুলনামূলকভাবে সন্তোষজনক। ওপৰোক্ত বিষয়টোৰ বাহিৰেও মহাবিদ্যালয়খনৰ আন্তঃগাঠনিক দক্ষতাৰ ওপৰত ভিত্তি কৰি গুৱাহাটী বিশ্ববিদ্যালয়ে মহাবিদ্যালয়খনত স্নাতক পৰ্য্যায়টো কম্পিউটাৰ বিজ্ঞান বিষয়টো (লঘু বিষয় হিচাপে) অন্তৰ্ভূক্তিৰ বাবে বিভাগীয় অনুমতি প্ৰদান কৰে, যাৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়খনত অধ্যয়নৰত উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতক পৰ্যায়লৈ আনুসংগিক বিষয় হিচাপে অধ্যয়ন কৰাৰ সুবিধা লাভ কৰিছে। প্ৰসংগত উল্লেখ কৰাটো আৱশ্যক যে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয় সমূহৰ ভিতৰত লেখত ল'ব লগা কেইখনমান মহাবিদ্যালয়তহে 'কম্পিউটাৰ বিজ্ঞান' বিষয়টোৱে এটি শ্ৰেণীৰ বিষয় হিচাপে অনুমোদন লাভ কৰিছে। বৰ্তমান স্নাতক শ্ৰেণীত (বিজ্ঞান শাখা) মহাবিদ্যালয়খনত ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ণ কৰি আছে। তদুপৰি বিগত বৰ্ষৰ স্নাতক ১ম খণ্ডৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলো যথেষ্ট সন্তোষজনক। ২০০৫-০৬ শিক্ষা বৰ্ষৰ পৰা স্নাতক মহলাত 'কম্পিউটাৰ বিজ্ঞান' বিষয়টো অন্তৰ্ভূক্ত হোৱাৰ পিছত যিখিনি ছাত্ৰ-ছাত্ৰীয়ে বিষয়টো অধ্যয়নৰ বিষয় হিচাপে বাচি ল'লে

তেওঁলোকৰ বাবে অহা শিক্ষা বৰ্ষটো (২০০৭-০৮) ত পাঠ্যক্ৰমটো সম্পূৰ্ণ হ'ব। তেনেক্ষেত্ৰত তেতিয়াৰে পৰা আমাৰ মহাবিদ্যালয়ত এই বিষয়টিয়েও পূৰ্ণাংগ ৰূপ লাভ কৰিব।

উচ্চতৰ মাধ্যমিক আৰু স্নাতক পৰ্যায়ত 'কম্পিউটাৰ বিজ্ঞান' বিষয়টো অন্তৰ্ভূক্তিৰ পিছত সাহসী তথা প্ৰত্যাহ্বানমূলক পদক্ষেপ হিচাপে মহাবিদ্যালয়ত তথ্য প্ৰযুক্তিৰ এক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ অন্যতম প্ৰতিষ্ঠান DOEACC (Department of Electronics Accredited Computer Course) ৰ অধীনত DOEACC "O" level ৰ বাবে এটা কেন্দ্ৰ স্থাপন কৰা হয়। উল্লেখ্য যে DOEACC SOCIETY খন AICTE, HRD, Ministry of Infromation Technology ৰ অনুমোদন প্ৰাপ্ত। এইখিনিতে এইটোও উল্লেখ কৰাটো ভাল হ'ব যে এই কেন্দ্ৰটিৰ বিভাগীয় অনুমোদন লাভৰ মূলতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° যাদৱ চন্দ্ৰ নাথ প্ৰমুখ্যে অৰ্থনীতি বিভাগৰ প্ৰবক্তা সন্তোষ বৰকাকতি আৰু কুশল গোস্বামীৰ ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। প্ৰণিধানযোগ্য যে উচ্চতৰ মাধ্যমিক, স্নাতক আৰু DOEACC অৰ ব্যৱহাৰিক পৰীক্ষা (Practical Examination) বৰ্তমানলৈ আমাৰ মহাবিদ্যালয়তে সুকলমে অনুষ্ঠিত হৈ আহিছে। এই বিষয়টোৰ এনে তাৎক্ষণিক অগ্ৰগতিৰ ক্ষেত্ৰত ঘন বৰুৱা, অচ্যুৎ শৰ্মা, হৰেশ্বৰ শৰ্মা, দীনমনি ডেকাক ধৰি পৰিসংখ্যা বিভাগৰ জ্যেষ্ঠ প্ৰবক্তা পূৰ্ণ শৰ্মা আৰু মহাবিদ্যালয়ৰ প্ৰতিগৰাকী শুভাকাংশীৰ ভূমিকা বিশেষভাৱে উল্লেখনীয়।

এইখিনিতে এটা কথা উল্লেখ কৰাটো ভাল হ'ব যে উচ্চতৰ মাধ্যমিক পৰীক্ষাত 'কম্পিউটাৰ বিজ্ঞান' বিষয় হিচাপে লৈ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে উচ্চ পৰ্য্যায়ৰ শিক্ষা হিচাপে স্নাতক শ্ৰেণীৰ উপৰিও সমসাময়িকভাৱে বি. চি. এ. (Bachelor of Computer Application), বি. টেক. (Bachelor of Technology) আদি বিষয়ত উচ্চ শিক্ষা গ্ৰহণ কৰি বিভিন্ন চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠানত নিয়োজিত হোৱাৰ পথ সুগম কৰি লব পাৰে। একেদৰে স্নাতক পৰ্যায়তো 'কম্পিউটাৰ বিজ্ঞান'ক বিষয় হিচাপে লৈ উৰ্ত্তীণ হোৱাৰ পিছত এই বিষয়টোকে স্নাতকোত্তৰ পৰ্যায়ত অধ্যয়ন কৰাৰ সুযোগ থাকে, লগতে MCA (Master of Cumputer Application), MSc (Computer Science), MSc (Information Technology) প্ৰভৃতিৰ শিক্ষা গ্ৰহণ কৰিব পাৰে আৰু চৰকাৰী কিম্বা বেচৰকাৰী দুয়োখন ক্ষেত্ৰতে Program Developer, Programming Assistant, Network Engineer, Software & Hardware faculty ইত্যাদি বিভিন্ন দিশত স্বনিয়োজনৰ পথ উলিয়াই ল'ব পাৰে। আনহাতে DOEACC "O" level উত্তীৰ্ণ হোৱাৰ পিছত ছাত্ৰ বা ছাত্ৰী গৰাকীয়ে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ প্ৰতিযোগিতাৰ দৌৰ ভাগ লোৱাৰ সুযোগ লাভ কৰিব। পৰৱৰ্ত্তী পৰ্য্যায়ত সংশ্লিষ্ট বিষয়তে "A", "B", "C" Level পৰ্যন্ত তেওঁলোকে অধ্যয়ন কৰাৰ সুযোগ আছে। আনহাতে "O" Level অতে শিক্ষা সাং কৰি বিভিন্ন চফ্‌টৱেৰ কোম্পানী নতুবা চৰকাৰী প্ৰতিষ্ঠানত Laboratory Assistant, Assistant Programmer, Developing Assistant, ইত্যাদি পদত নিয়োগৰ সুবিধা থাকে। এটি সুখৰ খবৰ যে ইতিমধ্যে আমাৰ কেন্দ্ৰৰ পৰা ওলোৱা কেইজনমান ছাত্ৰ-ছাত্ৰীয়ে ৰাজীৱ গান্ধী কম্পিউটাৰ শিক্ষা প্ৰসাৰৰ আঁচনিৰ অন্তৰ্ভুক্ত পদত, NRHM আঁচনিৰ অধীনৰ পদত নিয়োজিত হৈছে। সময়ৰ লগে লগে খোজ দিব লাগিলে নতুনকৈ উদ্ভাৱন হোৱা টেক্‌নলজিবোৰৰ লগত নিজক খাপ খুৱাই ল'লে কৰ্মসংস্থানৰ সুবিধা পোৱাত সহায়ক হ'ব।

মঙলদৈ মহাবিদ্যালয়ে তথ্যপ্ৰযুক্তিৰ জখলাত ভৰি দিয়াৰে পৰা বৰ্তমান পৰ্যায়লৈ যি এক চমু পৰিক্ৰমা অতিক্ৰম কৰিলে তাৰ ফলাফল যে নিশ্চিতভাৱে যোগাত্মক সেইটো ইতিমধ্যে প্ৰমাণিত হৈ পৰিছে। DOEACC SOCIETY, NEW DELHI ৰ ২০০৫-০৬ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ এক সমীক্ষাত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ DOEACC "O" Level পাঠ্যক্ৰম থকা কেন্দ্ৰ সমূহৰ ভিতৰত মাত্ৰ দুটা কেন্দ্ৰইহে "A" Grade ("Very Good) লাভ কৰিবলৈ সক্ষম হৈছে। আৰু সেই দুটা কেন্দ্ৰৰ ভিতৰত সংযোজিত হৈ আছে আমাৰ মহাবিদ্যালয়ৰ DOEACC ৰ কেন্দ্ৰটো (Acc. No. 01669) প্ৰণিধানযোগ্য যে অসমত বৰ্তমান ১৭ টা এনে স্বীকৃতিপ্ৰাপ্ত কেন্দ্ৰইহে এই পাঠ্যক্ৰমটি চলাই আহিছে। তেনেক্ষেত্ৰত একেবাৰে চালুকীয়া পৰ্যায়তে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে এনেধৰণৰ ধণাত্মক ফলাফল কঢ়িয়াই অনাটো নিঃসন্দেহে মহাবিদ্যালয়খনৰ বাবে এক গৌৰৱৰ বিষয় হিচাপে পৰিগণিত হৈছে আৰু অদূৰ ভৱিষ্যতে আমাৰ এই কেন্দ্ৰটিৰ পৰা বহু প্ৰতিভাৰ উদ্ভাৱন হোৱাৰ ই এক ইংগিত বহন কৰিছে। ○○

❑ তুমি যদি নিজৰ বিষয়ে সাহসেৰে সঁচা ক'ব নোৱাৰা, তুমি আন মানুহৰ বিষয়েও সঁচাটো কোৱা অসম্ভৱ। — *ভাৰ্জিনিয়া উল্‌ফ*

# নিবনুৱা সমস্যা, কেৰিয়াৰ আৰু ছাত্ৰ-ছাত্ৰীৰ কৰণীয়

✍ বিদ্যুৎ বৰুণ শৰ্মা

Sooner or later the man who wins is the man who thinks he can.

সাম্প্ৰতিক সময়ৰ মৌলিক সমস্যাসমূহৰ অন্যতম হৈ পৰিছে নিবনুৱা সমস্যা। দিনকদিনে শিক্ষিতৰ হাৰ বাঢ়িছে যদিও সেই অনুপাতে কৰ্মসংস্থান মুকলি হোৱা নাই। যাৰ ফলত শিক্ষিত নিবনুৱাৰ সংখ্যাটো বাঢ়ি গৈ ভয়ংকৰ সমস্যাৰ সৃষ্টি কৰিছে। এইক্ষেত্ৰত চৰকাৰ যিমানে দায়ী, তাৰ বিপৰীতে আমাৰ কৰণীয়ও আছে যথেষ্ট।

আমাৰ দৃষ্টিভঙ্গীয়ে জীৱনৰ গতি বিভিন্ন ক্ষেত্ৰত বহু পৰিমাণে নিৰ্ধাৰণ কৰে। মাথোঁ কেইবছৰমান আগলৈ আমাৰ অভিভাৱকসকলে নিজ সন্তানৰ সাফল্য মাথোঁ ডাক্তৰ, ইঞ্জিনিয়াৰ হোৱাতেই সীমাবদ্ধ কৰি পেলাইছিল। কিন্তু শেহতীয়াভাৱে বিভিন্ন ক্ষেত্ৰত বৃহৎ সম্ভাৱনাৰ দুৱাৰ মুকলি হৈছে। ডাক্তৰ, ইঞ্জিনিয়াৰৰ বাদেও যে সাফল্য লাভৰ, কেৰিয়াৰ গঢ়াৰ বিভিন্ন সুযোগ-সুবিধা আছে সেয়া এতিয়া বহুতেই বুজি পোৱা হৈছে। দৃষ্টিভঙ্গীৰ পৰিবৰ্তন ঘটিছে যদিও কিছু সংখ্যকৰ দৃষ্টিভঙ্গী এতিয়াও পৰিবৰ্তন হোৱা নাই।

কৰ্মসংস্থান লাভ তথা কেৰিয়াৰ গঢ়াৰ ক্ষেত্ৰত আমাৰ শিক্ষা ব্যৱস্থাৰো ভালেখিনি দুৰ্বলতা আছে। আমাৰ তুলনামূলকভাৱে আওপুৰণি শিক্ষা ব্যৱস্থাত কেৱল পুথিগত শিক্ষাৰে ছাত্ৰ-ছাত্ৰীয়ে কেৰিয়াৰ গঢ়াৰ সুযোগ নাপায়। অৱশ্যে বৃত্তিমূলক শিক্ষাক ইয়াত ধৰা হোৱা নাই।

সম্প্ৰতি আমাৰ অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিভঙ্গী কিছু পৰিমাণে সলনি হৈছে; যাৰবাবে এতিয়া বি এ, এম এ বা বি ই, এম বি বি এছৰ পাঠ্যক্ৰমত দৃষ্টি নিবদ্ধ নাৰাখি বিভিন্ন অত্যাধুনিক বিষয়ৰ পাঠ্যক্ৰম তথা বৃত্তিমূলক পাঠ্যক্ৰম গ্ৰহণেৰে কৰ্মসংস্থান লাভ কৰিবলৈ সক্ষম হৈছে। যিসকলে পৰম্পৰাগত শিক্ষা তথা শিক্ষাব্যৱস্থাকে খামোচ মাৰি ধৰি আছে তেওঁলোকে দৃষ্টিভঙ্গীৰ পৰিবৰ্তন কৰাৰ সময় আহি পৰিছে।

আমাৰ অধিকাংশ লোকৰে ধাৰণা যে কেৱল চৰকাৰী চাকৰিহে চাকৰি, বাকীবোৰ চাকৰি নহয়। কিন্তু ব্যক্তিগত খণ্ডতো যে লোভনীয় দৰমহা, সা-সুবিধাৰ চাকৰি লাভ কৰিব পাৰি সেই কথা বহুতৰে বিবেচনাৰ বিষয় নোহোৱাটোৱে সমস্যাৰ সৃষ্টি কৰিছে, নিবনুৱা সৃষ্টিত সাৰ-পানী যোগাইছে। সম্প্ৰতি মুক্ত অৰ্থনীতিৰ ফলত বিভিন্ন বহুজাতিক কোম্পানীত উচ্চ নিৰিখৰ দৰমহাৰ চাকৰি লাভ কৰাটো আমাৰ ছাত্ৰ-ছাত্ৰীৰ বাবেও সম্ভৱ হৈছে। চৰকাৰী খণ্ডৰ চাকৰিতকৈ এনে চাকৰিৰ সুবিধা-দৰমহা বহুক্ষেত্ৰত বেছিহে। গতিকে আমাৰ দৃষ্টিভঙ্গী সলনি কৰাৰ প্ৰয়োজন আছে। এইখিনিতে আন এটা কথাও মন কৰিবলগীয়া যে দুৰ্নীতিয়ে গ্ৰাস কৰা আমাৰ চৰকাৰী খণ্ডৰ চাকৰি লাভৰ বাবে যি উপঢৌকন দিয়াৰ প্ৰয়োজন হয় বিভিন্ন ক্ষেত্ৰত সেই অনুপাতে এই ব্যক্তিগত খণ্ডৰ চাকৰিসমূহত তেনে উপঢৌকনৰ কু-সংস্কৃতি নাই বুলিবই পাৰি। আনহাতে 'চাকৰি কিনা'ৰ সামৰ্থ্য নথকাৰ বাবে যি উচ্চ শিক্ষিতত, মেধাবী ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী চাকৰি লাভ কৰিব নোৱাৰি নিবনুৱা হৈ হতাশাগ্ৰস্ত হ'বলগীয়া হয়, তেনে ছাত্ৰ-ছাত্ৰীয়ে কেৱল মেধা, অৰ্হতা, কৰ্মনৈপুণ্যৰ বলতে ব্যক্তিগত খণ্ডত উচ্চ নিৰিখৰ ভাল চাকৰি লাভ কৰিবলৈ সক্ষম হয়। কিয়নো ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানসমূহত মেধা আৰু কৰ্মনৈপুণ্যতাকহে প্ৰাধান্য দিয়া হয় য'ত 'কথাৰ মলহা মাৰি চাধা মাৰি চাকৰি কৰা'ৰ কৰ্ম সংস্কৃতি নাই। এইখিনিতে উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ দৰমহা ৪০ শতাংশলৈ বৃদ্ধিৰ প্ৰস্তাৱেও কৰ্মচাৰীসকলক আশ্বস্ত কৰিব পৰা নাই। কিয়নো ৪০ শতাংশলৈ দৰমহা বাঢ়িলেও কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ চাকৰি কৰা সৰ্বোচ্চ পদৱীৰ চাকৰিয়ালে দৰমহা লাভ কৰিব সৰ্বাধিক ৮০,০০০ টকা। কিন্তু একেই মেধা, কৰ্মনৈপুণ্য, অৰ্হতাৰ ব্যক্তিগত খণ্ডত একেই পৰ্যায়ৰ পদত চাকৰি কৰা সকলে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিয়ালে লাভ কৰা দৰমহাৰ প্ৰায় দুগুণ দৰমহা লাভ কৰিবলৈ সক্ষম হয়। গতিকে সঁচাকৈয়ে লোভনীয় নহয়নে এই চাকৰিসমূহ।

অৱশ্যে সাধাৰণতে এই জাতীয় প্ৰতিষ্ঠানত চাকৰি কৰা লোকসকল প্ৰবল বস্তুবাদী তথা সমাজ অসচেতন বুলি অভিযোগ উপস্থিত হয়। সেয়েহে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে এনে প্ৰতিষ্ঠানত চাকৰি কৰিও নিজ মাতৃভূমিৰ উন্নয়নৰ দিশটোত গুৰুত্ব আৰোপ কৰি সমাজ সচেতনতাৰ পৰিচয় দিয়া উচিত।

যিসকলে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব খোজে তেওঁলোকৰ বাবেও সম্প্ৰতি আমাৰ ইয়াতো এক প্ৰতিযোগিতামূলক পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়োজনীয়তা আহি পৰিছে। বিভিন্ন কাৰণত সম্প্ৰতি অসমত তেনে পৰিবেশ নাই যদিও অসমীয়া ছাত্ৰ-ছাত্ৰীৰ মেধাৰ অভাৱ নাই। উপযুক্ত পৰিবেশ আৰু অধ্যৱসায়ৰ বলত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে এইবাৰ (২০০৮ বৰ্ষত ঘোষিত) ইউ পি এছ চিত সাফল্য লাভ কৰা অসমৰ চাৰি ছাত্ৰ-ছাত্ৰীৰ ভিতৰত জামুগুৰিহাটৰ নয়নজ্যোতি নাথৰ ঘৰুৱা আৰ্থিক দৈন্যৰ বিষয়ে আমি ভালকৈয়ে অৱগত। কিন্তু নয়নে সকলো বাধা-বিঘিনি অতিক্ৰম কৰি এই সৰ্বভাৰতীয় পৰীক্ষাত সাফল্য লাভ কৰি আমাৰ মেধাৱী অথচ আৰ্থিকভাৱে পাছপৰা ছাত্ৰ-ছাত্ৰীৰ বাবে আদৰ্শস্বৰূপ হৈ উঠিছে। গতিকে মনত ৰখা ভাল যে অধ্যৱসায় আৰু শৃঙ্খলাদ্ধতাই সাফল্যৰ চাবি-কাঠি, কোনো কাৰণেই ইয়াত বাধাৰ সৃষ্টি কৰিব নোৱাৰে।

আমাৰ ছাত্ৰ-ছাত্ৰীয়ে (মেধাৱীখিনিক বাদ দি) সাধাৰণতে বাঘৰ দৰে ভয় কৰা বিষয়টোৱেই হ'ল ইংৰাজী, যাৰ জ্ঞানৰ অভাৱত তথাকথিত শিক্ষিত লোকেও বিকলাংগৰ জীৱন-যাপন কৰিবলগীয়া হয় আজিৰ বিশ্বায়নৰ যুগত। বিভিন্ন কাৰণত ইংৰাজী এতিয়া বিশ্বৰ প্ৰধান ভাষা, বিশেষকৈ ব্যৱহাৰিক দিশত। ফলস্বৰূপে উন্নত কেৰিয়াৰৰ বাবে এই ভাষাৰ জ্ঞান সম্প্ৰতি অপৰিহাৰ্য্য। আমি নিজ অভিজ্ঞতাৰে ক'ব পাৰো যে অতি ওচৰৰ পৰা লগ পোৱা ভালেমান যুৱক-যুৱতীয়ে কেৱল ইংৰাজী ভাষাৰ ভাল জ্ঞানৰ বলতেই ভাল ভাল প্ৰতিষ্ঠানৰ উচ্চ পদত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছে। আনহাতে তুলনামূলকভাৱে কম মেধাৱী ছাত্ৰ-ছাত্ৰীয়েও বিভিন্ন BPO আদিত ইংৰাজীৰ ভাল জ্ঞানৰ বাবেই কৰ্ম সংস্থান লাভৰ সুবিধা পাইছে। আনকি আমেৰিকাৰ দৰে উন্নত দেশৰ ছাত্ৰ-ছাত্ৰীকো ভাৰতৰ শিক্ষকে ইংৰাজী শিকাই শিক্ষিত কৰি তুলিছে। আনহাতে আমাৰ খাব খোৱা অসমীয়া যুৱক-যুৱতীয়েও আমেৰিকাত বিভিন্ন ক্ষেত্ৰত কৰ্মনৈপুণ্য তথা মেধাৰ পৰিচয় দি বিজয় ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে। আমাৰ খোদ দৰঙৰ সু-সন্তান ড° অতুল চন্দ্ৰ শৰ্মা, ড° মতিউৰ ৰহমান আদিৰ উপৰিও পৱন শৰ্মা, হিৰণ্য নাথ আদিয়েও আমেৰিকা আৰু কানাডাৰ দৰে উন্নত ৰাষ্ট্ৰত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। আনকি 'প্ৰবল আউটছৰ্চিঙ'ৰ জৰিয়তে আমাৰ ভাৰতীয় তথা বিদেশী যুৱক-যুৱতীয়ে আমেৰিকাৰ শিক্ষিত যুৱক-যুৱতীৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। যাৰ ফলত আমেৰিকাৰ এইবাৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ অন্যতম প্ৰাৰ্থিত্ব প্ৰত্যাশী হিলাৰী ক্লিণ্টনে 'আউটছ'ৰ্চিঙ' বন্ধ কৰি স্থানীয় যুৱক-যুৱতীৰ বাবে কৰ্মসংস্থান বৃদ্ধি কৰাকো নিৰ্বাচনৰ এক অন্যতম ইচ্ছা হিচাপে গ্ৰহণ কৰিছে।

তদুপৰি আন এক লক্ষণীয় দিশ এই যে আমাৰ প্ৰয়োজনীয় কৰ্মসংস্কৃতিৰ অভাৱ। সহজলভ্য ধনৰ কথা বাদ দি কষ্টোপাৰ্জিত ধনৰ প্ৰতিহে আমি আগ্ৰহী হোৱা উচিত, যি ধন উপাৰ্জনৰ পন্থাই সমাজ সুন্দৰ কৰে, কৰ্ম সংস্কৃতি গঢ়ে। আনহাতে শিক্ষিত বুলিয়েই যে কিছুমান কামৰ বাদে বাকীবোৰ আমি কৰিব নোৱাৰো তেনে শুচিবায়ুগ্ৰস্ততা ত্যাগ কৰাৰ সময় আহি পৰিছে। আমাৰ যুৱক-যুৱতীয়ে 'স্বনিৰ্ভৰশীল হ'বলৈ শিকা উচিত। চৰকাৰৰ বিভিন্ন আঁচনি তথা আইনৰ যোগেদি বিভিন্ন সুযোগ গ্ৰহণ কৰি গাইগুটীয়াকৈ অথবা যৌথভাৱে বিভিন্ন আঁচনি হাতত লৈ স্বনিৰ্ভৰশীল হ'ব পাৰি। অলপতে 'আছু'ৰ উদ্যোগত শিক্ষিত যুৱক এছামে আলু খেতিৰ জৰিয়তে লাভান্বিত হোৱাটো শুভ লক্ষণ। আমাৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়া বুলিলে কেৱল পাঠ্যপুথি অধ্যয়নকে বুজে। কিন্তু তেনে হোৱা উচিত নহয়। বিভিন্ন কাকত-আলোচনী পঢ়াৰ অভ্যাসো গঢ়িব লাগে। যিয়ে সমাজ সচেতনতা আনে তথা জ্ঞানৰ ভঁৰাল চহকী কৰে। ইংৰাজীত দুৰ্বলসকলে ইংৰাজী কাকত, আলোচনী পঢ়ি প্ৰয়োজনবশতঃ ভাল, বিখ্যাত ইংৰাজী চলচিত্ৰ উপভোগ কৰি, ইংৰাজী ভাষাটো ভুলে-শুদ্ধকৈ ক'বলৈ যত্ন কৰি ভাষাটোত দখল বৃদ্ধি কৰিব পাৰে। আনহাতে আজৰি পৰত 'ইডিয়ট বক্স'ৰ সন্মুখত বহি থকাৰ পৰিবৰ্তে কোনো বৃত্তিমুখী পাঠ্যক্ৰম অধ্যয়ন কৰি স্বনিৰ্ভৰশীল হ'ব পাৰি। আমাৰ অভিভাৱকসকলেও ছাত্ৰ-ছাত্ৰীক বিদ্যালয়, কলেজ আদি বন্ধৰ সময়ছোৱাত (বিদেশত এই সু-সংস্কৃতি বিৰাজমান) কাম কৰি হাত খৰচ উলিয়াবলৈ উৎসাহ দিব পাৰে। অধ্যয়নত ব্যাঘাত নজন্মোৱাকৈ। ই নিঃসন্দেহে ছাত্ৰ-ছাত্ৰীক স্বনিৰ্ভৰশীল হোৱাৰ প্ৰথম পদক্ষেপৰূপে পৰিগণিত হ'ব আৰু ইয়াৰ জৰিয়তে কৰ্মসংস্কৃতিও গঢ়ি উঠিব।

সেয়েহে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে হতাশাগ্ৰস্ত হোৱাৰ কাৰণ নাই। মেধাই স্বীকৃতি পাবই। মাথো সুপৰিকল্পিতভাৱে নিজৰ ইচ্ছা আৰু সামৰ্থ্যৰ সঠিক মূল্যায়নেৰে শৃঙ্খলাবদ্ধভাৱে অধ্যৱসায় কৰিলে সাফল্য লাভ নকৰাৰ প্ৰশ্নই নুঠে।

আমাৰ ছাত্ৰ-ছাত্ৰীয়ে মনত ৰখা ভাল যে সেইজনেই জীৱন যুঁজত জয়ী হয় যিজনে ভাৱে তেওঁ জয় লাভ কৰিবলৈ সক্ষম। গতিকে হাত সাৱটি বহি থকাৰ সকাম নাই। ○○

# অসমীয়া সাহিত্যত চুফীবাদ ঃ এক আলোকপাত

✍ জয়ন্ত ডেকা
স্নাতক ১ম বৰ্ষ

ভাৰতীয় ইতিহাসত বিভিন্ন সময়ত বিভিন্ন নৃগোষ্ঠীৰ প্ৰব্ৰজন ঘটি আহিছে। বিভিন্ন জাতি তথা ধৰ্ম সংপৃক্ত এই নৃগোষ্ঠী সমূহৰ জাতীয়তাবাদ, কলা-সংস্কৃতি আৰু ধৰ্মীয় জীৱনধাৰা ভাৰতীয় ইতিহাসত খণ্ডিত ৰূপত পৰিদৃশ্যমান হৈ আহিছে। সি লাগিলে শক, হুন, মোগল, পাঠান, ইংৰাজ আদি জাতি গোষ্ঠী যিয়েই নহওক। ভাৰতবৰ্ষৰ অংগৰাজ্য অসমতো এনে প্ৰবজনকৃত ভাষিক তথা সংমিশ্ৰিত সংস্কৃতিৰ প্ৰভাৱ পৰিলক্ষিত হয়। ৰজাঘৰ-প্ৰজাঘৰ সকলো ক্ষেত্ৰতে এনে সংস্কৃতিয়ে বিগত দিনৰ পৰা প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

উল্লেখযোগ্য যে ভাৰতীয় সভ্যতাৰ অন্যতম অৱদান স্বৰূপ স্থাপত্য-ভাস্কৰ্য্য শিল্পটো এনে আমদানিকৃত পাশ্চাত্য সংস্কৃতিৰ ভাৱধাৰাই প্ৰভাৱ বিস্তাৰ কৰাটো সৰ্বজনবিদিত। এই ক্ষেত্ৰত মোগলৰ ৰজাঘৰীয়া কলা-সম্পদসমূহ উল্লেখযোগ্য। প্ৰণিধানযোগ্য যে, পৰস্পৰৰ মাজত ভাৱ আৰু ভাষাৰ বিনিময়ে যেনেকৈ এক সৌহাৰ্দ্যপূৰ্ণ আত্মীয়তাবোধ গঢ়ি তোলাত সহায় কৰে তদ্ৰূপ দেশ-বিদেশৰ বিভিন্ন জাতিৰ সাহিত্যিক কৰ্মৰাজিৰ বিনিময়েও দেশ তথা জাতিৰ মাজত সম্প্ৰীতি আৰু মিলনৰ সেতু গঢ়াত ভালেখিনি বৰঙণি যোগাব পাৰে। প্ৰাচ্য আৰু পাশ্চাত্যৰ এই বিশ্ব সাহিত্যৰ মিলন দৰাচলতে গোটেই পৃথিৱীৰ বাবে এক মহান সম্পদস্বৰূপ। ভাৰতীয় সাহিত্য-সংস্কৃতিত চুফীবাদৰ প্ৰভাৱ তাহানি সেই মুছলমান আক্ৰমণৰ দিনতেই লক্ষণীয় যদিও পাশ্চাত্যৰ কবি 'কুতুবন'ৰ জৰিয়তেহে ভাৰতীয় হিন্দী সাহিত্যত চুফীবাদৰ প্ৰভাৱে প্ৰগাঢ়তা লাভ কৰিলে। আমাৰ অসমতো মুছলমানৰ আগমণৰ লগে লগে অসমীয়া সংস্কৃতিত তথা সাহিত্যত ইছলামী ভাবাদৰ্শৰ অপৰিসীম প্ৰভাৱ বাৰুকৈয়ে পৰিল আৰু বৃহৎ বিদেশী সংস্কৃতিৰ সংমিশ্ৰণত এক নতুন সংস্কৃতিয়ে গঢ় লৈ উঠিল। খ্ৰীঃ ১৫০০ ত ৰচিত দ্বিজৰামৰ 'যুগৰতী চৰিত' পুথিৰ সময়ৰ পৰা অসমীয়া সাহিত্যৰ চুফীবাদৰ আৰম্ভণি হয়। এই চৰিত পুথিখনক 'চাহাবৰী উপাখ্যান' নামেৰেও জনা যায়। গেইট চাহাবৰ অসম বুৰঞ্জীত ইয়াৰ সমল এইদৰে পোৱা যায়— 'Some poets seareched for fresh loue them in new literary pastures one such new loue momance in Ram Dieija's Mrigauaticarica, a work corresponding to the Sofi work of the same name written in A/D 1500 by Kutuban' (History of Assam)। বৈষ্ণৱ সাহিত্যৰ যুগতো ইছলামী প্ৰভাৱ মন কৰিবলগীয়া। শংকৰদেৱৰ বৰগীতসমূহৰ মাজতো চুফীবাদী শব্দই স্থান অধিকাৰ কৰি আহিছে। এইদৰে 'ভয়োভাই সাৱধান যাবে নাছিচুটে প্ৰাণ। গোবিন্দৰ ফৰমান নিকটে মিলিবে জান।'

ইয়াত ব্যৱহৃত ফৰমান শব্দই ইছলামী ভাৱাদৰ্শৰেই ইংগিত সূচায়। অসমীয়া মন্ত্ৰ সাহিত্যতো ইছলামী ভাৱধাৰাৰ শাব্দিক ব্যৱহাৰিতাই সংমিশ্ৰণৰ কথাকে সূচায়। প্ৰসিদ্ধ কবি 'সুকবি নাৰায়ণ দেৱ' ৰচিত মনসা গীত 'সুকনান্নী পদ্মাৱতী'ত সুদূৰ কাৰবালাৰ শ্বহীদ হাচান-হোচেন আৰু হজৰত মহম্মদৰ জীয়ৰী ফাতেমাৰ কথাৰ উল্লেখ ইছলামী চুফীবাদৰ জলন্ত নিদৰ্শন। ইছলাম ধৰ্মত সৰ্প পূজাৰ প্ৰচলন নাই যদিও হাচান-হেচেনৰ দ্বাৰা পদ্মাৱতীক পূজা কৰা দৃশ্যই ইছলামী চুফীবাদৰ সংমিশ্ৰণ দেখুৱাই ছে। জ্ঞান মালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাদেৱেহে দৰাচলতে আধুনিক যুগত অসমীয়া সাহিত্যত চুফীবাদৰ ধাৰা প্ৰৱৰ্তন কৰালে। ঊনৈশ শতিকাৰ শেষভাগত হাজৰিকাদেৱে প্ৰাঞ্জল জতুৱা ঠাচ আৰু ঘৰুৱা শব্দৰে ৰচনা কৰিলে অনুপম কবিতা পুথি 'জ্ঞান মালিনী' আৰু 'তত্ব পাৰিজাত'। দুয়োখন কবিতাপুথিৰেই মূল উদ্দেশ্য আৰু লক্ষণীয় দিশ হ'ল একত্ববাদ তথা ভক্তি ভাৱাদৰ্শ। হাজৰিকাৰ ভাষাত 'পৃথিৱীত ধৰ্ম এটাই, সেয়া হ'ল মহাধৰ্ম'। চুফীবাদ বা ইছলামীয় দৰ্শনৰো মূল উদ্দেশ্য একত্ববাদ। সেয়েহে দেখা যায় 'জ্ঞান মালিনী' আৰু 'তত্ব পাৰিজাত'ৰ বেছিভাগ কবিতাতে চুফীবাদী ভাৱধাৰা প্ৰকট হৈ আছে। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ বেছিভাগ কবিতাতে প্ৰকৃতিবাদী ৰহস্যবাদ সোমাই আছে যদিও তেখেতৰ 'কাৰবালা' নামৰ কাব্যত চুফীবাদী নিদৰ্শন দেখা যায়।

পাৰস্যৰ এক বিখ্যাত কাহিনী হ'ল 'চোহৰাব ৰুস্তম'। এই চোহৰাব ৰুস্তমৰ কাহিনীকো অসমীয়া ভাষালৈ অনুদিত কৰিলে সু-সাহিত্যিক অতুল চন্দ্ৰ হাজৰিকা আৰু ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াদেৱে। এই পাৰস্য দেশীয় কাহিনীৰ অনুদিত প্ৰভাৱ সেই দেশৰ ইছলামীয় ৰীতি-নীতি, ভাৱাবেশ আদিৰ সমন্বয় ঘটিল অসমীয়া সাহিত্যত। পৱিত্ৰ ধৰ্মগ্ৰন্থ 'কোৰাণ'ত আছে

যে আল্লাৰ সন্তুষ্টিৰ বাবে হজৰত ইব্ৰাহীমে নিজৰ পুত্ৰ ইছমাইলক বলি দিবলৈ প্ৰস্তুত আছিল। উক্ত ধৰ্মান্ধ তথা উদাৰ কাহিনীৰ প্ৰাঞ্জল অসমীয়া ৰূপান্তৰ দেখা যায় দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' নামৰ কবিতাত এইদৰে— 'শুনিছো বন্ধু ইব্ৰাহীমৰ কাহিনী বীৰত্বৰ, দেৱতাৰ হকে পুত্ৰ বুকুত হানিছিল খঞ্জৰ'। কোৰাণৰ প্ৰথম প্ৰাৰ্থনা স্তৱক— 'আলহামদু লিল্লাহি ৰাচ্চিল আলমিন'ৰো অসমীয়া ৰূপান্তৰ সম্ভৱ হ'ল তৰুণৰাম ফুকনৰ কলমত তেখেতৰ 'ঈশস্তুতি' নামৰ কবিতাত। এই কবিতাটিৰ জৰিয়তে আল্লা যে এজন আৰু সকলোৰে পালনকৰ্তা তাৰ নিদৰ্শন ফুটি ওলাইছে। এই ভাৱধাৰাৰ দ্বাৰা সাহিত্যত ভগৱৎ প্ৰেম কিম্বা ভক্তিবাদৰ প্ৰচলনত সহায় হ'ল চুফীবাদীয় পৰম্পৰাৰ যোগেদি। পাৰস্যৰ আন দুগৰাকী চুফীবাদী অমৰ কবি হ'ল হাফিজ আৰু ওমৰ খৈয়াম। কবি হাফিজৰ কবিতাৰ দৰ্শন অসমীয়া কাব্য সাহিত্যত বোৱাই দিলে বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাই 'হাফিজৰ সুৰ' নামৰ কবিতাত—

'ফুলাম ধৰাৰ গোলাম আমি যে
প্ৰীতি পৰিমল ফুলৰ দান,
এটি লহমাৰ এচাটি বতাহ
তাতহে হবলা গাইছো গান।'

ওমৰ খৈয়ামৰ মনোমোহা বৰ্ণনাখিনিক বিৰাগময়ী, ৰহস্যবাদী কবি যতীন্দ্ৰ নাথ দুৱৰাই অসমীয়া সাহিত্যলৈ বোৱাই লৈ আহিল 'ওমৰ তীৰ্থ' নামেৰে। ওমৰ তীৰ্থতেই পাৰস্য দেশীয় চুফীবাদী তথা খৈয়ামী সুৰ অসমীয়া কাব্য সাহিত্যৰ অংগে অংগে সোমাই পৰিল। দুৱৰাই এই অনুদিত কাব্যৰ জৰিয়তে সমগ্ৰ অসমীয়া সাহিত্যত এক নতুনত্বৰ ঢল আনিবলৈ সক্ষম হৈছিল। আহোম ৰাজত্বৰ সময়ৰ আজান ফকীৰ চাহাবৰ ৰচিত 'জিকিৰ আৰু জাৰী' গীতসমূহেও সাহিত্য সংমিশ্ৰণৰ সেতু গঢ়িলে। এই গীত সমূহত কাৰবালাৰ শ্বহীদৰ হৃদয় বিদাৰক বৰ্ণনা আৰু ইছলামীয় বিভিন্ন তত্ব কথাৰ বৰ্ণনা অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ। ইয়াৰ বাহিৰেও অতুল চন্দ্ৰ বৰুৱাৰ 'নবী কথা', নগেন্দ্ৰ নাথ চৌধুৰীৰ 'হজৰত জীৱনী', হৰিনাৰায়ণ দত্ত বৰুৱাৰ 'মহম্মদৰ অতিথি সেৱা', তপেশ্বৰ শৰ্মাৰ 'মক্কাৰ কাকা', গোপীনাথ বৰদলৈ ৰচিত 'হজৰত মহম্মদ', মহাদেৱ শৰ্মাৰ 'মহম্মদ চৰিত' আদি অনেক লিখকৰ অনুপম গ্ৰন্থৰ জৰিয়তেও সাহিত্যত পাশ্চাত্যৰ চুফীবাদী ধাৰা অনন্ত ফল্গুৰ দৰে চিৰ প্ৰৱাহিত হ'ল। সময়ৰ সোঁতত লিখিত সাহিত্যৰ উপৰিও চিত্ৰ ভাস্কৰ্য সমূহতো ইয়াৰ প্ৰভাৱ পৰিল।

আহোম ৰাজত্বৰ সময়তেই প্ৰখ্যাত পুথি 'হস্তী বিদ্যাৰ্ণৱ'ত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত মুছলমান শিল্পী দিলবৰে আঁকি দিয়া চিত্ৰসমূহ অসমীয়া চিত্ৰ-ভাস্কৰ্যৰ মূল্যবান সম্পদ। এই মোগল যুগীয়া চাৰু-কলাসমূহৰ অপূৰ্ব সমাহাৰ আমাৰ সাহিত্যৰ এক সম্পদ। অসমীয়া ভাষাত ব্যৱহৃত বিভিন্ন চুফী শব্দই লিখিত সাহিত্যতো ভালেমান প্ৰভাৱ পেলালে। শেহতীয়াকৈ নাট্য সাহিত্যত ইয়াৰ প্ৰভাৱ মন কৰিবলগীয়া। সেয়েহে ইছলামীয় ৰীতি-নীতিৰ পৰম্পৰা আমাৰ সাহিত্যলৈ অহাটো আমাৰ সাহিত্যৰ বাবে গৌৰৱৰহে কথা স্বৰূপ। বিশ্ব কবি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ভাষাত— 'কিছু দিব লাগে, কিছু ল'ব লাগে, মিলাব লাগে'। মুঠতে সাহিত্যৰ উপৰিও আমাৰ দৈনন্দিন জীৱনতো চুফীবাদী ভাৱধাৰা সোমাই পৰিল। ○○

**সহায়ক গ্ৰন্থৱাজি ঃ**

ক) পুৰণি অসমীয়া সাহিত্য।

খ) মধ্য যুগীয় অসমীয়া সাহিত্য।

গ) অসমীয়া সাহিত্যত পশ্চিমীয়া সাহিত্যৰ প্ৰভাৱ।

## আচৰিত কিন্তু সঁচা

- পৃথিৱীৰ আটাইতকৈ ডাঙৰ প্ৰাণী নীলা তিমিৰ (Blue Whale) জন্মৰ সময়তেই ওজন প্ৰায় সাত টন হয়। পূৰ্ণ অৱস্থাত ইয়াৰ ওজন হয়গৈ প্ৰায় ১৫৬ টন আৰু দীঘ হয়গৈ প্ৰায় ৩০ মিটাৰ। ইহঁতৰ জিভাখনৰ ওজনেই প্ৰায় ৩৫০ কিলোগ্ৰাম আৰু হৃদপৃণ্ডটোৰ ওজন প্ৰায় ৫৫ কিলোগ্ৰাম। তিমি প্ৰকৃততে স্তন্যপায়ী প্ৰাণী যদিও সাগৰত থাকে কাৰণে বহুতে ইয়াক মাছ বুলি ভাৱে। ইহঁতৰ বহুতো অংগ-প্ৰত্যংগ পানীত থকাৰ উপযোগীকৈ গঠিত। কেৱল শ্বাস-প্ৰশ্বাস ইহঁতে হাঁওফাওঁৰ সহায়ত লয় আৰু স্তন্যপায়ীৰ দৰে পোৱালী জগায়। তিমিয়ে যেতিয়া পানীৰ ওপৰলৈ শ্বাস-প্ৰশ্বাস ল'বলৈ আহে, তেতিয়া দুই ছেকেণ্ডমানৰ ভিতৰতে ৫৫০ গেলেনমান বায়ু হাঁওফাওঁত ভৰাই ল'ব পাৰে।

# লিওনার্ডো দা ভিন্সি ঃ মনালিছা

✍ বাবুল নাথ
স্নাতক ২য় বর্ষ

মনালিছা। এক অকৃত্রিম হাঁহি ওঁঠত লৈ থকা এগৰাকী নাৰীৰ ছবি মনালিছা। মনালিছাৰ ওঁঠৰ এই হাঁহিয়ে সমগ্ৰ পৃথিৱীৰ চিত্ৰপ্ৰেমীসকলক ৰহস্যৰ আৱৰ্তত ডুবাই ৰাখিছে। কোনেও আজিলৈকে এই হাঁহিৰ ৰহস্য ভেদ কৰিবলৈ সক্ষম হোৱা নাই। আজিৰ পৰা প্ৰায় পাঁচশ বছৰ পূৰ্বে সৃষ্টি হৈছিল এই অপূৰ্ব সৃষ্টিকৰ্মৰ।

**মনালিছা সৃষ্টিৰ আঁত ধৰি ঃ** প্ৰখ্যাত চিত্ৰশিল্পী লিওনাৰ্ডো দা ভিন্সিৰ তুলিকাত সৃষ্টি হৈছিল এই প্ৰসিদ্ধ শিল্পৰ। ভিন্সিয়ে কেনেকৈ লগ পাইছিল বাৰু মনালিছাক? শিল্পী হিচাপে ভিন্সিৰ ফ্লোৰেন্সৰ অভিজাত লোকসকলৰ লগত এক সৌহাদ্যপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছিল। তেনেকৈয়ে তেওঁৰ সম্পৰ্ক হৈছিল ফ্ৰান্সেস্কো ডেল গিঅ'কোণ্ডা নামৰ এজন ৰাজ বিষয়াৰ লগত। ফ্ৰান্সেস্কোৰ ঘৰতেই তেওঁৰ পত্নী মনালিছাৰ লগত সাক্ষাৎ হৈছিল লিওনাৰ্ডো দা ভিন্সিৰ। মনালিছাৰ উন্মুক্ত চুলিটাৰি, সুউচ্চ বক্ষযুগল আৰু ওঁঠৰ মিচিকিয়া হাঁহিটোৱে আকৰ্ষণ কৰিলে ভিন্সিক। এই নাৰীক তুলিকাৰে আবদ্ধ কৰি ৰাখিবলৈ ভিন্সিৰ মনত দুৰ্বাৰ হেঁপাহ জাগৃত হ'ল।

ফ্ৰান্সেস্কো ডেল গিঅ'কোণ্ডাৰ দুজনী পত্নীৰ অকাল মৃত্যু হোৱাৰ পিছত তেওঁ মনালিছাক বিয়া কৰায়। অপুত্ৰক ফ্ৰান্সেস্কোৱে মনালিছাৰ মাজত বিচাৰি পাইছিল বংশ ৰক্ষাৰ সপোন। যৌৱনপুষ্ট ৰূপৱতী মনালিছাক বিয়া কৰাই তেওঁ অতিকৈ আনন্দিত হৈছিল আৰু পাহৰি পেলাইছিল দুগৰাকীকৈ পত্নীৰ অকাল মৃত্যুৰ শোক। তেওঁ মনালিছাৰ অপূৰ্ব ৰূপ লাৱণ্য চিৰযুগমীয়া কৰি ৰখাৰ কথা মনতে ভাবিবলৈ লৈছিল। তেনে সময়তে তেওঁ লগ পাইছিল শিল্পী লিওনাৰ্ডো দা ভিন্সিক। ভিন্সিয়ে মনালিছাৰ প্ৰতিৰূপ অংকণ কৰিবলৈ সংকল্পবদ্ধ হৈছিল আৰু মনালিছাক কেনভাছত বন্দী কৰা কামত লাগি গৈছিল। প্ৰথমেই নিজেই ফ্ৰন্সেস্কোৰ ঘৰলৈ গৈ মনালিছাক সন্মুখত বহুৱাই লৈ আঁকি গৈছিল যদিও পাছলৈ মনালিছাই নিজে ভিন্সিৰ ষ্টুডিঅ'লৈ যাবলৈ লৈছিল। এনেকৈয়ে ১৫০৩ চনত মনালিছা ছবি আঁকাৰ কাম আৰম্ভ কৰে। তেওঁ চাৰি বছৰ কাল কৰা অক্লান্ত পৰিশ্ৰমৰ ফলত ছবিখনে পূৰ্ণতা পাইছিল।

**মনালিছা চুৰি ঃ** লিওনাৰ্ডো দা ভিন্সিৰ এই অমৰ সৃষ্টিক পেৰিছৰ লুভৰত সংৰক্ষণ কৰি ৰখা হৈছে। কিন্তু ইয়াৰ আগতে এই ছবিখনে নানাজনৰ হাত বাগৰিবলৈ ধৰে। ১৫১৬ চনত ভিন্সিয়ে এই ছবিখন ফ্ৰান্সৰ ৰজা Francais I ক ৪,০০০ একুছত বিক্ৰী কৰি দিয়ে। ১৮০০ চনত এই ছবিখনে সম্ৰাট নেপোলিয়নৰ শোৱনী কোঠাৰ শোভা বৰ্দ্ধন কৰে। তাৰ পাছত ইয়াক আকৌ লুভৰলৈ ঘূৰাই পঠোৱা হয়। কিন্তু ১৯১১ চনৰ ২১ আগষ্ট তাৰিখে এই ছবিখন চুৰি হয়। প্ৰায় দুবছৰ কাল অনুসন্ধান কৰিও ফৰাচী পুলিচে ছবিখনৰ কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। কিন্তু ১৯১৩ চনৰ ১১ ডিচেম্বৰ তাৰিখে এই ছবিখন উদ্ধাৰ হ'ল কেনেকৈ?

ফ্লোৰেন্সৰ ব্যৱসায়ী আলফ্ৰেডো গেৰিয়ে ইটালীৰ সংবাদ পত্ৰৰ এটা বিজ্ঞাপন দিলে যে তেওঁ যিকোনো চিত্ৰশিল্পীৰ চিত্ৰ উচিত মূল্য বহণ কৰি ক্ৰয় কৰাত আগ্ৰহী। বিজ্ঞাপনটো প্ৰকাশ হোৱাৰ কেইদিনমান পিচতে গেৰিয়ে পেৰিছৰ পৰা অহা এখন চিঠি পায় আৰু চিঠিৰ গৰাকীয়ে তেওঁৰ ওচৰত মনালিছা আছে বুলি লিখিছে। গেৰিয়ে লগে লগে চিঠিৰ গৰাকীজনক নিজৰ দোকনলৈ মাতি পঠিয়ালে। গেৰিৰ দোকানত ভিনচেঞ্জো পেৰুজিয়া নামৰ চিঠিৰ গৰাকীজন উপস্থিত হয়। কিন্তু গেৰিয়ে তেওঁক লগ কৰিছিল। হোটেল ট্ৰিপলি-ইটালিয়াৰ এটি কোঠাত আৰু লগে লগে মনালিছা সহ পেৰুজিয়া গ্ৰেপ্তাৰ হৈছিল পুলিচ বাহিনীৰ হাতত। পেৰুজিয়াক গ্ৰেপ্তাৰ কৰা হৈছিল যদিও তেওঁক সামান্য পৰিমাণৰ শাস্তিহে বিহা হৈছিল। কাৰণ তেওঁ ছবিখন ইটালীলৈ ঘূৰাই অনাৰ বাবে বহুতৰ মনত দেশপ্ৰেমিক হিচাপে স্থান পাইছিল।

বৰ্ত্তমান মনালিছাক লুভৰ যাদুঘৰৰ আন এটি কোঠালৈ স্থানান্তৰিত কৰা হৈছে। পেৰুৰ স্থপতিবিদ লৰেঞ্জো পিকুৰাইছে ৪ কোটি ৮১ লাখ ইউৰো ব্যয় সাপেক্ষে চাৰিবছৰ অক্লান্ত শ্ৰমৰ বিনিময়ত নিৰ্মাণ কৰি উলিওৱা এই কোঠাটোত একেলগে বহু দৰ্শকে মনালিছাৰ ভূবন ভুলোৱা হাঁহিটি উপভোগ কৰিব পাৰিব।

**মনালিছাৰ হাঁহিৰ ৰহস্য ঃ** মনালিছাৰ ৰহস্যময় এই হাঁহিটোৱে পৃথিৱী বাসীৰ মনত যুগ যুগ ধৰি খলকনিৰ সৃষ্টি কৰি আহিছে। দৃষ্টিত ধৰা নপৰিলেও কেইপলকমান চাই থাকিলেই মনালিছাৰ ওঁঠৰ অপূৰ্ব হাঁহিটি চকুত পৰে। এই হাঁহিটিক লৈ চিত্ৰপ্ৰেমী সকলৰ কৌতুহলৰ অন্ত নাই। কিছুমানৰ মতে মনালিছাৰ হাঁহিটো আচলতে হাঁহিয়েই নহয়, হাইপাৰ ভিটামিনাছি'ছ নামৰ ৰোগবিধে সৃষ্টি কৰা মুখৰ কদৰ্য ৰূপহে। আন কিছুমানৰ মতে মনালিছাৰ দুটামান দাঁত সৰাৰ ফলতহে হাঁহিটোৱে তেনে ৰূপ লৈছে। হাৰ্ভাৰ্ড বিশ্ব বিদ্যালয়ৰ অধ্যাপক মাৰ্ভাৰেট লিভিংটনে ৰহস্যময় হাঁহিটো বাখ্যা আগবঢ়াই এনেদৰে- The elusive Quality of the Monalisha's smile can be explained by the fact that her smile is almost entirely in low spatial frequencies and so is seen best by your peripheral vision.

মুঠতে হাঁহিটোক লৈ ৰহস্যৰ অন্ত নাই। মনালিছাৰ এই ভুবন ভুলোৱা হাঁহিটোৱে সমগ্ৰ বিশ্বৰ চিত্ৰমোদী সকলক মোহাচ্ছন্ন কৰি ৰাখিছে আৰু আগলৈও ৰাখিব। ○○

*(লেখাটো প্ৰস্তুত কৰোঁতে বিভিন্ন কাকত-আলোচনীৰ সহায় লোৱা হৈছে)*

# এইড্ছ (AIDS) এক অদৃশ্য মহামাৰী

✍ মৃত্যুঞ্জয় নাথ
স্নাতক ১ম বৰ্ষ (বিজ্ঞান)

বৰ্তমান মানৱ সমাজৰ প্ৰতি তীব্ৰ ভাবুকিহৈ পৰা এইড্ছ এবিধ মাৰাত্মক ব্যাধি, যাক আমি সাধাৰণ অৱস্থাত চিনাক্ত কৰি উলিয়াব নোৱাৰো। সেয়েহে ইয়াক এক অদৃশ্য মহামাৰী বুলিও ক'ব পৰা যায়। কিন্তু এই এইড্ছ নামৰ ৰোগবিধ নিবাময় কৰিবলৈ চিকিৎসা বিজ্ঞানো অপাৰগ। এনে অৱস্থাত এজন লোকৰ এইড্ছ ৰোগ হ'লেতেওঁ মৃত্যুবৰণ কৰিবলগীয়া হোৱাৰ বাহিৰে আন গতি নাই। গতিকে এইৰোগৰ পৰা কেনেকৈ মুক্ত হৈ থাকিব পাৰি সেই সম্পৰ্কে আমি সকলোৱে নিশ্চিতভাৱে জ্ঞান আহৰণ কৰাৰ প্ৰয়োজনীয়তা আজি আহি পৰিছে।

**এইড্ছ কি ঃ** 'এইড্ছ' অৰ্থাৎ একুৱাৰ্ড ইমিউন' ডেফিচিয়েন্সি চিনড্ৰোম হৈছে কিছুমান ৰোগৰ লক্ষণৰ সমষ্টি। এই ৰোগ এইচ আই ভি (হিউমেন উমিউন' ডেফিচিয়েন্সি ভাইৰাচ) নামৰ এবিধ ৰিট্ৰ'ভাইৰাচ (Retro Virus)ৰ দ্বাৰা হয়। HIV ৰ সংক্ৰমণৰ ফলত যেতিয়া শৰীৰৰ প্ৰতিৰোধ ক্ষমতা হ্ৰাস পায় বা একেবাৰে নাইকিয়া হৈ পৰে তেতিয়াই মানুহৰ শৰীৰক যিকোনো ৰোগৰ বীজাণুৱে সহজতে আক্ৰমণ কৰিব পাৰে আৰু ইয়াৰ ফলত শৰীৰত বিভিন্ন ৰোগৰ লক্ষণে দেখা দিয়ে। শৰীৰৰ এনে অৱস্থাকে এইড্চ বোলা হয়। অৰ্থাৎ AIDS ৰোগ হোৱা মানে শৰীৰৰ প্ৰতিৰোধকাৰী ক্ষমতা লোপ পোৱা। এই ৰোগ বংশগত নহয়। ই এক অৰ্জিত ৰোগ।

**HIV ভাইৰাচৰ আৱিষ্কাৰ ঃ** এই ভাইৰাচটো পোন প্ৰথমে আফ্ৰিকাৰ সেউজীয়া বান্দৰৰ পৰা আবিষ্কৃত হৈছিল আৰু ১৯৮৩ চনত মৌলেগণিয়াৰ আৰু তেওঁৰ সহযোগীসকলে ভাইৰাচটো মানুহৰ দেহৰ পৰা উদ্ধাৰ কৰে। AIDS ৰোগ প্ৰথমতে ১৯৮১ চনত আমেৰিকাত ধৰা পৰিছিল। ভাৰতত এই ৰোগ ১৯৮৬ চনত চেন্নাইত আৱিষ্কৃত হয়।

**ৰোগৰ লক্ষণ ঃ** HIV আক্ৰান্ত ব্যক্তিৰ ক্ষেত্ৰত নিম্নলিখিত লক্ষণসমূহ সাধাৰণতে দেখা যায়।

১। মাজে মাজে বা একেৰাহে জ্বৰ হোৱা।
২। খাদ্য গ্ৰহণ কৰোতে খাদ্যনলীত কষ্ট অনুভৱ হোৱা।
৩। অকাৰণতে শৰীৰৰ ওজন দহভাগৰো বেছি কমি যোৱা।
৪। মুখৰ ভিতৰত বগা চামনি পৰা অথবা ঘাঁ হোৱা।
৫। চৰ্ম ৰোগ বা খজুৱতি কিম্বা ৰঙা পৰা। ইত্যাদি।

উপৰোক্ত লক্ষণসমূহ দেখাপালে এই ৰোগ হোৱা বুলি সন্দেহ কৰিব পাৰি।

**ৰোগৰ সংক্ৰমণ ঃ** তলত উল্লেখ কৰা কাৰকবোৰৰ বাবে আক্ৰান্তব্যক্তিৰ পৰা সুস্থ মানুহৰ দেহলৈ HIV ৰোগ বিয়পিব পাৰে।

১। যৌন সম্পৰ্ক ঃ AIDS ৰোগপ্ৰধানতঃ যৌন সম্পৰ্কৰ দ্বাৰা আক্ৰান্ত ব্যক্তিৰ পৰা সুস্থ মানুহৰ দেহলৈ সংক্ৰমিত হয়। পৃথিৱীৰ প্ৰায় ৭০-৮০% HIV সংক্ৰমণ ইয়াৰ দ্বাৰা হয়।
২। তেজ সংচৰণ ঃ HIV সংক্ৰমিত ব্যক্তিৰ পৰা তেজ সংচৰণ কৰিলে সুস্থ মানুহৰ দেহত এই ৰোগ হয়। ইয়াৰ উপৰিও HIV সংক্ৰমিত ব্যক্তিৰ পৰা কৃত্ৰিমভাৱে অংগ প্ৰতিষ্ঠাপন কৰিলে HIV সংক্ৰমিত হোৱাৰ সম্ভাৱনা থাকে।
৩। পৰিশোধন নকৰাকৈ একেটা বেজী ব্যৱহাৰ কৰিলে।
৪। মাক HIV ৰ দ্বাৰা আক্ৰান্ত হ'লেও প্লেচেণ্টাৰ জৰিয়তে HIV হ'বলগা সন্তানৰ গালৈ বিয়পে। HIV আক্ৰান্ত মাতৃৰ গাখীৰ খালেও সন্তানৰ HIV হোৱাৰ সম্ভাৱনা থাকে।

**HIV কেনেদৰে নিবিয়পে ঃ**

১। HIV আক্ৰান্ত ব্যক্তিক স্পৰ্শ কৰিলে বা আলিঙ্গন কৰিলে বা কৰমৰ্দন কৰিলে।
২। একে খোৱা পাত্ৰ, শৌচাগাৰ, টেলিফোন, খেলা-ধূলা কৰিলে।
৩। মহ বা অন্যান্য কীট-পতঙ্গই কামুৰিলে। ইত্যাদি।

**ৰোগ নিবাময়ৰ উপায় ঃ** AIDS ৰোগৰ কোনো প্ৰতিকাৰ নাই। এই ৰোগ হোৱা ব্যক্তিসকল অকালতে মৃত্যুমুখত পৰে। সেয়েহে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিয়েই এই ৰোগ প্ৰতিৰোধৰ একমাত্ৰ উপায়। ইয়াৰ উপৰিও আন কেইটামান প্ৰতিৰোধ ব্যৱস্থা হ'ল।

১। যৌন সম্পৰ্ক নিৰাপদ হোৱা প্ৰয়োজন।
২। কোনো কাৰণতে সংশোধন নকৰা বেজী একাধিক ব্যক্তিয়ে ব্যৱহাৰ কৰা উচিত নহয়।
৩। তেজ আৰু তেজত থকা উপাদান সমূহ ভালদৰে পৰীক্ষা কৰিহে সুস্থ ব্যক্তিৰ দেহত সংচাৰণ কৰা উচিত। এইবোৰৰ উপৰিও পুষ্টিকৰ খাদ্য, নিচাযুক্ত দ্ৰব্যৰ পৰা আঁতৰত থকা, নিয়মিত ব্যায়াম, বিশ্ৰাম আদি কৰিও বহু পৰিমাণে এই ৰোগৰ পৰা হাত সাৰিব পাৰি।

'অলপতে কলকাতাত থকা ৰাষ্ট্ৰীয় কৰ্কট ৰোগ চিকিৎসালয়ৰ চিকিৎসক ড° চট্টোপাধ্যায়-এ গৱেষণা কৰি কৈছিল যে আম গছৰ পাতত থকা কিছুমান ৰাসায়নিক পদাৰ্থই HIVৰ বৃদ্ধিত বাধা দিয়ে।'

HIV আক্ৰান্ত ব্যক্তিক অকলশৰীয়াকৈ ৰখা উচিত নহয়। এনে ৰোগীক অন্য ৰোগীৰ দৰে সাধাৰণ চিকিৎসালয়ত ৰাখি চিকিৎসা কৰা উচিত। বন্ধুত্বপূৰ্ণ ব্যৱহাৰ, মৰমে AIDS আক্ৰান্ত ৰোগীক মানসিক সুস্থতা আৰু উপশম প্ৰদান কৰে।

AIDS আজি গোটেই বিশ্বৰ সমস্যা। দিনক দিনে পৃথিৱীত AIDS ৰোগীৰ সংখ্যা বাঢ়ি গৈ আছে। তথাপিও আমি সকলোৱে সজাগ হৈ এই অদৃশ্য মহামাৰীৰ বিপক্ষে যুঁজ দিলে অচিৰেই সফল হ'ব পাৰিম। ○○

# গীতি কবি পাৰ্বতী প্ৰসাদৰ অমৰ সৃষ্টি

✍ কৃষ্ণকান্ত না
স্নাতক ১ম ব

অসমৰ কলা-সংস্কৃতি জগতৰ এজন স্বনাম ধন্য ব্যক্তি তথা গীতি কবি নামেৰে পৰিচিত গীতিকাৰ, সুৰকাৰ, নৃত্যশিল্পী, সুঅভিনেতা, অসমীয়া সংস্কৃতিৰ একনিষ্ঠ পূজাৰী পাৰ্বতী প্ৰসাদ বৰুৱাৰ জন্ম হয় ১৯০৪ চনৰ ১৯ আগষ্টৰ দিনা শিৱসাগৰত। তেওঁ 'ৰায় চাহেব' খিতাপ অৰ্জনকাৰী তথা সেইসময়ৰ অসম কাউন্সিলৰ সদস্য ৰাধিকা প্ৰসাদ বৰুৱা আৰু 'বিননি' কবিতা পুথিৰ ৰচক হিমলাদেৱীৰ দ্বিতীয় পুত্ৰ।

গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ কব্যিক প্ৰতিভা তেওঁৰ সৰু কালৰে পৰা প্ৰকাশ পায়। স্কুলত পঢ়ি থকা সময়তে 'থুপিতৰা' নামেৰে মাহেকীয়া হাতেলিখা আলোচনী উলিয়াইছিল; য'ত তেঁওৰ 'ভগুনা' নামৰ কবিতা আৰু 'নকওঁ' নামৰ প্ৰবন্ধ প্ৰকাশ পায়। 'থুপিতৰা' বন্ধহোৱাত আন এখন আলোচনী 'ঘৰ জেউতি 'নামেৰে উলিয়াইছিল। ১৯২১ চনত স্কুলীয়া শিক্ষা শেষ কৰি পাৰ্বতী প্ৰসাদ বৰুৱাই কটন কলেজত নামভৰ্ত্তি কৰে; য'ত তেওঁ গীত লেখা আৰু কাব্য চৰ্চাৰ এখন বৃহৎ ক্ষেত্ৰ পায়। এই সময়তে তেওঁৰ বিবাহিতা বাইদেৱকৰ মৃত্যুত বিষাদৰ জ্বালা সহিব নোৱাৰি ছদ্ম নামত 'মৰণ নিৰ্মালি' আৰু 'মৰণ মাধুৰী' নামেৰে দুটা শোকৰ কবিতা প্ৰকাশ কৰিছিল। কটন কলেজত পঢ়ি থকা সময়তে 'শোণিত কুঁৱৰী' নাটকত চিত্ৰ লেখা 'চক্ৰধ্বজ সিংহ' নাটকত মহাবীৰ লাচিতৰ অভিনয় কৰি পাৰ্বতী প্ৰসাদে দৰ্শকক বিমুগ্ধ কৰিছিল। 'শোণিত কুঁৱৰী' নাটকত তেওঁ চিত্ৰলেখা হৈ নিজৰ নৃত্য, লাস্যনৃত্য, প্ৰদৰ্শন কৰি দৰ্শকৰ সমাদৰ লাভ কৰিছিল।

এইজনা মহান গীতি কবিৰ ৰচনা সম্ভাৰত আছিল অসমীয়া মাটিৰ গোন্ধ। তেওঁ কলেজীয়া জীৱন আৰু কৰ্মক্ষেত্ৰত প্ৰবেশ কৰাৰ সময়ত (১৯২৩-৩৩) সৰহখিনি গীতিকবিতা ৰচনা কৰে। তেওঁ ৰচনা কৰা প্ৰায়ভাগ অসমীয়া গীততে অসমৰ থলুৱা লোকগীত, বনগীত, আইনাম, বিয়ানাম, ধাইনাম, টোকাৰীগীত আৰু বিহুগীতৰ সুৰৰ সমন্বয় ঘটিছে। বনগীত সুৰীয়াকৈ গোৱা তেওঁৰ 'হেৰ বলিয়া নয়ন ভৰি ভৰি চা' আৰু আহিন মহীয়া শেৱালি সৰিলে, নিয়ৰত তিতিলে বন' এই গীত দুটি বিভিন্ন অনুষ্ঠানত নিজে পৰিবেশন কৰি শ্ৰোতাৰ মন জয় কৰে।

পাৰ্বতী প্ৰসাদৰ নৃত্যনাটিকা 'লখিমী' (১৯৩১) আৰু গীতি নাটিকা (১৯৫৫) 'সোণৰ সোলেং' উল্লেখযোগ্য সৃষ্টি। তেওঁ ১৯২৩-৩৩ চনৰ ভিতৰত লিখা গীতি কবিতাৰ সংকলন 'গুণগুণনি' (১৯৫৮) 'লুইতী' (১৯৫৯), 'ভঙা টোকাৰীৰ সুৰ (কবিতাপুথি ১৯৫৯) আৰু 'শুকুলা ডাৱৰ ঐ কহুৱা ফুল' (১৯৬৩)। 'শুকুলা ডাৱৰ ঐ কহুৱা ফুল' পুথিৰ ভূমিকাত ড° বিৰিঞ্চিকুমাৰ বৰুৱাই লিখিছে- পাৰ্বতী প্ৰসাদ গীতিকাৰ, নিৰ্জীৱ প্ৰকৃতিত প্ৰাণ প্ৰতিষ্ঠা কৰি নৈসৰ্গিক চিত্ৰত মানৱীয় চেতনা অৰ্পি কবিয়ে সৃজনী প্ৰতিভা পৰিচয় দিছে। আত্মীয়তাৰ বাহিৰেও প্ৰকৃতিৰ লগত কবিয়ে আ আনন্দৰ সম্বন্ধ গঢ়িছে। এই পিনৰপৰা পাৰ্বতী প্ৰসাদ কবিগুৰু ৰবীন্দ্ৰ নাথৰ গোত্ৰীয়।'

গীতিকবি পাৰ্বতীপ্ৰসাদৰ জনপ্ৰিয় দেশপ্ৰেমমূলক গীতকেইট হ'ল- 'নোবোলো তোক সোণৰ অসম', 'জয় জয় জয় অসম মাতৃ জয়' আৰু আইনামৰ সুৰত গোৱা 'পূজোঁ আহা আই মাতৃৰ চৰ কমল, উঠক বাজি জয়ধ্বনি, পৰম মঙল।' তেওঁ গীতি কবিতা গাঁও-ভূই, হাবি-বননি, পথাৰ-সমাৰৰ চিনাকি ছবিখন জিলিকি উঠে তেওঁৰ জনপ্ৰিয় 'গৰখীয়া হেৰ গৰখীয়া কি সুৰ বজালি দুপৰীয়া 'আজি আকাশৰ শেহ হ'ব পায়, শেষ বাবিযাৰ গান...... ওপৰি আহিলে লেকলৌ পৰুৱা শুকাবৰ বাঢ়নী পানী আৰু 'জুৰনি বতাহত ধ্বনি কঁপিলে ওপৰে উৰিলে টুনী, সন্ধিয়া বেলিকা দূৰণি ডবা কাঁহ বজোৱা শুনি' আদি গীতবোৰ উল্লেখযোগ্য।

১৯৩৩ চনৰ পাছৰ পাছত তেওঁৰ ককায়েকৰ দিচাং নদীৰ নাওঁ দুৰ্ঘটনাত মৃত্যু হোৱাত মনত গভীৰ শোকে বাহ লয় আৰু তেওঁৰ ৰচনাৰীতিৰ পৰিৱৰ্তন হয়। পাৰ্বতী প্ৰসাদৰ এই গীতবোৰত কৰুণ ৰসাত্মক আৰু নিৰাশাবাদৰ সুৰ ফুটি উঠে।

'জীৱন যদি হেৰালে তোৰ
মৰণ যদি নাই
ঘৰটি যদি ভাগিলে তোৰ
বাটত নহ'ল ঠাই
তোৰ কি গতি হ'ব হায়
দুৰ কপলীয়া' (ভঙা টোকীৰৰ সুৰ)

তেওঁৰ নিৰাশাবাদী মন যেতিয়া বিদ্ৰোহী হৈ উঠিছিল তেতিয়া গাইছিল-

'তোমাৰ তূণত কিমান আছে শৰ
খোলা বুকুখনি দিছো উদঙাই
মুখেৰে নামাতি আছামী হাজিৰ।'

জীৱনৰ শেষ সন্ধিয়াত তেওঁ নিজকে পৰমজনক অৰ্পণ কৰি গাইছিল.....

......'বৰযুণত তিতি বুৰি
পাপৰ চেকা নিকা কৰি
তোমাৰ দ'লৰ দুৱাৰ দলিত
পবিত্ৰ মই হওঁ।
ঢৌৰ পাছত ঢৌ আহে
মূৰৰ ওপৰেদি
হাঁহিমুখে পাৰ কৰি দিও।' (খেল ভঙা খেল)

১৯৬১ চনত অসমৰ সাংস্কৃতিক ক্ষেত্ৰলৈ বহুমূলীয়া বৰঙণিৰ বাবে গোৱালপাৰাত বহা অসম সাহিত্য সভাৰ সংগীত সন্মিলনৰ সভাপতি হিচাপে পাৰ্বতী প্ৰসাদ বৰুৱাক নিৰ্বাচন কৰাত ৰুগ্ন দেহেৰে তেওঁ মঞ্চত দেখাদি সমবেত ৰাইজৰ বিপুল সম্বৰ্ধনা লাভ কৰিছিল।

১৯৬৪ চনত ওপৰা-ওপৰিকৈ দুবাৰ ৰক্তজনিত আঘাতৰ ফলত ৭ জুন আবেলি পৰত মহান শিল্পী, কবি, অভিনেতা তথা গীতিকবি নামেৰে খ্যাত পাৰ্বতী প্ৰসাদ বৰুৱাৰ ঘটনাবহুল জীৱনৰ ৰক্তিম-সুৰুয প্ৰধান কৰ্মস্থলী সোণাৰীৰ সোণালী পামত বিলীন হয়। কিন্তু তেওঁৰ অমৰ সৃষ্টি সমগ্ৰ অসমতে প্ৰৱাহমান হৈ থাকিল।○○

সহায়ক পুথি ঃ

'পাৰ্বতী প্ৰসাদ বৰুৱাৰ ৰচনাৱলী' (অসম সাহিত্য সভা)

# মাদক দ্ৰব্য ঃ সমাজত ইয়াৰ প্ৰভাৱ

✍ কৰবী শৰ্মা
স্নাতক ১ম বৰ্ষ

আদিম সমাজখন সংস্কাৰিত হৈ বৰ্তমানৰ সভ্য সমাজত পৰিণত হৈছে। কিন্তু, তথাকথিত সভ্য বুলি পৰিচিত বৰ্তমানৰ এই মানৱ সমাজখনত কিছু মান উশৃংখলতাই দেখা দিছে। এই উশৃংখলতা বোৰ মূলত কিছুমান কাৰকৰ দ্বাৰা প্ৰভাৱিত হৈছে। এই কাৰক সমূহৰ ভিতৰত মাদক দ্ৰব্য অন্যতম।

'মাদক দ্ৰব্য' এই মাদক দ্ৰব্যনো কি? একে আষাৰে ক'বলৈ গ'লে মাদক দ্ৰব্য হ'ল এনে বস্তু বা দ্ৰব্য যিয়ে সমাজত মানুহৰ মন-প্ৰাণ আসক্ত কৰিব পাৰে। উদাহৰণস্বৰূপে মদ, ভাং, চাধা, ছিগাৰেট, কানি ইত্যাদি। এই মাদক দ্ৰব্যৰ প্ৰচলন প্ৰচীন কালৰে পৰা ভাৰতবৰ্ষত থকাৰ প্ৰমাণ পোৱা যায়। প্ৰমাণ স্বৰূপে আমি মহাভাৰতৰ কাহিনীত উল্লেখ থকা পাশাখেল (জুৱা), সোমৰস (মদ) ইত্যাদিৰ কথা ক'ব পাৰো। কিন্তু পুৰণি কালত ইয়াৰ প্ৰচলন বৰ্তমানৰ তুলনাত সীমিত আছিল। বৰ্তমান মাদক দ্ৰব্যৰ প্ৰচলনে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। ফলস্বৰূপে সমাজখন ধ্বংসৰ মুখলৈ গতি কৰিছে।

এই মাদক দ্ৰব্যৰ প্ৰভাৱৰ পৰা সমাজৰ কোনো এটা চামেই বাদ পৰি যোৱা নাই যদিও যুৱচামৰ ওপৰত ইয়াৰ প্ৰভাৱ মন কৰিবলগীয়া। বৰ্তমান সময়ত কোনো ধৰণৰ উৎসৱ, পূজা-পাৰ্বন, অনুষ্ঠান, পাৰ্টি আদিত মাদক দ্ৰব্যৰ প্ৰচলনে বিশেষভাৱে সমাদৰ লাভ কৰিছে। ল'ৰাৰ পৰা বুঢ়ালৈকে 'মাদক দ্ৰব্য অবিহনে যেন অনুষ্ঠান আধৰুৱা' -এই মানসিকতা গঢ় লৈ উঠিছে। যাৰ বাবে অজিৰ সমাজখন কলুষিত হৈ পৰিছে। অজিৰ যুৱ প্ৰজন্মৰ উশৃংখল মানসিকতাৰ এটা প্ৰধান কাৰক হৈছে এই মাদক দ্ৰব্য। মাদক দ্ৰব্যৰ ব্যৱহাৰৰ ফলস্বৰূপে আজি দেশত ধৰ্ষণ, হত্যা, লুণ্ঠন আদিৰ দৰে অপ্ৰীতিকৰ আৰু অবাঞ্চিত ঘটনাসমূহ ঘটিবলৈ পাইছে। মানুহৰ শাৰীৰিক, মানসিক আৰু আৰ্থিক দিশত ক্ষতি সাধন কৰা এই মাদকদ্ৰব্য সেৱনৰ কু-প্ৰভাৱ বৰ্তমান সমাজত দকৈ শিপাইছে। সমাজক এনে প্ৰভাৱৰ পৰা ৰক্ষা কৰা টান হৈ পৰিছে। মদাসক্ত মানুহৰ হিতাহিত জ্ঞান নাথাকে যাৰ ফলত যিকোনো কু-কৰ্ম কৰিবলৈ কুণ্ঠাবোধ নকৰে। কানি খোৱা মানুহৰ জীৱনী শক্তি হ্ৰাস পায়। ঠিক সেইদৰে প্ৰতিডাল চিগাৰেটে এজন মানুহৰ পৰা ১৪ মিনিটকৈ সময় কাঢ়ি লয় বুলিও তথ্য পোৱা গৈছে। অত্যাধিক ধপাত, বিড়ি প্ৰভৃতি খোৱা মানুহৰ পেট আৰু হাওঁফাওঁৰ কৰ্কট ৰোগ হয়। ড্ৰাগছ্ আদি মাদক দ্ৰব্য ব্যৱহাৰৰ ফলত এইডছ্ৰ দৰে মৰাত্মক ৰোগে মানৱ দেহত ঠাই ল'বলৈ সুবিধা পাইছে। গতিকে দেখা গ'ল যে মাদক দ্ৰবই দেশৰ আটাইতকৈ মূল্যবান সম্পদ মানৱ সম্পদৰ জীৱন বিপদাপন্ন কৰি তুলিছে।

কিন্তু, এই মাদক দ্ৰব্য সমূহ কোম্পানীবোৰে ঠগবাজি কৰি খুওঁৱা নাই। ইয়াৰ প্ৰমাণ হ'ল যে ছিগাৰেটৰ পেকেটৰ ওপৰত লিখা থাকে 'ছিগাৰেট খোৱা স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক' বিভিন্ন ব্ৰেণ্ডৰ মদৰ বটলৰ ওপৰতো লিখি থয় 'মদ্যপান স্বাস্থ্যৰ বাবে হানিকাৰক'। তথাপিও মানুহে এইবোৰ সেৱন কৰে। এই ক্ষেত্ৰত ৰাজহুৱা অনুস্থানত দেখা পোৱা সতৰ্কবানীসমূহ যেনে- 'ধূমপান নিষেধ' ইত্যাদি, ছিগাৰেটৰ পেকেটৰ সতৰ্কবানী, মদৰ বটলৰ সৰ্তকবানী সমূহৰ সত্যতা আৰু সাৰ্থকতা ক'ত? এইটো বিচাৰ্যৰ বিষয় হৈ পৰিছে।

আচলতে মাদক দ্ৰব্যৰ প্ৰচলনৰ উৎস বিচাৰি চালে আমি প্ৰথমেই জগৰীয়া কৰিব লাগিব চৰকাৰৰ দুমুখীয়া নীতিক। কাৰণ চৰকাৰে আজি এহাতে দেশৰ প্ৰতিখন সৰু বৰ চহৰতে মদৰ দোকানৰ বাবে লাইচেন্স দিছে, আনহাতে অবৈধ মদৰ ঘাটি ধ্বংস কৰিবলৈ প্ৰয়াস কৰিছে। চৰকাৰৰ এই আওঁপকীয়া কথাবোৰ হয়তো সুস্থ মগজুৰ ব্যক্তিৰে বুজাত কঠিন হ'ব।

গতিকে মাদক দ্ৰব্যৰ কু-প্ৰভাৱৰ পৰা সমাজক মুক্ত কৰি দেশখনক ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিবলৈ দেশৰ সচেতন যুৱক-যুৱতী সকলে আগভাগ ল'ব লাগিব। সমাজৰ সচেতন ব্যক্তি সকলে আগবাঢ়ি আহি মাদক দ্ৰব্য নিবাৰণৰ কাৰণে দৃঢ় হ'লে চৰকাৰে যিমানেই মদৰ দোকান নোখোলক কিয় সি এদিন হ'লেও বন্ধ হ'বলৈ বাধ্য হ'ব। কিন্তু তাৰ বাবে প্ৰয়োজন হ'ব দেশৰ প্ৰতিজন নাগৰিকৰ সচেতনতা, একাগ্ৰতা, ত্যাগ, দায়িত্ববোধৰ মানসিকতা আৰু সুপৰিকল্পিত আঁচনি। সকলোৰে সামূহিক প্ৰচেষ্টাৰেহে এই ক্ষেত্ৰত সফল হ'ব পৰা যাব। সকলোৰে অক্লান্ত চেষ্টাৰ ফলত বহুতো বিপথগামীয়ে পথৰ সন্ধান পাব আৰু দেশৰ পৰা অমংগল, অনীতি, ভ্ৰষ্টাচাৰ আঁতৰি এখন সুস্থ সমাজৰ সৃষ্টি হ'ব বুলি আশা কৰিব পাৰি।○○

# বৰ্তমানৰ শিক্ষা ব্যৱস্থা

✍ ডেইজী নাথ
স্নাতক ২য় বৰ্ষ (শিক্ষা)

এখন দেশৰ উন্নতিৰ ক্ষেত্ৰত শিক্ষা পদ্ধতিয়ে উল্লেখযোগ্য অৰিহণা আগবঢ়ায়। মানৱতাপূৰ্ণ, দুৰ্নীতি মুক্ত, ধৰ্ম নিৰপেক্ষ সমাজ গঢ়িবৰ বাবে শিক্ষাৰ প্ৰয়োজনীয়তা অধিক। কিন্তু বৰ্তমান সময়ত দেখা যায় যে হিংসা, ধৰ্ষণ, দুৰ্নীতি আদিৰ প্ৰয়োভৰ মাত্ৰাধিক হৈ পৰিছে। জীৱন যাত্ৰাৰ পদে পদে বিপদৰ গোন্ধ পোৱা যায়। কিন্তু ইয়াক নিৰ্মূল কৰিবলৈ সংগঠিত হ'ব পৰা নাই। তাৰ মূলতে হৈছে আমাৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থা। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই মানৱতাবোধৰ সৃষ্টি কৰাৰ বিপৰীতে মানৱতাবোধ প্ৰায় নোহোৱা কৰিছে। ইয়াৰ ফলত আমি কোনদিশে ধাৱিত হৈছো আমি নিজেই অনুমান কৰিব নোৱাৰা হৈ পৰিছো।

শিক্ষাৰ মূল উদ্দেশ্য হৈছে ব্যক্তিক স্বাধীনভাৱে চিন্তা-চৰ্চা কৰি সমাজৰ একোজন সু-নাগৰিক কৰি তোলা। শিক্ষাৰ এই অভাৱৰ বাবে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ দেশ, জাতি, পৰম্পৰা চিনিব নোৱাৰি নিজৰ পৰাই আঁতৰি গৈছে। যাৰ ফলত যেনি-তেনি এটা ডিগ্ৰী লোৱাই মূল লক্ষ্য হৈ পৰিছে। শিক্ষা কেৱল পাঠ্যপুথিত লিখি থোৱা কথাখিনিয়েই নহয়। কিন্তু বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীয়ে মুখস্থ কৰি ফলাফল দেখুওৱাৰ ওপৰতেই গুৰুত্ব প্ৰদান কৰে আৰু ইয়াৰে কিছুমানে মুখস্থ কৰিব নোৱাৰি নকলৰ ওপৰত গুৰুত্ব দিয়ে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰৰ পটন ঘটিছে আৰু উশৃঙ্খলাৰ সৃষ্টি হৈছে। এইবোৰৰ পৰা ৰক্ষা পাবৰ বাবে শিক্ষা ব্যৱস্থাটো আমাৰ দেশৰ জীৱনধাৰাৰ লগত খাপ খোৱাকৈ গঢ় দি তুলিব লাগিব।

সম্প্ৰতি আমাৰ দেশত Science পঢ়াৰ গুৰুত্ব বাঢ়িছে। মোৰ বোধেৰে বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীক নিউটন বা আইনষ্টাইনৰ সূত্ৰ মুখস্থ কৰিবলৈ নিদি সেই সূত্ৰৰ আলমত নতুন কিবা সূত্ৰৰ উদ্ভাৱন কৰিব পাৰি নেকি তাকহে চিন্তা কৰা উচিত।

বৰ্তমানৰ শিক্ষা ব্যৱস্থা অধোগামী আৰু আমাৰ জীৱন গঢ়াত সহায় নকৰা হৈ পৰিছে। ছাত্ৰ-ছাত্ৰীক এনেকুৱা শিক্ষা প্ৰদানৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব লাগে যি শিক্ষাই স্বাধীনভাৱে চিন্তা-চৰ্চা কৰিব পাৰে। বৰ্তমানে শিক্ষক সকলেও ভোগবাদী আৱৰ্তত সোমাই পৰিছে আৰু যাৰবাবে তেওঁলোকৰ কিছুমানে টিউচন কৰিছে বা টিউট'ৰিয়েল হল খুলিছে। ইয়াৰ ফলত তেওঁলোকে শ্ৰেণীকোঠাৰ শিক্ষাৰ প্ৰতি মনোযোগ কমাই দিছে, পৰিনতিস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছে। ছাত্ৰ-ছাত্ৰীসকলে টিউচনত প্ৰদান কৰা নোটসমূহকে মুখস্থ কৰি পৰীক্ষাত বহে। কিন্তু ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে নিজা চিন্তাশক্তি হেৰুৱাই পেলাইছে আৰু কোনোদিনে পঢ়ি নোচোৱা বা শিকিবলৈ চেষ্টা নকৰা বিষয় এটাৰ ওপৰত প্ৰথমেই টিউচনৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। এই শিক্ষা ব্যৱস্থাৰ অন্তৰালত এক যান্ত্ৰিকতাৰ সৃষ্টি হৈছে। গতিকে এই যান্ত্ৰিকতা দূৰ কৰিবৰ বাবে অভিভাৱক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ উভয়ৰে মাজত ওতঃপ্ৰোত সম্পৰ্ক থাকিব লাগিব। টিউচনৰ ব্যৱস্থাটো আঁতৰাই অভিভাৱক সকলে নিজ শিক্ষাগত অৰ্হতাৰে ল'ৰা-ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিব পাৰে। শিক্ষকসকলেও নিজ স্বাৰ্থৰ বাবে টিউচন নকৰি তেওঁলোকে পাঠদান কৰিব লাগে। যাতে ইয়াৰ ফলত দুখীয়া ছাত্ৰ-ছাত্ৰীসকলেও প্ৰচুৰভাৱে উপকৃত হ'ব পাৰে।

গতিকে শিক্ষাৰ জৰিয়তে নতুন প্ৰজন্মক সুস্থ মূল্যবোধৰ গৰাকী কৰি তুলিবলৈ আমি এখন সুস্থ-সবল শ্ৰেণীহীন সমাজ গঢ়ি তুলিব লাগিব। শিক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে গণতান্ত্ৰিক ৰূপত প্ৰদান কৰিবলৈ সক্ষম হ'ব লাগিব আৰু শাসক, প্ৰশাসক, বিষয়া, কৰ্মচাৰী, শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, সাধাৰণ নাগৰিক সকলোৰে নিজ নিজ কৰ্তব্য ভালদৰে পালনৰ জৰিয়তেহে শিক্ষাক সুন্দৰ ৰূপত লাভ কৰিবলৈ সক্ষম হ'ব পাৰিম। মুঠতে শিক্ষিতচামে নিজৰ কৰ্মক্ষেত্ৰত সৎ আৰু নিষ্ঠাবান হ'লে সমাজৰ লগতে শিক্ষা ব্যৱস্থাৰ উন্নতি হ'ব আৰু লগতে নতুন প্ৰজন্ময়ো ব্যক্তিগত জীৱন বা সমাজ জীৱনক ভুল পথে পৰিচালিত হোৱাৰ পৰা আঁতৰি আহিব। সেয়ে প্ৰত্যেক ব্যক্তিয়ে এই বিষয়ে চিন্তা-চৰ্চা কৰাৰ সময় আহি পৰিছে। ○○

❑ নিজৰ কৰ্মশক্তি বৃদ্ধি কৰিবলৈকে অসম্ভৱ কামো কৰিবলৈ চেষ্টা চলোৱা উচিত। — *বেট ডেভিছ*

# উচ্ছৃঙ্খল যুৱ প্ৰজন্ম

✍ কৱবী গোস্বামী
স্নাতক ৩য় বৰ্ষ

অসমীয়া ডেকা শক্তি মৰিবলৈ ভয় নকৰিবা হেংদাং ধৰি আগুৱাই যোৱা, 'দেশতকৈ মোমাই ডাঙৰ নহয়' বুলি চিঞৰি চিঞৰি কোৱা, দেশৰ যুৱ শক্তি আজি কোন দিশে ধাৱমান হৈছে সেইটো চাবলগীয়া। শংকৰ মাধৱৰ দৰে আছেনে গুৰু-শিষ্যৰ প্ৰতি শ্ৰদ্ধা, ভক্তি, মৰম, জ্যোতি, বিষ্ণুৰ দৰে নাট্যকাৰ, লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে ৰসিক আৰু জয়মতী, কনকলতা, মূলাগাভৰুৰ দৰে সাহসী নাৰী, লাচিত বৰফুকনৰ দৰে আছেনে মন আৰু কামৰ দৃঢ়তা। বৰ্তমান উঠি অহা যুৱ প্ৰজন্ম ভৱিষ্যতৰ একো একোজন সুদক্ষ, দায়িত্বশীল কৰ্তব্যৰত নাগৰিক। এই কথা কম সংখ্যকেহে উপলব্ধি কৰে।

'বাহিৰে ৰংচং ভিতৰে কোৱা ভাতুৰীৰ' দৰে হৈছে আমাৰ সমাজ। ৰক্ষণশীল সমাজ ব্যৱস্থাত বৰ্তমানৰ যি জাক-জমকতাই দেখা দিছে ভৱিষ্যতে গৈ আমাৰ অস্তিত্ব নোহোৱা হৈ পৰিব। আমি পশ্চিমীয়া সংস্কৃতি আঁকোৱালি লৈ নিজৰ ৰীতি-নীতি, চাল-চলন পাহৰি নিজক আধুনিক কৰিব বিচাৰিছোঁ। ইয়াৰ মূলতে উঠি অহা যুৱক-যুৱতী। আমি পাহৰি গৈছোঁ এখন সমাজ, এখন দেশৰ ভৱিষ্যৎ আমাৰ ওপৰতে। এইবোৰ পাহৰি আমি একমাত্ৰ অন্ধকাৰৰ ফালে অগ্ৰগামী হৈছোঁ। গল্প, উপন্যাস, প্ৰবন্ধ, বাতৰি কাকত পঢ়াৰ বিপৰীতে ফিল্ম, মেগাজিন, টি, ভিৰ বিভিন্ন যৌন উত্তেজক চেনেল উপভোগ কৰি সাজ পোছাকৰ শালীনতা বজাই নাৰাখি জ্যেষ্ঠ জনৰ প্ৰতি সন্মান প্ৰদৰ্শন নকৰাটোৱেই আজিৰ কিছু সংখ্যক যুৱ প্ৰজন্মৰ আধুনিক মানসিকতা। এয়ে নেকি আধুনিকতা, পৰিৱৰ্তন। আমাৰ সমাজত বিহু, শিল্পী দিৱস, ৰাভা দিৱস লোপ পাই আহিব ধৰিছে এইবোৰ অনুষ্ঠানৰ প্ৰতি কাৰো আস্থা নোহোৱা হৈছে। হ'লেও দুই এঠাইত এই অনুষ্ঠানবোৰ পাতে। বিহুৰ সময়ত বিহু পাতে হয়, বিহুত বিহুনৃত্য গীতৰ সলনি হিন্দী গীত নৃত্য প্ৰতিযোগিতা হয়। বিহু কি কেনেকৈ পালন কৰা হয় পাহৰি যাবলৈ ধৰিছে। ৰাভা দিৱস, শিল্পী দিৱস, বিহুৰ নামত তেওঁলোকক শ্ৰদ্ধা নিবেদনৰ সলনি ৰাতি ফাংচন পাতি মদ, ভাং খাই মাৰপিট কৰি অৰ্দ্ধনগ্ন হৈ নৃত্য কৰাটোৱেই জানো যুৱক যুৱতীৰ মানসিকতা। এইবোৰ অনুষ্ঠান নামতহে পাতে কামত কিন্তু নাই। এখন সমাজৰ মনোবল শক্তি চিন্তা চৰ্চা যদি এনেকুৱাই হয় দেশৰ বা সমাজখনৰ জানো উন্নতি হ'ব। আমি অকল আমাৰ যুৱক-যুৱতীক দোষ দিলেই নহ'ব পৰিয়ালৰো প্ৰতিজন সদস্যই সচেতন হ'ব লাগে। পৰিয়ালৰ কোনো সদস্য বা মাক-বাপেকে যদি ৰাতি নাইট ক্লাবলৈ যায় উদণ্ড পৰিৱেশত থাকি ৰাতি বাৰ-এক বজালৈ ঘৰ নোসোমায় ল'ৰা-ছোৱালীৰ চিন্তা নকৰে তেনেহ'লে নহ'ব। ম'বাইলত কথা পতা, বিদেশী গাড়ীত উঠি নাইট ক্লাবলৈ যোৱা এয়ে নেকি আধুনিকতা। আধুনিকতাৰ লগত এখন সমাজ, এখন দেশৰ ভাষা—সাহিত্য, ৰীতি-নীতি, শিক্ষাগত মান, আচাৰ-ব্যৱহাৰ, বিশ্বাস, বংশমালী, সংস্কৃতি, জীৱন ধাৰণৰ মানদণ্ড ওতঃপ্ৰোত ভাৱে জড়িত হৈ থাকে। সমাজৰ উন্নতি জানো এনেকৈয়ো হ'ব। এয়ে নেকি বীৰ-বীৰঙ্গনা লাচিত বৰফুকন, পিয়লি ফুকন, মণিৰাম দেৱান, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণুৰাভা, জয়মতী কুঁৱৰী, মূলাগাভৰুৰ 'সোণৰ অসম'। যি দেশক গঢ়িবলৈ হাড়ে-হিমজুৰে মনে-প্ৰাণে খাটিছিল। এওঁলোকক পাহৰি আমি জানো পৰিৱৰ্তনশীল হৈ যোৱা নাই। পৃথিৱীখন বহু আগুৱাই গৈছে। বিজ্ঞান প্ৰযুক্তিবিদ্যাই দেশৰ দোপে দোপে উন্নতি কৰিছে। দেশ আগুৱালে সমাজ আগুৱাই যাবই আৰু আগুৱাই যাবলৈ পৰিৱৰ্তন লাগিবই। কাৰণ পৰিৱৰ্তনশীলতাই হে বিকাশ আনে। ঠিক তেনেকৈ মানুহ সলনি হ'বই মানুহৰ সলনি হোৱাটো কাম্য কিন্তু এনেকৈ সলনি হ'ব নালাগে যে নিজৰ সংস্কৃতি ৰীতি-নীতি নিজক পাহৰি পৰিৱৰ্তনৰ নামত পশ্চিমীয়া সংস্কৃতিক ঠাই দি অৰ্দ্ধনগ্ন হ'ব লাগে। তেনে পৰিৱৰ্তন নালাগে, নালাগে আমাক আধুনিকতা।

দেশৰ-সমাজৰ প্ৰতিজন ব্যক্তিয়ে এনেকুৱা নহয়। তাৰ মাজত ভাল, সৎ, গুণী, জ্ঞানী ব্যক্তিৰ সংখ্যাও আছে। কথা এষাৰি আছে 'পচা বহু বস্তুৰ লগত ভাল এটা বস্তু থ'লে সিও পচি যায়।' ঠিক তেনেকৈ ভালৰ সংখ্যাও খুব তাকৰ। আমি আমাৰ ঘৰখন পৰিস্কাৰ পৰিচন্নকৈ ৰাখো, যাতে আনে লেতেৰা বুলি ক'ব নোৱাৰে, চেকা নপৰে। তেনেকৈ ৰাখো আহক সমাজ বা দেশখনকো নিজৰ ঘৰ বুলি ভাবি। সমাজখন সংস্কৃতিবান, প্ৰগতিশীল, ৰীতি-নীতি, জাতীয়তা বোধ ৰক্ষণশীল কৰি গঢ়ি তুলিব লাগে। আমাৰ শ্বহীদ বীৰ-বীৰঙ্গনাসকলে বীৰত্বৰে গঢ়ি থৈ যোৱা এই সোণোৱালী অসম দেশ ভাঙি চুৰ-মাৰ হ'বলৈ দিব নালাগিব। শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধা, ভক্তি, সন্মান প্ৰদৰ্শন কৰি তেওঁলোকৰ আদৰ্শক সাৱোগত কৰি চলি যাব লাগিব। আৰু তেওঁলোকৰ আধৰুৱা কামবোৰ সৎ, নিষ্ঠা সহকাৰে পালন কৰিব পাৰিব লাগিব। সেয়ে সমাজৰ উন্নতিৰ হ'কৈ নিজক সচেতন কৰি নিজৰ ভৱিষ্যৎ নিজে গঢ় দিব লাগিব। জীৱনত কিছুমান বস্তু আমি বাদ দি চলিলেহে উন্নতিৰ শিখৰত বগাব পাৰিম। নিজক এজন সৎ, নিষ্ঠাবান, বহল মনোবৃত্তিৰ সু-নাগৰিক হ'ব পৰাটো প্ৰত্যেক যুৱক-যুৱতীৰ কৰ্তব্য। নিজে ভাল হোৱা মানে সমাজ, দেশ, ঘৰখনৰ ব্যক্তিৰ মানসিক-শাৰীৰিক উন্নতি। আজিৰ যুৱ প্ৰজন্মই এনে কাম কৰিব লাগিব যাতে তেওঁলোকৰ দ্বাৰা এখন ঘৰ, এখন দেশ আৰু জাতিৰ উন্নতি হয়। নিজকে ভৱিষ্যৎ প্ৰজন্মৰ আদৰ্শ ৰূপে প্ৰতিষ্ঠা কৰিব লাগিব। আমি যাতে গৰ্বেৰে ক'ব পাৰে, শঙ্কৰ, মাধৱ, জ্যোতি, বিষ্ণু, আইদেউ সন্দিকৈ, কনকলতা, জয়মতীৰ দেশৰ নাগৰিক বুলি।

জাতীয় জীৱন সংস্কৃতিক অসন্মান নকৰাকৈ নতুন ধাৰাক সন্মানেৰে আকোঁৱালি লোৱাতোহে আমাৰ কৰ্তব্য হোৱা উচিত। পশ্চিমীয়া সংস্কৃতিক স্থান নিদি নিজৰ সংস্কৃতিক ভালদৰে গঢ়িব পৰাটোহে যুৱক-যুৱতীৰ কৰ্তব্য। ○○

# বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ ফেশ্বন ঃ মোবাইল আৰু বাইক

✍ পম্পী শৰ্মা
স্নাতক ২য় বৰ্ষ

বৰ্তমান আধুনিক যুগ, আৰু বিজ্ঞানৰ যুগ। যান্ত্ৰিক যুগত যন্ত্ৰ ব্যৱহাৰৰ অজ্ঞতাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে অধোগতিৰ দিশলৈ আৰু মৰণ পথলৈ গৈছে। বৰ্তমান কলেজ পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলে মোবাইল আৰু বাইক এখন নহ'লে ক'লৈকো যাব নোৱাৰা অচল-অটল হৈ পৰিছে। চিটি বাছত ভিৰ, ৰৈ ৰৈ যায়, দলঙত ভিৰ, মিলিটেৰীৰ লাইন আৰু ৰিক্সাত ভাড়া বেছি আদিৰ নানান অসুবিধাৰ কথা কৈ তেওঁলোকে অভিভাৱকসকলৰ পৰা বাইক আৰু মোবাইল আদায় কৰি লৈছে আৰু লগতে তেওঁলোকৰ কিছুমানে নিজৰ প্ৰেমিকাকো বাইকত উঠাই লৈ মুক্ত হাঁহিৰে আপোন পাহৰা হৈ কথা পাতি গৈছে।

আমাৰ সমাজত কিছুমান এনেকুৱা অভিভাৱক আছে যাৰ খাওঁতা নাই, টকা-পইচাৰ অভাৱ নাই, ইচ্ছাৰেই বাইক-মোবাইলৰ যোগান ধৰিছে। কিন্তু তেওঁলোকে ক'বই নোৱাৰে যে ল'ৰা-ছোৱালীক কিহৰ ফালে ঠেলি পঠাইছে। এই অৱস্থাটোৱে যদি ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক দিশত পিছ পেলাই ৰাখে তেতিয়া হ'লে কি হ'ব? ইয়াৰ বাবে দায়ী কোন? তেওঁলোকে নিজৰ হাতৰ কুঠাৰ ভৰিত মৰাৰ দৰে হোৱা নাইনে? ঘৰৰ পৰা ওলায়েই তেওঁলোকে শালৰ হাতী মুকলি হেৱা যেন পাই কাণত মোবাইল দি হেল্লো! হেল্লো! কৰিবলৈ আৰম্ভ কৰে আৰু আন এখন হাতেৰে বাইক চলাই যাওঁতে কত ৰিক্সা, ঠেলা, চাইকেল, বুঢ়া-ডেকা মানুহ আদি খুন্দিয়াই থৈ যায়। গৰু-ছাগলীৰটো সীমা সংখ্যাই নাই। ইয়াৰ কাৰণ আমাৰ এই ভদ্ৰ মুখা পিন্ধা অভিভাৱক সকলেই নহয় জানো? ইয়াৰ উপৰিও বাইক দুৰ্ঘটনা স্কুল কলেজীয়া ল'ৰা-ছোৱালীৰটো বহুতেই বেছি। আজি কালি ডেকা ল'ৰাৰ বাবে কত মাতৃৰ পুত্ৰ শোকৰ করুণ বিননি শুনা গৈছে আৰু কতজনৰ শিৰৰ সেন্দুৰ মচা গৈছে। মাতৃস্নেহ কিমান বিশাল অনুমান কৰিব নোৱাৰি। হাজাৰ বিপদ অতিক্ৰম কৰিও পুত্ৰৰ সৰ্বাঙ্গীন মঙ্গলেই মাতৃৰ কাম্য। কথাতে কয় যে "সাৱধানীৰ মৰণ নাই" সেয়ে এই সাৱধানতা অৱলম্বন কৰি বাইক আদি চলালে এই পৃথিৱীত কিছুদিন বঢ়াকৈ জীয়াই থাকিব পাৰি। আজিৰ ছাত্ৰ-ছাত্ৰীয়ে কিতাপ বহী কিনাতকৈও বাইকত তেল ভৰোৱা আৰু মোবাইলত Recharge Card ভৰাই কথা পতাতহে গুৰুত্ব বেছি।

ছাত্ৰ-ছাত্ৰীসকলে হাতত এটা মোবাইল লৈ নগ'লে নিজকে তুচ্ছ জ্ঞান কৰে। আমাৰ ছাৰ, বাইদেউ সকলৰো মোবাইল আছে কিন্তু তেওঁলোকে মোবাইল সৎ কামতহে ব্যৱহাৰ কৰে। মোৰ এই কথাখিনিয়ে হয়তো কতোজনৰ অন্তৰত সুখ দিব আৰু বহুজনৰ অন্তৰত আঘাত দিব। নাইবা মোৰ প্ৰতি সিহঁতৰ অন্তৰত ক্ৰোধভাৱ জাগৃত হ'ব। কিয়নো মইযে তেওঁলোকৰ প্ৰিয়বস্তুৰ ওপৰত বিচাৰ আৰম্ভ কৰিছো। মোৰ এই মতৰ লগত হয়তো বহুতেই একমত নহয়। উপৰোক্ত কথাখিনিৰে মই মোবাইল ফোন আৰু বাইকৰ গুৰুত্বক অৱমাননা কৰিব খোজা নাই। মই কেবল ক'ব বিছাৰিছো যে বস্তুটোৰ ব্যৱহাৰ কেতিয়া আৰু কাৰ লগত হোৱা উচিত। আপুনি যদি এজন চাকৰিয়াল ব্যক্তি, ব্যৱসায়ী তথা এজন ভদ্ৰলোক তেতিয়া আপোনাৰ মোবাইল আৰু বাইকৰ নিতান্ত প্ৰয়োজন আছে। কিন্তু অভিভাৱকসকলে ভাৱি চোৱা উচিত যে, আপোনাৰ ল'ৰা-ছোৱালীৰ স'তে আপুনি একেখন ঘৰতে থাকে তেনে ক্ষেত্ৰত সিহঁতক বাইক আৰু মোবাইলৰ কি প্ৰয়োজন? মুঠতে হাতত মোবাইল আৰু বাইক এখন নাথাকিলে নিজৰ ল'ৰা-ছোৱালী ডাঙৰ হোৱা যেন পিতৃ-মাতৃসকলে নাভাৱে। কেতিয়াবা অভিভাৱকসকলে চকু ফুৰাই চাইছেনে লৰাই কেনেদৰে গাড়ী চলাইছে, কাঁলে ফোন কৰিছে। মুখত চিগাৰেটৰ ধোঁৱা উলিয়াই দ্ৰুত বেগেৰে বাইক চলাই, মোবাইল ধৰি ধৰি কথা পাতি যোৱাটো বৰ্তমান যুগত ফেশ্বন হিচাপে পৰিলক্ষিত হৈছে।

আপোনাৰ ল'ৰাজন বা ছোৱালীজনী যদি বেলেগত পঢ়ে, আপোনাৰ লগত নাথাকে তেতিয়া সিঁহতক মোবাইল এটা কিনি দিলেও কোনো কথা নাই যদি সিঁহতে বস্তুটোৰ ব্যৱহাৰ ভালদৰে কৰিছে। সৰ্বশেষত মই ক'ব বিছাৰো যে, সময় সাপেক্ষে ঠাই সাপেক্ষে আৰু ব্যক্তি সাপেক্ষে বস্তুৰ ব্যৱহাৰ কৰিব লাগে। এনে কৰিলে আমি বহু বিপদৰ পৰা হাত সাৰিব পাৰিম। ○○

❑ যিদিনা তুমি হঁহা নাই, সেই দিনটোৱেই হ'ল তোমাৰ জীৱনৰ দুখতম দিন। — *কামিংছ*



# কবিতা

কবিতা মানৱ মনত অধিক আবেদন সৃষ্টি কৰিব পৰা এবিধ শিল্পকৰ্ম। কবিতাত ব্যৱহৃত সমৃদ্ধিশালী বাঙ্ময়, চিত্ৰধৰ্মী শব্দবোৰে আৰু কবি ব্যক্তিত্বৰ অপূৰ্ব সমন্বয়ে ইয়াক গভীৰ ভাবঘনবিশিষ্ট কৰি তোলে। সেয়ে ইয়াৰ দ্যোতনা মানৱ মনত সুগভীৰ হৈ ৰয়। জীৱনৰ অনিৰ্বচনীয় অভিজ্ঞতা, আৱেগ আৰু কল্পনাই কবি ব্যক্তিত্বক গঢ় দি তোলে আৰু তাৰেই প্ৰকাশ ঘটে কবিতাত।

# যদি মই নৈঋতত...

✍ বিচিত্ৰ বৰদলৈ




উপন্যাস এখনৰ দৰে আছিলা তুমি
এখন দুৰ্দ্দান্ত নদী
আৰু নদীৰ সোঁতে সোঁতে
মৰম ভালপোৱাৰ অবাধ গতি
তোমাৰ দুচকুত হালধীয়া সৰিয়হ এডৰা আছিল
যাৰ মই আছিলো আজন্ম প্ৰেমিক
তোমাৰ ওঁঠৰ কঁপনিত ওলমি আছিল
বিথ' ফেনৰ নৰম ছিম্ফনী
বুকুৰ বনৰীয়া কবিতাত নহয় তোমাৰ চাৱনিৰ
ট্ৰেংকুইলাইজাৰ খাইহে বিধ্বস্ত আছিল মোৰ কলিজা
আগলি বাহঁৰে লাহৰি গগনা
গগনাৰ মাততে হ'লো মই বলিয়া
তোমাৰ গগনা মাততে হ'লো মই বলিয়া
কি নাম দি মাতিম তোমাক
অ' মোৰ স্বপ্নৰ বনলতা সেন
বুকুত হাত দি চাবা, নেৰুডাৰ পৰা হিৰুদালৈ
হেজাৰজনৰ ৰণুৱা ঘোঁৰা
তুমি কিন্তু সৰিয়হ ডৰা নহ'লা
অথবা অৰণ্যৰ সেইজীয়া
জোনাক ভালপোৱা ছোৱালী তুমি
কিয় ? কিয় শুনিবা বৰষুণৰ গান
কেমন আছ পাৰো ? ওহো নোসোধো তোমাক
ইফ ইউ ওৱেৰ এ পাইন ট্ৰি ? নোসোধো তোমাক
শামুকৰ খোলাত নিসংগতা পি পি
মই এতিয়া দেৱদাস
ঈষান কোণত ৰৈ তুমি নীলাভ ফেনিল
সাগৰ এখনৰ স্বপ্নত বলিয়া
আৰু নৈঋতত,
জীৱনৰ বিলাসী প্ৰেমিকজন হৈ উঠিছো মই
তুমি নজনাকে
তুমিনো জানা কি
তুমি জানা এলজি, নকিয়া, মটৰ'লা
তুমি জানা ঠাণ্ডা মতলব কোকাকোলা
তুমি জানা জাভেদ হবিব, চেহনাজ হুছেইন
ৰিকি মাৰ্টিন অথবা জেনিফাৰ লোপেজ
মই কিন্তু জানো
চিৰালফটা পথাৰৰ দুখত কিদৰে
চিপ লয় খেতিয়কে
মই কিন্তু জানো কিমান দিনৰ লঘোনীয়া পেট হ'লে
জেহাদ ঘোষণা কৰিব পাৰি ঈশ্বৰৰ বিৰুদ্ধে।
কিমান শোষনৰ বলি হ'লে তেজৰ ফাকু
খেলিম বুলি গুছি যাব পাৰি অৰণ্যলৈ
ডট কমৰ পৃথিৱীৰ আবাসী তুমি
কি বুজিবা হালৰ মুঠিৰ গান
শাওনৰ কবিতা
নদী এখন আছিল বাবেই চাগে
দলং এখন আছিল
অসমতাৰ বানত সেইখন ভাঙি যোৱাৰ
কাহিনীয়েই বা কিমান দিনৰ
চোৱাহি এতিয়া
সিপাৰে সৌৱা তোমাৰ
শস্য-শ্যামলা উপত্যাকা
আৰু ইপাৰে ?
ইপাৰে, একো নাই
একোৱেই নাই
উপন্যাস এখনৰ দৰে আছিলা তুমি
এখন দুৰ্দান্ত নদী
এখন দুৰ্দান্ত নদী।। ০০

# বৰষা

✍ যদুমণি নাথ
স্নাতক ১ম বৰ্ষ

বৰষা তুমি আহানা
তিয়াই দিয়া মোৰ হৃদয়
জিলিকি উঠক শব্দ
শব্দবোৰ যেনেকৈ আহিছিল তেনেকৈ
তুমি এদিন কবিতা হৈ যাবা
ডাৱৰ বুকুৰ পৰা নামি আহিবা
বৰষুণ হৈ
মোৰ ভিজা চোতালত
তোমাৰ পায়েলৰ ৰুণজুণ শব্দ....
তোমাৰ বাবে
গাঁৱৰ ঘৰৰ জপনাখন সদায় খোলা থাকিব। ○○





# শুভ্ৰ নিয়ৰকণা


✍ ধৰিত্ৰী বৰুৱা
স্নাতক ১ম বৰ্ষ (কলা)

দুবৰিৰ পাতত এয়া কি?
হয়তো ইন্দ্ৰলোকৰ পৰা
ছটিয়াইছে সুখৰ বৰষা,
শান্তিৰে বিৰাজমান হ'ব
সমগ্ৰ ধৰা।
দুবৰিৰ পাতত এয়া কি?
শুভ্ৰতা আৰু এয়া কি?
হয়তো ইয়াৰ নামেই পৱিত্ৰতা,
বিৰাজিত হ'ব চৌদিশে
বিনাশিব কলুষতা।
দুবৰিৰ পাতত এয়া কি?
এয়া যেন অন্নপূৰ্ণাৰ
আশীষ নিৰ্মালি,
শ্যামলী ধাননি হ'ব
সোণোৱালী।
ক্ৰমে ক্ৰমে আজি উদ্ভাসিত
সুদূৰ দিগন্তত
ঊষাৰ ৰাঙলী অৰুণ,
এয়াই হয়তো অনাগতলৈ
অদৃশ্যজনৰ সম্ভাষণ। ○○

# অপেক্ষা

✍ দীপাঞ্জলি হাজৰিকা
স্নাতক ২য় বৰ্ষ


When the heart is full
Words are few
সাগৰলে বাট বুলিছিলোঁ
অনন্ত তৃষ্ণাৰ সমাধান বিচাৰি
বুকুত অথচ তাৰেই গৰ্জন,
ঢৌৰ মাজত মুকুতা বিচাৰিলোঁ
অনন্ত ধনী কৰাৰ আশাৰে
দেখিলো বুকুৰ মাজত তুমিয়েই আছা
অন্তৰ ধনী কৰি অনাদি কালৰ পৰা।
সাগৰ বিচাৰি নহ'ল যোৱা
লৰি আহিল সাগৰ মোক বিচাৰি
আকাশৰ নীলিমতাত নহ'ল হেৰাই যোৱা
আকাশেই দেখোন হেৰাল বুকুৰ মাজত। ○○



# পৃথিৱীৰ অসুখ

✍ পিংকি কুমাৰ
স্নাতক ২য় বৰ্ষ

জয়াল সময়
আকাশে উগাৰে তেজ
যন্ত্ৰণাৰ নদীত নিমজ্জিত হয়
প্ৰতিবাদী ডেকাৰ উত্তাল কণ্ঠ
শোকৰ বতাহে কঁপাই তোলে
পুত্ৰহাৰা মাতৃৰ আৰ্তনাদ......
স্তব্ধ হৈ ৰয়
অনুভৱী কবি
আজন্ম শিল্পী।
কবিতা ফুলত মৰহে।
হাতত বন্দুক লৈ নিৰ্বিবাদে
ঘূৰি ফুৰা ডেকাৰ
যাৰ বাৰুদৰ ধোৱাই
কঁপাই তোলে
লখিমীহঁতৰ উঠন বুকু।
মৃত্যুৰ আতংকিত ভয়ে
গ্ৰাস কৰে কুৰি বছৰীয়া
ডেকাৰ সপোন সুখী যৌৱন....।
হেৰাইছে মানৱতা
চাৰিওদিশে মাথো বিৰাজিছে কাৰুণ্যতা
বেদনাৰ ভৰত মৰমৰকৈ
খহি পৰে আমাৰ
জৰৌৰুৱা পঁজা
দিনে দিনে বাঢ়ে
পৃথিৱীৰ অসুখ.....। ○○



# এদিন কঁহুৱা ফুলিব


সৌৰজ্যোতি শৰ্মা
স্নাতক ৩য় বৰ্ষ

এদিন কঁহুৱা ফুলিব....
তেতিয়া মই মোৰ অস্তিত্ব সম্পৰ্কে
সন্দিহান হ'ম!
উজ্বলতাবোৰ হেৰাই যাব
মোৰ দেহৰ পৰা.....
কহুঁৱা ফুলবোৰে মোক ক'ব.....
তুমি সাজু হোৱা.....।
এটা অপ্ৰিয় সত্যৰ
মুখামুখি হ'বলে
মই প্ৰস্তুত হ'ম
অপ্ৰস্তুত ভাৱে.....। ○○



# প্ৰকৃতিৰ বুকুত 'মই'

পম্পী শৰ্মা
স্নাতক ১ম বৰ্ষ



শৰতৰ শেৱালি ফুলি উঠি মৰহি যায়
বহাগৰ কুঁহিপাত হৈ উঠি সৰি যায়
অতীতৰ কথাবোৰ দেখোন স্মৃতি হৈ ৰৈ যায়।।
দুচকুৰ চকুপানী ওলাই উঠি বৈ যায়
বাজি থকা বীণখনি থমকি যায়
দেখি থকা তৰাটি নেদেখা হৈ যায়।।
ভাবি থকা কথাবোৰ নাইকিয়া হৈ যায়
চালৰ বৰযুণখিনি এসময়ত বৈ যায়
সাগৰৰ ঢৌবোৰ এসময়ত বৈ যায়।।
বতাহৰ আগমনে ধুমুহাৰ সম্ভেদ জনায়
দুখৰ আগমনে সুখৰ সংকেত বিলায়
কান্দোনৰ বাবেই হাঁহিৰ বেঁওনি পায়
নিৰাশাৰ বাবেই আশাৰ সংকেত পায়
জন্মৰ আগমনে মৃত্যুৰ সংকেত বিলায়।। ○○

# মৃতকৰ মূল্য


হেৰম্ব জ্যোতি শৰ্মা (নিতুমনি)
স্নাতক ৩য় বৰ্ষ

পোহৰৰ পৰা এন্ধাৰলৈ
গুছি যায় উচুপি উচুপি
শান্তিৰ কপৌজনী.....
নিৰীহৰ মৃত্যুত ৰক্তাক্ত হয় ৰাজপথ
অন্ধকাৰত হৃদয়ে নীৰৱে উচুপে
আপোনজনক বিদায় দিয়াৰ বেদনাত.....
'নিহতৰ পৰিয়াললৈ একলাখকৈ টকা'
ৰুদ্ধ কৰা হয় জনতাৰ প্ৰতিবাদী কণ্ঠ
টকাৰে জোখা হয় মৃতকৰ মূল্য
..... এয়াই হয়তো আমাৰ গণতান্ত্ৰিক অস্তিত্ব। ○○



# সময়সোঁতত মই

✍ বিপ্লৱ
স্নাতক ৩য় বৰ্ষ




সময়বোৰ যিমানেই বাগৰিছে
ঠিক সিমানেই মোৰ মনৰ
কল্পনাৰ স্পটত দোদুল্যমান হৈ আছে
কিছুমান হোৱা নোহোৱা
সৃষ্টি আৰু ধ্বংসৰ প্ৰবল জোঁৱাৰ।
যিয়ে বিচাৰে প্ৰতিতো মুহূৰ্তই
মোৰ বাবে কঢ়িয়াই আনক
অশেষ নিৰ্লিপ্ত কামনা।
যি আকি যায় ৰূপালী তৰংগ
ধুৱাই দিয়ে মোৰ সকলো কালিমা
যাৰ পৰশত মই হৈ পৰো এটি ৰবট
তেতিয়া মই মাটিৰ পৰা ছ ফুট ওপৰলৈ উঠি যাওঁ
সম্ভৱতঃ মোৰ হাত দুখনে বতাহকেই বিচাৰে
আৰু মইও গৈ পাওঁ কেতিয়াবা টেৰেজা,
নতুবা দেৱকান্ত আৰু শেষত অমূল্য বৰুৱাৰ দেশলৈ।
কিয় জানো, জাগতিক পোহৰৰ সন্ধানত
গঢ়িব বিচাৰো টেৰেজাৰ সমাজ।
য'ত আছে, জাতিভেদ পাহৰা ভাতৃ আৰু
বন্ধু প্ৰেমৰ বিৰল আনন্দ।
নিমিষতেই মই গঢ়ি পেলাও দেৱকান্তৰ
হৃদয়ৰ ঘৰ। য'ত থাকে
সুখ-দুখ প্ৰপীড়িত জনতাৰ উপাস কল্লোল
ঠিক তাৰপাছতেই মই এই পৃথিৱীখনৰ
দুখ-যন্ত্ৰনাৰে ভৰপুৰ পাৰ্থিৱ অৰাজকতাবোৰক
অমূল্যবৰুৱাৰ দৰে বিপ্লৱৰ মাজেৰে
পৰিবৰ্তন আনি সকলোবোৰ ব্যভিচাৰ দুৰ্নীতি
নিঃশেষ কৰিবলৈ মন মেলো।
কিন্তু! মোৰ সম্বলে জানো ঢুকি পাব?
বিশাল আকাশখন
হাতেৰে চুই চাব পাৰিম জানো!
মনগলেও যে টিকনিত ধৰি
তললৈ চোঁচৰাই আনে
কিয় বাৰু এনে হয়?
হয়তো কব পাৰে কোনোবাই
সময় গতিশীল।
তেনে মোৰ কল্পনাওতো গতিশীল
এনে গতিশীলতাক জানো
সময়ে প্ৰশ্ৰয় দিব।।○○

# তেনেকৈয়ে ভাল আছিল...

✍ নীলাক্ষী চহৰীয়া
স্নাতক ১ম বৰ্ষ

নজনা হ'লেই ভাল আছিল তোমাৰ ঠিকনা
নোহোৱা হ'লেই ভাল আছিল তোমাৰ স'তে দেখা
নেদেখা হ'লেই ভাল আছিল তোমাক
শাৰদী কোমল সেই সন্ধিয়াত...
নোকোৱা হ'লেই ভাল আছিল তোমাক
মোৰ অভ্যন্তৰত লহপহকৈ গজি উঠা
সোণাৰু জোপাৰ কথা...
নোপোৱা হ'লেই ভাল আছিল
তোমাৰ পৰা পোৱা অযুত আন্তৰিকতা
যিয়ে মোক কেৱল দুখৰ বৰষুণত তিয়াব...
আচলতে তেনেকৈয়ে ভাল আছিল
নেদেখাহ'লে... নজনাহ'লে... নোকোৱা হ'লে...।।○○



# হেড্‌ছাৰ আৰু 'ক'

✍ ভাস্কৰজ্যোতি নাথ
স্নাতক ৩য় বৰ্ষ



ছাৰ;
মই এতিয়া বিশটা বসন্ত পাৰ কৰিলো
আৰু ছাৰ! আপোনাৰ মনত আছে চাগৈ
মই যে 'ক' টোৰ কাণ দিব নোৱাৰি পলাইছিলো স্কুলৰ পৰা
এতিয়া জীৱনৰ পৰা পলাইছো ছাৰ!
শ্লেটত আপুনি 'ক' টো ডাঙৰকৈ লিখি দিছিল
আৰু মই তাৰ ওপৰত ঘঁহি ঘঁহি অৱস্থা নোহোৱা কৰিছিলো
বিভৎস ৰূপ...
তাৰ কাণডাল হেলনীয়া কৰিব নোৱাৰা বাবে
আপোনাৰ কাণমলা পাইছিলো...
ভীষণ ভাবে বেয়া পাইছিলো স্কুলক
তাতকৈ আমোদজনক আছিল চাইকেলৰ চকা ঘূৰোৱা
আৰু পিন্ধনত হাফ্‌পেন্টটোৰে তাৰ পিছে পিছে দৌৰা
এতিয়া ছাৰ চকাৰ পিছে পিছে নহয়
জীৱনৰ পিছে পিছে দৌৰিছো...
বৰকৈ মনত আছে ছাৰ আপুনি কোৱা গহীন মাতেৰে
ভা...স্ক...ৰ 'ক' পাৰিলে
প্ৰফেছৰ হ'ব পাৰিবি, হ'ব পাৰিবি মেজিষ্ট্ৰেট,
হ'ব পাৰিবি কবি দেৱকান্ত, পাৰিবি ডক্টৰ, ইঞ্জিনীয়াৰ,
ভব্য গব্য নাগৰিক...
বৰকৈ মনত আছে ছাৰ...
আপুনি কোৱা চাৰিসীমা ভাৰতৰ
উত্তৰে ভূটান, নেপাল
দক্ষিণে, পূবে, পশ্চিমে...
এতিয়া ছাৰ ইন্টাৰনেট শিকিছো
পাইছো গৈ ছাৰ আমেৰিকা-ইংলেণ্ড
নাচিছো ছাৰ সিহঁতৰ তালে তালে বেংগাবয়জ বেংগাবয়জ
খাইছো চাৰ ব'ৰা, ইড্‌লি, পটেটো চিপচ্
পেপ্‌ছি, কোকাকোলা, থাম্‌ছ্‌-আপ্, মিৰিণ্ডা
এতিয়া ছাৰ 'ক' ৰ পৰা গৈ উৰাই ঘূৰাই পৰিছো
মাৰ্ক্স, লেনিন, ছে-গুৱাভাৰা...
ছাৰ! আপোনাৰ ছাত্ৰ কেইজনমানে
তুলি লৈছে হাতত মৰণাস্ত্ৰ...

ছাৰ আপোনাৰ দোষ নাছিল জীৱন পাঠত
ভুল নাছিল আপোনাৰ আদৰ্শত
কি কৰিব ছাৰ! য'ত ৰক্ষকেই ভক্ষক
শাসন যন্ত্ৰ অচল
য'ত আদৰ্শৰ হয় অপমৃত্যু
কি কৰিব ছাৰ! সময়ৰ দাবীত
হেৰুৱাইছো শিপা জীৱনৰ
ডাঠ ফ্ৰেমৰ চছ্‌মাৰে কি চাই আছে ছাৰ
একো নহয় ছাৰ...
চলি আছে সকলো; দেশ, শাসন যন্ত্ৰ
ফাইল, চৰকাৰ ইত্যাদি ইত্যাদি
য'ত চলি থকাই নিয়ম
আৰু আমিবোৰ বোবা-বধিৰ
হাত চাপৰি বজাইছো
শ্ল'গান চিঞঁৰিছো ক'লা বেপাৰী
ক'লা বেপাৰী জিন্দাবাদ...।। ○○

# সংগ্ৰাম

✍ দিপালী কলিতা
স্নাতক ২য় বৰ্ষ

যদি তুমি
জনমেই ধৰিছা
মানৱ হৈ
আহিছাই যেতিয়া
এই মৰতলৈ।
কৰ্ম কৰা
আগুৱাই যোৱা
চেষ্টা কৰা
জীৱনৰ স'তে সংগ্ৰাম কৰিবলৈ
ধৈৰ্য্য থাকেমানে
চেষ্টা কৰা।
জীৱন থাকেমানে
সংগ্ৰাম কৰা।
অবিৰত ৰাখা তোমাৰ
জীৱন যাত্ৰা।
শান্তিৰ বাবে
অহিংসাৰ অস্ত্ৰ ধৰা
মনত যদি আছে
নানান আশা
সংগ্ৰামৰ পথকেই বাচি লোৱা। OO



# সম্ভাবনীয়তাৰ অংকত নচলে দিঠকৰ পৃথিৱী

✍ মুনীন্দ্ৰ শৰ্মা



নকঁও বুলিয়েই নোকোৱা কথাযাৰ
যদি এদিন কলোহেঁতেন
হয়তো জ্বলি গলহেতেন বহুতো মমশিখা
চিঠি লিখাৰ নামত
যাতনা আৰু বিষাদৰ বোজা কঢ়িয়াই কঢ়িয়াই
অস্থিৰ হৈ পৰা মন
হয়তো স্থবিৰ হ'ল হেতেন
এক শীতলতাভৰা স্পৰ্শত
যি স্পৰ্শৰ শীতলতাই নুমুৱাই দিয়ে জুই
যি জুইৰ দহনত ক'লা হৈ পৰে শুকুলা ৰং
তেনে জুইকেই বুকুৰ মাজত লৈ ফুৰে
হাজাৰজন হতভগীয়া প্ৰেমিক
যিয়ে ভালপায় শিশিৰকণা।
সেই শিশিৰ কঠিনতা নিমিষতে যেন
পানী হৈ গলি যাব
তাৰ প্ৰেমিকাৰ বুকুৰ উমত
যি বুকুত লুকাই থাকে
পোৱাৰ গৰ্ব আৰু নোপোৱাৰ অভিমান
তেনে অভিমানী প্ৰিয়াক এবাৰলৈ হ'লেও
কোৱাহেঁতেন
তোমাক ভাল পাওঁ বুলি
সম্ভাবনীয়তাৰ অংকত নচলে দিঠকৰ পৃথিৱী। OO

# মোৰ এটি সপোন আছে

✍ ভনিতা দেৱী
স্নাতক ৩য় বৰ্ষ



মোৰ এটি সপোন আছে
নীলা হোৱাৰ;
যি...
প্ৰেমৰ নীলা অপৰাজিতাৰ দৰে নীলা।
নীলা মোৰ প্ৰিয়।
এজুপি প্ৰেমৰ নীলা অপৰাজিতা হৈ
ভৰি পৰিব খোজো মই
তোমাৰ বুকুৰ অৰণ্য।
তুমি নীলা পিন্ধিলে
নীলা হৈ পৰে মোৰ মন আকাশ,
মোৰ ওঁঠত হাঁহিৰ বিজুলী জিলিকাতো
তোমাৰ আনন্দ;
প্ৰেম ৰাজবাটেৰে নাহে বাবেই
তোমাৰ আনন্দক
বেদনাৰ কাইটেৰে বিষাক্ত নকৰিবা।
যদি মই হাঁহি থকাটোৱেই বিচৰা
সময়ৰ নীলাভ চৰাই হৈ
উৰি নাযাবা...
দুচকুৰ বৰষুণে ডুবাব
মোৰ জীয়াই থকাৰ বাসনা
তুমি অবিহনে মোৰ দুচকুৱে
উপভোগ কৰে প্ৰতিদিন
নিশ্চিন্দ্ৰ অন্ধকাৰৰ উলংগ নৃত্য।
মোৰ এটা সপোন আছে,
ক্ৰুছবিদ্ধ নকৰিবা সেই সপোনক
সপোনৰ দাবীক কবৰ দিব নোৱাৰিম। ○○

# অমানিশাৰ এন্ধাৰ নহবি


✍ মহেশ শৰ্ম্মা
স্নাতক ৩য় বৰ্ষ

মনত আছেনে তোৰ,
শৈশৱত ধেমালীতে
তোক সাৱটি ধৰা?
তোৰ বুকুৰ সেউজীয়াৰে
যৌৱনৰ কুমলীয়া পাতখিলা মোৰ
সেয়ে এতিয়া সেউজীয়া।
মাটি আৰু শিপাৰ সহজাত ঐক্যতানৰ দৰে
তই আৰু মই,
বুকুযুৰি মোৰ
কুৰুকি কুৰুকি আছে সোমাই
তোৰ ভালপোৱাৰ শিপাবোৰ।
তই পাইনৰ সেউজীয়া পাত,
য'ত মই ব'দৰ চৰাই হৈ
জিৰাব বিচাৰো ওৰেটো জীৱন!
তৌলে মোৰ মনত পৰাৰ
নাই নিৰ্দিষ্ট সময়, নিয়ম।
কিন্তু আজি সকলো বুজিও
নুবুজাৰ অভিনয় কিয়?
এদিন তয়েইতো কৈছিলি
তোৰ উশাহত মোৰ অস্তিত্ব?
এতিয়া তয়েই ক'চোন,
তোক হেৰুৱাই
কিদৰে জীয়াই থাকিম
নিৰ্যাতিত স্মৃতিবোৰ বুকুত বান্ধি?
সেয়ে এতিয়া টোপনিৰ সতে
নিতৌ কাজিয়া কৰে,
মাথো তোক হেৰুওৱাৰ ভয়ত,
উজাগৰি ৰাতিৰ কলিজাই।
তই বিপ্লৱ নকৰিবি,
বিলুপ্ত হ'ব মোৰ বুকুৰ সেউজীয়া।
মোৰ আশাবোৰ তই
অমানিশাৰ এন্ধাৰ নহবি।
হেৰাই যাম। ○○



# নষ্টালজিক অনুভৱ

✍ মৌচুমী হাজৰিকা
স্নাতক ৩য় বৰ্ষ



ফিৰফিৰীয়া বতাহজাকেই এদিন ডাকোৱাল হৈ আহিছিল,
কুঁৱলীৰ আলফুল শুভ্ৰতাৰ আঁচল ফালি তোমাৰ
আগমনৰ বতৰা দিছিল,
মই কি কৰিছিলো জানা? ৰ'দৰ উমাল কাপোৰখন
গাত মেৰুৱাই ভাবিছিলো এৰি থৈ অহা দিনবোৰৰ বিৱৰণীবোৰ,
মনটো যে খুব চঞ্চল হৈ পৰিছিল
এনেকুৱা এটি দিনতেই শীত অহাৰ খবৰ আহিছিল
ডিচেম্বৰৰ কোনোবা এটি ষ্টপেজত,
দুব্ৰৰিৰ নিয়ৰৰ মুকুতা গচকি খোজ দিছিলো
তোমাৰ বুকুলৈ,
স্বপ্নাকুল দুনয়নৰ ৰঙীণ সপোন
ভৰি আছিল হৃদয়-মন ভৰি......
এইয়া যে তিনিটা বছৰ আগৰ কথা.......
সেই দিনবোৰ এতিয়া মোৰ অনুভৱী আকাশৰ
ধূসৰ ক'লাজত থকা স্মৃতিৰ ৰামধেনু।
কোনে কয় ডায়েৰীৰ পাত উকা বুলি?
প্ৰত্যেকটো পৃষ্ঠাইচোন ভৰি আছে শৰতৰ কত
নিয়ৰসনা কবিতাৰে, শীতৰ তন্দ্ৰালস ৰাতিৰে, তাৰ
সপোনবোৰেৰে......
মনৰ মাজুলীত কহুৱা হৈ ফুলি উঠে
সলাজ দুচকুৰ অলকানন্দা অভিযান
কলেজৰ কেণ্টিনত জাহ যোৱা বহুতো চাহৰ পিয়লা,
চেমিনাৰ হ'লত কটোৱা বহুতো সময়,
'নাক'ৰ মূল্যায়ন, সোণালী বৰ্ষ পালন — আৰু বহুতো পল-
পল ক্ষণৰ অনুভৱ
এইয়াচোন ডায়েৰীৰ পাত লুটিয়ালেই পোৱা যায়।
মনৰ কেনভাচত আঁকা আছে প্ৰতিটো আবেলিৰ ছবি,
কিন্তু এতিয়াযে দুচকুত আবেলিৰ বৰশীত টুপাই থাকিব ঘৰমুৱা
বেলি,
নদীৰ ভাজত স্মৃতি হেন বাঁহীৰ সুৰ এটাই
পিৰপিৰাই উঠিব যন্ত্ৰণাত ডুবি,
সৰাপাতৰ বাগিছা আকৌ এবাৰ নিৰ্মাণ হ'ব চিনাকী
বুকুতেই......।
কাৰোবাৰ জেপত ঝংকাৰ তুলিব হৃদয়ৰ ভগ্নাংশৰ টুকুৰাই।
উফ্, বৰ কাতৰভাৱে হিমচেঁচা বতাহজাকে কোবাইছে,
উশাহবোৰ চুটি হৈ আহিছে, আৰু
বুকুত জমা হৈছে খণ্ড খণ্ড দুখ।
হোষ্টেলৰ খিৰিকিবোৰেও চাগে উচুপি উঠিছে,
গুঠিম গুঠিম বুলি ভাবি থাকোতেই যাবৰেই হ'ল;
অথচ গোঠা যে নহ'ল মৰমৰ চুৰেটোৰ।
সময় যে এনেকুৱাই, আকৌ আহিব শীত,
লগত থাকিব কুঁৱলীৰ ধেমালী,
হয়টো নাথাকিম তুমি আৰু মই অথবা আমি।
আকৌ নতুন নতুন সপোনেৰে ভৰিব ডায়েৰীৰ পৃষ্ঠা,
সোঁৱৰণী হৈ থাকিব মঙ্গলদৈ কলেজৰ বুকুত কটোৱা
তিনিটা বছৰৰ প্ৰতিটো প'ল, প্ৰতিটো ক্ষণ...
বন্দী হৈ থাকিব ই, হৃদয়ৰ কেন্‌ভাচত।○○

# নশ্বৰ সপোনৰ মাজে মাজে

✍ মুন্না ডেকা

এমুঠি চাউল সিজাবলৈ
ফুকাই ফুকাই
ধোৱাৰ্ত দুচকু মোহাৰি
চকুপানী টুকি টুকি
জ্বলোৱা
কেঁচা খৰিৰ জুই কুৰা
যেতিয়া
জ্বলিব খোজোতেই নুমাও নুমাও হয়,
সজাৰ সৰু ফাকেৰে সাউতকৈ উৰা মাৰি
সপোন চহৰে নগৰে
বনভোজ খোৱা
সেই উৰণীয়া মনতো
যেতিয়া বৰশীত লগা মাছতোৰ দৰে হয়,
তেতিয়া,
সপোন ভস্ম চিতাৰ ছাইবোৰ
দুচকুৰ আগত
উৰি উৰি নাচি নাচি
বৰকৈ আমনি কৰে।
ঠিক পঘা চিঙি লৰমৰা গৰুটোৰ দৰে
জীৱনতো যেনি তেনি যাব বিচাৰে।
যোৱা দিন গলগৈ বুলি
পাহৰিব খোজা সেই হেৰাই যোৱা দিনবোৰ
যেতিয়া এটোপ এটোপ কৈ পৰা
নিয়ৰৰ পানীৰ দৰে
নিগৰি নিগৰি পৰিব ধৰে,
সেই ক্ষণত, আকৌ এটি নতুন আশা
নুমাই যোৱা জুইকুৰা
আকৌ ভমকাই জ্বলিব খোজে।
পাখি ভাঙি পৰি ৰোৱা
এই উৰণীয়া মনতো
আকৌ, ধলপুৱাতেই দুপাখি মেলি উৰি যোৱা
বগাকৈ বগলী জাকৰ সৈতে
উৰি যায়।



কিন্তু এক নিৰিবিলি সন্ধিয়া
আকাশৰ নিৰ্জনতাত উৰি ফুৰা
বাদুলিতোৰ দৰে অকলশৰে
উভতি আহে,
লগত এচকল হতাশ,
আৰু ওঁঠত লগাইলোৱা এই মিচিকিয়া হাঁহিটিৰ
অকণ বক্ৰতা
আৰু লগত এটি হুমুনিয়াহ বিফলতাৰ। ○○


# কিনো ?

✍ জয়ন্ত ভাগৱতী

এটা স্থিতি
অক্লান্ত আশা
অবিচ্ছেদ্য স্বপ্ন
পোৱা আৰু নোপোৱাৰ অংক
এয়েই জীৱন অলংকৃত ছন্দ। ○○

# কোনষাৰ কথাই জগৰ লগায়

✍ সুৰজিৎ কুমাৰ নাথ
কৰ্মচাৰী, মঙলদৈ মহাবিদ্যালয়




কি কৰিব, উপায় নাই
সঁচা কথাষাৰ ওলালেই জগৰ লাগিব
কেনে আছা ?
বুলি সুধিবলৈ উপায় নাই
কাৰোবাৰ প্ৰেমৰ ৰঙেৰে কোনোবা প্ৰেমিক হৈয়ো
ক'ব নোৱাৰে— ভালপাওঁ বুলি
খেদি আহিব পাৰে অ-প্ৰেমী মানুহবোৰ
কি কৰিব, উপায় নাই
কাৰোবাৰ শৰীৰৰ ভাষালৈ চায়ো সুধিব নোৱাৰে
ভালপালেও কিয় ভাল নাপাও বুলি ক'লে
সুধিলেই জগৰ লাগিব
দৰিদ্ৰতাত বোৱাই দিয়া হ'ব ধনৰ বৈদ্যুতিক সোঁত
কৰ্মসংস্থাপনহীনতাত বোৱাই দিব অপমানৰ বৈদ্যুতিক সোঁত
কি কৰিব, উপায় নাই
নাটক কৰিবলৈ যোৱা ল'ৰাজন শিক্ষিত হৈয়ো বেকাৰ হৈ থাকিল
সকলোৱে জানে— তাৰ গাত কোনো দোষ নাছিল
কিন্তু কোনেও নকয়— ক'লেই জগৰ লাগিব- যিহেতু ই সঁচা
কাৰোবাৰ চকুৰ পানীয়ে যদি কাৰোবাৰ মুখলৈ হাঁহি কঢ়িয়াই আনে
কি কৰিব, উপায় নাই
কাৰোবাৰ প্ৰেমৰ খবৰৰ পিছত বিয়াৰ খবৰ শুনি
পাৰ্থক্য নাথাকিব কাৰোবাৰ সুখৰ হাঁহি আৰু দুখৰ হাঁহিত
কি কৰিব, ইয়াতো কোনো উপায় নাই
যিহেতু ই সঁচা, সবাতোকৈ গোপনীয়
গোপন সূত্ৰৰ পম খেদিয়েই লৈছো যদিও এই খবৰ
ক'ব নোৱাৰে, সুধিবও নোৱাৰে
সুধিলেই জগৰ লাগিব
দুফাল কৰি দিয়া হ'বপাৰে নিজৰ সপোন
সৰু সৰু কথাবোৰতেই স্মৃতি লুকাই থাকে
ডাঙৰ ডাঙৰ কথাবোৰতো ইতিহাস বুৰঞ্জী হয়েই ৰয়
যিহেতু বুৰঞ্জীৰ পাতত নিজক বিচাৰি নাপাম
স্মৃতিৰ পাতত নিজকে নিজে চাইছো
কোনবোৰ সঁচা কথা ওলালে জগৰ লাগিব
কি কৰিব উপায় নাই
যিহেতু সঁচা কথাষাৰ কোনেও নুশুনে, নিবিচাৰে
কি কৰিম, উপায় নাই......।ОО

# কুঁৱলী

✍ দাক্ষায়িনী ভট্টাচাৰ্য্য
স্নাতক ২য় বৰ্ষ

শৰতক ধুৱাই দিয়া
তুমি কুঁৱলী
প্ৰভাতৰ ৰসঘন
দুৱৰি দলিছা
শিশিৰ প্ৰভাতেৰে স্নাতা
হ'ল প্ৰকৃতি
প্ৰকৃতি পুলকিত কৰা
তুমি সৰগী।ОО



# আগুৱাই যামে আমি

✍ আতিকুৰ ৰহমান
স্নাতক ৩য় বৰ্ষ



ইমান বেদনা.....
ইমান অশান্তি.....
মই বৰ ভাগৰুৱা হৈ পৰিছো
কলিজাবোৰ শুকাই পৰিছে,
কিন্তু কেতিয়া পাম মুক্তি আমি?
কেতিয়া শাত পৰিব
আমাৰ কোমল হৃদয়বোৰ.....?
নাই...., নাই আৰু নোৱাৰি
এই বিশাল স্বাধীন দেশখনৰ
আমিওতো আজি পূর্ণ নাগৰিক।
তথাপি বাৰে বাৰে আমিবোৰেই
প্ৰৱঞ্চিত হৈ আছো কিয়?
সেয়ে বিপ্লৱৰ আশ্রয় লম আমি,
আমাৰ মধুৰ যৌৱনবোৰলৈ
আৰু বৰদৈচিলা আহিবলে
নিদিও আমি.....।
শাসক শোষকৰ ওচৰত
আমাৰ পূৰ্বৰ শ্বহীদসকলৰ
প্ৰতিটোপাল ৰক্তৰ মূল্য
বিচাৰিম আজি।
শতকৌটি জনতাৰ আশিস
মূৰত লৈ.....
আগুৱাই যাম আমি
এখন নিকা সমাজ গঢ়িবলে,
অ, আমি আগুৱাই যাম। ০০

# জীৱনৰ অন্তিম ক্ষণত

✍ ছিদ্দিক আলী
স্নাতক ২য় বৰ্ষ

জীৱনৰ অন্তিম ক্ষণত, মই বৈ আছো
এখনি ছবি চোৱাৰ আশাত
যি ছবিত আছে— দেশ প্ৰেম, মানৱীপ্ৰেম
আৰু বন্ধুত্বৰ মধুৰ আলিংগণ।
যি ছবিত নাই—
জাতি, ধৰ্মৰ ভেদাভেদ
প্ৰেমিকাবোৰৰ প্ৰেম বিচ্ছেদ।
জীৱনৰ অন্তিম ক্ষণত, মই বৈ আছো
এফাঁকি গীত শুনাৰ অসীম আশাত
যিফাঁকি গীতত আছে—
বেদ, কোৰাণ, গীতাৰ অমৰ বাণী
কুলি, কেতেকী আৰু পাপিহাৰ বিননি
কৃষ্ণ মুৰুলীৰ মধুৰ ৰাগিণী।
জীৱনৰ অন্তিম ক্ষণত, মই বৈ আছো
এফাঁকি কবিতা পঢ়াৰ ব্যগ্ৰ হেঁপাহত
যিফাঁকি কবিতাত আছে—
শ্বহীদ-ত্যাগীৰ উষ্ম কথা
জ্ঞান-প্ৰেৰণাৰ অমৃত ভাণ্ডাৰ।
হে ভগৱান, নিনিবা তুমি
আশাবোৰ অপূৰ্ণ কৰি
আয়ে নহ'লে চকুলো টুকিব
সহোদৰবোৰেও সুখ হেৰুৱাব। ০০




# কুঁৱলীৰ আঁৰে আঁৰে

✍ চুইটি ডেকা
স্নাতক ১ম বৰ্ষ

কুঁৱলীৰ আঁৰে আঁৰে
মই ৰিণি ৰিণি দেখিছো
কৃষকৰ সেউজীয়া সপোনৰ
সেউজীয়া পথাৰ

মই খোজ দিছো
কুঁৱলীৰ মাজেৰে
সেউজীয়া সপোনবোৰৰ উমান ল'বলৈ।
আহঃ ভয় লাগে
জানোচা হেৰাই যায়
সেউজীয়া সপোনবোৰ
বৰ্ষাৰ বাউলী ঢুলাহত
জানোচা সিহঁতে হেৰুৱাই
পুত্ৰ, সন্তান, পত্নীৰ সম্পৰ্কবোৰ
জানোচা পুৰি শেষ হৈ যায়
আশাৰ সঁফুৰা
সিহঁতৰ হৃদয়ত
বাহ লোৱা। ○○







# জোনাকে ওপচা দুবৰিৰ দলিচাত

✍ তৃষ্ণা দেৱী
স্নাতক ২য় বৰ্ষ

জোনাকে ওপচা দুবৰিৰ দলিচাত
মুকুতামণিৰ অপূৰ্ব শাৰী।
কুঁৱলী, তোমাৰ স্নিগ্ধতাৰ
এয়াযে নিষ্পাপ জিলমিলনি।
প্ৰতিটো প্ৰত্যুষৰ শীতৰ
খহটাবন কোমল কৰি
বাটে-ঘাটে চুমা যাঁচে—
এয়াই কুঁৱলী।
নিশাৰ আকাশৰ জোনৰ সৈতে
তৰাৰ মনোৰম ধেমালিক
আঁৰ কৰি ৰাখে যি
সেয়াই কুঁৱলী।
বন-বীথিকাৰ সেউজ সৃষ্টিক
জীয়াই ৰাখে জীপাল কৰি যি—
সেয়াই কুঁৱলী
আমাৰ হেঁপাহৰ স্নিগ্ধ কুঁৱলী। ○○



# গল্প

'গল্পৰ য'ত সমাপ্তি তাৰ পৰাই আস্বাদনৰ আৰম্ভণি। গল্পৰ বক্তব্য শেষ হৈ যাব কিন্তু ভাবৰ অনুৰণন পাঠকৰ হৃদয়ত চলি থাকিব। এনেকৈ বক্তব্যটো উপস্থিত কৰা দৰকাৰ যাতে সি শেষ হৈয়ো শেষ হ'ব নোখোজে। মানস যন্ত্ৰৰ নায়কী তাঁৰডালত এটা মাত্ৰ ঝংকাৰ দিব গল্পই তাৰ পাছত বহু সময় ধৰি সঞ্চাৰিণীবোধত তাৰ মূৰ্ছনা বাজি থাকিব।

— গঙ্গোপাধ্যায় নাৰায়ণ

# অস্ত আকাশৰ ফালে

✍ মুন্না ডেকা
স্নাতক ২য় বাৰ্ষিক

ছোৱালীৰ হোষ্টেলৰ সন্মুখৰ সেই পাতল ৰঙা লাইটটোৰ ক্ষীণ পোহৰ জ্বলি আছে। চাৰিওফালে নিৰ্জনতা। হোষ্টেলৰ ৰান্ধনিটোৰে পানী নিবৰ বাবে খটং খটং শব্দৰে দমকলটো মাৰিছে। পিছফালৰ জোপোহা গছ লতাৰে ভৰা ঠাই টুকুৰাৰ পৰা উইচিৰিঙাৰ চিঁ চিঁয়নিৰ সৰু শব্দ এটি ভাঁহি আহিছে। হোষ্টেলৰ পৰা অলপ দূৰেৰেই 'মেইন ওৱে' পাৰ হৈ গৈছে। কেতিয়াবা বহু সময়ৰ মূৰত পাৰ হৈ যোৱা এখন দুখন গাড়ীয়ে ক্ষন্তেকৰ বাবে ঠাইখন ৰমৰমাই তোলে। তাৰ পিছত আকৌ মৌন।

পঢ়া টেবুলত খুলি থোৱা কিতাপখন আগত লৈ জাপি এক স্থিৰ চাৱনিৰে সন্মুখৰ ফালে চাই আছে। সন্মুখৰ বেৰত সৰু মকৰা এটাই এখন জাল গুঠি তাৰ ওপৰত বৈ আছে। কিন্তু টেবুল লেম্পটোৰ ধোঁৱাই গোটেই জালখন এলান্ধুৰে ক'লা কৰি পেলাইছে। গোটেই ধোঁৱাবোৰ আন ক'তো নালাগি যেন জালখনতহে লাগিছে। ক'লা হৈ পৰা জালখনত এতিয়া তাৰ খাদ্যৰ অভাৱ আৰু এফালে সেইখন এৰি গ'লেও সি থাকিব ক'ত। জুপিয়ে এবাৰ বেৰত ওলমাই থোৱা ঘড়ীটোৰ ফালে চালে। সাত বাজিছে। জাৰৰ ৰাতি, সাত বজাতেই বহু ৰাতি হোৱা যেন লাগিছে। এবাৰ তাই মূৰটো ঘূৰাই হোষ্টেলৰ একে কোঠাতে থকা বান্ধৱী ইমালৈ চালে। তাই বৰ মনযোগেৰে পঢ়ি আছে। কাইলৈ সিহঁতৰ মেজৰৰ টেষ্ট পৰীক্ষা। একেটা ৰুমতে থকা চাৰিজনী ছোৱালীৰ বাকী দুজনী কলেজতে 'কলেজ সপ্তাহ'ৰ নিশাৰ ফাংচন চাব গৈছে। হোষ্টেলৰ বাকী ছোৱালীবোৰো গৈছে। জুপিয়ে গাটো ভাল নহয় বুলি কৈ ৰ'ল। কেইদিন মানৰ পৰা মনটো তাইৰ এক বেজাৰে যেন সেমেকাই পেলাইছে।

ঘপকৈ পঢ়াৰ মাজতে ইমাই মাত লগালে। জুপি তোৰ ঘৰৰ পৰা কোনোবা অহা কথা নাছিলি জানো, কিয় নাহিল খবৰ এটা নললি।' নাই খবৰ লবই নহ'ল - এক দুৰ্বল ভাবেৰে জুপিয়ে ক'লে।

'ৰ, তই ঘৰৰ নম্বৰটো কচোন, মই লগাই দিও' টেবুলৰ পৰা ইমাই মোবাইলটো হাতত লৈ জুপিক ক'লে!

'হ'ব দে, আজি আৰু খবৰ লব নালাগে। কিবা অসুবিধা হ'ল হবলা- জুপিৰ এক বেজাৰৰ ছাঁ, ইমাই আকৌ সুধিলে জুপি তই যে যোৱাকালি ছাৰক পিকনিক নেযাও বুলি কলি, তই ক'ত থাকিবি হোষ্টেলৰতো সকলো যাব।'

তাকেই ভাবিছো, সেইদিনা মাহীহতঁৰ ঘৰতেই থাকিব লাগিব গৈ।

পিকনিক যে নাযাও বুলি কৈছ, তই পইচাৰ বাবে নাযাও বুলি কোৱা নাইতো। ঘৰৰ পৰা পইচা আহি পোৱা নাই কি হ'ল, এতিয়া আমাৰ পৰাই নিবি' ইমাই পঢ়া টেবুলৰ পৰা এইবাৰ বহি ল'লে।

নাই, নালাগে যাবলৈ মনটোৱেই নকয় দেখোন?

তেনেহ'লে তই যে মাহীয়েৰ হতঁৰ ঘৰত থাকিম বুলি কৈছ, তাতকৈ দেখোন এই সুযোগতে ঘৰৰ পৰাই আহিব পাৰগৈ।

জুপি এইবাৰ মৌন হৈ ৰ'ল। টেবুলৰ ওপৰৰ খোলা কিতাপখন জপাই বেৰত আউজি বিছনাখনতে বহি ল'লে। ঘৰৰ কথা শুনাৰ লগে লগে মনটো তাইৰ খৰাং হৈ আহে। ইমাৰ ইটোৰ পাছত সিটো প্ৰশ্নই তাইৰ মনটো গধুৰ কৰি তুলিছে। আন সকলোৰে দৰে তায়ো হাঁহি ধেমালিৰে লগৰ সমনীয়াৰ লগত পিকনিকত যাব পাৰিলে হেতেঁন, তাইতকৈ সুখী আন কোনো নহ'ল হেতেন। কিন্তু তাই যেন এতিয়া বৰ দুৰ্বল।

মাত কথাত মৰমিয়াল, নম্ৰ জুপিৰ জন্ম লাভ কৰা গাঁওখন সেই চহৰৰ কলেজৰ পৰা বহু মাইল আঁতৰত। গাঁৱৰ অলপ দূৰত থকা উচ্চতৰ মাধ্যমিক খনৰ পৰা তাই যোৱা বছৰ প্ৰথম বিভাগত ষ্টাৰ মাৰ্ক সহ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। গাঁৱৰ সেই বিদ্যালয় খনৰ ষ্টাৰ মাৰ্ক পোৱা তাইয়েই প্ৰথম। সেয়ে স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে গাঁৱৰ সকলোৱে জোৰ দিলে জুপিক চহৰৰ ভাল কলেজত পঢ়াব লাগে। ঘৰখনৰ আৰ্থিক দিশতো বৰ ৰমৰমীয়া নহ'লেও গোটেই জুৰুলাও নহয়। পঢ়াবলৈ চহৰলৈ পঠোৱাৰ সামৰ্থ্য আছে। দেউতাকে খেতি কৰে। গাঁৱৰ বহুকেইঘৰ মানুহৰ খেতি কৰিবলৈ সিহঁতকে দিয়ে। জুপিৰ তলৰ ভনীয়েক দুজনী ওচৰৰ স্কুলখনতেই পঢ়ে। খেতিৰ ধানেৰে ঘৰখন সহজতে বছৰতো জোৰে। ইফালে সন্ধিয়া সন্ধিয়া দেউতাকে সেই গাঁৱৰ এমূৰে থকা ইটাৰ ভাটাটোৰ সন্মুখত এখন সৰু পান দোকান দিয়ে। ভাটাৰ বনুৱা বোৰেই ইটো সিটো দোকান খনৰ পৰা কিনি নিয়ে। মুঠতে জুপিৰ ঘৰত খোৱা লোৱা, পিন্ধা উৰাৰ কোনো অভাৱ নাই। ঘৰৰ পৰা জুপিয়ে যি খোজে তাকেই আনি দিয়াৰ ক্ষমতাও আছে। সেয়ে চহৰৰ কলেজতে পঢ়াবলৈ খোজাত জুপিয়ে না নকৰিলে। ইফালে গাঁৱৰ সকলোৱে তাইক ইটো সিটো সহায় কৰিলে। কোনোবাই কলেজীয়া চুৰিদাৰ জোৰ, কোনোবাই বেগটো আৰু বহুতে বহুত দিলে। নিজৰ ঘৰ খনৰ বাহিৰেও গোটেই গাঁও খনৰ মানুহৰ মৰম পায়, সেই মৰমকে টোপোলা বান্ধি লৈ তাই চহৰৰ কলেজলৈ পঢ়িব আহিল। এইখিনিলৈ বৰ সৰল ভাবেই চলিল কিন্তু তাৰ পিছতহে আহিল জীৱন সংঘাত।

যোৱা বাৰিষা গাঁৱত খেতি নহ'ল। বৰষুণৰ অভাৱত খৰাংত খেতি কৰিব নোৱাৰিলে। ৰোৱা বোৰো জুয়ে পোৱা খেৰৰ দৰে দহি পুৰি ৰঙা হৈ গ'ল। মাটিত ছিৰাল ফাট মেলিলে। বহুমাটি চন পৰি

ৰ'ল। এবাৰ খৰাঙত পৰিয়েই ঘৰ খনৰ অৱস্থা ইমান বেয়া হব বুলি জুপিয়ে কাহানিও ভাবিব পৰা নাছিল। আগতে বান পানী আহিলেও নুমলীয়াকৈ খেতি কৰি হ'লেও সিহঁতে দুবেলা দুমুঠি সহজতে খাব পৰাৰ জোখাৰে ধান পাইছিল। কিন্তু এইবাৰ সকলোৰে ভঁড়াল উদং হৈ ৰ'ল।

ক্ষন্তেকতে জুপিৰ মনটো হোষ্টেলৰ পৰা আহি গাঁৱৰ ঘৰত বিলীন হৈ গ'ল।

যোৱা পূজাৰ বন্ধত তাই ঘৰলৈ গৈছিল। সেইদিনা সন্ধিয়া তুলসীৰ তলত চাকিগছ জ্বলাই মাকে কোনোৱে নেদেখাকৈ চকুপানী মচিছিল। দেউতাকে কিছু দূৰৰ ইটাৰ ভাটাটোত দিন হাজিৰা কাম কৰি দাখন হাতত লৈ ঘৰ পাওঁতে বহুদিনৰ মূৰত অহা জুপিক দেখি সুধিছিল- 'তই কেতিয়া আহিলি জুপি।'

তাই থমক খাই ৰৈছিল। দেউতাকৰ দীঘল হৈ পৰা দাৰি চুলিৰে আৱৰা মুখখনলৈ চাই তাই প্ৰশ্ন কৰিছিল দেউতা তই ক'লৈ গৈছিলি?

দেউতাকে দাখন কাঠিৰ এমূৰে থৈ কিবা লুকুৱাৰ ভাবেৰে কৈছিল 'নাই, এনেয়ে গ'লো।'

তাই বুজিবলৈ আৰু বাকী নাথাকিল, দেউতাকে যে দিন হাজিৰা কৰিব লগা হৈছে। কিন্তু এবাৰ তাই ভাবিলে, সকলোৱে তাইৰ পৰা এইবোৰ কথা লুকুৱাইছে কিয়? মাকক সুধিলেও কয়, এইবোৰ তই চিন্তা নকৰিবি তই মুঠতে ভালকৈ পঢ়িবি, ঘৰ খনৰতো অভাব নাটনি সদায় থাকেই।'

ইমান কম দিনৰ ভিতৰতেই, কেইমাহমান ঘৰলৈ নাহোতেই ইমান পৰিবৰ্তন, তাই সহজ ভাবে লব পৰা নাছিল।

পিছদিনা পিছবেলা জুপি পথাৰৰ ফালে যোৱা বাটটোৰে অকলেই ওলাই গৈছিল। বাৰিষাৰ ছিৱাল ফাট মেলা পথাৰখন এই খৰালিও একেদৰে পৰি আছে। সৰুৰে পৰা খেলি, দৌৰি,মাছধৰি ডাঙৰ হোৱা সেই পথাৰখনলৈ সেইদিনা তাই স্থিৰে চাই থাকিব পৰা নাছিল।

পথাৰখনৰ এমূৰে এডাল ডাঙৰ জোপোহা বকুল। তাত সন্ধিয়া গোটেই গাঁৱৰ ছোৱালীবোৰে মন খুলি কথা পাতিছিল, কাইলৈ মাছলৈ ক'ত যাব, আজি কাক কোনে জোকালে, কোনে কাক কি ক'লে, গাঁওৰ সেই বিয়াখন ঠিক হ'লনে নাই, অমলা বাইৰ বিয়াত কোনে কি সাজ পিন্ধিব, সেইদিনা তাইলৈ বৰকৈ চাই থকা ল'ৰাজনে আকৌ দেখা পাইছিলনে ইত্যাদি ইত্যাদি কথাবোৰে ৰজনজনাই থকা বকুলৰ তলিখন আজি উদং উদং। তাত এজনী ছোৱালীও নাই। আগতে সিহঁতে খেলাৰ দৰে পথাৰখনত লুকাভাকু, কাবাদী, ৰজাৰাণী খেল গাঁৱৰ সেই সৰু সৰু ল'ৰা ছোৱালীবোৰেও নেখেলা হ'ল। সন্ধিয়া জুই পুৱাবলৈ শুকান নৰা বিচৰা সৰু ছোৱালীজাকো পথাৰলৈ অহা নাই।

চকুৰে নমনালৈ আবৰি থকা পথাৰখন ভালকৈ চাই জুপিৰ দৃষ্টি স্থিৰ হৈ ৰ'ল। তাৰপৰা কিছুদূৰত পথাৰখন দ কৈ গাঁত খান্দি ওখোৰা মোখোৰা কৰি পেলাইছে। তাৰ পৰা কিছু আঁতৰত পথাৰৰ এমূৰে ইটাৰ ভাটাটো। ভাটাৰ চাৰিওফালে খন্দা পথাৰ খনৰ খলা বমা নিকা মাটিবোৰ ওলাই বগা হৈ আছে। পথাৰৰ পৰা গৰু খেদি অনা মানুহ এজনীক তাই ঘপকৈ শুধি পেলালে।

আই, চা চোন, পথাৰখনৰ মাটিবোৰ এনেকৈ কোনে কাটিছে?

তাইক এফালৰ পৰা সকলো বিৱৰি কৈছিল। গাঁৱৰ মানুহৰ অভাৱৰ সুযোগ লৈ ইটাৰ ভাটাৰ মালিকে মাটিবোৰ সামান্য পইচাৰ বিনিময়ত খন্দাই নিছে। মানুহবোৰৰো পানীত হাঁহ নচৰা অৱস্থা। এফালে খেতি নাই, আনফালে মাটি খান্দিব নিদিলে মালিকে গাঁৱৰ কাকো ভাটাত কাম কৰিব নিদিয়ে। সেয়ে সকলোৱে মাটিৰ মোহকেই এৰি পেলাইছে।

সৌখিনি তহঁতৰ মাটি নহয়নে? দেউতাৰায়ে ইয়াৰ পৰা প্ৰথম মাটি খান্দিব দিছিল।' মানুহজনীয়ে জাৰত থোকা থোকি মাতেৰে সকলো কৈ গৈছিল।

কথাষাৰ শুনিয়েই জুপিৰ মনটো চিৰিং কৈ উঠিল।

মানুহজনীৰ কথাবোৰ শুনি তাইৰ চকুপানীৰ জীয়া নৈ বৈ আহিছিল। আজি কালি হেনো উদং পথাৰ, উদং ভঁড়াল দেখি গাঁৱৰ সকলোৱে সন্ধিয়া চকুলো টোকে। পেটৰ ভোকত গাঁৱৰ সকলো সৰু ল'ৰা-ছোৱালীয়ে কলমলকৈ দিনৰ দিনতো বাটে বাটে ঘূৰি ফুৰে। সন্ধিয়া তুলসীৰ তলত চাকিগচি জ্বলাবলৈ এটুপি তেলো নাপাই গাঁৱৰ বোৱাৰীহঁতে চাদৰৰ আঁচলেৰে চকুপানী টোকে। এইবাৰ বহাগত পাতিম বুলি থোৱা বিয়াখন, চহৰৰ কলেজত পঢ়াৰ আশা, ল'ৰা-ছোৱালীক স্কুলত পঠোৱাৰ আশা, বহাগত বিয়া পাতিম বুলি আঙুঠি পিন্ধোৱা ছোৱালীজনীৰ বিয়াৰ আশা, সকলো পেটৰ কলমলনিত মাৰ গ'ল। খৰালিৰ পথাৰত ৰবাবটেঙাৰ বল খেলা ল'ৰাহঁত, লুকাভাকু, কুট কুট খেল সেই ফুলকুমলিয়া ছোৱালীবোৰেও সেইবোৰ নেখেলা হ'ল। সেই ডোখৰ ঠাইত আৰু ক্ষন্তেকো থাকিবলৈ তাইৰ মন নোহোৱা হৈছিল। ঘৰত গৈ সন্ধিয়াতে বিচনাত শুই পৰিছিল। ঘৰৰ এনে অৱস্থা দেখি তাই পিছদিনা পুৱাই মাকক কৈ পেলাইছিল- মা মই আৰু তাত নপঢ়ো।

তাই এনেকৈ কোৱাৰ কাৰণ মাকে সকলো বুজিছিল। মাকৰ বুজনিত আকৌ কলেজলৈ আহিবলৈ সন্মত হৈছিল। পৰীক্ষালৈ বাকী থকা এই তিনিমাহ আকৌ হোষ্টেলত থাকিবলৈ যিদিনা ঘৰৰ পৰা কান্দি কান্দি বিদায় লৈছিল, সেইদিনাই আগবদৰে মাক দেউতাকে আৰু ভনীয়েক দুজনীৰ বাহিৰে তাইক আগবঢ়াই থবলৈ গাঁৱৰ মানুহ আৰু কোনো অহা নাছিল।

হঠাতে ওচৰৰ বাৰুদাখনতে হোষ্টেলৰ ৰান্ধনীয়ে মৰা ভাতৰ ঘন্টা শুনি জুপিয়ে থকঘককৈ বেৰত আউজাৰ পৰা উঠিল। এবাৰ ঘড়ীটোলৈ চালে। ন বজাৰ সংকেত দিছে। ওচৰতে ইমাই পঢ়া টেবুলৰ পৰা উঠি খাবলৈ কাঁহী বাতি হাতত তুলি লৈছে, জুপিয়েও সিহঁতৰ লগত গৈ ভাত ঘৰত প্ৰৱেশ কৰিলে। ○○

# 'ব্যৱসায়' দ্যা গ্ৰেট

✍ ভৃগু ফুকন ডেকা
স্নাতক ৩য় বৰ্ষ

আচলতে ব্যৱসায় কৰিম বুলি ভবা নাছিল কলীয়াই। ব্যৱসায়িক জ্ঞানো তেখেতৰ সিমান নাই। বহুত ডাঙৰ চাকৰি কৰিব পৰাকৈ যোগ্যতাও নাই। ডাঙৰ চাকৰি কৰাৰ কথাও তেওঁ ভবাই নাছিল। সৰু-সুৰা চাকৰি এটা বা মাষ্টৰ তাষ্টৰ কিবা এটা কৰি কোনোমতে পৰিয়ালটো পুহি ৰখাটোৱেই আছিল তেখেতৰ আশা। কিন্তু বিধিয়ে আশা পূৰণ নকৰিলে। চাকৰি বিচাৰি, হাবাথুৰি খাই কিমান এম এল এ মিনিষ্টাৰৰ পিছে পিছে ঘূৰিলে, নেতাসকলৰ জয় হুংকাৰ দি অলিয়ে পদূলিয়ে ঘূৰি কেবাযোৰা চেণ্ডেল চিঙিলে। চাকৰি কৰাৰ বয়সো পাৰ হ'ল। উপায়হীন হ'ল কলীয়া। শেষত ভাবিলে, ব্যৱসায় কৰিবলৈতো বেছি ডিগ্ৰীৰ কথা নাই। বয়সৰো সীমা নাই, গতিকে এট ব্যৱসায় স্থিৰ কৰিলে। বহুতে বহুত ৰকমৰ ব্যৱসায় কৰিছে। কিছুমানে জংঘললৈ গৈ হাতত বন্দুক লৈছে। তাৰপৰা ঘূৰি আহি দম দি ক'ত কিমান টকা ঘটিছে তাৰ সীমা নাই। সিও এটা ব্যৱসায়। কলীয়াই সেইটো কৰিব নোৱাৰিলে নিজৰ ঘৰখনৰ চিন্তাতেই। তাৰবাবে ঘৰগোনা ভয়াতুৰ আদি বিশেষণো তাৰ নামৰ আগত যোগ হৈছিল। সেইবোৰলৈ অৱশ্যে সি কাণসাৰ দিয়া নাছিল।

শেষত বহুত ভাবি চিন্তি এই ব্যৱসায়টো আৰম্ভ কৰিছে। কম মূলধনৰ ব্যৱসায় হ'লেও আয়ত্ত সিমান বেয়া নহয়। কম দামত হাঁহি বিক্ৰী কৰে চলি যায় কোনোমতে। কিন্তু সিহঁতবোৰৰ সহ্য নহ'ল। চকু পৰিল এইবাৰ কলীয়াৰ ওপৰত। গ্ৰাহকক ঠগাই সি বহুত টকা উপাৰ্জন কৰিছে। গতিকে তাৰ ভাগ সিহঁতকো লাগে, 'ভাগ' নহ'লে দোকান ভাঙি চূৰমাৰ কৰিব। তাঁলৈ নটিছ দিছিল এসপ্তাহৰ ভিতৰত ১০ লাখ (দহ লাখ) টকা দিব লাগে। সিহঁতৰ নিৰ্দ্ধাৰিত সময় কালি পাৰ হৈ গৈছে। কিন্তু ইমানবোৰ টকা সি ক'ৰপৰা দিব। দিব নোৱাৰিলে। আজি দলে বলে আহি সিহঁত হাজিৰ হ'ল। আহিয়েই দস্যুৰ দৰে ধমকি। এতিয়াই টকা দিব লাগে। নহ'লে দোকানে সৈতে উঠাই লৈ যাব। কলীয়াই থতমত খাই ভাবিবলৈ ধৰিলে উঠাই নি ইহঁতে কি কৰিব। ঘৰলৈ ফোন কৰিব। বোলে ইমান সময়ৰ ভিতৰত অমুক ঠাইত অমুক নং গলিটোত সম্পূৰ্ণ টকা দিলে মানুহ ঘুৰাই পাবা, নহ'লে.....। কিন্তু মস্কিলৰ কথা, কলীয়াৰ ঘৰত ফোন নাই। কি কৰিব? হয়তো চিঠিৰে জনাব। কিন্তু তাৰ ঘৰৰ মানুহে কৰ পৰা টকা দিব? ঘৰতো টকা সিমান নাই। মাটি তিনি কঠা আৰু ঘৈণীয়েকৰ লগত যৌতুকত দিয়া কেইপদমান সম্পদৰ বাহিৰে কলীয়াৰ একোৱেই নাই। টকা নাপালে ইহঁতে মোক মাৰি পেলাব নেকি? মাৰক মই তাঁলৈ ভয় নকৰো। এতিয়ানো জীয়াই আছো বুলি কিয় ভাবিলে সিহঁতে। আমি একোটা জীৱন্ত মৃতদেহ। আমাক মাৰা নামাৰা একেই কথা। ইহঁতে চাগে মোক জীয়া মানুহ বুলিয়েই ভাবিছে।' কলীয়াই নিজকে নিজে কৈ উঠিল।

সিহঁতে বাৰু কলীয়াৰ বিষয়ে কিমান ভালকৈ জানে? দৰং জিলাৰ ডাইনীঘাট অঞ্চলৰ আলকঝাৰী গাঁওখন, বাঁহ গছৰ জংঘলৰ বাবে ৰ'দৰ পোহৰ নপৰেই। যাবলৈ সিমান ভাল বাট পথ নাই। চিনি পাইনে বাৰু সিহঁতে? য'ত কলীয়াৰ জন্ম হয়। তাৰ পৰা তাৰ পৰা কমেও তিনি চাৰি কিলোমিটাৰ বাট বোকা পানীৰ মাজেৰে খোজকাঢ়ি স্কুললৈ অহা-যোৱা কৰাৰ সময়ত কলীয়াৰ যিমান কষ্ট হৈছিল, সিহঁতবোৰে জংঘলত ট্ৰেইনিং লোৱাৰ সময়ত তাতকৈ বেছি কষ্ট হৈছিলনে? এতিয়াও তাৰ সমান কষ্ট হয়নে সিহঁতৰ। সিহঁত আহিল এখন মাৰুতী গাড়ীত। কলীয়াৰটো এখন বাইকো নাই। এতিয়াও ভৰিদুখনেৰেই চলি আছে। সেই যে নটিছ দিছে সিহঁতে 'শ্ৰীকনকচন্দ্ৰ দুৱৰা হাঁহি বিনিময় কেন্দ্ৰ।' কনকচন্দ্ৰ এইটো তাৰ বিশ্ববিদ্যালয়ে দিয়া ডিগ্ৰী প্ৰমাণ পত্ৰত থকা নামহে। কিন্তু সেইটো নামেৰে তাক কোনেও চিনি নাপায়। আনকি সি নিজকে চিনি নাপায়। তাৰ গাৰ বৰণ ক'লা আছিল বাবেই সকলোৱে তাক কলীয়া বুলিয়েই মাতিছিল আৰু সিহঁতে.....। কিমান জানে সিহঁতে কলীয়াৰ কথা। তাৰ ব্যৱসায়ৰ চমু উন্নতি দেখিব নোৱাৰি কোনোবাই ভুলকৈ কিবা কৈছে আৰু তাকে শুনিয়েই সিহঁতে.....।

'আমাৰ সময় বহুত কম।' তিনিজনীয়া দলটোৰ লিডাৰ যেন লগা জনে তেওঁৰ পিনে পিষ্টল টোৱাই হুংকাৰ দিলে। এনে সুৰত কথা কৈছে যে তেওঁ স্বয়ং ৰাষ্ট্ৰপতিহে, এক ছেকেণ্ড অবাবত খৰচ কৰিব নোৱাৰে। কলীয়াই বুজাবলৈ চেষ্টা কৰিলে যে এইটো ব্যৱসায়েৰে তেওঁ কোনোমতে পৰিয়ালটো পুহি আছে। সিহঁতক দিব পৰাকৈ লাখ টকা নাই। নিৰ্দিষ্ট গ্ৰাহক কেইজনমানহে তেওঁৰ দোকানলৈ আহে। তাকো দিনৰ ভাগত নাহে। গধূলিৰ পৰা ৰাতি ১১ (এঘাৰ) মান বজাৰ ভিতৰতহে

আহে। গ্ৰাহক আহিলে কলীয়াই ভিতৰত থকা সৰু কোঠাটোৰ তলাটো খুলি দিয়ে গ্ৰাহকে কোঠাটোত থকা যন্ত্ৰটোৰ সহায়ত হাঁহে আৰু তাৰ বিনিময়ত সি এটা ফিজ্ লয়। বচ ইমানেই। ইয়াত ঠগোৱাৰ কথা আহিল ক'ৰ পৰা।

তেখেতৰ দোকানলৈ সেইসকল লোকহে আহে, যাৰ বেছি ধন আছে, ক্ষমতা আছে। কিন্তু হাঁহিবৰ আহৰি নাই। প্ৰাণ খুলি হাঁহিব নোৱাৰে। দিনত আহিবলৈ আজৰি নাপায় বাবে ৰাতিয়েই আহে। কলীয়াই হাঁহি বিক্ৰী কৰে আৰু গ্ৰাহকসকলে কিনে।

ক'লা টকাৰ ব্যৱসায়ীৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক নেতালৈকে, শিল্পী, সাহিত্যিকো কলীয়াৰ দোকানলৈ আহে। সেইবাবে সিহঁতে ভাবিছে যে কলীয়াৰ বহুত টকা আছে। কিন্তু বহুত টকা ঘটিব বুলি সি এই ব্যৱসায়টো কৰা নাছিল। মানুহক অলপ হুহুৱাবলৈ এই ব্যৱসায়টো তেওঁ কৰিছে। কাৰণ মানুহে হাঁহিবলৈ পাহৰি গৈছে। সময় নাই ব্যস্ত, ধনীসকলে অধিক ধন ঘটাত, দুখীয়াসকলে জীয়াই থকাৰ সংগ্ৰামত, ৰাজনৈতিক নেতাসকল গাদীৰক্ষাৰ যুঁজত ব্যস্ত আৰু এচাম মহিলা বেপাৰী ব্যস্ত যিমান পাৰি কম কাপোৰ পিন্ধোৱাৰ চিন্তাত। গতিকে সময় ক'ত? সময় নাই।

কিন্তু কলীয়াইটো ডাঙৰ ডাঙৰ বিদেশী কোম্পানীবোৰৰ দৰে শীতল পানীয়ত কীটনাশক মিহলাই বিক্ৰী কৰা নাই। গাখীৰত পাউদাৰ মিহলোৱা নাই। ঔষধ ভেজাল কৰি ঔষধৰ নামত বিহ বিক্ৰী কৰা নাই। পাৰ যদি তেওঁলোকক নধৰা কিয়? তাকত আছে জানো সুহ; হাঁহৰ ওপৰত শিয়াল ৰজা হ'ব আহিছে।' কলীয়াই কথাখিনি প্ৰায় কৈয়েই দিলে।

'বেছি চালাকি কৰিবিটো চুট কৰি দিম। সেই ৰুমটোত কি আছে? খোল।' একেবাৰে মহান এচ পিৰ দৰে লিডাৰৱালাই নিৰ্দেশ দিলে।

সিহঁত আচলতে বৰ অকৰা। ব্যৱহাৰ পাতিও সিমান সুবিধাজনক নহয়। কথাবোৰ সোনকালে পাহৰে নেকি? কলীয়াই এবাৰ কৈছেই যে সেই কোঠাটোত এখন খাট, হাত নোহোৱা এখন চকী, এখন আইনা, কেইটামান ঠাণ্ডা পানীৰ বটলৰ বাহিৰে তাত একোৱেই নাই। আইনাখন ধুনীয়া কাঠৰ ফ্ৰেমেৰে বন্ধাই বেৰত আঁৰি থোৱা আছে। ইয়াকে ব্যৱসায়িক ভাষাত লাফিং মেচিন বুলি কয়। শুই, বহি, থিয় হৈ তেওঁলোকে যিমান পাৰে হাঁহে। ইজনৰ পিছত সিজন গৈ হাঁহি আহে আৰু ফিজটো কলীয়াই লয়।

'ঐ মুদ দেখুৱাব নালাগে, ৰুমটো খোল।' লিডাৰৰ শেষ নিৰ্দেশ। উপায় নাই। ইহঁতৰ নিৰ্দেশ পালনত হীনদেৰি হ'লে পিষ্টলৰ নলীৰ আগেৰেহে নিজৰ নিৰ্দেশ পালন কৰে। গতিকে ভয়ে ভয়ে গৈ কলীয়াই তলাটো খুলি দিলে। লগে লগে গুলি যোৱাদি সোমাই গ'ল কোঠাটোৰ ভিতৰলৈ লিডাৰজন। ক্ষন্তেক পিছতে শুনা গ'ল এটি অস্বাভাৱিক বিকট চিঞৰ। কি হৈছে বুলি সোধাৰ আগেয়ে পিষ্টল টোৱাই কলীয়াক দুৰ্বাসা হৈ ওলাই আহি সুধিলে।

'ঐ কি ৰাখিছ ' কি ৰাখিছ সেইটো তাত।'

কলীয়াৰ জীৱ উৰি গ'ল। সি নিশ্চিত হ'ল মৰণৰ কথা ভাবি, ইহঁতবোৰেনো বাৰু আইনা চিনি নাপায়নে? কিহৰ পাল্লাত যে সি পৰিল আজি। সাহস অলপ গোটাই সি লাহেকৈ ক'লে 'আইনা'।

মোক বুৰ্বক পাইছ নেকি? সেইখন যদি আইনা তেনেহ'লে তাত মোৰ মুখ নেদেখি এজন গুণ্ডাৰ মুখ দেখিলো কিয়? কি আইনা ৰাখিছ সেইখন? এনেকৈয়ে তই মানুহক বুৰ্বক বনাই আছ। লিডাৰজনে কৈ পুনৰ ভিতৰলৈ সোমাই গ'ল আৰু কলীয়াৰ জীৱনটো থৈ গ'ল দুটা উদ্যত পিষ্টলৰ নলীৰ আগত। আইনাৰ সন্মুখত থিয় হৈ লিডাৰে মুখত হাত ফুৰাই, দাড়িত হাত দি, জপৰা চুলি কোচাত হাত ফুৰাই বলকিব ধৰিলে।

'এই দাড়ি, এই চুলি কাৰ? এইখন মোৰ মুখ নহয়?'

কলীয়াই বুজিলে জীয়া মানুহ হৈ আজি আৰু দোকানৰ পৰা সি ওলাই যাব নোৱাৰে। গতিকে মৰাৰ আগতে সি আচল কথাটো ক'বলৈ ঠিক কৰিলে। 'নহয়'। তোমাৰ আচল মুখ নহয় সেইখন।' কলীয়াই নিজৰ মাতটো নিজেই বুজি নোপোৱাৰ ধৰণে ওলাল।

কি? লিডাৰৰ হুংকাৰ!

'এৰা বন্দুক লৈ জংঘললৈ যোৱাৰ দিনাই তোমাৰ আচল মুখখন ঘৰত এৰি থৈ গৈছা। এতিয়া আইনাত তোমাৰ মুখ বিচাৰিলে ক'ত পাবা? কোনোমতে কথাখিনি শেষ কৰি বন্দুকৰ গুলিলৈ (পিষ্টল) অপেক্ষা কৰিলে কলীয়াই। কিন্তু গুলিৰ শব্দৰ সলনি শুনিলে কি? চিৎকাৰ আৰু তিনিযোৰ জোতাৰ শব্দ। ঘূৰি চাই দেখে তিনিওজনে মূৰ্তি হৈ আছে আইনাৰ সন্মুখত।○○

☐ আপোনাৰ চিন্তালৈ চকু দিয়ক, সিহঁত হ'বগৈ শব্দ; শব্দলৈ চকু দিয়ক, সিহঁত কামত পৰিণত হ'ব; কামলৈ চকু দিয়ক, সিহঁত হৈ পৰিব অভ্যাস। অভ্যাসলৈ চকু দিয়ক, সিয়েই হ'বগৈ চৰিত্ৰ, সিয়েই হ'ল আপোনাৰ ভাগ্য। — *ফ্ৰেংক আউটল*

# অব্যক্ত

✍ অভিজিৎ ভট্টাচাৰ্য্য (হেৰম্বজ্যোতি)
স্নাতক ৩য় বৰ্ষ

'আৰে নিতু তই? ইমান দিনৰ মূৰত! আচৰিত হোৱাৰ দৰেই পেহা আৰু পেহীয়ে কৈ উঠিল।

সচাঁকৈয়ে আজি প্ৰায় ৩ বছৰমানৰ মূৰত পেহা-পেহীৰ ঘৰলৈ আহিছো।

'তোমালোককে চাওঁ বুলি আহিলো'।

মই একপ্ৰকাৰ লজ্জিতভাৱেই উত্তৰ দিলো।

তেজপুৰৰ পৰা মঙলদৈলৈ আহোতে নোপোৱা পথক্লান্তিখিনি মঙলদৈৰ পৰা জাৱৰিকুছিলৈ অহা পথ ছোৱাতেই পাই মোৰ দেহ-মন অৱশ হৈ পৰিছিল। এগিলাচ ঠাণ্ডা পানী খাই অলপ সময় পিছতহৈ বিচনাত বাগৰ দিব লগা হৈছিল।

দছ বাহানে কৰকে
লে গেয়া দিল
লে গেয়া দিল....

কে কে আৰু ছানৰ উদাত্ত কণ্ঠত বাছখনৰ ডেকত বাজি থকা গীতটোত একাত্ম হ'ব খোজা মুহূৰ্ততে গাড়ীখনে প্ৰচণ্ড ঠেকেচনি খোৱাত কেনেবাকৈহে মই বাগৰি নপৰাকৈ থাকিলো। ইমান বেয়া হ'ব পাৰেনে ৰাস্তা।

..... 'এয়াই আমাৰ চৰকাৰৰ গ্ৰাম্য উন্নতিকৰণৰ সু প্ৰচেষ্টা....' অতীষ্ঠ হৈ পৰা এজন যাত্ৰীয়ে পৰম উষ্মাৰেই কৈ উঠিল।

সঁচাকৈয়ে মঙলদৈ-ভূটীয়াচাং সংযোগী ৰাস্তাটো অতি বেয়া হৈ পৰিছে। ৰাস্তাটো নিৰ্মানৰ স্বাৰ্থত ধৰ্মঘট কৰাৰ কথা বাতৰিকাকতত পঢ়িছিলো যদিও আজি নিজে ভূক্তভোগী হৈ এনে লাগিছে যেন মই গড়কপ্তানী মন্ত্ৰী হ'লে আজিয়েই পথছোৱা মেৰামতিৰ বাবে অৰ্ডাৰ পাছ কৰিলো হেতেঁন!

....ছেঃ কেনে অদ্ভূত কল্পনা!

'ভন্টি দাদাৰৰ বাবে চাহখিনি লৈ আহচোন....'পেহীয়ে মোৰ মূৰ পিটিকি থকাৰ পৰাই কৈ উঠিল। ভন্টিজনী আকৌ ক'ৰ পৰা আহিল! মোৰ অৱচেতন মনক চেতন মনৰ সান্ত্বনা দিয়াৰ বৃথা প্ৰয়াস কৰিলো।

পেহীৰ ডাঙৰ ল'ৰা দীপক চাকৰিসূত্ৰে গুৱাহাটীত থাকে। পূজা-বিহু আদিত ঘৰলৈ অহাৰ বাদে সি আজৰিয়েই নাপায়। ছোৱালী দুজনীও এবছৰ অগা পিছাকৈ বিয়া দি উলিয়াই দিলে। এসময়ৰ হাঁহি ধেমালীৰে মুখৰিত হৈ থকা ঘৰখন আজি একপ্ৰকাৰ নিমাওমাও হৈ পৰিছে।

'...... মামী চাহ দিবলৈ সৰু টেবুলখন টানি দিয়াচোন... চাহ বিস্কুটৰ ট্ৰে'খন লৈ অহা ছোৱালীজনীয়ে কৈ উঠিল।

তাৰমানে ছোৱালীজনী পেহা পেহীৰ আলহীহে।

দাদা চাহ লওঁক।

'লাজ কৰিব নালাগেদে' পেহীৰ কটাক্ষ শুনি ছোৱালীজনীৰ হাতখন সামান্য কঁপি উঠিল।

'লাজ মই নকৰোৱেই'

'লাজ নকৰাটো ভাল কিন্তু নিলাজ হোৱাটোহে বেয়া।'

সহজ হ'ব খুজি কোৱা ছোৱালীজনীৰ কথাষাৰ শুনি মই হঠাতে কৈ উঠিলোঁ।

ছোৱালীজনী পুনৰ লাজত ৰঙা-চিঙা পৰি গ'ল।

অকলশৰীয়া পেহা-পেহীৰ ঘৰত অকলশৰে থাকিম বুলি মন বান্ধি আহি এজনী ভন্টিক পাই যেন নিৰ্জনতাৰ সোৱাদ পাহৰিয়েই গ'লো।

'ভন্টি আমি আবেলি ফুৰিবলৈ যাম দিয়া'। লাজত ৰঙা চিঙা পৰি মোহনীয় হৈ পৰা ভন্টিৰ মুখলৈ চাই কৈ উঠিলো।

এক মুহূৰ্ততেই ছোৱালীজনীক বহুদিনৰ চিনাকি যেন লাগি গ'ল। সচাঁকৈয়ে, কিছুমান অচিনাকি মানুহক লগ পালে ভাব হয়- এওঁ যেন মোৰ জন্ম-জন্মান্তৰৰ চিনাকি।

সাংস্কৃতিক দিশত আগবঢ়া জাৱৰিকুছি অঞ্চলটো প্ৰাকৃতিক শোভাৰেও মহিমামণ্ডিত। সৰুতে কিমান আনন্দই যে নকৰিলো ইয়াত। আজিও মনত পৰে স্থানীয় শিল্পীৰ দ্বাৰা অভিনীত নাটক এখনৰ অভিনয় চাই ছোৱালী এজনীয়ে কান্দি দিছিল। ইমানেই মৰ্মস্পৰ্শী আছিল সেই অভিনয়। অঞ্চলটোত হিন্দু-মুছলমানৰ লগতে কছাৰী মানুহো আছে। অঞ্চলটোৰ সামাজিক ঐক্য আৰু সংহতিয়ে মানুহখিনিৰ সৰলতা আৰু মহানুভৱতাকেই প্ৰতিপন্ন কৰিছে।

'ভগৱানক বিশ্বাস কৰানে নিতুদা?'

জাৱৰিকুছিৰ চকৰ 'জ্যোতি ভাণ্ডাৰ'ৰ পৰা কিনি লোৱা বাদাম চোবাই চোবাই, অস্তগামী সুৰুযৰ পৰশ পৰি সোণোৱালী হ'ব খোজা পথাৰ খনলৈ চাই সোধা ভন্টিৰ প্ৰশ্নটোৱে মোৰ

তন্দ্ৰালস মনটোক বাস্তৱলৈ টানি আনিলে।

' কেতিয়াবা কৰোঁ, কেতিয়াবা নকৰোঁ। বিপদত পৰিলেই ভগৱানক বিচাৰোঁ।'

তাৰমানে আপুনি প্লাষ্টিক!

তাৰ মানে?

অ' ভগৱানক বিশ্বাস কৰিলে আস্তিক, বিশ্বাস নকৰিলে নাস্তিক, আৰু আপোনাৰ দৰে কেতিয়াবা বিশ্বাস, কেতিয়াবা অবিশ্ববাস কৰিলে প্লাষ্টিক।'

ভন্টিৰ আজৱ বাখ্যা শুনি মই সজোৰে হাঁহি দিলো। ওচৰতে বৈ থকা বগলী কেইটাই লাজতেই যেন উৰা মাৰিলে।

ছে ঃ কি যে হ'ল আজিও বন্ধ। বি. টি. এডি এলেকাত বন্ধ পালন কৰাটো যেন চখ হৈ পৰিল। বন্ধৰ প্ৰতিবাদতহে যেন বন্ধ পালন কৰে।

পেহাই বাতৰি পঢ়ি থকাৰ পৰাই কৈ উঠিল। মোৰ চকু পেহাই পঢ়ি থকা বাতৰি কাকতৰ চকুটোত আৱদ্ধ হ'ল। 'আজি বাৰঘন্টীয়া ওদালগুৰি বন্ধ।'

হঠাত মনটো ভাল লাগি গ'ল। ভন্টিকে এটা দিন বেছিকৈ লগ পাম বুলি নে দৈনন্দিক কামৰ জঞ্জালৰ পৰা এদিন বিৰতি পাম বুলি তাক ঠিৰাং কৰিব নোৱাৰিলোঁ।

'নিতুদা কাপোৰ কানি বেগত ভৰোৱা হ'লনে? ঘৰলৈ নেযায় নেকি? ভন্টিৰ কথাখিনিৰ ইঙ্গিতটো ধৰিব পাৰি মোৰ লাজ লাগি গ'ল। কাৰণ, আগদিনা মই তাইক কৈ থৈছিলো মই কিন্তু কাইলৈ পুৱাৰ বাছতেই যামদেই।

আজি কিন্তু মোৰ বৰ ভাল লাগিছে দেই। বতৰো ইমান ভাল। খোজৰ ছন্দৰ লগত ছন্দ মিলাই ভন্টিয়ে কৈ উঠিল। উত্তৰ দিয়াৰ প্ৰয়োজনীয়তা নেদেখি নীৰৱ হৈ ৰলো। নিৰৱতাৰো যেন এক বিশেষ ভাষা আছে। ভন্টিক বহু কথা কবলৈ মন গৈছিল যদিও কোৱাৰ যেন ভাষা নাই। দাৰ্শনিক পণ্ডিতজনে হয়তো ঠিকেই কৈছিল- "When heart is full, words are few" ভন্টিৰো যে কি হ'ল! যোৱা দুদিন ধৰি হাঁহি-স্ফূৰ্তিৰে সম্প্ৰতিভ হৈ থকা ছোৱালীজনী হঠাৎ যেন নীৰৱ হৈ পৰিল। তাইয়ো মোক কিবা এটা ক'ব খোজা নাইতো? বহু সময় দুয়ো দুয়োলৈ চাই ৰলো ভন্টিৰ মুখখন কৰুণ হৈ পৰিছে। বেদনাৰে ভৰা মুখখনত তাইৰ মনৰ বিষন্নতাখিনি পৰিস্ফুট হৈ পৰিছে। ঘন, নিবিড় আৰু বিষন্নতাৰে ভৰা উদাসীন, শূণ্য দৃষ্টিৰে ইটোৱে সিটোলৈ চাই ৰলোঁ। কোনেও কাৰো ভিতৰত প্ৰৱেশ কৰিব পৰা নাই। কেৱল মাত্ৰ সৃষ্টি কৰিছে বেদনা। এক অনুভৱী ক্ষণ, অৰ্থহীনতাৰ মাজত যেন আমি অৰ্থৰ সন্ধান কৰিছো।

তহঁত দুয়োটাই গুছি গ'লে আমাৰ বৰ বেয়া লাগিব অ' পিছে উপায়োটো নাই। এইক চপাইত নমাই দি থৈ যাবি।' - পেহীয়ে মোক অম্লান বদনে কৈ উঠিল।

চপাই...... চপাই..... নামা আছে নেকি?

ৰুকৰ্শভাৱে হেণ্ডিমেনজনে চিঞৰি উঠিল। ভন্টিয়ে নীৰৱে বিদায় জনাই মোৰ কাষৰ পৰা নামি গ'ল।

কি দেখিলো বাৰু তাইৰ চকুত! মুহূৰ্ততে মনটো সেমেকি উঠিল। কেতিয়াবা কি যে হয়, মন বেয়া লগাৰ প্ৰকৃত কাৰণ বিচাৰি পোৱা নাযায়। নীলা আকাশৰ পিনে চাই থাকিলেও মন বেয়া লাগে। বৰষুণৰ পিছত ওলোৱা ৰামধেনুৰ পিনে চাই থাকিলেও মন ভাল নালাগে।

'আৰু নামা আছে নেকি?' হেণ্ডিমেনজনৰ কথাত মই যেন সাৰ পাই উঠিলো। তন্দ্ৰালসভাৱে কৈ উঠিলো .. 'হেই! ৰখোৱা ৰখোৱা, আৰু নামিব আছে।'

মন্ত্ৰমুগ্ধৰ দৰে ভন্টিৰ পিছে পিছে গৈ সিহঁতৰ পদুলিৰ জপনাখন পোৱাৰ মুহূৰ্ততেই মোৰ মনলৈ আহিল-

'মই বাৰু প্ৰেমত পৰিলোনেকি?' ○○

## আচৰিত কিন্তু সঁচা

- পাৰ চৰাইৰ বাহিৰে আন কোনো চৰায়েই ঠোঁটটো পানীত ডুবাই পানী খাই থাকিব নোৱাৰে। চৰায়ে সাধাৰণতে ঠোঁটৰ ভিতৰত পানী লৈ পাছত মুখখন ওপৰলৈ কৰিহে পানীখিনি গিলি খায়। কিন্তু পাৰ হ'ল ইয়াৰ ব্যতিক্ৰম। ইহঁতে ঠোঁটটো পানীত ডুবাই থৈয়েই পানী খাই থাকিব পাৰে।
- পৃথিৱীৰ আটাইতকৈ দ্ৰুতবেগী চৰাই হ'ল ছুইফট্। ই ঘণ্টাত প্ৰায় আঢ়ৈশ কিলোমিটাৰ বেগেৰে উৰিব পাৰে। এই চৰাইবিধে একেৰাহে তিনি বছৰলৈকে আকাশতে থাকিব পাৰে। এই সময়ছোৱাৰ ভিতৰত খোৱা-বোৱা, জিৰণি লোৱা আদি সকলো ই আকাশতেই কৰে।

# আশী দিনত পৃথিৱী ভ্ৰমণ ঃ জুল ভাৰ্ণে

✍ জ্যোতিস্মিতা ডেকা
স্নাতক ৩য় বৰ্ষ

আইন পঢ়া এৰি জুল ভাৰ্ণে বৈজ্ঞানিক কাহিনী লেখিবলৈ আৰম্ভ কৰে। সেই সময়ত সোণৰ লোভত ইউৰোপৰ বহুলোকে আমেৰিকালৈ গৈছিল। ভাৰ্ণে ৰোতালৈ যোৱাৰ হাবিয়াস আছিল; কিন্তু সেই ইচ্ছা দমন কৰি তেওঁ এলানি বিজ্ঞান ভিত্তিক কাহিনী লেখিবলৈ আঁচনি কৰিলে। ভৱিষ্যতৰ দিনবোৰ যে বিজ্ঞান নিৰ্ভৰ হ'ব সেই কথা তেওঁ উপলব্ধি কৰিছিল।

মানৱ জাতিৰ মাজত মাজে মাজে একো একোজন লোকে জন্ম গ্ৰহণ কৰে যিসকলে ভৱিষ্যত সম্পৰ্কে স্বচ্ছ দৃষ্টি থাকে। এনে এজন লোক লিঅ'নাৰ্ডো-দা-ভিঞ্চি। তেওঁ এৰোপ্লেন, পেৰাচুট আৰু টেংকৰ কথা যি সময়ত লেখিছিল সেই সময়ত সেইবোৰ আছিল কল্পনাতীত।

এইচ্-জি-ৱেলছ আছিল আন এজন এনেকুৱা লোক যিজনে মহাকাশ যুগৰ কথা কৈছিল। তৃতীয়জন আছিল জুল ভাৰ্ণে। তেওঁ ভৱিষ্যত সম্পৰ্কে কোৱা কথাবোৰ আচৰিত ধৰণে ফলিছিল।

১৮২৮ চনৰ ৮ ফেব্ৰুৱাৰীত ফ্ৰান্সৰ বান্টিজত জুল ভাৰ্ণেৰ জন্ম হৈছিল। তেওঁৰ দেউতাক পিয়েৰ ভাৰ্ণে আছিল এজন সফল আইন ব্যৱসায়ী। ১৬ বছৰ বয়সত তেওঁ দেউতাকৰ ব্যৱসায়ত যোগ দিয়ে আৰু ১৯৪৮ চনত আইন শিক্ষা সমাপ্ত কৰিবলৈ পেৰিছলৈ যায়।

জুল ভাৰ্ণেৰ ইচ্ছা আছিল নাট্যকাৰ হোৱা। পেৰিছত আলেকজেণ্ডাৰ ডুমাৰ সৈতে পৰিচিত হৈ ১৮৫০ চনত তেওঁ ডুমাৰ জৰিয়তে একাংকিকা নাটক এখন মঞ্চস্থ কৰায়।

'থিয়েটাৰ লিৰিকি'ৰ সচিব হিচাপে নিযুক্তি পোৱাত তেওঁৰ আৰ্থিক চিন্তা আঁতৰিল আৰু তেওঁ একান্ত মনেৰে লেখা পঢ়াত আত্মনিয়োগ কৰে। এই সময়তে তেওঁ অনৰিণ মোৰেল নামৰ এগৰাকী বিধৱা যুৱতীক বিয়া কৰালে আৰু ষ্টক ব্ৰোকাৰৰ ব্যৱসায় গ্ৰহণ কৰিলে। কিন্তু জুল ভাৰ্ণে আছিল জাত সাহিত্যিক আৰু সেয়ে লেখাৰ অভ্যাস ত্যাগ দুয়োটা তেওঁ সমানে চলাই থাকিল।

১৮৬৩ চনত 'বেলুনত পাঁচ সপ্তাহ' (Five week in a ballon) নামৰ কাহিনীৰ গ্ৰন্থ প্ৰকাশ হোৱাৰ পিছত নতুন ধৰণৰ এড্‌ভেঞ্চাৰ কাহিনী লেখক হিচাপে জুল ভাৰ্ণেৰ নাম সকলোৰে পৰিচিত হৈ উঠে। ১৮৭০ চনত 'সাগৰৰ ষাঠি হাজাৰ মাইল গভীৰত' (Twenty thousand leagues under the sea; ১ লীগ ৩ মাইল) গ্ৰন্থই অভূতপূৰ্ব সাফল্য লাভ কৰে আৰু ফ্ৰান্সত জুল ভাৰ্ণে জয়প্ৰিয় লেখক ৰূপে পৰিগণিত হয়। ১৮৭৪ চনত প্ৰকাশিত 'আশী দিনত পৃথিৱী ভ্ৰমণ' গ্ৰন্থই তেওঁৰ নাম যুগমীয়া কৰে।

এই গ্ৰন্থৰ কাহিনীভাগ এনে ধৰণৰ— লণ্ডনৰ যিটো ঘৰত বিখ্যাত ইংৰাজ নাট্যকাৰ ছেৰিডনৰ মৃত্যু হৈছিল, সেই ঘৰটোত বাস কৰিছিল ফিলিছ ফগে। তেওঁ ইংৰাজ সমাজৰ এজন নিখুঁত ভদ্ৰলোক। ইয়াৰ বাহিৰে ফগৰ বিষয়ে একো জনা নগৈছিল। তেওঁক ধনী আৰু দেশ-বিদেশত ভ্ৰমণ কৰা যেন অনুমান হৈছিল। তেওঁ আছিল অবিবাহিতা; তেওঁৰ ঘৰ চলাইছিল জাঁ পাছ পাৰ্ত নামৰ ডেকা লগুৱা এজনে।

ফগ আছিল 'ৰিফৰ্ম ক্লাব'ৰ সদস্য। ক্লাবতেই তেওঁ দুপৰীয়া আৰু ৰাতিৰ আহাৰ খাইছিল। এদিন ক্লাবৰ সদস্য সকলৰ মাজত কিছুদিন আগতে বেংক আৰু ইংলেণ্ডত সংঘটিত ভয়ানক ডকাইতি সম্পৰ্কে আৰু ডকাইতজনৰ সম্পৰ্কে আলোচনা হৈছিল। এজন সদস্যই ক'লে যে ডকাইতজনে য'তে ত'তে থাকিব পাৰে কাৰণ পৃথিৱীখন বৰ ডাঙৰ।

ফিলিছ ফগে ক'লে, পৃথিৱীখন আগতহে ডাঙৰ আছিল।

সদস্যজনে সুধিলে 'আগত মানে? এতিয়া তিনিমাহৰ ভিতৰত পৃথিৱী এপাক মাৰি আহিব পৰা হোৱা কাৰণেই পৃথিৱীখন আগতকৈ সৰু হৈ গ'ল নেকি?

তিনিমাহ নহয়, মাত্ৰ আশী দিনতে পৃথিৱী পৰিভ্ৰমণ কৰিব পাৰি, ফগে গহীনাই উত্তৰ দিলে।

কিন্তু এই আশী দিনৰ পৰা বেয়া বতৰ প্ৰতিকূল বায়ু, জাহাজ ডুবা বা পথভ্ৰষ্ট হোৱা ঘটনা বাদ দিব লাগিব সদস্যজনে ক'লে।

ডকাইতৰ কথা তল পৰি আশী দিনত পৃথিৱী পৰিভ্ৰমণ কৰা সম্ভৱ হয়নে নহয় সেই সম্বন্ধেহে সদস্য সকলৰ মাজত আলোচনা হ'বলৈ ধৰিলে। ফগে দৃঢ়তাৰে সম্ভৱ বুলি ক'লে যদিও আন সদস্য সকলে বিপৰীত মত প্ৰকাশ কৰিলে। তৰ্ক বিৰ্তকৰ ফলাফল হ'লগৈ এয়ে যে সদস্য সকলে প্ৰত্যাহ্বান জনালে- ফগে নিজেই আশী দিনৰ ভিতৰত পৃথিৱীৰ চাৰিওফালে এপাক মাৰি আহি নিজৰ কথাৰ প্ৰমাণ কৰক। বিছ হাজাৰ পাউণ্ডৰ বাজিত ফগে প্ৰত্যাহান গ্ৰহণ কৰিলে। ঘৰলৈ গৈ লগুৱা পাছ পাৰ্তক তেওঁ ক'লে যে দহ মিনিটৰ পিছতে তেওঁলোকে পৃথিৱী পৰিভ্ৰমণ কৰিবলৈ যাব। লগুৱাজনে আচৰিত হৈ ক'লে যে দহ মিনিটৰ ভিতৰত নিবলগা মালবস্তু বান্ধি প্ৰস্তুত কৰা সম্ভৱ নহয়। ফগে ক'লে যে এটা বেগত প্ৰত্যেকৰে বাবে দুটাকৈ উলৰ কামিজ আৰু তিনিযোৰাকৈ মোজা ল'লেই যথেষ্ট। দহ মিনিটৰ ভিতৰতে ফগ আৰু পাছ পাৰ্তো দুয়ো ৰে'লত হোভাৰলৈ

গ'ল আৰু তাৰ পৰা ইংলিছ চেনেল জাহাজেৰে পাৰ হৈ ফ্ৰান্সৰ কেলে বন্দৰত উপস্থিত হ'ল।

ফগে গ্ৰহণ কৰা প্ৰত্যাহ্বান আৰু তেওঁৰ ইংলেণ্ড ত্যাগৰ কথা শীঘ্ৰে লণ্ডনত প্ৰচাৰিত হ'ল। সকলোৰে মুখত আৰু বাতৰি কাকতবোৰ তেওঁৰ সংকল্পৰ কথা আলোচিত হ'ল। বেছি ভাগ মানুহেই ফগৰ আঁচনি সফল নহ'ব বুলিয়েই মত প্ৰকাশ কৰিলে। কিন্তু ফগৰ প্ৰস্থানৰ সাতদিনৰ পিছত স্কটলেণ্ড ইয়াৰ্ডৰ পুলিচ কমিছ্নাৰে ছুয়োজৰ পৰা এইদৰে এখন টেলিগ্ৰাম পালে; বেংক ডকাইত ফিলিছ ফগ ধৰা পৰিছে। তৎক্ষণাত ব্ৰিটিছ ভাৰতৰ বোম্বাইলৈ (বৰ্তমান মুম্বাই) গ্ৰেপ্তাৰী পৰোৱানা পাঠাওক। স্বাক্ষৰ ঃ ফ্ৰিক্ৰ, ডিটেকটিভ।

ঘটনাটো আছিল এনেকুৱা কেলেৰ পৰা ফগ আৰু পাছপাৰ্তে ৰেলেৰে ব্ৰিণ্ডিছিলৈ গৈছিল। তাত তেওঁলোকে চুয়েজ খালৰ মাজেৰে মুম্বাইলৈ বুলি 'মংগোলিয়া' নামৰ জাহাজত উঠিল। বেংক ডকাইতক ধৰিবলৈ পৃথিৱীৰ বিভিন্ন ঠাইলৈ পঠোৱা ডিটেক্‌টিভ সকলৰ এজন আছিল ফিক্ৰ।

'মংগোলিয়া' চুয়েজ পোৱাত ফিক্ৰে ভাবি ল'লে যে ফগেই বেংক ডকাইত। কোনো সাক্ষী প্ৰমাণ নোহোৱা সত্বেও ফিক্ৰে লণ্ডনলৈ টেলিগ্ৰাম কৰি নিজে ফগক অনুসৰণ কৰিবলৈ জাহাজত মুম্বাই অভিমুখে উঠিল। লোহিত সাগৰ আৰু ভাৰত মহাসাগৰৰ ৰূপ স্বভাৱিক হৈ থকা বাবে জাহাজ নিৰ্দ্ধাৰিত দিনতকৈ দুদিন আগতে মুম্বাই পালেগৈ। ফগ আনন্দিত হ'ল। কিন্তু ফিক্ৰ সুখী নহ'ল। এইবাবেই যে লণ্ডনৰ পৰা গ্ৰেপ্তাৰী পৰোৱানা আহি নাপালে। মুম্বাই পোৱাৰ দিনা গধূলিয়েই ফগে ৰে'লেৰে কলিকতা অভিমুখে যাত্ৰা কৰিলে।

এই সময়লৈকে ফগৰ যাত্ৰা ঘটনাহীন হৈ আছিল। কিন্তু কলিকতা পাবলৈ আধাখিনি পাওঁতেই দেখা গ'ল যে খোলবি আৰু এলাহাবাদৰ মাজত ৰেলপথ তেতিয়াও অসম্পূৰ্ণ। খোলবিৰ পৰা এলাহাবাদলৈ যাত্ৰী সকলে নিজে বন্দোবস্ত কৰি যাব লাগে। যিসকল যাত্ৰীয়ে আগতে এই কথা জানিছিল; তেওঁলোকে আগতেই নিজৰ বন্দোবস্ত কৰি ৰাখিছিল। ফগে খোলবিৰ ভাৰতীয় লোক এজনৰ পৰা এটা হাতী কিনি লৈ তাত পাছপাতো আৰু ৰেলত চিনাকী হোৱা জেনেৰেল ফ্ৰান্সিছ ক্ৰোমাটিৰ সৈতে হাতীত উঠি জংঘলৰ মাজেৰে এলাহাবাদ অভিমুখে যাত্ৰা কৰিলে। এলাহাবাদ পোৱাৰ বাৰ মাইল আগতে তেওঁলোকে এজন দেশীয় ৰজাৰ শৱযাত্ৰা এটা লগ পালে। শৱযাত্ৰাৰ লগত ৰজাৰ গাভৰু ঘৈণীয়েকো আছিল। ছাৰ ফ্ৰন্সিছে জনালে যে ঘৈণীয়েকক গিৰিয়েকৰ চিতাতে পোৰা হ'ব আৰু এই প্ৰথাক 'সতী' বোলে। কিন্তু পাছপাৰ্তোই কৌশলেৰে মহিলাজনীক উদ্ধাৰ কৰি লগত লৈ গ'ল। তাই ক'লে যে তাই তেওঁলোকৰ লগত হংকঙলৈ যাব। কাৰণ তাত তাইৰ সম্বন্ধীয় লোক আছে। এলাহাবাদৰ পৰা ফগহঁত গৈ কলিকতা পোৱাৰ লগে লগে পুলিচে তেওঁলোকক গ্ৰেপ্তাৰ কৰিলে। আদালতত হাজিৰ কৰোৱাত তেওঁলোকে গম পালে যে মুম্বাইত এটা মন্দিৰত পাছপাৰ্তোই জোতাৰে প্ৰবেশ কৰাৰ বাবে ধৰ্ম বিৰুদ্ধ কামৰ অভিযোগত তেওঁলোকৰ ওপৰত গোচৰ দিয়া হৈছে। দণ্ডাধীশে বিচাৰ কৰি তেওঁলোকক কাৰাদণ্ড দিলে কিন্তু তাৰ ফলত ফগৰ আঁচনি ব্যৰ্থ হোৱাৰ পৰিপ্ৰেক্ষিতত তেওঁলোক জামিনত মুকলি হৈ 'ৰেংগুন' নামৰ জাহাজত উঠি হংকং অভিমুখে যাত্ৰা কৰিলে। ডিটেকটিভ ফিক্ৰ একেখন জাহাজতে গ'ল।

হংকং পোৱাৰ আগতে তেওঁলোকৰ জাহাজ ধুমুহাৰ মাজত পৰিল যদিও হংকং পাই দেখিলে যে মেৰামতিৰ কাৰণে 'কণাটিক' নামৰ জাহাজখন পিছদিনা পুৱাহে যাব। ফগে ভাৰতীয় ৰজাৰ বিধবা পত্নীক লৈ হংকঙত থকা তাইৰ সম্বন্ধীয় লোকক বিচাৰিলে, কিন্তু সম্বন্ধীয় লোক কিছুদিন আগতে তাৰ পৰা গুচি যোৱা বাবে ফগে তাইক তেওঁলোকৰ লগতে যাবলৈ পৰামৰ্শ দিলে। ঘূৰি আহি দেখিলে যে মেৰামতি সম্পূৰ্ণ হোৱাত 'কণাটিক' জাহাজ ইতিমধ্যে গুচি গৈছে।

ফগে এখন পাইলট নাওঁ ভাৰা কৰি ছাংহাই অভিমুখে গ'ল। বাটত ধুমুহাই পোৱাত আমেৰিকান জাহাজ এখন পাই তেওঁলোক তাতে উঠিল।এই জাহাজখন যাব য়াকোহামলৈ জাপানৰ য়াকোহামাৰ পৰা তেওঁলোক ছান্সফ্ৰন্সিকো পালেগৈ। তাৰ পৰা এক্সপ্ৰেছ ৰে'লগাড়ীত উঠি পূৱ উপকূললৈ গ'ল। ওমাহা আৰু চিকাগো হৈ তেওঁলোক নিউইয়ৰ্কত উপস্থিত হ'ল। তাৰ পৰা লিভাৰপুল গামী মালবাহী জাহাজ এখনত উঠিল।

লিভাৰ পুলৰ ডিটেকটিভ ফিক্সে গ্ৰেপ্তাৰী পৰোৱানাখন পাই ফগক গ্ৰেপ্তাৰ কৰি জেলত থ'লে। পিছদিনা বাতৰি ওলাল যে আচল বেংক ডকাইতজনক দুদিন আগতে গ্ৰেপ্তাৰ কৰা হৈছে। ফগক মুকলি কৰি দিয়া হ'ল। লিভাৰপুলৰ পৰা ৰেল গাড়ীৰে ফগ লণ্ডন পালেগৈ। কিন্তু লণ্ডন পোৱাত আশী ঘন্টা পাঁচ মিনিট লাগিল।

ফগে পাঁচ মিনিট পলম হোৱা বাবে বাজি হেৰোৱা বুলি ভাবি ২০ হেজাৰ পাউণ্ডৰ চেক এখন ৰিফৰ্ম ক্লাবত জমা দি ঘৰত থাকিল। ইতিমধ্যে তেওঁ লগত অনা বিধবা শ্ৰীমতী ঔদাৰ প্ৰেমত পৰিছিল। শ্ৰীমতী ঔদাই সন্মতি দিয়াত ফগক বিয়াৰ বন্দোবস্ত কৰিবলৈ খবৰ দিয়া বাবে ফগে পাছ পাৰ্তেকি পঠালে। ইতিমধ্যে পাছ পাৰ্তোই ফগক জনালে যে প্ৰকৃততে তেওঁলোকৰ লণ্ডন পোৱাত পলম হোৱা নাই। ফগ লৰালৰিকৈ ক্লাবলৈ গ'ল। তাত ক্লাবৰ সদস্যসকলে তেওঁক সম্বৰ্ধনা জনালে।

সম্প্ৰতি চল্লিশ ঘন্টাৰো কম সময়ৰ ভিতৰত বিমানেৰে পৃথিৱী পৰিভ্ৰমণ কৰি আহিব পৰা হৈছে যদিও জুল ভাৰ্ণেৰ কিতাপখনৰ আকৰ্ষণ আজি অলপো কমা নাই। বিজ্ঞান ভিত্তিক কাহিনীৰে মাজতো মানৱীয় আবেদন অটুট থকা কাৰণে জুল ভাৰ্ণেৰ গ্ৰন্থ সমূহ আজিও মানুহৰ প্ৰিয় আৰু আগ্ৰহেৰে পঢ়ে। ○○

# আৰতি

✍ জুৰিপ্ৰিয়া দেৱী
প্ৰৱক্তা, অসমীয়া বিভাগ

হঠাৎ এখন টাটাচুমু আহি আৰতিহঁতৰ বাটতে থমকি ৰ'ল। ৰাতিপুৱাৰ বাহী চোতাল সাৰি থকা আৰতিয়ে মূৰ দাঙি চালে — গাড়ীখনৰ পৰা দুজন পুৰুষৰ সৈতে এগৰাকী আদবয়সীয়া মহিলা নামি আহিল। পিন্ধনত কুৰ্তা-পায়জামা আৰু শাড়ী। দেখিলেই অনুমান কৰিব পাৰি যে তেওঁলোক অসমৰ নহয়। আৰাতিয়ে চাই থাকোতেই মানুহ কেইজনৰ লগত তাইৰ গিৰিয়েক চন্দনো, গাড়ীৰ পৰা নামি আহিল। চন্দন আবেলি চাৰি বজাত গৈছিল 'চম্পা ক'ম্প্লেক্স'ত ডিউটি কৰিববলৈ। এই কাহিলী পুৱাতে যে ঘৰলৈ উভতি আহিল। এই অচিনাকী মানুহ কেইজনৰ লগত.......... !!!

আৰতিয়ে দৌৰা দৌৰিকৈ গৈ প্ৰতীক ৰুমৰ দুৱাৰ খন খুলি মানুহ কেইজনক বহিবলৈ কৈ তাই পিছফালে গ'ল। ততাতৈয়াকৈ (তাই) গা-ধুই পাকঘৰত সোমাল আৰু লগে লগে চন্দনে তামোল চাহৰ ব্যৱস্থা কৰিব দিলে। আৰতিয়ে একো কথাৰ উমান পোৱা নাই। তাইৰ মন দুঃশ্চিন্তাৰে ভৰি পৰিল। ঘৰত থকা বিস্কুটেৰে ৰাতিপুৱাৰ চাহকাপ দিবলৈ আৰতি কোঠাত সোমাল আৰু চন্দনে কথাৰ মাজতে আৰতিক ভাৰতীয় ভাষাত নিজৰ পত্নী বুলি চিনাকি দিলে। লগে লগে আৰতিয়ে নমস্কাৰ জনাই চাহ খাবলৈ কৈ ওলাই আহিল।

চাহ খোৱা হোৱাৰ পিছত চন্দনে প্ৰতীক ৰুমলৈ আৰতিক মাতিলে। অচিনাকী মানুহ কেইজনৰ এজনে সুধিলে —"হমে পেহচানা তুমনে? হম কাহা ছে আয়ে হে?" কথাখিনি আৰতিয়ে অতি সহজতে বুজি পালে যদিও আৰতিয়ে কিন্তু তেওঁলোকক চিনি নাপালে। তাই অবাক দৃষ্টিৰে এবাৰ চন্দনৰ মুখলৈ আৰু এবাৰ মানুহ, কেইজনৰ মুখলৈ চালে। তাইৰ অৱস্থা দেখি চন্দনে বুজাবলৈ চেষ্টা কৰিলে —"আৰতি তুমি এওঁলোকক চিনি পোৱা নাইনে? অকণমান ভালদৰে চোৱাচোন, এওঁলোক তোমাৰ নিজৰ মানুহ। তোমাৰ ঘৰ ক'ত আছিল মনত আছেনে? চন্দনৰ কথাশুনি আৰতিয়ে কিছু আমনি বোধ কৰিলে। তাই ভাবিবলৈ ধৰিলে — কোন এওঁলোক? কিয় আহিছে ইয়ালৈ? মোৰ ঘৰ ক'ত আছিল? — আৰতিয়ে অকণমান ভাবিবলৈ লওঁতেই কোলাত কেঁচুৱাটোৱে বৰকৈ আমনি কৰাত মানুহ কেইজনক মাত লগাই তাই ওলাই আহিল। আৰতিয়ে নিজৰ বিচনাত কেঁচুৱাটোক গাখীৰ দি দি ভাবিলৈ ধৰিলে....... !!!

কিছুসময়ৰ পিছত আৰতিৰ মনলৈ এটুকুৰা ঠাইৰ চিত্ৰ বাৰে বাৰে আহিবলৈ ধৰিলে। যিখন ঠাই অহৰ্নিশে দূৰ দূৰণিৰ যাত্ৰীৰে পৰিপূৰ্ণ আছিল। ৰে'ল ষ্টেচনৰ শব্দই আৰতিহঁতৰ ঘৰখন কঁপাই তুলিছিল। উত্তৰ প্ৰদেশৰ সেই ৰে'লষ্টেচনটো বৰ পুৰণি আছিল। আৰতি আছিল মাক-দেউতাকৰ একমাত্ৰ ছোৱালী। তাই তেতিয়া আঠ নে ন বছৰীয়া। আৰতিৰ দেউতাকে 'পি ডব্লিউ ডি' বিভাগত কাম কৰিছিল। সেইদিনাখন ৰাতিপুৱা ৯ মান বজাতে আৰতিৰ মাকে দেউতাকক খুৱাই বুৱাই উলিয়াই পঠিয়ালে। প্ৰায় দহমান বজাত বিশেষ কাম এটাত বাহিৰলৈ ওলাই যাব লগা হোৱাত চোতালত মেলি থোৱা গমধানবোৰ আৰতিক ৰাখিব দি মাক ওলাই গ'ল। মাক যোৱাৰ পিছত আৰতিয়ে পিৰালিত বহি গমধান যাতে ভেড়া ছাগলীয়ে খাব নোৱাৰে তাকে চাই আছিল। কিন্তু বহি থাকোতে কেতিয়া টোপনি আহিল তাই গমকে নাপালে। এনেতে ওচৰতে ঘূৰি ফুৰা ভেড়া এজাক আহি গমধানবোৰ খুচৰি খাই নষ্ট কৰি পেলালে।

আৰতিৰ মাক যেতিয়া ঘৰলৈ উভতে তেতিয়া দিনৰ একমান বাজিছিল। তেওঁ আহিয়েই দেখিলে গমধানবোৰ ভেড়াজাকে খাই নষ্ট কৰিলে। আৰতিক টোপনিত লাল কাল দেখি মাক খঙত জ্বলি পকি উঠিল। মাকে এচাৰি এডাল আনি আৰতিক দুচাত সোধালে। আৰতি ভয়তে উচুপি উচুপি ঘৰত সোমাল। কিন্তু মাকৰ খং দুগুণ চৰিল। ঘৰত, সোমাই থকা আৰতিক বাহিৰলৈ উলিয়াই আনি কোবাবলৈ ধৰিলে। এইবাৰ আৰতি ঘৰৰ পৰা কান্দি কান্দি ৰাস্তালৈ দৌৰ মাৰিলে। মাকে যিমানে তাইক খেদিলে সিমানে তাই দৌৰিব ধৰিলে। অৱশেষত মাকে তাইক ধৰিব নোৱাৰি উভতি আহিল। সেই কণমানি ছোৱালীজনী দৌৰি আহি ৰৈ থকা ৰে'লখনৰ এটা ডবাত উঠিল আৰু মনে মনে বহি কান্দি থাকিবলৈ ধৰিলে। কান্দি কান্দি ছোৱালীজনী কেতিয়া টোপনি গ'ল ক'ব নোৱাৰিলে। তীব্ৰবেগী সেই নামনিমুৱা এক্সপ্ৰেছখন কেতিয়া অসমৰ মাটি পালেহি তাই তৱকিবই নোৱাৰিলে। যেতিয়া ৰে'লখন ৰঙিয়া ষ্টেচনত লাগিল আটাইবোৰ যাত্ৰী নামিল, কিন্তু নিদ্ৰামগ্ন সেই ছোৱালীজনী যেতিয়া সাৰ পাই উঠিল — "মাজী-মাজী-মাজী" বুলি কান্দিবলৈ ধৰিলে। ঠাইখন, মানুহবোৰ আৰু সেই মানুহবোৰৰ ভাষা - সকলো অচিনাকী। তাই কি কৰিব একো উপাই পোৱা নাই। অৱশেষত সেই ডবাটোৰ এজন ভদ্ৰলোকে ছোৱালীজনীক তাইৰ নাম পৰিচয় সুধিলে যদিও অসমীয়া বুজি নোপোৱা ছোৱালীজনীয়ে পুনৰ কান্দিব ধৰিলে।

ভদ্ৰলোকজনে নিজৰ ঘৰুৱা কামত সহায়ক হ'ব বুলি ভাবি ছোৱালীজনীক এবাৰ কম জোৰ কৰি ঘৰলৈ লৈ গ'ল। কিন্তু সুবিধা হোৱাতকৈ অসমীয়া বুজি নোপোৱা ছোৱালীজনীৰ কাৰণে নানা

অসুবিধাৰ সৃষ্টি হ'ল। কিবা ক'লে কিবাহে বুজি পায়। ঘৰখনৰ ইটো যিটো কামত সহায়ক হ'ল যদিও আজি এটা কালি এটা বাচন ভাঙিব ধৰিলে। ছোৱালীজনীৰ কাণ্ড দেখি ঘৈনীয়েক জনীৰ খং দুগুণে চৰিল আৰু এদিন মাৰি ধৰি ঘৰৰ পৰা উলিয়াই দিলে।

অৱশেষত উপাই নোহোৱা সৰু ছোৱালীজনী কান্দি কাতি আউলী-বাউলী হৈ ঘূৰি ফুৰিব ধৰিলে। ভোকে পিয়াহে ছোৱালীজনী বাছ ষ্টপেজ এটাত উপস্থিত হ'ল। তাই ইফালে সিফালে চাই তেজপুৰ অভিমুখী বাছ এখনত উঠিল আৰু এটি চুকত বহি থাকিল। নিৰ্দিষ্ট সময়ত বাছখনে যাত্ৰা আৰম্ভ কৰিলে। কিছু সময় পিছত কণ্ডাক্টৰ গাড়ীৰ ভাড়া যাত্ৰীসকলৰ পৰা সংগ্ৰহ কৰি কৰি আহি ছোৱালীজনীৰ ওচৰ পালে। ছোৱালীজনীক ভাড়া সুধাত তাই নিৰুপাই হৈ পৰিল। ফুটা কড়ি এটাও নথকা ছোৱালীজনীয়ে কাতৰ ভাৱে কণ্ডাক্টৰজনক পইচা দিব নোৱাৰো বুলি ক'লে। ছোৱালীজনীৰ পৰা ভাড়া নাপাই কণ্ডাক্টৰজন ক্ৰোধত অগ্নিশৰ্মা যেন হ'ল। হঠাতে ড্ৰাইভাৰক গাড়ী ৰখাব দি ছোৱালীজনীক বাছৰ পৰা নমাই দিলে।

তেতিয়া সময় প্ৰায় আবেলি চাৰে চাৰি মান হৈছিল। চাংসাৰিৰ ওচৰৰ সেই ঠাইখিনি বৰ নিমাও মাও আছিল। ছোৱালীজনীয়ে একো দিশ ধৰিব নোৱাৰিলে। সন্ধিয়া লাগিবলৈ ধৰিছে। তাইৰ মনটো ভয় ভয় লাগিল। তথাপি তাই আহি থাকিল। গাঁৱলীয়া এজাক উদণ্ড ডেকা ল'ৰা তাইৰ পিছতে আহি উপস্থিত হ'ল। অকলশৰীয়া দেখি ল'ৰাজাকে মনে মনে নানা কূট বুদ্ধি কৰিবলৈ ধৰিলে। সিহঁতে ছোৱালীজনীক নানা কথা-বতৰা সুধিবলৈ ধৰিলে। ল'ৰাজাকৰ এজনে বেয়া কথাও ক'লে। ল'ৰাজাকৰ কথাত ব্যতিব্যস্ত হৈ ছোৱালীজনী কান্দি উঠিল।

ইতিমধ্যে ওচৰতে থকা 'চম্পা ক'ল্ড ষ্টপেজ'টোৰ চাৰিবজাৰ ডিউটি শেষ কৰি প্ৰায়বোৰ কৰ্মচাৰী ঘৰ অভিমুখী হৈছে। এনেতে চাইকেলেৰে প্ৰায় ১৮ বছৰীয়া এজন কৰ্মচাৰী সেই পথেৰে আহি আছিল। ল'ৰাজাকৰ জুম দেখি মানুহজনৰ মনত কৌতূহল উপজিল। কি হৈছে তাত? ঘটনাটো কি জানিবৰ আশাৰে ওচৰ চাপিল আৰু দেখিলে এজনী অকলশৰীয়া ছোৱালীক কিবা কিবি সুধি হাঁহি আছে। অনা অসমীয়া ছোৱালীজনীয়ে কিবা কৈ আছে যদিও ল'ৰাবোৰে একো বুজি পোৱা নাই। উপায়হীন সজল নয়না সেই ছোৱালীজনীৰ কথা ল'ৰাজনে কিছু বুজিব পাৰিছিল কাৰণ সি কাম কৰা ক'ল্ড ষ্টৰেজটোৰ মেনেজাৰজন আছিল হিন্দীভাষী। গতিকে নিজৰ ঠিকনা হেৰুওৱা অকলশৰীয়া ছোৱালীজনীৰ প্ৰতি কিবা মৰম ওপজিল আৰু সেই ল'ৰাবোৰৰ হাতৰ পৰা ছোৱালীজনীক উদ্ধাৰ কৰিবলৈ ঠিৰাং কৰিলে। ল'ৰাজনৰ কথা বুজিব পাৰি ছোৱালীজনীয়ে মূৰ দুপিয়ালে। পলম নকৰি ল'ৰাজনে ছোৱালীজনীক চাইকেলৰ কেৰেয়াত বহুৱাই ঘৰলৈ লৈ গ'ল।

গোঁসাই ঘৰৰ পৰা পূজা পাঠ শেষ কৰি চোতালত ভৰি দিওঁতেই নিজৰ একমাত্ৰ ল'ৰাৰ লগত অচিনাকী ছোৱালীজনী দেখি মাক আচৰিত হ'ল। মাকে সুধিলে — "চন্দন, এয়া কোন? ক'ৰ পৰা আনিছ?

চন্দনৰ মাকে বিভিন্ন প্ৰশ্ন কৰিব ধৰিলে। চন্দনে মাকক কান্ধত ধৰি ছোৱালীজনীৰ ওচৰলৈ লৈ আহিল। সি মাকক বৰ সৰলভাৱে বুজাই দিলে যে ছোৱালীজনীৰ আপোন বুলিবলৈ কোনো নাই। আনহাতে তাই অসমৰ বাহিৰৰ ছোৱালী। বৰ্তমান ছোৱালীজনী কেইদিনমান আমাৰ ঘৰতে থাকিব। কিবা সন্ধান পালে পঠিয়াই দিম। অনিচ্ছাস্বত্বেও একমাত্ৰ পুত্ৰৰ কথা পেলাব নোৱাৰি ছোৱালীজনীক নিজৰ লগতে ৰাখিলে।

এনেদৰে কিছুদিন যোৱাৰ পিছত গাঁৱৰ মানুহৰ মুখত বু-বু-বা-বা চলিবলৈ ধৰিলে। জাত-কূলৰ বিচাৰ নোহোৱা বিদেশী ছোৱালী এজনীক এনেদৰে ডেকা ল'ৰা-থকা ঘৰত ৰখাটো ৰাইজে কোনোপধ্যে পছন্দ নকৰিলে। এদিন গাঁৱৰ গাঁওবুঢ়াৰ উপস্থিতিত মেলপাতি ৰাইজে বিচাৰ কৰিলে যে ছোৱালীজনীক গাঁৱৰ পৰা উলিয়াই দিব লাগে। কিন্তু ৰাইজৰ এই অন্যায়মূলক ৰায় শুনি চন্দন থিৰেৰে ৰ'ব নোৱাৰিলে। চন্দন থিয় হ'ল আৰু ক'লে— "ছোৱালীজনী ক'লৈকো যাব নোৱাৰে। তাই আমাৰ ঘৰতে থাকিব। এতিয়া তাই ভনী হিচাপে থাকক, প্ৰয়োজন হ'লে মই তাইক বিয়া কৰাম, মোৰ নিজৰ কৰি ল'ম। এই নিঃসহায় ছোৱালীজনীক মই নিৰাপত্তা দিম, তাইক পৰিচয় দিম। এই কথাৰ পৰা মই এখোজো নল'ৰো। লাগিলে ৰাইজে মোক এঘৰীয়া কৰক।"

চন্দনৰ অদম্য সাহস আৰু দৃঢ় মনোবলৰ সন্মুখত গাঁৱৰ মেনাসকল জোকৰ মুখত চুণ পৰাৰ দৰে হ'ল আৰু চোতাল এৰি গুচি গ'ল। একমাত্ৰ পুত্ৰ চন্দনৰ বক্তব্য শুনি মাকে বুজালে, "তই সৰু ল'ৰা, তই সেইবোৰ একো নাজান। গতিকে ছোৱালীজনীক খেদি দে।" অৱশেষত উপাই নাপাই চন্দনে মাকক বুজাই দিলে— "ছোৱালীজনী থকাত যদি তোমাৰ ইমানেই আপত্তি তেনেহ'লে ছোৱালীজনীক লৈ মই ঘৰ ত্যাগ কৰিম।"

পুত্ৰৰ কথা পেলাব নোৱাৰি মাকে ছোৱালীজনীক সামৰি ল'লে আৰু নিজৰ ছোৱালীজনীৰ দৰে ৰাখিব ল'লে। মাকৰ সন্মতি দেখি ছোৱালীজনীৰ মনত কিছু উৎসাহ আহিল আৰু তেতিয়াৰে পৰা তাই ৰাতিপুৱা সোনকালে শুই উঠি গোঁসাই ঘৰৰ পৰা আৰম্ভ কৰি মাকক চাহ-ভাত দিয়া চন্দনৰ প্ৰতিটো কথা-কামতে সহায়ৰ হাত আগবঢ়োৱা এই আটাইবোৰ আৰতিয়ে চম্ভালে। আৰতিৰ কাম কাজত সন্তুষ্ট হৈ চন্দনে তাইক মৰম কৰাত ব্যস্ত হ'ল। চন্দনৰ মাকো আৰতিৰ কামত আনন্দিত হ'ল।

চন্দন আৰু আৰতিৰ মাজত সৰু কথাত লাগি জোকোৱা, খং কৰা, অভিমান কৰা আদি ক্ৰমাৎ বাঢ়ি আহিবলৈ ধৰিলে। সিঁহত দুয়োৱে ইতিমধ্যে যৌৱন লাভ কৰিছে। দুয়ো দুয়োৰে প্ৰতি গভীৰ ভাৱে আকৰ্ষিত হৈছে। মাকে এই কথাটো সুন্দৰ ভাৱে উপলব্ধি কৰিছিল। সেয়ে এদিন মাকে ৰাইজক জৰিমনাৰ ভোজ ভাত দি উদ্ধাৰ হ'ল আৰু গণকত সোধাই ভাল দিন-বাৰ চাই সিহঁতৰ বিয়া পাতি দিলে। চন্দন আৰু আৰতিয়ে দুয়ো দুয়োকে ওচৰত পাই নিজকে ধন্য মানিলে। ঘৰখন যেন আনন্দেৰে মুখৰিত হৈ পৰিল। ঘৰখনলৈ মানুহৰ আহ-যাহ বাঢ়িবলৈ ধৰিলে।

দিন মাহ যোৱাৰ লগে লগে ঘৰখনলৈ যেন আগন্তুকৰ আগমন ঘটিল। প্ৰায় দুবছৰ পিছতেই সিঁহতৰ এটি পুত্ৰ সন্তানৰ জন্ম হ'ল। চন্দনৰ মাকে নাতিনীৰ মুখ দেখিবলৈ পাই বৰ সুখ পালে। নাতিনী পোৱাৰ আনন্দত শাহুৱেকৰ আৰতিৰ প্ৰতি মৰম দুগুণে বাঢ়িবলৈ ধৰিলে।

চন্দনৰ প্ৰায়ে নিশাৰ ভাগৰ ডিউটি কৰিবলগীয়া হৈছিল। গতিকে তাৰ খোৱা-বোৱাৰ আগতীয়া যোগাৰ কৰিব লাগে। আৰতিৰ এইখিনি সময়ত আহৰি নাই। তাই যিমান পাৰে সোনকালে শাহুয়েকৰ কোলাত কেঁচুৱাটো দি ৰন্ধা বঢ়াত ব্যস্ত হয়। চন্দন সোনকালে খোৱা লোৱা শেষ কৰি চাইকেলখন লৈ ওলাই গ'ল। এদিন ডিউটিত যি মেনেজাৰ বাবুক লগ পাই তেওঁৰ কথা বতৰাৰ পৰা স্পষ্ট হৈ পৰিল যে তেওঁৰ ঘৰ উত্তৰ প্ৰদেশৰ লখিমী গাঁৱত। গাওঁখনৰ নামটো যেন তাৰ কাণত বাজি উঠিল। গাঁওখনৰ নাম তাৰ চিনাকি চিনাকি লাগিছে। এদিন সি ঘৈণীয়েকৰ মুখত শুনিছিল যে সিঁহতৰ গাঁওখনৰ নাম হেনো লখিমী আছিল। তাৰ মনটো আনন্দত নাচি উঠিল। সি অকণমান চিন্তা কৰি মেনেজাৰক সুধিলে — শম্ভুৰাম সেন নামৰ মানুহজনক তেওঁ চিনি পাইনে? মেনেজাৰে লগে লগে উত্তৰ দিলে যে তেওঁ তেওঁক ভালদৰে চিনি পায় আৰু তেওঁৰ ঘৰ মেনেজাৰৰ ঘৰৰ ওচৰতে। তেতিয়া মেনেজাৰে (চন্দনক) উক্ত মানুহজনৰ কথা সোধাৰ কাৰণ জানিবলৈ ইচ্ছা প্ৰকাশ কৰাত চন্দনে ক'লে — "তেখেতৰ এজনী ছোৱালী কিছু বছৰ আগতে হেৰাইছে আৰু ছোৱালীজনী বৰ্তমান মোৰ পত্নী। যদি আপুনি সময় পায় তেনেহ'লে খবৰটো তেওঁলোকৰ ঘৰত জনাব।" চন্দনৰ কথাত মেনেজাৰ মান্তি হ'ল আৰু সেইবাৰ হ'লিৰ বন্ধত ঘৰলৈ যাওঁতে আৰতিহঁতৰ ঘৰলৈও গ'ল আৰু গোটেই কথাখিনি বিৱৰি কোৱাত মাক দেউতাকে হেৰোৱা ছোৱালীক ঘূৰাই পোৱাৰ আনন্দত "মেৰী আৰতি মেৰী আৰতি" বুলি চিঞৰি চিঞৰি কান্দিব ধৰিলে।

প্ৰায় এসপ্তাহ পিছত মেনেজাৰ অসমলৈ আহোতে আৰতিৰ মাক দেউতাকো লগত আহিল। তেওঁলোক আহি ক'ল্ডষ্টপেজ পায় মানে ৰাতিপুৱা প্ৰায় ৫ মান বাজিল। মেনেজাৰে তেওঁলোকক অতিথি শালাত বহিব দি এজন কৰ্মচাৰীৰ হতুৱাই চন্দনক মাতি পঠালে।

খবৰ পাই চন্দন আহি মেনেজাৰৰ ওচৰত হাজিৰ হ'ল। মেনেজাৰে চন্দনক মাতি চিনাকি কৰি দিলে — "চন্দন য়ে দোনো আৰতি কা মামী অ'ৰ পাপাহে।" চন্দনে তেওঁলোকক ভৰি চুই সেৱা জনালে। চন্দনক চিনাকি কৰি দিয়াৰ লগে লগে মাকে কান্দিবলৈ ধৰিলে আৰু সোনকালে আৰতিৰ ওচৰলৈ নিব ক'লে।

মেনেজাৰৰ নিৰ্দেশমতে চন্দনৰ সৈতে তেওঁলোকো মেনেজাৰৰ গাড়ীত উঠিল। গাড়ী আহি পদুলিত ৰ'ল...............।

ইমান সময়ে ভাৱৰ গভীৰতাত ডুব গৈ থকা আৰতিয়ে যেন সম্বিত ঘূৰাই পালে। ঘৰলৈ অহা আগন্তুক আচলতে আন কোনো নহয় তাইৰ মৰমৰ পিতৃ-মাতৃহে। লগে লগে আৰতি কোঠাৰ পৰা দৌৰি আহি মাক-দেউতাকক সাৱটি ধৰি হুক হুকাই কান্দিবলৈ ধৰিলে। আৰতিৰ কান্দোন মাক-দেউতাকক ঠিৰেৰে ৰ'ব নিদিলে। হেৰুওৱাই পোৱা বেদনাৰ আনন্দই ক্ষন্তেকৰ কাৰণে কোঠাৰ পৰিবেশটো স্তব্ধ কৰি পেলালে।

নিস্তব্ধতা ভংগ কৰি চন্দনৰ মাকে আগন্তুকৰ লগত কথা পাতিলে। কেনেকৈ সেই অকণমান ছোৱালীজনী তেওঁলোকৰ ঘৰলৈ চন্দনৰ সৈতে আহিছিল আৰু তেওঁলোকৰ মৰমৰ মাজতেই আৰতি যে এগৰাকী মাক হ'ব পাৰিছে এই কথাখিনি মাকে ক'বলৈ ধৰিলে। আৰতিৰ মাকেও একমাত্ৰ ছোৱালীক হেৰুৱাই কিমান দুখ বেদনাত ভূগি আছিল তাকো ভঙা ভঙা হিন্দী ভাষাতে ক'লে। এনেদৰে দুয়োজনী বিয়নীয়ে কথাপাতি থাকোতে দেউতাকে মাজতে জীয়েক জোৱায়েকক উত্তৰ প্ৰদেশলৈ লৈ যোৱাৰ কথা উলিয়ালে। একমাত্ৰ পুত্ৰক হেৰুওৱাৰ ভয়ত মাক প্ৰথম অৱস্থাত অমান্তি হৈছিল। অৱশেষত আৰতি আৰু চন্দনে বুজনি দি ক'লে যে সিঁহত একেবাৰে থাকিব নাযায়; কেইদিনমান থাকি পুনৰ উভতি আহিব। অৱশেষত মাক মান্তি হোৱাত পিছদিনা চন্দন আৰু আৰতি কেঁচুৱাটো লৈ মাক-দেউতাকৰ লগত নিজৰ জনমভূমি উত্তৰ প্ৰদেশৰ লখিমী গাঁৱলৈ ৰাওনা হ'ল।

প্ৰায় এমাহ মান থকাৰ পিছত চন্দন আৰু আৰতি পুনৰ নিজ ৰাজ্যৰ গাঁৱৰ ঘৰলৈ উভতি আহিল। এই এমাহ ধৰি (খালি খালি) সুদা-সুদা হৈ থকা ঘৰখনলৈ পুতেক বোৱাৰীয়েকৰ আগমনত আনন্দ ঘূৰি আহিল। মাকৰ মন আনন্দত থৌকি-বাথৌ হ'ল। এই কেইদিন সৰু কেঁচুৱাটোৰ অনুপস্থিতিত তেওঁৰ মন একেবাৰে মৰহি গৈছিল। আজিহে যেন ঘৰখন আৰতিৰ পোহৰত পুনৰ উজ্জ্বলি উঠিল। ○○

❑ যেতিয়া তোমাৰ শত্ৰুৱে ভুল কৰা তোমাৰ চকুত পৰে, সেই কামত কেতিয়াও ব্যাঘাত নজন্মাবা। — *নেপোলিয়ন বোনাপাৰ্ট*

# এটা নতুন দিনৰ অপেক্ষাত

✍ কৰুণা শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা)

শাহুৱেকৰ মুখত 'পুনৰ বিবাহ' শব্দটো শুনি নমিতাই একপ্ৰকাৰ কান্দি উঠিল। কোনোদিনেই কল্পনা কৰা নাছিল তাই এনেকুৱা দিন এটাৰ মুখামুখি হ'ব লাগিব বুলি। ৰাতুল ঢুকোৱা তিনিমাহ হৈ গৈছে মাত্ৰ, তেনেক্ষেত্ৰত তাই শাহুৱেকৰ মুখত বিবাহ শব্দটো শুনিবলৈ পাব বুলি ভবাই নাছিল।

'চাও নমিতা, নাপায় নহয়। মই তোৰ ভালৰ কাৰণেহে চিন্তা কৰিছো।' শাহুৱেকে একপ্ৰকাৰ নমিতাক বুজাবলৈ চেষ্টা কৰিলে— 'চা নমিতা, মই তোৰ মনৰ কথা বুজিব পাৰিছো। তথাপিও তই না নকৰিবি। তই এজনী শিক্ষিতা বোৱাৰী। তই কথাটো ভালদৰে চিন্তা কৰি চা। তোৰ প্ৰতি মোৰ কৰ্তব্য আছে। তোৰ ভাল হোৱাটো মই সদায় কামনা কৰোঁ। সেয়েহে তোৰ ভাল হওঁক বুলিয়েই মই এই চিন্তা কৰিছো। এই মাহতেই প্ৰদীপ গুৱাহাটীৰ পৰা আহিব। তাৰ মাক পৰহি আমাৰ ঘৰলৈ অহাৰ কথা। গতিকে আই নমিতা তই....।'

নমিতাই ভালকৈ একো চিন্তা কৰিব পৰা নাই। তাইৰ মনলৈ অতীতৰ স্মৃতিবোৰ ভাহি আহিল।

কলেজত পঢ়ি থকা অৱস্থাত তাইক সকলোৱে সাহসী ছোৱালী বুলিয়েই জানিছিল। অন্যায়ৰ বিৰুদ্ধে তাই মাত মাতিছিল। আনকি যৌতুক প্ৰথা নিৰ্মূল, বিধবা বিবাহৰ প্ৰচলন আদিৰ বিষয়ে কাগজে-পত্ৰই লিখা-মেলা কৰিছিল। উপযুক্ত বয়সত ৰাতুলৰ লগত এদিন তাই বিয়া হৈ গৈছিল। তাই মনে বিচৰাধৰণেই ৰাতুলৰ ঘৰখন পাইছিল। ৰাতুলৰ মৰমৰ মাজত থাকি সুন্দৰ দেখিছিল তাইৰ জীৱনটো। নানা কল্পনাৰ কাৰেং সাজিছিল তাই। কিন্তু বিয়া হোৱাৰ তিনিমাহ পাছতেই এটি মটৰ দুৰ্ঘটনাত ৰাতুলৰ মৃত্যু হৈছিল। তাইৰ সপোনৰ কাৰেংঘৰ অকালতে থান-বান হৈ পৰিছিল। তাই যদিও শিক্ষিতা তথাপিও তাইৰ আজি সাহসৰ অভাৱ। এটা সময় আছিল, সকলোৱে পৰা সাহস পাইছিল। কিন্তু আজি তাই নিজকে বৰ অকলশৰীয়া অনুভৱ কৰিছে। তাই এগৰাকী বিধবা নাৰী। তাইৰ সন্মুখত এখন সমাজ আছে। সমাজে তাইক কি ভাবিব। নাই, তাই বিয়াত বহাৰ কথা মনলৈ নানে। তাই বিয়াত সন্মতি নিদিয়ে। তাই শাহুৱেকক ক'ব— তাই বিয়াত নবহে। কাৰণ তাইক সমাজে কি বুলিব!

মা —নমিতা শাহুৱেকৰ ৰুমলৈ সোমাই গ'ল । কি হ'ল আই —শাহুৱেকে প্ৰশ্ন কৰিলে। মা মোক আৰু বিয়াত বহাৰ কথা নক'ব। মোৰ কপালত এয়ে লিখা আছিল। তাৰ উপৰিও আমি যিখন সমাজত বাস কৰি আছো, সেই সমাজখনে মোক কি বুলি ভাবিব।

চা নমিতা, আমি সমাজখনক উলাই কৰিব বিচৰা নাই। তোৰ এই অৱস্থাত সমাজখনে কি কৰি দিব! তই এইদৰে বগা সাজ পিন্ধি থকাটো মই নিবিচাৰো। তোৰ বয়সনো কিমান হৈছে। তই আই যিমান সহজ বুলি ভাবিছ, জীৱনটো সিমান সহজ নহয়। তোক মই নিজৰ ছোৱালীৰ দৰে ঘৰৰ পৰা বিয়া দি উলিয়াই দিম। তই মাত্ৰ মত দে আই। প্ৰদীপহঁতৰ ঘৰখনে আমাৰ ঘৰৰ কথা সকলো জানে। আনহাতে প্ৰদীপৰ মাকেও নাৰী সমাজৰ বিষয়ে লিখা-মেলা কৰে। সকলোৰে দিন সদায় একে নাথাকে। কাৰণ শীতকালৰ পৰা বসন্ত দূৰত নহয়। আমি সদায় বসন্তৰ প্ৰতীক্ষাত থাকিহে কাম কৰা উচিত। প্ৰদীপ ভাল ল'ৰা। সি নাৰীক শ্ৰদ্ধা কৰে। সেয়ে সি আগবাঢ়ি আহিছে। তই না নকৰিবি বোৱাৰী, এয়া মোৰ অনুৰোধ।

নমিতাই ভাবি পাব পোৱা নাই। এফালে সমাজ আনফালে তাইৰ জীৱনৰ সকলো জানিও এজন ল'ৰাই তাইক গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছে। তাৰলগতে শাহুৱেকৰ অনুৰোধতো আছেই। কিয় এনে হ'ল তাইৰ জীৱনটো।

যথাসময়ত প্ৰদীপৰ মাক সিহঁতৰ ঘৰলৈ আহিল। শাহুৱেকৰ লগত কথা পতাৰ পিছত নমিতাৰ লগত তেওঁ কিছু কথা পাতিলে। প্ৰদীপৰ মাকে ক'লে— নমিতা, তুমি ইমান ভাঙি পৰিছা কিয়? তুমি অকলশৰীয়া বুলি নাভাবিবা। আমি আছো নহয় তোমাৰ লগত। তুমি নাৰী জাতিৰ ওপৰত লিখা-মেলা কৰা, অথচ আজি তুমিয়েই আগবাঢ়িব খোজা নাই। চোৱা নমিতা, আমি নাৰী জাতি কাৰো দাসী নহয়। এজন পুৰুষে যদি তেওঁৰ পত্নীৰ মৃত্যুৰ দুমাহ পূৰ্ণ নহওঁতেই পুনৰ বিয়াত বহিব পাৰে, নাৰীয়ে কিয় নোৱাৰিব? আমি নাৰী জাতি পুৰুষতকৈ পিছপৰা হ'লে নহ'ব। আমিও পুৰুষৰ সমানেই আগবাঢ়ি যাব লাগিব। গতিকে আমি এই ক্ষেত্ৰত দুৰ্বল হ'লে নহ'ব। যদি পুৰুষে তেওঁলোকৰ কামনা-বাসনা পূৰণ কৰিবৰ বাবে পত্নীৰ মৃত্যুৰ পিছতেই পুনৰ বিয়া হ'ব পাৰে, আমি কিয় নোৱাৰিম? তুমি নাৰী জাতিৰ আদৰ্শ হোৱা নমিতা। আমি নাৰীয়েই নাৰীৰ উন্নতি সাধিব লাগিব। সেয়ে মোৰ একমাত্ৰ পুত্ৰ প্ৰদীপলৈ তোমাক বিয়া কৰাই সমাজক দেখুৱাই দিব বিচাৰো যে আমি পুৰুষতকৈ কোনোদিনে পিছপৰা নাই। প্ৰদীপ এই মাহতেই গুৱাহাটীৰ পৰা আহি পাব। তুমি সাঁজু হোৱা নমিতা। তুমি নাৰী জাতিৰ আদৰ্শ হোৱা.......।

প্ৰদীপৰ মাকৰ কথাখিনিয়ে নমিতাক নৱ প্ৰেৰণা দিলে। তাই ঠিক কৰিলে যে তাই এইক্ষেত্ৰত সাহসেৰে আগবাঢ়ি যাব। নৱ প্ৰেৰণাৰে উদ্ভাসিত নমিতা মানসিকভাৱে সাজু হৈ ৰ'ল এটা নতুন দিনৰ অপেক্ষাত।○○

# মৃত্যু -অমৃত্যু

✍ পিংকি কুমাৰ
স্নাতক ২য় বৰ্ষ (কলা)

কি লিখিব? কাক লৈ লিখিব আজি তেওঁ? সোঁহাতৰ আঙুলি দুটাৰ মাজত কলমটো লৈ কল্পনা আৰু বাস্তৱৰ মাজত দোদুল্যমান হৈ ৰ'ল অনিৰ্বাণ কাকতি। পূজা সংখ্যাৰ আলোচনী এখন প্ৰকাশৰ বাবে তেওঁৰ পৰা এটা লিখনি বিচাৰি আলোচনীখনৰ সম্পাদকজন কেইবাবাৰো তেওঁৰ ওচৰলৈ আহি আছে। কিন্তু নাই! আজি এসপ্তাহ ধৰি কোনো এটা লিখনিকে তেওঁ লিখি উলিয়াব পৰা নাই। হাইস্কুলীয়া দিনৰে পৰা অবিৰতভাৱে লিখি অহা কলমটো আৰু হাতখন থমকি ৰোৱালৈ চাই নিজে নিজেই অবাক হয় কাকতি। সন্মুখৰ বহল পথাৰখনলৈ চাই উদাস হৈ ৰয় তেওঁ। সেই ঘটনাটোৰ পিছৰপৰা সঁচাকৈয়ে বাৰু তেওঁৰ বিবেক ৰুদ্ধ হৈ গ'ল নেকি?

ঃ দেউতা চাহ খাওক। ভাবত বিভোৰ হৈ থকা কাকতিৰ তন্ময়তা ভাঙি যায় বোৱাৰীয়েক ৰীমাৰ চিৰ পৰিচিত মাতষাৰত। ৰীমাৰ হাতত থকা চাহ কাপৰ বিপৰীতে কাকতিৰ দৃষ্টি নিবদ্ধ হয় তাই পৰিধান কৰা বগা (উকা) সাজযোৰত। চাহকাপ ধৰি ৰৈ থকা ৰীমাক আগৰদৰেই কাকতিৰ আজিও সুধিবৰ মন যায়— বোৱাৰী, ই অফিচত যাব নহয়!

....নীৰৱে হাতত তুলি ল'লে কাকতিয়ে চাহকাপ। এটাও শব্দ নকৰাকৈ গুচি গ'ল ৰীমা। কাকতিৰ ইচ্ছা ৰীমাই যেন আগৰদৰেই হাঁহক, জীয়ৰীৰ আবদাৰেৰেই তেওঁক কওঁক— দেউতা, পূজা চাবলৈ কিন্তু এইবাৰ খোজকাঢ়ি নাযাওঁ। কিন্তু নাই! কাকতিৰ সেই ধৰণা যেন ভুল। কিমান দিন হ'ল বাৰু ৰীমাৰ সেই খিলখিলীয়া হাঁহিটো নুশুনা। দুমাহৰ ভিতৰতে সম্পূৰ্ণ সলনি হ'ল ৰাংঢালী ৰীমাজনী। অকল ৰীমাইনে? প্ৰশ্নৰ উদয় হয় কাকতিৰ মনত। তেওঁ নিজেওতো আজি দুমাহ ধৰি চকুত চকু থৈ চাব পৰা নাই ৰীমাৰ মুখলৈ....। কিয় বাৰু এনে হ'ল? নিজকে বৰ অপৰাধী বোধ কৰিলে তেওঁ। সমাজৰ শান্তি বিচাৰি হাতত কলম তুলি লোৱা অনিৰ্বাণ কাকতিয়ে নিজৰ ঘৰখনতে ইমান অশান্তি কোনোদিনেতো কামনা কৰা নাছিল। কিয় তেওঁ এবাৰো নাভাবিলে তেওঁৰ একমাত্ৰ পুত্ৰ ৰাজ আৰু বোৱাৰীয়েক ৰীমাই বৰ আশাৰে গঢ়া ঘৰখনত এই কলমটোও কেতিয়াবা অশান্তি, অনিদ্ৰাৰ কাৰণ হ'ব পাৰে বুলি....। অনুশোচনাত দগ্ধ হয় কাকতিৰ মন। নিজৰ অজানিতে গালেদি বাগৰি আহিল দুধাৰি তপত চকুলো। মনসপটত ভাঁহি উঠিল তেজেৰে ৰাঙলী হোৱা পুত্ৰ ৰাজৰ মুখখন।

....সেইদিনা আছিল পুহ মাহৰ কুঁৱলী সনা কোমল ৰাতিপুৱা। আনদিনাৰ দৰেই পিঠিত ৰ'দচেৰেঙা পেলাই কাগজ-কলম হাতত লৈ লিখিবলৈ বহিছিল কাকতি আৰু ৰাজ ওলাই গৈছিল অফিচলৈ....।

ঃ দেউতা, মই আহিছো, আহোতে দেৰি হ'ব পাৰে চিন্তা নকৰিবা। কাকতিক উদ্দেশ্যি কৈ যোৱাৰ দৰে কিন্তু সেইদিনা ৰাজৰ দেৰি হোৱা নাছিল। আনদিনাতকৈ সোনকালেই সিদিনা উভতি আহিছিল যদিও সি কিন্তু কাকতিৰ তেজ-মঙহৰ পুত্ৰ ৰাজ হৈ ঘৰলৈ উভতি অহা নাছিল। বগা কাপোৰৰ তলত শুই অহা ৰাজৰ মুখত সকলোৱে প্ৰত্যক্ষ কৰিছিল কেঁচা তেজৰ দাগ। লগে লগে জ্ঞানহীন হৈ পৰিছিল কাকতি....। ৰাজৰ মৃতদেহটোৰ চাৰিওফালে আগুৰি থকা কোনো এজন মানুহেই বিচাৰি উলিয়াব পৰা নাছিল ৰাজক হত্যা কৰাৰ কাৰণ অথবা হত্যাকাৰী কোন? কিন্তু এই ৰহস্যৰ সকলোৱে সন্ধান পাইছিল কাকতিৰ ৰূমত সজোৰে বাজি উঠা ফোনটোত ভাঁহি অহা এক অচিনাকি কণ্ঠস্বৰত— 'মৃতকৰ ঘৰত এতিয়া নিশ্চয় কন্দা-কটা চলি আছে নহয় জানো? শুনক, বুঢ়াক কৈ দিব ইয়াৰ পিছত যাতে সাহিত্যিকৰ আসন দখল কৰিবলৈ যিকোনো বিষয়ৰ ওপৰত কলম নোতোলে।' লগে লগে সিটো মূৰৰ পৰা কাটি দিছিল টেলিফোনটো আৰু এই বিষয়ক কাকতিয়ে গম পাইছে আজিৰ পৰা প্ৰায় পোন্ধৰ দিন আগতে। ৰাজৰ মৃত্যুৰ পিছৰ পৰাই হাতত কলম তুলি লোৱা নাই কাকতিয়ে। কিন্তু এই কথাখিনি শুনাৰে পৰা তেওঁ বিব্ৰত হৈ পৰিছে। আজি এসপ্তাহ ধৰি কলমটো হাতত তুলি লৈ বাৰে বাৰে যুঁজ কৰিছে নিজৰ বিবেকৰ সৈতে....। কিন্তু উকা কাগজখনত লিখিবলৈ তেওঁ এটা বাক্যও বিচাৰি পোৱা নাই। কাকতিৰ ভয় হয়, পুনৰ লিখিবলৈ ল'লে জানোচা তেওঁৰ এই অকলশৰীয়া জীৱনটোৰ পৰা গৰ্ভৱতী ৰীমাজনীকো কোনোবাই আঁজুৰি লৈ যায়....। নাই, দৰকাৰ হ'লে তেওঁ সেই টেলিফোনৰ গৰাকীৰ ওচৰত আত্মসমৰ্পনেই কৰিব। তথাপি তেওঁ পুনৰ কলম তুলি লৈ এই ফুল যেন ৰীমাজনীৰ বগা সাজযোৰত আৰু তেজৰ দাগ সানিব

নিবিচাৰে। বস্তুত ভাবিও কাকতিয়ে উলিয়াব নোৱাৰিলে তেওঁৰ কোনটো লিখনি ইমান শক্তিশালী হ'ল যিয়ে বোৱাৰীয়েক ৰীমাক স্বামীহাৰা আৰু তেওঁক পুত্ৰহাৰা পিতৃৰ খিতাপ প্ৰদান কৰিলে। কোনোদিনেইতো তেওঁ কোনো সংগঠন বা কাৰো ব্যক্তিগত জীৱনৰ ওপৰত ভিত্তি কৰি একো লিখা নাছিল। মাথোন আন দহজন লেখকৰ দৰেই সমসাময়িক বাস্তৱত কল্পনাৰ ৰহণ সানি সাহিত্য পিপাসু মনৰ অনুভূতিবোৰ এটা এটাকৈ তেওঁ লিখি গৈছিল। য'ত নিমগ্ন হৈ তেওঁ পত্নীৰ মৃত্যুকো পাহৰি যাবলৈ চেষ্টা কৰিছিল। কিন্তু আজি আৰু তেওঁ সেই প্ৰচেষ্টা অব্যাহত ৰাখিব নোৱাৰে। বন্দুকৰ আগেৰে ফুলৰ পাপৰি সৰুৱাব খোজা কলমটোৰে তেওঁ তেজৰ নদী বোৱাব নিবিচাৰে। ছাত্ৰ জীৱনৰ অন্যায়ৰ বিৰুদ্ধে অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি অহা হাতৰ কলমটো নিশব্দে পেলাই দিলে কাকতিয়ে। সন্মুখৰ টেবুলখনৰ পৰা চকুলোৰে তিতি যোৱা কাগজখিলা হাতত তুলি ল'লে, সেইখন দুটুকুৰা কৰি তেওঁৰ সাহিত্যিক মনটোক বিদায় দিয়াৰ উদ্দেশ্যে.....। কিন্তু কাকতি থমকি ৰ'বলৈ বাধ্য হ'ল তেওঁৰ পিছফালৰ পৰা অহা এটা কাতৰ স্বৰত....

ঃ দেউতা, আপুনি নিলিখিব কিয়? কি যুক্তিত আপুনি কাৰ ওচৰত এই কলমটোৰ অপমৃত্যু হ'বলৈ দিব খুজিছে? লিখিবলৈ যদি আপোনাৰ বিষয়ৰ অভাৱ হৈছে তেন্তে মোৰ এই বগা সাজযোৰক লৈ লিখক, জন্মৰ আগতেই পিতৃহাৰা হোৱা অনাগত সন্তানটোৰ দোষ কি? তাকে লিখক।

....ভয় ভয়কৈ ঘূৰি চালে কাকতিয়ে পিছফাললৈ...। দুমাহ আগলৈকে অনবৰতে দেউতা দেউতাকৈ চিঞৰি থকা ৰীমায়েই এই কথাবোৰ কৈছেনে? চাহাৰ কাপটো নিবলৈ অহা ৰীমাই তেওঁক পঢ়ি পেলালে। স্বামীৰ অপমৃত্যু হ'লেও এই কলমটোৰ অপমৃত্যু হোৱাটো তেনেহ'লে ৰীমায়ো নিবিচাৰে। এৰা! এই কলমটোৰ মৃত্যু তেওঁৰ পত্নীয়েও কোনোদিনে বিচৰা নাছিল। তেওঁ লিখিব অন্ততঃ ৰীমাৰ বাবে ঘৰখনলৈ আহিবলগীয়া দুৰ্ভগীয়া সন্তানটো এখন নিকা সমাজত জীয়াই থাকিবৰ বাবেই তেওঁ লিখিব। পূজা সংখ্যাত প্ৰকাশ পাবলগীয়া আলোচনীখনৰ মাজেৰেই তেওঁ পুনৰ আঘাত কৰিব পুত্ৰ ৰাজক তেওঁৰ বুকুৰ পৰা কাঢ়ি নিয়া সেই ঘাতকসকলৰ মূৰত....। সকলোকে যেন আলোচনীখনৰ মাজেৰেই জনাই দিব তেওঁ তেজ দেখাৰ ভয়ত কাৰো ওচৰত আত্মসমৰ্পন কৰা নাই। হাতৰ পৰা পেলাই দিয়া কলমটো পুনৰ জোৰেৰে খামুচি ধৰিলে অনিৰ্বাণ কাকতিয়ে...।OO

# ৰিক্সাৱালা

✍ কংকণ দেৱশৰ্মা
স্নাতক ২য় বৰ্ষ (অৰ্থনীতি)

ঃ ঐ ৰিক্সা, ৰিক্সা এইফালে আহ। কাষেৰে পাৰ হৈ যাব খোজা ৰিক্সাখনক হাত বাউলি দি মোৰ কাষলৈ মাতিলোঁ।

ঃ ক'লৈ যাব বাবু? প্ৰায় বৃদ্ধ ৰিক্সাৱালাজন মোৰ কাষলৈ আহি প্ৰশ্নবোধক চাৱনিৰে সুধিলে। পিন্ধনত তাৰ লুংগী এখন আৰু কেইবা ঠাইত টাপলি মৰা এটা হাৱাই চাৰ্ট।

ঃ হলি চাইল্ড স্কুললৈ ব'ল। মই ৰিক্সাখনত উঠি বহি চিগাৰেট এডাল জ্বলাই নিৰ্দেশ দিলো। কাষত মোৰ পাঁচবছৰীয়া পুত্ৰ অনিৰ্বাণ। তাক স্কুলত থ'বলৈ আহিছো মই। যোৱাকালিয়েই গাড়ীখন গেৰেজত দিছিলো, কিবা এটা বেয়া হৈ আছে। বস্তুটো হেনো গেৰেজত ষ্টক নাই। আজিহে গুৱাহাটীৰ পৰা আনিব। ছেঃ যত মানে বিৰক্তি....।

ঃ পাপা মোলৈ কিন্তু আজি মোবাইলৰ নতুন হেণ্ডছেট এটা আনিবাই, নহ'লে কিন্তু মই....। ছেমছাং নানিবা। মোক নকিয়াহে লাগিব।

যোৱাকালিৰে পৰা ক্লাছ ওৱানত পঢ়া মোৰ পুত্ৰ অনিৰ্বাণক মোবাইল এটা লাগে তাকো কমদামী দিলে নহ'ব। দহ-বাৰ হাজাৰ টকীয়া ছেট লাগিব। তাৰ কথাৰ উত্তৰত মই একো নামাতিলো। কিবা ক'লেই ঠেহ পাতিব। মাথো মনে মনে ভাবিলো কিমান আধুনিক হ'ল আমাৰ ল'ৰা ছোৱালীবোৰ। ইহঁতৰ নিচিনা বয়সত আমি ধূলি আৰু কোৰোকাৰ বাদে আন বস্তুৰে উমলি পোৱা নাছিলো। এতিয়া ইহঁতে কম্পিউটাৰত গেম খেলি থকা দেখিলে নিজকে আচৰিত হৈ যাও ইমান মডাৰ্ণাইজ হ'ল আমাৰ

পৃথিৱীখন। ইমান আগবাঢ়ি গ'ল আমাৰ ভৱিষ্যত বংশধৰ।

অনিৰ্বাণক মই একোৰে অভাৱ অনুভৱ কৰিব নিদিও মানে দিব নোৱাৰো। নিজৰ শৈশৱ-কৈশোৰ অতিপাত দাৰিদ্ৰতাৰ মাজেৰে পাৰ হৈ যোৱাৰ বাবেই নেকি মোৰ এই মানসিকতা। সৰুতে মই যিবোৰ বস্তু কল্পনা কৰিছিলো, যিবোৰ পাবলৈ হাবিয়াস কৰিছিলো সেই সকলোবোৰ পৰিপূৰ্ণ কৰিব বিচাৰো অনিৰ্বাণৰ মাজেৰে। সেয়ে এই বয়সতেই ইয়াক গানৰ স্কুল, ডেন্সৰ স্কুল, আৰ্টৰ, ব্যায়ামৰ সকলোতে নাম লগাই দিছো। আজিকালি সকলোফালে থাকিব লাগে, তেতিয়াহে স্মাৰ্ট বুলি কয়। এই বয়সতে সকলো শিকিব নোৱাৰিলে পিছত প্ৰস্তাৱ লাগে আৰু শেষত মাক-বাপেকক দোষী সাব্যস্ত কৰিব.....।

ঃ বাবু নামক। ৰিক্সাৱালাটোৰ মাতত মোৰ চিন্তাত যতি পৰিল। এই বাটছোৱা কেৱল মই মোৰ কথাকেই ভাৱি আহিছিলো।

ঃ ভাড়া কিমান হ'ল? পাৰ্চটোত হাত থৈ মই সুধিলো।

ঃ পাঁচ টকা দিয়ক বাবু। ৰিক্সাৱালাজনে ক'লে।

মই পাৰ্চটো খুচৰিলো। ছেঃ, খুচৰা পইচা একেবাৰে নাই। ছখন নে সাতখন পাঁচশ আৰু এহেজাৰ টকীয়া নোট।

ঃ তোৰ খুচৰা আছে নেকি? মই ৰিক্সাৱালাক সুধিলো।

ঃ কিমান টকাৰ বাবু?

ঃ পাঁচশ টকাৰ।

ঃ নাই বাবু ইমান টকা মই আজিলৈ একেলগে উপাৰ্জনেই কৰি পোৱা নাই।

ঃ তেনেহ'লে পিছত ল'বি, যা এতিয়া। মই ৰিক্সাৰ পৰা নামি অনিৰ্বাণক হাতত ধৰি তাৰ পৰা যাবলৈ উদ্যত হ'লো।

ঃ নহয় বাবু, মোক ৰাতিপুৱাৰ ভাগতেই পইচাৰ বিশেষ প্ৰয়োজন। আজি ল'ৰাটোৰ মেট্ৰিকৰ ফৰ্ম ফিলাপৰ শেষ তাৰিখ। কিন্তু মই এতিয়াও গোটেইখিনি পইচা গোটাব পৰা নাই।

ঃ ৰিক্সাৱালাজনে বাট আগছি ধৰি কাওবাও কৰি উঠিল। মই মনে মনে লাজো পালো, খঙো উঠিল তাৰ আচৰণত।

ঃ খুচৰা নহ'লে ক'ৰ পৰা দিম? মই ধমক দি উঠিলো।

ঃ নহয় বাবু কিবা এটা কৰি হ'লেও দিয়ক। লাগিলে আনদিনা মই আপোনাক বিনা পইচাৰে লৈ যাম। আজি....

মোৰ আৰু সহ্য নহ'ল। ইমান স্পৰ্ধা, মোক বিনা পইচাৰে ফুৰাবলৈ নিব। কি বুলি ভাবিছে মোক, ইয়াক পাঁচ টকা দিয়াৰো সামৰ্থ্য নাই মোৰ! পাঁচ টকা নাই বাবেহে যেন ইয়াৰ পৰা খুচৰা নাই বুলি পলাব খুজিছোঁ। উস! ইমান সাহস। লগে লগেই এটা কাণতলীয়া চৰ শোধাই দিলো ৰিক্সাৱালাজনৰ গালত। উস! ইহঁতৰ মান-সন্মান নাই বাবে আমাৰো নাই বুলি ভাৱে নেকি? ইমান মানুহৰ আগত ইমান অভদ্ৰ আচৰণ।

ঃ যা, পইচাৰ ক'ত কি কৰ কৰগৈ। খং-অপমানত জ্বলি উঠি মই চিঞৰি উঠিলো।

ঃ বাবু আপুনি মোক কিয় মাৰিলে, মই মোৰ পাবলগা টকাহে খুজিছো। আপোনাৰ পৰা ভিক্ষা মগা নাই নহয়। এখন হাতেৰে চৰ পৰা গালখন হেচি ধৰি ফেঁকুৰী উঠিল ৰিক্সাৱালাজন।

ঃ বাবু আপুনি মোক চৰটো মৰাত মোৰ অকণো সন্মান যোৱা নাই। আমি এনেকৈ বহুতৰে চৰ-লাথি খাওঁ। কিন্তু মই যদি আপোনাক এষাৰ বেয়াকৈ কৈ দিও আপোনাৰ বহুত সন্মান যাব বাবু, বহুত সন্মান যাব। কিন্তু মই আপোনাক বেয়াকৈ নকও বাবু। কিয়নো মই আপোনাক ভালদৰেই চিনি পাওঁ। আপোনাৰ দেউতাৰাই যেতিয়া ৰিক্সা চলাইছিল তেতিয়া তেওঁ মোক খুব মৰম কৰিছিল, বিপদে-আপদে সহায় কৰিছিল আৰু আজি আপুনি মোৰ ল'ৰাক পঢ়াব বিচাৰি টকা খোজাৰ বাবে মোক চৰটো মাৰিলে। নালাগে বাবু আপুনি পাঁচ টকাটোনিদিলেও আমি মৰি নাযাও। আমি মৰি মৰিয়েই জীয়াই থাকিম।

ৰিক্সাৱালাজনে মোক একো ক'বলৈ সুযোগ নিদি লগে লগেই ৰিক্সাখন লৈ অহাবাটে ঘূৰি গ'ল। মই সৰগ পৰা মানুহৰ দৰে একে ঠাইত ৰৈ গ'লো। অনুশোচনাত মোৰ দুচকু সেমেকি উঠিল। ছিঃ মই কি কাম কৰি পেলালো। এইজন বাৰু ৰঘুকাই নেকি? দেউতাৰ এসময়ৰ পাতি লোৱা ভাই। আজি নিজৰ ল'ৰক পঢ়াব বিচাৰি পইচা খোজাৰ বাবে মই চৰিয়ালো। মোৰ বাবেও দেউতাই বা কিমানজনৰ এনেকুৱা চৰ সহিবলগা হৈছিল। মোৰ মুখৰ পৰা অজানিতে এটা উচুপনি ওলাই আহিল। এয়া অনুশোচনাৰ চকুলো। অনিৰ্বাণে মোলৈ আচৰিত হৈ চাই আছে। সি একো বুজি পোৱা নাই। বুজি পাবলৈ তাৰ বয়সেই বা কিমান। কিবা এটা অনুভূতিয়ে মোৰ বুকুখন সোপা মাৰি ধৰিলে। মই লাহে লাহে অনিৰ্বাণৰ গালে-মুখে হাতফুৰাই দিলো। সিও সুযোগ বুজি কৈ উঠিল।

ঃ পাপা, মই কোৱা বস্তুটো আজি আনিবা কিন্তু। কৈ কৈ সি স্কুলৰ গেটখনৰ সিপাৰে নেদেখা হৈ গ'ল।

সেই মুহূৰ্তত মোৰ আৰু ৰঘুকাইৰ মেট্ৰিক দিব খোজা ল'ৰাটোৰ কথা একেলগেই মনলৈ আহিল। কিমান পাৰ্থক্য.... ।OO

# এসৈন্ধাত জীৱনৰ ৰং

মুন্না ডেকা
স্নাতক ২য় বৰ্ষ

নঙলামুখৰ চেনী কলজোপাত চৰাই পৰিছে। নৈৰ ফালৰ পৰা অহা বতাহজাক লাগি আগলতি কলাপাতবোৰ ইফালে-সিফালে হালিব ধৰিছে। কিন্তু চোতালৰ এফালে থকা সৰুকৈ নামঘৰটোৰ কাষত ফুলিবোৱা খৰিকাজাই জোপাত হ'লে বতাহ জাক লগা নাই। জুপুৰি ঘৰটোৰ মুধত পৰি পাৰ চৰাই হালে ৰ'দ পুৱাইছে। দুপৰীয়াৰ বেলি হালি দ্ৰুত গতিত পশ্চিম আকাশৰ ফালে আগবাঢ়িছে। কাতি মহীয়া দিন, ৰাতিপুৱাই মানে আকৌ সন্ধিয়া হবৰ হয়েই। বাৰীৰ পিছফালৰ খালটোৰ পৰা উঠি আহি পোহনীয়া পাতি হাঁহ জাকটো চোতালখনতেই গজ গজিয়াকৈ থিয় দি ধেক-ধেকাবলৈ আৰম্ভ কৰি দিলে। উঃ, কি বিকট চিঞৰ, চোতালখনতহে ইহঁতৰ উৎপাত চৰে' বুলি চোতালৰ এফালে মুঢ়া এটাত বহি খৰাহী এটাত বাউ খুৱাই থকা নীলকান্তই বাহঁৰ টুকুৰা এটা হাতত লৈ হাঁহ কেইটাৰ ফালে চোঁচা মাৰিলে। ডেউকাবোৰ মেলি হাঁহ কেইটা তৎক্ষণাত চোতালৰ পৰা পলাই পতং দিলে।

ঃ 'আইজনী, মা'ৰ ক'লৈ গ'ল অ', এই হাঁহকেইটা বান্ধিব লাগিছিল।'

ঃ মা গৰু আনিব গৈছে দেউতা। ৰ' মইয়ে গৈছো।

ৰান্ধনীঘৰৰ পৰা ডাঙৰ জীয়েক আইজনীয়ে মাত দিলে।

ডাঙৰ কাঁহৰ বাতি এটাত চাহ আৰু কাগজ এখনত চেনী আনি আইজনীয়ে দেউতাকক দি হাঁহৰ বাবে দানা-পানী যোগাৰ কৰাত ব্যস্ত হ'ল। দেউতাকৰ চাহ কেইঢোক খাবলৈও সময় নাই। খৰাহী কেইটা এতিয়াই বান্ধি শেষ কৰিব লাগিব। সন্ধিয়া তিনিআলি চকত গধূলি বজাৰত বেচিব লাগিব। ন'হলে আজি ঘৰত চাউল, চেনী একো নাই। আইজনীৰ মাক গৰু কেইটাৰ পিছে পিছে আহি ঘৰ পালেহি। মাকৰ পিছে পিছে ভনীয়েক আহি পোনে পোনে ৰান্ধনী ঘৰত সোমাল।

ঃ 'বাই, মোলৈ তই আজি কলপিঠা নবনালি?'

মইনাই ৰান্ধনিঘৰৰ পৰাই চিঞৰিলে।

ঃ নাই মইনা কলপিঠা বনাবলৈ আজি কল নাই নহয়, আন এদিন বনাম দে।'

মইনাই আৰু একো নক'লে।

খৰাহী কেইটা বন্ধা শেষ কৰিহে নীলকান্তই চাহৰ বাতিটো হাতত তুলি ল'লে। ঘপকৈ যেন কিবা এটা মনত পৰিল। 'চেনী কল থোকত চৰাই পৰিছে। হয়তো কলথোক পকিছে।' চাহৰ বাতিটো মাটিত থৈ এইবাৰ দাখন লৈ পদূলিলৈ ওলাল। 'হয়তো, চকুৰ আগত থাকোতেই চৰাইয়ে এক হালি মান কল খাই শেষ কৰিলেই।' দাখনেৰে ভালকৈ কলজোপাত দুই বাৰ মান ঘাপ মাৰি কলথোক কাটিলে।

সৌজন নাৱৰীয়া দেখোন। আজি ইমান সোনকালে উভতিলনে, আৰু লগত দেখোন আন দুজন মানুহ।'

চকু স্থিৰ কৰি এবাৰ নীলকান্তই নৈৰ পাৰৰ ফালে চালে। 'হয়, সেইজন নাৱৰীয়া হয় আৰু তেওঁৰ লগত কোনোবা দুজন ডেকা ল'ৰা। কোন হ'ব পাৰে।' সেই ফাললৈ চাই থাকোতেই ল'ৰা দুজন কোনফালে গ'ল তেওঁ ধৰিবই নোৱাৰিলে। নাৱৰীয়াজনে কান্ধত বঠাখন লৈ নৈ পৰীয়া ঢেকীয়া তলীয়া বাটেৰে নীলকান্তৰ ফালে আগবাঢ়িল।

নাৱৰীয়াজন ওচৰৰে পদুমপুৰ গাঁৱৰ। ভালকৈ বিচাৰিলে মানুহজন নীলকান্তৰ সেই ডাঙৰ পিতাকৰ ফালৰ দূৰ সম্পৰ্কীয় আলহীয়েই ওলাইগৈ। সদায় দুপৰীয়া ইয়ালৈ আহে। নৈৰ পাৰত বান্ধি থৈ যোৱা নাঁওখন লৈ ব্ৰহ্মপুত্ৰৰ ফালে মাছ মাৰিবলৈ যায়। খালৈটোৰ গললৈ ভৰিলেহে ঘৰলৈ উভতে। মাছবোৰ সন্ধিয়া তিনিআলি চ'কৰ বজাৰত বেচেগৈ। কেতিয়াবা নীলকান্তহতঁকো এক দুই মুঠি মাছ দি থৈ যায় ।

ঃ 'হেৰি নাৱৰীয়া, আজি দেখোন বেলি থাকোতেই উভতিলি। মাছ পালি হবলা।'

নাৱৰীয়া আহি ওচৰ চপাত নীলকান্তই সুধিলে।

ঃ 'নহয় দদাইদেউ, মাছ আজি খালৈটোৰ আধাও নহ'ল। পিছে আন এটা কামৰ বাবেহে আজি সোনকাল হ'ল।'

ঃ 'তাতনো পানীৰ মাজত ঘপকৈ তোৰ কিনো কামৰ কথা মনত পৰিল?' আৰু তোৰ লগত অহা সেই মানুহ দুজননো কোন আছিল?

নীলকান্তই এক উৎসুকৰ ভাৱত সুধিলে।

ঃ তাকেইটো দদাইদেউ, মানুহ দুজন সৌ নৈৰ সিপাৰৰ পাহৰুৱা ঠাইৰ পৰা আহিছে। ইপাৰে হেনো কিবা কাম আছে। মোক নৈখন পাৰ কৰি দিবলৈ খাটনি ধৰিলে। মই কলো, মই

সন্ধিয়াহে সিপাৰলৈ যাম।' কিন্তু কি মানুহ ঘপংকৈ এজনে পকেটৰ পৰা এশ টকীয়া নোট এটা উলিয়াই দিলে। মই ভেবা লাগি চাই থাকিলো। মানুহজনে গোটেইটো টকা মোৰ হাতত গুজি দিলে আৰু ক'লে সিহঁত ইটোপাৰলৈ অহাৰ কথা যাতে আৰু কাকো নকওঁ। নকব দিছে যেতিয়া নকও। দদাইদেউ তই কৈ নুফুৰিবি আকৌ।'

নাৱৰীয়াজনে হাতৰ বঠা ডালেৰে এমূৰে মাটিত জোৰ দি থিয় দি ৰ'ল।

ঃ তেনেহ'লে মানুহদুজন ক'ৰ, ক'লৈ যাব, তই ভালকৈ নুশুধিলি। সেই কাঠৰ দলংখন থাকোতেই সিপাৰৰ পাহাৰৰ ফালৰ মানুহ নাওঁৰেনো কিয় পাৰ হ'ব, তাকো এশ টকা দি। ....নীলকান্তৰ মুখত এক চিন্তাৰ ভাব ফুটি উঠিল।

ঃ সেইটোৱেইতো দদাইদেউ, প্ৰথমতে ময়ো আচৰিত হৈছিলো। কিন্তু মাজৰ কথা বতৰাৰ পৰা অলপ ধৰিব পাৰিছো যে সিহঁতে বেগত অনা বিশেষ বস্তু ইপাৰে কাৰোবাক দিব আহিছে। হয়তো, উগ্ৰপন্থীও হ'ব পাৰে। পিছে সিহঁত ক'ত যায় কি কৰে আমাৰনো ভাবিবলৈ দৰকাৰ কি? আজি মোৰ দিনেই ভাল আছিল যেন পাও, ভাল ছেগত টকা শ পালো। ল'ৰাটোলৈ আজি এখন কিতাপকে কিনি নিব পাৰিম।' ....টকা কেইটা পোৱাৰ আনন্দতে নাৱৰীয়াই কথাবোৰ অলপ জোৰকৈ ক'লে।

নাৱৰীয়াই বঠাখন আনদিনাৰ দৰে নীলকান্তৰ ঘৰত থৈ নৈ পৰীয়া লুঙলুঙীয়া বাটটোৰে আঁতৰি গ'লগৈ। কলৰ থোকটো চোতাললৈ নি নীলকান্তই আখি আখি কৈ কাটি কেই আখিমান ঘৰত এৰি বাকীখিনি বুঢ়া চাইকেলখনৰ কেৰিয়াত বান্ধি ল'লে। বাহঁৰ টঙলেৰে খৰাহী কেইটা বান্ধি চাইকেলৰ আগৰ হেণ্ডেলত ওলোমাই ল'লে। দেউতাক বজাৰলৈ যাবলৈ ওলোৱাত সৰু জীয়েক মইনাই দেউতাকক সন্ধিয়াৰ বজাৰৰ পৰা বুটভজা অনাৰ কথা মনত পেলাই দিলে। ঘৈণীয়েক মালতীয়ে চাউল, চেনী, আলু, মিঠাতেল এনেকৈ কেইপদমান লাগতিয়াল বস্তুৰ নাম আওৰালে আৰু লগতে মোনাখন চাইলেৰ হেণ্ডেলত ওলোমাই দিলে। এইবাৰ ডাঙৰ জীয়েক আইজনী ওলাই আহিল- 'দেউতা, যদি পইচা বাচে, বিছ টকা মান ঘুৰাই আনিবিচোন, স্কুলত ছমাহিলী পৰীক্ষাৰ ফিচ খুজিছে।' নীলকান্তই 'হবদে' বুলিকৈ চাইকেলখনত উঠি ল'লে। যিমান অভাৱ অনাটনৰ মাজত থাকিলেও মানুহজনে কেতিয়াও ছোৱালী হাল আৰু ঘৈণীয়েকক এই অভাৱ অনুভৱ কৰিব সুযোগকে নিদিয়ে। কেনেবাকৈ সাতজোৰা দি হ'লেও একেবাৰে নহ'লে নোহোৱা বস্তু কেইপদ গোটাই দিয়েই। ছোৱালী হালেও বেছি আশা নকৰে। পঢ়াৰ কিতাপ, দেহৰ কাপোৰযোৰ আৰু খোৱাৰ দুমুঠি পালেই সিহঁত সন্তুষ্ট। তাতকৈ বেছি আশা কৰি ঘৰখনত দুখদিবলৈ সিহঁতে প্ৰয়োজন অনুভৱ নকৰে। মাকৰ আকৌ চিন্তা হ'ল মজিয়াত পানী পৰা জুপুৰিটোৰ চালখন বাতিবলৈ কেনেকৈ কেইমুঠি মান খেৰ কিনিব পাৰিব, কেনেকৈ ছোৱালী হালক অভাৱত নেপেলোৱাকৈ পঢ়াব-শুনাব পাৰিব, সেইবোৰ। মুঠতে ঘৰখনত অভাৱে জুমুৰি দি ধৰিলেও মানুহকেইটা হ'লে দুখত নাথাকে।

আইজনী মইনা আৰু মাক তিনিও পদূলিৰ পৰা চাই থাকোতেই দেউতাকে চাইকেলৰ সেই চিনাকি কেৰ কেৰ মাতটোৰে সৈতে নৈৰ মথাউৰিয়ে মথাউৰিয়ে গৈ চকুৰে নেদেখা হ'ল। আইজনীয়ে পদূলিতে থকা জোপোহা বকুল ডালৰ তলত হালধীয়া হৈ সৰি থকা বকুল কেইটা বুটলি ল'লে। মথাউৰিটোৰ কাষতেই আহঁত জোপাৰ তলত থকা গোঁসাই ঘৰৰ পৰা ডবাৰ শব্দ বতাহত ভাহি আহিল। 'আজি দেখোন দেউৰীয়া জনে সন্ধিয়া নহওঁতে চাকি জ্বলালে। আজি সন্ধিয়া হয়তো তেওঁ কৰবালৈ যাব।' ওখ মথাউৰিটোৰ ওপৰে ওপৰে গৰখীয়া জনে গৰু জাক লৈ ঘৰলৈ ওভতিছে। চকুৰে নমনালৈ আবৰি থকা কাতিমহীয়া পথাৰ খনৰ আধাপকা আধাকেচাঁ ধানৰ পাতবোৰত বতাহ জাক লাগি এক চোঁ চোঁৰনি শব্দৰ সৃষ্টি হৈছে। তাতে আকৌ অস্ত আকাশৰ তেজ ৰঙা বেলিটোৱে ৰঙীণ কৰি তোলা মেঘবোৰৰ পৰা অহা ৰঙচুৱা পোহৰে পথাৰখন চিক্‌মিকাই তুলিছে।

আইজনী আৰু মাক দুয়ো ঘৰত সন্ধিয়াৰ কাম কৰাত ব্যস্ত হৈ পৰিল। মইনাই হাকুটিডাল জোৰ দি লৈ পোনে পোনে বাৰীৰ পিছপালে থকা ৰবাব টেঙা গছৰ তল পালেগৈ।

লাহে লাহে সন্ধিয়াৰ আন্ধাৰবোৰ গাঢ় হৈ আহিল। মেঘভৰা আকাশত ডিমলাইটোৰ দৰে জ্বলি থকা জোনটোৰ পৰা অহা সামান্য পোহৰত ঘৰৰ চালত থকা বগা কোমোৰা কেইটা জিলিকি উঠিছে। চোতালতে পাটিৰ ওপৰত বহি চিয়াঁহি বটলেৰে সজা কেৰাচিন তেলৰ চাকিটোৰ ক্ষীণ পোহৰত মইনাই আওৰাবলৈ ধৰিছে- 'এক আছিল ডাঙৰ ৰজা, কও শুনা বৰ মজা'......।' মাকে ওচৰতে বহি একমনে কিবা যেন ভাবি আছে। আইজনী ঘৰৰ ভিতৰতে পঢ়ি আছে। চাৰিও দিশে মৌন। ক'তো এটা সামান্য শব্দও নাই। অৱশ্যে নৈৰ পাৰৰ পৰা অহা জিলি

পৰুৱাৰ চি চিয়নিৰ শব্দ এটি বতাহত ভাঁহি আহিছে। মইনাই পঢ়াৰ মাজতে ঘপককৈ মাকক শুধিলে 'মা ভাত বনাবলৈ নোযোৱা নেকি? বহুৰাতি হ'ল দেখোন।'

ঃ 'ৰ চোন, দেউতাই বজাৰৰ পৰা চাউল লৈ আহি পালেহে ভাত বনাব পাৰিম।'

ঃ 'অ' মা, আজি মই দেউতাক চিয়াঁহীৰ বটল আনিব দিব পাহৰিলো। কাইলৈ স্কুলত নিবলৈ কলমটোত এটোপো চিয়াঁহীও নাই।' মইনাই মাকক কলমটো উলিয়াই দেখুৱালে।

ঃ কালি বাইদেউয়াৰাৰ কলমটোকে লৈ যাবি দে।'- মাকে কথা কৈ কৈ চাকি গচিৰ জ্বলি থকা শলিতা ডালত সৃষ্টি হোৱা গোলকাৰ আঙঠাবোৰ গুচাই দিলে। মইনা আকৌ পঢ়াত ব্যস্ত হৈ পৰিল। মাকে পাটীখনতে এবাগৰ দিলে। লগে লগে চিলমিল টোপনি এটাই আৱৰি ধৰিলে।

হঠাৎ এটা শব্দ হ'ল।

কিহৰ শব্দ? মাকৰ চিলমিল টোপনি ভাঙিল। মইনাই কাণ থিয় কৰি শব্দটোৰ উৎসৰ দিশ বিচাৰিলে।

ঃ 'মা, কোনোবা দিনা দীপাৱলী নেকি?

ঃ এই মাহৰ শেষতহে, বহুদিন আছে।'

মইনা মনে মনে থাকিল। মাকে ক'ৰ শব্দ, ক'ৰ পৰা আহিছে সেইবোৰ নাভাবি ওচৰতে থকা তামোলৰ বটাখনৰ পৰা ডাঙৰকৈ বুঢ়া তামোল এখনকে মুখত সুমুৱাই ল'লে।

বহুৰাতি হ'ল। মানুহজনেনো ইমান ৰাতি কিয় কৰিলে। মাকৰ খং উঠি আহিল। 'ঘৰত চাউল নাই বুলি জানেই, অলপতো সোনকাল কৰিব পাৰে। বজাৰতো ইমান ৰাতিলৈ নবহে। ক'ৰবাত সেই হৰেশ্বৰহতঁৰ ঘৰত সোমাই কথাৰ মহলা মাৰি থকা নাইতো। নাই তেনেকৈ নাথাকে। তেন্তে মানুহটো ৰ'ল ক'ত। হয়তো চাইকেলখনো বেয়া হ'ব পাৰে। খোজকাঢ়ি আহোতে হয়তো পলম হৈছে। কিন্তু খোজকাঢ়ি আহিলেওতো এতিয়ালৈ ঘৰ আহি পাব লাগিছিল। অ' সেই হলধৰ কাই হঁতৰ ঘৰত আজি পুথিপাঠ পাতিছে। তাতেই ৰ'ল হ'বলা।' মইনাৰ টোপনি ধৰিছে। পাঠবোৰ পঢ়োতে মাতবোৰ তাইৰ সৰু সৰু হৈ আহিছে। ঃ 'মা, মোৰ ভোক লাগিছে।' মাকে মইনাৰ পিঠিৰ ফুট ফুটিয়া ফ্ৰকটোৰ ওপৰত হাত বুলাই ক'লে 'ৰ চোন, দেউতাৰাই হয়তো হলধৰ বৰদেউতাৰহতঁৰ ঘৰত সোমাল। আজি সিহঁতৰ পুথিপাঠ পাতিছে। একেবাৰে হয়তো বুট-কল লৈ উভতিব। বুট-কলৰ কথা শুনা মাত্ৰকে মইনাৰ ভোক আৰু দুগুণ বাঢ়িল।

নিশা ক্ৰমান্বয়ে গভীৰ হৈ আহিল। দেউতাক এতিয়াও ওভতা নাই। আইজনী আৰু মইনাক ঘৰত থৈ মাকে হাতত চাকিগছ লৈ মথাউৰিৰ সিপাৰৰ কণমাই হতঁৰ ঘৰলৈ যাব ওলাল। বাঁহতলীয়া বাট। তাকো ঘোপমৰা আন্ধাৰ। কেনেবাকৈ গৈ কণমাইক এটেমামান চাউল খুজিলেগৈ। কণমাইয়ে পলিথিন বেগ এটাত এসাজ জোৰাকৈ চাউল বান্ধি দিলে। এহাতে চাউল এহাতে চাকি লৈ আইজনীৰ মাক আন্ধাৰবোৰ ফালি ঘৰলৈ ওভতিল।

পদূলিৰ মুখত বকুল জোপাৰ তলত এখন ধক ধকীয়া বগা গাড়ী চাকিৰ পোহৰত জিলিকি উঠিল। মাকৰ বুকুখন চিৰিংকৈ উঠিল। এই ৰাতি কোন বা আহিছে? ঘৰৰ চোতালৰ পৰা ভাঁহি অহা হুলস্থূলৰ শব্দ এটা আহি কাণত পৰিল। মাক দৌৰ মাৰাদি গৈ ক্ষন্তেকতে চোতাল পালেগৈ।

চোতালত মানুহৰ জুম। আইজনী আৰু মইনাৰ কান্দোনৰ চিঞৰে কাণ তাল মাৰি ধৰিলে। কি হ'ল? চোতালৰ মানুহৰ জুম একে আজোৰতে আঁতৰাই মাক আগলৈ দৌৰ মাৰিলে। গোঁসাই ঘৰৰ আগৰ তুলসী ডালৰ তলত দেউতাকৰ ধাৰাসায়ী মৃত শৰীৰটো তেজেৰে ৰাঙলী হৈ পৰি আছে। তেজৰ চেকা লাগি ঢাকি থোৱা বগা কাপোৰখন ৰঙা ক'লা হৈ পৰিছে। মাকক আগলৈ যাবলৈ বাধা দি কোনোবাই পিছ ফালৰ পৰা টানি ধৰিলে। একে টানতে তাৰ পৰা এৰি আহি মানুহজনৰ মৃত দেহটোৰ ওপৰত বাগৰি পৰিল।

চোতালতে মানুহৰ মাজত কোনোৱে কোৱা-কুই কৰিলে- 'ইচ কি অন্যায়।'

ঃ 'সন্ধিয়াৰ তিনিআলি চ'কৰ বজাৰত হোৱা বিস্ফোৰণত এই নীলকান্তৰ লগতে আৰু হেনো আঠজন ঢুকাল।' আন এজনে ক'লে।

ৰাতিৰ গাঢ় আন্ধাৰবোৰে কাকো কোনোৱে নেদেখা কৰি পেলালে।

মাক মূৰ্চা গৈ চোতালতে ঢলি পৰিল।

আইজনী আৰু মইনাৰ কান্দোনৰ চিঞৰবোৰ দূৰৈৰ পৰা জিলি পৰুৱাৰ দৰেই শুনা গ'ল। ○○

❑ সুখপ্ৰাপ্তি আৰু জ্ঞান লাভৰ কাৰণে পৰিৱৰ্তনক আদৰিবই লাগিব। যাৰ জীৱনলৈ পৰিৱৰ্তন অহা নাই, তেওঁ হয় পৃথিৱীৰ আটাইতকৈ জ্ঞানী, নহয় আটাইতকৈ মূৰ্খ মানুহজন হ'ব লাগিব। — *কনফুচিয়াছ*

# হৃদয়ৰ উকা পৃষ্ঠা

✍ ডেইজী নাথ
স্নাতক ২য় বৰ্ষ

বিদায় দিয়া আইদেৱে যাবৰ সময় হ'ল
ঐ ৰাম যাবৰ সময় হ'ল..

ৰাজীৱ বৰাই দীঘল হুমুনিয়াহ পেলালে। আজি গোটেই দিনটো পাৰ হ'ল বহু ব্যস্ততাৰ মাজেৰে। জীৱনৰ এই ক্লান্ত সময়ত তেওঁ আজি মৌন কিন্তু তথাপিও তেওঁৰ মনত আজি অপাৰ শান্তি। তেওঁৰ একমাত্র কন্যা তৃষ্ণাৰ আজি বিয়া, এৰা বিয়া; জীৱনৰ এটা চিৰন্তন সত্য। যাৰ বাবে সকলোৱে সপোন ৰচে, সপোন দেখে এটা ৰঙীন জীৱনৰ। কিন্তু খুব কম সংখ্যকহে এই ৰঙীন জীৱনৰ বাস্তৱতাৰ সৈতে জীৱন কটাব পাৰে। আজি যেন আকৌ এবাৰ অতীতৰ দিনবোৰলৈ ভুমুকি মাৰিব মন গ'ল ৰাজীৱৰ। কলেজীয়া জীৱনৰ সেই উদণ্ড ৰাজ। ৰাজ বুলি ক'লেই যাক সকলোৱে চিনি পায়। ৰাজ বুলিলেই কোনো যৌৱনা সুন্দৰী গাভৰুৱে কৈ উঠিব "ৱাউ হেণ্ডচাম" হয়তো কোনোবাই ক'ব মই যদি তাক পালোহেঁতেন..... ইত্যাদি। সঁচাকৈ সি কলেজৰ No 1 Boy আছিল। সি উদণ্ড মানে কাজিয়া পেচাল কৰি বা দাদাগিৰি কৰি ফুৰা ধৰণৰ উদণ্ড নাছিল। খুব ফুৰ্তিবাজ আৰু সকেলোৰে লগত মিলা-প্ৰীতিৰে চলিছিল, দুষ্টও আছিল সি যথেষ্ট। ছোৱালীৰ লগত ঘন্টাৰ পিছত ঘন্টা বহি কথা পাতি সি কেতিয়াও আমনি পোৱা নাছিল। দৈনিক নতুন নতুন গাৰ্লফ্ৰেণ্ডৰ লগত পাৰ্ক, ৰেস্তোঁৰা আদিলৈ যোৱাটো তাৰ নৈমিত্তিক কৰ্ম। পইচা কিন্তু সি নিজৰ পকেটৰ পৰা কোনো দিন খৰচ নকৰিছিল। কাচিৎ কেতিয়াবাহে দুই এপইচা ওলাইছিল। ছোৱালীবোৰেও তাৰ লগত টকা খৰচ কৰিবলৈ কুণ্ঠাবোধ নকৰিছিল কাৰণ, সি সকলো ছোৱালীৰ সপোনৰ কোঁৱৰ আৰু বাস্তৱৰ ৰঙীন কল্পনা আছিল। কিন্তু প্ৰেম নামৰ ব্যাধিৰ ক্ষেত্ৰত সি কেতিয়াও ছিৰিয়াছ নাছিল। কাৰণ নাৰী তাৰ বাবে কেৱল মনৰ শান্তি, তাৰ উৰ্দ্ধত একো নহয়। সি সংসাৰ নামৰ ছবিখনৰ পৰা বহুদূৰ আঁতৰি আছিল। ঘৰত তাৰ দেউতাক বায়েক আৰু ককায়েক। মাক ঢুকোৱা আজি বহু বছৰ হ'ল। ককাইদেউয়েকে চাকৰি কৰে ৰে'লৱে কাৰিকৰী বিভাগত, বাপেকজন প্ৰাথমিক স্কুলৰ অৱসৰ প্ৰাপ্ত শিক্ষক মাক ঢুকোৱাৰ দুবছৰ পিছত অৱসৰ লৈছে। ৰাজৰ একমাত্ৰ বায়েক তুলিকা (ককাইয়েক প্ৰদীপৰ তলত) উচ্চতৰ মাধ্যমিক পৰীক্ষা দিয়াৰ পিছতে বিয়া দিয়ে ওচৰৰে এজন অফিচৰ কেৰাণীৰ লগত, তাইৰ বিয়াৰ সময়ত মাক নৱীয়াপাটিত। মাকৰ মৃত্যুৰ সময়ত ৰাজ নৱমমান শ্ৰেণীৰ ছাত্ৰ। পঢ়া-শুনাত মধ্যমীয়া বহুত ভাল ৰিজাল্ট কৰিব নোৱাৰিলেও একেবাৰে বেয়াও নহয়। কলেজীয়া জীৱনত সি বহুতো অভিজ্ঞতা লাভ কৰিছিল। সি লাহে লাহে বুজি উঠিছিল মানৱতাৰে ভৰা এই পৃথিৱীখন। সি যেন মানৱতাক উপলব্ধি কৰিব পাৰিছিল। সকলো আত্মীয়ৰে যেন আত্মীয়তা হেৰাই গৈছে। মানৱতাৰ কোনো অস্তিত্বই নোহোৱা হৈছে।

যোৱা সপ্তাহত গাজিয়াবাদৰ পৰা ককাইয়েক প্ৰদীপৰ চিঠি আহিছিল। আৰু লগতে চাৰি হেজাৰ টকাৰ মণিঅৰ্ডাৰ। চিঠিখন পঢ়ি ৰাজৰ বাপেক বিচনাখনত বহি পৰিল আৰু এটা দীঘল হুমুনিয়াহ পেলালে। ৰাজে দেউতাকক সোধাত প্ৰত্যুত্তৰ স্বৰূপে চিঠিখন আগবঢ়াই দিলে। চিঠিখনত লিখা আছিল —

মৰমৰ দেউতা,

মোৰ শ্ৰদ্ধা গ্ৰহণ কৰিব। মই বৰ্তমান ভালে আছো। দেউতা মই আৰু এনেদৰে ঘৰৰ ভেজাল মাৰি থাকিব নোৱাৰিম কাৰণ মোৰো এটা ভৱিষ্যত আছে। তোমালোকৰ কাৰণে চিন্তা কৰি থাকিলে মোৰ জীৱনটো নচ'লে। মই ইয়াৰে ছোৱালী এজনী বিয়া কৰালো, সাহা পৰিয়ালৰ বঙালী ছোৱালী। সকলো ইমান সোনকালে হ'ল যে মই জনাবলৈ সময়েই নাপালো। তাই মোৰ বিভাগৰে জ্যেষ্ঠ বিষয়া এজনৰ একমাত্ৰ কন্যা। গতিকে মই তেওঁলোকৰ ঘৰতে থাকো। একমাত্ৰ ছোৱালী বাবে মাক-বাপেকে তাইক মোৰ লগত ঘৰলৈ (অসমলৈ) পঠাব নোখোজে চিৰদিনৰ বাবে। গতিকে মই তেওঁলোকৰ ঘৰতে......

ৰাজীৱৰ আৰু একো বুজিব বাকী নাথাকিল। ককাইয়েকক লৈ বাপেকৰ যি গৌৰৱ আজি ভৰিৰে মহতিয়াই পেলালে। কিমান ইচ্ছা, কিমান সপোন ডাঙৰ বোৱাৰীক লৈ কিন্তু আজি কিহৰ বতৰা কঢ়িয়াই আনিলে। বেলেগ জাতৰ ছোৱালী বিয়া কৰাইছে তাত বাপেকৰ কোনো আপত্তি নাই। তাই বেলেগ জাতৰ হ'লেওতো এজনী তেজ মঙহৰ ছোৱালী কিন্তু ঘৰজোঁৱাই এই শব্দটোৱে যেন তেওঁক বাৰে বাৰে আমনি কৰিলে। ৰাজীৱৰ যেন সেই মুহূৰ্তত চিঞৰি চিঞৰি ক'বৰ মন গৈছিল— কিয় কৰিলি দাদা তই এনেকুৱা, তোৰ শুশ্ৰূষাত কি ভুল কৰিছিল মা-দেউতাই। মাটি বিক্ৰী কৰি ঘোচ দি তোক সেই চাকৰি দিছিল আৰু তই নিজৰ স্বাৰ্থৰ কাৰণে নিজৰ অস্তিত্বকো বলিদান দিলি। কি কাৰণে তই এনে কৰিলি।

সি তেতিয়া স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ। তাৰ স্বভাৱ চৰিত্ৰবো সলনি হৈ পৰিল। আগতে পাৰ্ক, ৰেস্তোঁৰাত বহাৰ পৰিৱৰ্তে সি বহিবলৈ ধৰিলে লাইব্ৰেৰী আৰু শ্ৰেণীকোঠাত। ক্লাচ কৰে আৰু আড্ডাৰ হোৱাৰ আগতে ঘৰলৈ ওভতে। তাৰ জীৱনত দেখা গ'ল প্ৰকৃতিৰ এটা নতুন পৰিৱৰ্তন। সেউজীয়া পৃথিৱীখনৰ অনুভূতিৰ পৰিৱৰ্তে সি অনুভৱ কৰিব বিছাৰিলে বগা আৰু ক'লাৰ পাৰ্থক্য, ধৈৰ্য্য আৰু প্ৰতিষ্ঠাৰ পৰিৱৰ্তন। সঁচাকৈ মানুহ জাতিটো কিবা যেন এক অদ্ভুত। সকলো

স্বাৰ্থলোভী আৰু স্বাৰ্থপৰ।

আজি বহু দিনৰ মূৰত জুবিয়ে তাক নেবা নেপেৰাকৈ কেন্টিনলৈ যাবলৈ লগ ধৰিলে সি যাব বিচৰা নাছিল যদিও জুবিয়ে হাতত ধৰি টানি লৈ গ'ল। তাক Offset দেখি জুবিয়ে তাক বাৰে বাৰে প্ৰশ্ন কৰিছে —

জুবি — এই ৰাজ, কি হৈছে তোমাৰ?

ৰাজ — একো তো হোৱা নাই।

জুবি — একো হোৱা নাই মানে? সেইফালে খবৰ কি?

ৰাজ বহাৰ পৰা উঠি মই যাওঁ তুমি বহা। জুবিয়ে তৎক্ষণাৎ হাতখনত ধৰি তাক বহিবলৈ ক'লে সি বহিব নিবিচাৰিলে যদিও তাই বাৰে বাৰে অনুৰোধ কৰাত সি বহিল। চাহ খোৱা সময়খিনি সিঁহতে নীৰৱে পাৰ কৰিলে। কেন্টিনৰ পৰা ওলাই অহাৰ লগে লগে পিছৰ পৰা কেইটামান শব্দ ভাহি আহিল — হায় চুইটি সদায়নো কিমান আৰু হেংগচামৰ লগতে থাকা মাজে মাজে আমাকো অলপ দিবাচোন। ৰাজে কিবা এটা ক'ব খুজি ৰৈ গ'ল সি তাৰ পৰা লৰালৰিকৈ আঁতৰি গ'ল। জুবিৰ মুখতো আজি আৰু মাত নোহোৱা হ'ল।

ইতিমধ্যে ফাইনেল পৰীক্ষাৰ ৰিজাল্ট ওলাল ৰাজীৱ বৰা পৰিৱেশ বিজ্ঞানত অনাৰ্চ লৈ First class first আৰু জুবি অৰ্থনীতি বিভাগত First class Second। ৰাজৰ দেউতাকৰ সেইদিনা আনন্দৰ সীমা নাই। কিন্তু ৰাজৰ মনত আজিও কোনো ধৰণৰ আনন্দৰ ৰেঙণি মুকলি মনেৰে প্ৰকাশ পোৱা নাই। তাৰ উদ্দেশ্য যেন সেইদিনাহে সফল হ'ব যিদিনা সি পৰিৱেশ বিজ্ঞানৰ বিষয়া ৰূপে প্ৰতিষ্ঠিত হ'ব আৰু দেউতাকৰ সেই হেৰোৱা গৌৰৱ আকৌ ওভতাই পাব।

ৰাজীৱ আজি অতিশয় উত্তেজিত কাৰণ তাৰ উদ্দেশ্যৰ শেষ পৰ্যায়ত সি আহি উপস্থিত হৈছে। বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ হৈ ওলাল অসমৰ পৰা ৰাজীৱ বৰা.......... কনিষ্ঠ পুত্ৰ.............। ৰাজীৱৰ যেন তপস্যা সিদ্ধি হ'ল। আজিৰ পৰা বাপেকে আকৌ মূৰ দাঙি কথা ক'ব পাৰিব, অজানিতে তাৰ চকুৰ পৰা বাগৰি আহিল দুটোপাল তপত চকুলো। বাতৰি কাকতখন বুকুত বান্ধি লৈ সি ঘৰমুৱা হ'ল। সেইদিনা তাৰ ঘৰলৈ যোৱা ৰাস্তাটোৱে যেন দীঘলীয়া হৈ পৰিছিল। ঘৰৰ পদুলিমুখ পায় সি দেখিলে তাৰ ঘৰত মানুহৰ ভিৰ। তাৰ বুজিবলৈ বাকী নাথাকিল। তাৰমানে তাৰ পৰীক্ষাৰ ফলাফল তাতকৈয়ো আগেয়ে আহি ঘৰ পালে। কিন্তু সি আচৰিত তেওঁলোকে তাক কৃতজ্ঞতা জনোৱাৰ পৰিৱৰ্তে তাৰ প্ৰতি যেন দুখহে প্ৰকাশ কৰিলে। সি পৰীক্ষাৰ খবৰ দিব একেচাতে দেউতাকৰ শোৱনি কোঠা পালে। এয়া কি তাৰ ৰিজাল্টৰ খবৰ শুনি বাপেকে তাক সাৱতি ধৰাৰ পৰিৱৰ্তে নিজে অজান ভাবেৰে সুন্দৰ নিয়ৰৰ দলিচা পাৰি শুই আছে। তাৰ কাষত নিঠৰ হৈ বহি আছে বায়েক তুলিকা। এয়াই নেকি ভগৱানৰ বিচাৰ, নিয়তিৰ কৰুণ কাহিনী ভগৱানৰ ন্যায়। তাৰ সুখৰ ভাগ ল'বলৈ আৰু অকণমান সময় বাৰু তেওঁ কিয় নৰ'ল? যাৰ বাবে সি ইমান সংগ্ৰাম কৰিলে তাৰ পৰিণতি এয়াই নেকি?

টেবুলৰ ওপৰৰ দীঘল খামটোলৈ তাৰ চকু গ'ল। খামটোৰ ওপৰত পৰি থকা চিঠিখন সি পঢ়ি চালে........

মৰমৰ দেউতা,

................

...................

...............

তাৰমানে দেউতাকে হাৰ্টফেইল কৰিলে ককাইয়েকৰ এই নিষ্ঠুৰ দাবী শুনি। গাঁৱৰ ঘৰ মাটি বেছি টকা ভগাই দিব লাগে কাৰণ গাঁৱৰ মাটিত মই থাকিবলৈ নাযাওঁ। সঁচাকৈ জীৱনটো শেষ নোহোৱাকৈ তাৰ যেন নিস্তাৰ নাই।

বৰ্তমান ৰাজীৱ গুৱাহাটীৰ উলুবাৰীত থাকে। জুবিক সেইদিনা হঠাৎ লগ পাই সি আনন্দত চিঞৰি দিলে কিন্তু জুবিৰ কোনো আনন্দ প্ৰকাশ নঘটিল। জুবিৰ শাৰীৰিক পৰিৱৰ্তন দেখি সি বুজি পাইছিল তাৰ মানে জুবি অন্তসত্বা। সি প্ৰায় তাইৰ মুখৰ ওচৰত মুখখন থৈ ক'লে মনে মনে বিয়া হলি এতিয়া কিবা পাৰ্টি চাৰ্টি দিব লাগে বুলি ভয় খাইছ। তাইৰ চকুহাল নিমিষতে সেমেকি উঠিল। তাই তাক কেনেদৰে বুজাব তাইৰ জীৱনত ঘটি যোৱা ঘটনাবোৰ।

কথাবোৰ শুনি ৰাজ কিছুসময় নীৰৱে থাকিল। সঁচাকৈ প্ৰেমৰ কোনো অস্তিত্বই নাই। এতিয়াৰ প্ৰেম মাথো বলাৎকাৰ, প্ৰভেদ মাত্ৰ এটাই প্ৰেমত দুজনৰ কামনা আৰু ইচ্ছা জড়িত থাকে। প্ৰেমত কোনো জোৰ জবৰ দস্তি নচলে। আৰু বলাৎকাৰত ইয়াৰ ওলোটা। বলাৎকাৰত কেছ চলে, মোকৰ্দমা চলে ন্যায় বিচাৰে কিন্তু প্ৰেমত কোনে কাক ন্যায় দিব!

জুবিক নাচিং হোমৰ স্পেচিয়েল ৱাৰ্ডত ভৰ্তি কৰোৱা হ'ল। আজি ৰাজ আকৌ এবাৰ উত্তেজিত হৈ পৰিল। O.T ৰ পৰা ওলাই ডাক্তৰ বৰ্মনে কৰমৰ্দন জনালে এজনী ছোৱালী জন্ম পাইছে। সি যেন ভগৱানক হাতযোৰ কৰি ধন্যবাদ জনালে ছোৱালী এজনী দিয়াৰ বাবে। ছোৱালীজনী ৰাজৰ হাতত গতাই দি জুবি চিৰদিনৰ বাবে আঁতৰি গ'ল এই নিৰ্জুৰ পৃথিৱীখনৰ পৰা।

মামা ঐ মামা

ভাগিনীয়েকৰ মাতত ৰাজ যেন বাস্তৱলৈ ঘূৰি আহিল। তৃষ্ণাই আশীৰ্বাদ ল'ব ৰৈ আছে। সোনকালে তাইক বিদায় দিয়াহি। যাত্ৰাৰ সময় উকলি গ'ল। ○○

(তৃষ্ণা জুবিৰ সন্তান মৃত্যুৰ সময়ত ৰাজক গতাই দি যায়)

(তৃষ্ণাৰ অবৈধ সন্তানৰ পৰিচয়, ৰাজীৱৰ পিতৃত্বৰে ঢাকি ৰখা হ'ল। জুবি আৰু ৰাজৰ পৱিত্ৰ সম্বন্ধৰ সত্যতা সিঁহত দুয়োজনৰ বিপৰীতে সকলো অজ্ঞাত।)

# জীৱনৰ অনুভৱ

✍ হিমাদ্রী বশিষ্ঠ
স্নাতক ১ম বৰ্ষ

......আৰু এবাৰ ভালকৈ চাই ল'লো মুখখন। ঠিকেই, অ' চব ঠিকেই আছে। মাক যাও বুলি কৈ ওলালোৱেই এটি কামলৈ বুলি। ভগৱানলৈ মনে মনে সেৱা এটি জনালোঁ। চেহ্ চাইকেলখনো আজিহে বেয়া হ'ব লাগেনে, ৰিক্সাতেই যাব লাগিব।

কি বা হ'ল আজি শনিবাৰ নেকি? নহয়তো পিছে দোকানবোৰ বা কিয় বন্ধ? ৰিক্সাও নাই। কোনোবাই বন্ধ দিলে নেকি আজি? অলপ খোজকাঢ়ি অহাৰ পিছত পালো এখন ৰিক্সা। গম পালো আজি বন্ধ নহয় বোলে।

বহু কষ্টৰে 'চুপহিত আহি নামিলো, যদিও বহুত দেৰি হৈ গ'ল। সি গ'ল নেকি? ভিতৰত নাই যে। অলসভাৱে মই অকলেই বহি পৰিলো। আধা ঘন্টা হওঁ হওঁ দেখা দেখিয়ে নাই কি হ'ল বাৰু? কিবা বেয়া পালে নেকি। মই জনাতটো তেনে হ'ব নালাগে।

তেনেতে মোবাইলটো বাজি উঠিল। এটা SMS (Message) আহিছে। Inbox ত গৈ দেখিলো "April full banaya tum ko gussi aha ..... হায় বিধি। মই কিয় পাহৰিলো বাৰু আজিয়ে ১ এপ্ৰিল। ○○

# আশাবোৰ হেৰাই থাকিল

✍ গীতিমা হাজৰিকা
স্নাতক ১ম বৰ্ষ

ঃ আহ .... উ... স। অজানিতে ৰূপমৰ মুখেৰে শব্দটি ওলাই আহিল। ডিঙিৰ প্ৰচণ্ড বিষটোৱে তাক আৱৰি ধৰিছে। হাত খনেৰে গালখন লাৰি ছোৱাত, তেজৰ চেকুৰা হাতত লাগি ধৰিলে।

তেতিয়া স্পষ্টকৈ মনত ভাহি আহিল আবেলি তাৰ লগত ঘটি যোৱা ঘটনাটিৰ।

ৰুমীক, স্বপ্ননীলৰ বাইকৰ পাছত দেখিছিল, অলপ আগতে পাৰ্কৰ পিনে যোৱা। আকৌ এতিয়া স্ত্ৰীঙে ভেলি ৰেষ্টুৰেন্টৰ সন্মুখত পাই ৰূপম আগবাঢ়ি গ'ল। ৰুমী ৰূপৰ প্ৰেয়সী আছিল। তাইৰ প্ৰেমৰ বাবেই যে সি কিমান ত্যাগ নকৰিলে এতিয়া তাক চকুত ধুলি মাৰি স্বপ্ননীলৰ বাইকৰ পাছত ঘূৰাটো ৰূপমৰ মুঠেই সহ্য নহ'ল। সেয়েহে গৈ সি ৰুমীৰ হাত এখনত ধৰি কৈছিল ৰুমী তুমি কিয় এনেকুৱা খন কৰিছা? লগে লগে ৰূপৰ গালত স্বপ্ননীলৰ প্ৰচণ্ড ঘোচাটো পৰিছিল। তাৰ পিছতেই আৰম্ভ হৈ গ'ল, বিল্ডাৰ স্বপ্ননীলৰ অবিৰাম আঘাত। ধোৱা ধোৱা চকুৰে, ৰূপমে দেখিছিল, ৰুমীয়ে স্বপ্ননীলৰ ডিঙিত সাৱতি ধৰি স্বপ্ননীলৰ ওঠত মৰম যাছিছিল। আৰু বাইকৰ পিছত উঠি, তাৰ পৰা তীব্ৰ গতিৰে আঁতৰি গৈছিল।

ৰূপমে লাহেকৈ থিয় হ'ব খুজি ডিঙিৰ বিষত কেকাই উঠিল। ○○

## আচৰিত কিন্তু সঁচা

- মানুহৰ বাহিৰে আন কোনো প্ৰাণীয়েই চিৎ হৈ শুব নোৱাৰে।
- সূৰ্যৰ উষ্ণতা বৰ্তমানতকৈ আধা হোৱা হ'লে পৃথিৱীত শীতৰ প্ৰকোপ ইমান বেছি হ'লহেঁতেন যে কোনো প্ৰাণীয়েই জীয়াই নাথাকিলহেঁতেন। আনহাতে সূৰ্যৰ উষ্ণতা বৰ্তমানতকৈ ১.৫ গুণ বেছি হোৱা হ'লে পৃথিৱীৰ বাসিন্দাসকল জীয়াই জীয়াই পুৰি মৰিলহেঁতেন।

# জীৱনৰ অনুভৱ

✍ অন্নপূৰ্ণা কাশ্যপ

প্ৰিয়া প্ৰিয়া এইফালে আহচোন। প্ৰিয়াৰ বান্ধৱী শিল্পাই প্ৰিয়াক চাইন্স গেলাৰীলৈ মাতিলে।

কি হ'ল শিল্পা ..... কিয় মাতিছা মোক?

অ' প্ৰিয়া, তোৰ লগত বোলে ই চিনাকী হয়। এয়া মোৰ মামাৰ ল'ৰা সাগৰদা। তোৰ কথা কৈছিলো সেইবাবেই চিনাকী হ'ব বিচাৰিলে।

আৰু সাগৰদা, এয়া প্ৰিয়া.. মোৰ অন্তৰংগ বান্ধৱী।

হেল্লো' প্ৰিয়া....!

হেল্লো'......!

প্ৰিয়া, জানা তোমাক মোৰ হৃদয়ে ভালপাই পেলাইছে তুমি কি কোৱা প্ৰিয়া।

কিন্তু সাগৰদা....!

কোনো কিন্তু নাই .....! মই জানো তুমিও মোক ভালপোৱা!

আজি এইবোৰ কথাই প্ৰিয়াৰ মনত বাঁহ বান্ধি আছে। তাই বাৰু ভুল কৰিলে নেকি? কিন্তু সাগৰদা তেনেকুৱা হ'ব বুলি তাইতো ভবা নাছিল। কিয়; কিয় তেনে কৰিলে সাগৰদাই মোক.. ! সি জানো মোক অকনো ভালপোৱা নাছিল! সি চাগে মোৰ শৰীৰটোহে বিচাৰিছিল। অ' আজিহে তাই অনুভৱ কৰিলে সাগৰে তাইৰ দেহক লৈ খেল খেলি আঁতৰি গ'ল। নাই নাই তাই আৰু কোনো ল'ৰাকে বিশ্বাসত নলয়। তাই অকলশৰীয়া হৈয়ে কটাব চিৰদিন কাৰণ তাই আজিহে অনুভৱ কৰিলে। জীৱনত তাই খুওব দুখলগাকৈ হাৰি গ'ল তাকো প্ৰথম প্ৰেমতেই....।OO

# বাৰ্ধক্য

✍ কঙ্কন দেৱ শৰ্মা
স্নাতক ২য় বৰ্ষ

যোৱাকালিয়ে পুত্ৰ বোৱাৰী সৰু নাতি দুটা বাংগালোৰলৈ গুচি গ'ল। ঘৰত কেৱল মইহে আছোঁ। আজি কি মান বছৰ বয়স হ'ল বাৰু মোৰ? মই মনত পেলাবলৈ যত্ন কৰিলোঁ আশী, নে একাশী সঠিক মনত পৰা নাই। যোৱাকালি পুত্ৰ বোৱাৰী গুচি যোৱাৰ পিছত আজি নিজৰে মনতো বৰ উৰুঙা উৰুঙা লাগি আছে। অকল আজি বুলিয়েই নহয় সদায়ে মন মোৰ বিষন্ন। এতিয়াতো মোৰ জীৱনৰো বিযন্ন আবেলি।

এয়া ভাত দিছো! খত্ খত্কৈ ধাতৱ শব্দ এটা আহি মোৰ কাষত কৈ ক'লে। মই চকুযোৰ বহলকৈ মেলি তাইলৈ চালো। পূৰ্ণিমা মানে মোৰ পুত্ৰই আনি দিয়া মোৰ পৰিচালক গৰাকী।

ঃ আপুনি উঠিব পাৰিবনে? নে মই সহায় কৰিব লাগিব? ভাতৰ থালখন টেবুলত থৈ তাই সুধিলে।

পাৰিম দে আই। তই এতিয়া যা। মই ক'লো।

ঃ নাই নহব আপুনি খোৱা শেষ কৰিলেহে মই সাজ বাছন লৈ যাব পাৰিম। তাই মূৰ জোকাৰি অস্বীকাৰ কৰিলে। উপায় নাপাই মই খাবলৈ উঠিলো। ক্ৰিং ক্ৰিং হঠাৎ ফোনটো কৰ্কশভাৱে চিঞৰি উঠিল। মই লাহে লাহে ফোনটো দাঙি ললো। সিফালৰ পৰা মোৰ পুত্ৰৰ মাতটো ভাঁহি আহিল।

দেউতা যোৱা কালি আমি আহি থাকোতে বিমান দূৰ্ঘটনাত মোৰ পত্নীৰ মৃত্যু হ'ল। অতি সাধাৰণ ভাবেই কলে সি।

ঃ কি মই চিঞৰি উঠিলো

ঃ দেউতা দুখ নকৰিব আপোনাৰ হাৰ্ট এটেক হৈ যাব। মই চিন্তা কৰিলো কি? সি নিজৰ পত্নীৰ মৃত্যু হোৱা কথাটোকে ইমান সহজভাবে লৈছে। আজিকালি আমাৰ দিনৰ দৰে ইহঁতৰ অলপো আবেগ অনুভূতি নোহোৱা হ'ল। মোৰ পত্নীৰ মৃত্যু হওঁতে কি অৱস্থা হৈছিল মোৰ, আজি পুত্ৰৰ পত্নীৰ মৃত্যুত একো প্ৰতিক্ৰিয়াই নহ'ল। বাঃ কি আচৰিত এই যুগৰ প্ৰভাৱ।OO

# ফেশ্যন শ্ব’

✍ ভাস্কৰ জ্যোতি নাথ
স্নাতক ৩য় বৰ্ষ

অনুভৱ মোৰ প্ৰীতিৰ স্মৃতি
অনুৰাগ মোৰ গীত
আভৰণ মোৰ চিত
অনুভূতি মোৰ চিত ৰহনীয়া বৰণীয়া।।

সুলেখাই গীতটো গুণ গুণাই নিজৰ কোঁঠাত সোমায়ে চকু পৰিল প্ৰান্তিক আলোচনী খনিলৈ। প্ৰান্তিকৰ পাত লুটিয়াওতে পাই গৈছে অন্য এক ৰুচিবোধ। কেইটামান গল্প, শিৰোনামা বিলাক বেয়া লগা নাই। তাৰে কোনটো পঢ়িব। ঠিৰাং কৰিলে 'আলট্ৰা মৰ্ডানিজিম' নামৰ গল্পটোকে পঢ়িব।

ফেশ্যন শ্ব’ পাতিছে গুৱাহাটী ক্লাৱত।

ড° প্ৰশান্ত হাজৰিকাৰ ঘৈণীয়েক মিচেছ্ জাগৃতি হাজৰিকা আমন্ত্ৰিত হৈছে সেই শ্ব’উপভোগ কৰিবৰ কাৰণে। লগত গৈছে তেওঁৰ নবছৰীয়া সন্তান লীনা।

শ্ব’ আৰম্ভ হৈছে। সকলোৰে মনোযোগেৰে চাই আছে। এনেতে হঠাৎ চিঞৰ...। কোনে চিঞৰিছে মিছেছ হাজৰিকাৰ সন্তান লীনাই। এনেতে সুধি পেলালে মাকে; কি হৈছে মাজনী...?

লীনাই মাত লগালে। মা মা মোক অলপ পইচা দিয়াছোন সেই বা জনীক দিওঁ। বাজনী ইমান দুখীয়া কাপোৰ কিনিবলৈকে পইচা নাই।

সুলেখাই গল্পটো পঢ়ি তাচ্ছিল্য আৰু গল্পকাৰক উদ্দেশ্যি ধন্যবাদ সূচক হাঁহি এটি মাৰি বিচনাত শুই পৰিল। ○○

# মানাহ ঃ এটি নষ্টালজিক অনুভৱ

✍ মৌচুমী হাজৰিকা
প্ৰাণী বিজ্ঞান বিভাগ

ইংৰাজীত এশাৰী আপ্ত বাক্য আছে— 'Nature is the friend, phillosopher and guide.' আনহাতে ৰূপে-গুণে অনুপমা আমাৰ জনমভূমি অসম হৈছে প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ এখনি মনোমোহা ৰাজ্য। ইতিহাসে ঢুকি পোৱা দিনৰে পৰা ইয়াৰ প্ৰাকৃতিক বন্দনা বুৰঞ্জীৰ পাত লুটিয়ালেই পোৱা যায়।

'মানাহ' নামটোঁয়েই জানো আপোনাকো শিহৰিত কৰা নাই? নামটিৰ দৰেই অপৰূপ ইয়াৰ সৌন্দৰ্য। আনহাতে ইয়াৰ জৈৱ বৈচিত্ৰতাই ইয়াৰ মনোমোহা ৰূপত সোণত সুৱগা চৰাইছে। বাক্সা (বাগচা) আৰু চিৰাং জিলা (বি টি এ ডি, অসম)ৰ মাজেৰে 'মানাহ ৰাষ্ট্ৰীয় উদ্যান' বিস্তৃত হৈ আছে। ইয়াৰ মাজেৰে মানাহ নৈ বৈ গৈ ইয়াক দুভাগত বিভক্ত কৰিছে। ই পশ্চিমে সোণকোষৰ পৰা পূৱে ধনশিৰিলৈ ২৮৩৭ বৰ্গ কিঃমিঃ পৰ্যন্ত বিস্তৃত। ১৯৯০ চনত ইয়াৰ ৫০০ বৰ্গ কিঃ মিঃ ক্ষেত্ৰ ৰাষ্ট্ৰীয় উদ্যান হিচাবে ঘোষিত হয়। মানাহ ভাৰত-ভূটান সীমান্তৰ হিমালয়ৰ পাদদেশৰ অসমত অৱস্থিত। আনহাতে ই 'ৰয়েল মানাহ পাৰ্ক'ৰ লগত সংযুক্ত হৈ জৈৱবৈচিত্ৰতাৰ সম্ভাৰেৰে সমৃদ্ধ সৌন্দৰ্যৰ আকৰ হিচাপে পৰিগণিত হৈছে। ৯১°৫১´ দ্ৰাঘিমাংশৰ পৰা ৯২°০´ পূৱ অক্ষৰেখা আৰু ২৬°৩০´ ৰ পৰা ২৭°০´ উত্তৰত অৱস্থিত এই অঞ্চল। ইয়াৰ গড় বৃষ্টিপাত ৩৩৩ ছেঃমিঃ। তাপমাত্ৰা গড়ে ২৯° চেলছিয়াছ। ইয়াত জুন মাহৰ পৰা ছেপ্তেম্বৰ মাহলৈ বৰ্ষাকাল, মাৰ্চ মাহৰ পৰা মে'লৈ গ্ৰীষ্মকাল আৰু ডিচেম্বৰ মাহৰ পৰা ফেব্ৰুৱাৰীলৈ শীতকাল।

২০০৫ বৰ্ষৰ ৯ নৱেম্বৰ —মোৰ জীৱনৰ এটা স্মৰণীয় দিন। বহুতো পৰিকল্পনাৰ পিছত এই দিনটোতেই মই মানাহ ভ্ৰমণৰ সুযোগটি পাইছিলো। আমি মঙলদৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞানৰ স্নাতক দ্বিতীয় বৰ্ষৰ সৰ্বমুঠ বাৰজন ছাত্ৰ-ছাত্ৰীয়ে যাত্ৰা আৰম্ভ কৰিছিলো ৰাতিপুৱা প্ৰায় দহ বজাত। আমাৰ দলটোৰ তত্ত্বাৱধান লৈছিল আমাৰ বিভাগৰ মুৰব্বী অধ্যাপিকা সন্মানীয়া শ্ৰীমতী ৰাণু কলিতা বাইদেউ আৰু আমাৰ বিভাগৰেই অতি শ্ৰদ্ধাৰ শ্ৰীবুধিন চন্দ্ৰ হাজৰিকা চাৰে। লগত আছিল বাইদেউৰ সৰু ছোৱালীজনী। আমি প্ৰায় আঢ়ৈ বজাত আমাৰ ক্ৰুইজাৰ গাড়ীখনেৰে বৰপেটা ৰোড্স্থিত ক্ষেত্ৰ সঞ্চালকৰ কাৰ্যালয়ত উপস্থিত হৈছিলোঁ। বৰ্তমানৰ ক্ষেত্ৰসঞ্চালক বিষয়াগৰাকী সন্মানীয় শ্ৰীযুত অভিজিৎ ৰাভা ডাঙৰীয়া একালত চাৰৰ সতীৰ্থ আছিল। তেওঁ আমাক তাত মানাহৰ ইতিহাস সম্পৰ্কে তথা তাৰ থলুৱা বাসিন্দাসকলৰ লোক-সংস্কৃতিৰ বিষয়ে এটি থুল-মূল আভাস দাঙি ধৰিছিল। আমি তাতেই

দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি পুনৰ চাৰি বজাত বাঁহবাৰী ৰেঞ্জ অভিমুখে ৰাওনা হৈছিলো। ইতিমধ্যে সন্ধিয়াৰ শেষ আকাশত জোনে মিচিকিয়াই হাঁহিছিল। অৱশেষত চাৰে পাঁচ বজাত বাঁহবাৰী ৰেঞ্জ পাইছিলোগৈ। বৰপেটা ৰোড্‌স্থিত ক্ষেত্ৰ সঞ্চালকৰ কাৰ্যালয়ৰ পৰা ইয়াৰ দূৰত্ব ২০ কিঃ মিঃ। ইয়াৰ পৰাই মানাহৰ Core Area আৰম্ভ হয়। পুনৰ আমি জোনৰ স্নিগ্ধ পোহৰত আগবাঢ়িলো মথনগুৰি অভিমুখে, কাৰণ আমাৰ থকা-মেলাৰ ব্যৱস্থা কৰা হৈছিল মথনগুৰিৰ আই বি-ত। ৰাস্তাৰ দুয়োকাষে হাবি। আমাৰ চকুৱে বিচাৰি আছিল কিজানি জোনৰ পোহৰত মানাহৰ গৰাকীৰ দৰ্শন হয়েই। অৱশ্যে আমি নিৰাশ নহ'লো। এটা প্ৰকাণ্ড বাইচন গাড়ীৰ হেডলাইটৰ পোহৰত দেখিলো। অৱশেত আমি প্ৰায় ছটামানত মথনগুৰিৰ পৰিদৰ্শন বঙলাত উপস্থিত হ'লো। সেইদিনা আছিল পূৰ্ণিমাৰ পিছ দিনটো। এই বৰ্ণনাখিনি নিদিলে হয়তো লিখনিটো অসম্পূৰ্ণ হৈ ৰ'ব। জোনক বিটোত নিশা, বঙলাৰ কাষেৰে মানাহ নৈ বৈ গৈছে। শান্ত সমাহিত ৰূপত, নদীৰ সিপাৰে শাৰী শাৰী পাহাৰৰ লানি, লগতে নিশাৰ মলয়া, কি যে এক স্বপ্নিল আবেগ। যেন কোনো অনামী খনিকৰৰ হাতৰ পৰশতহে সকলো উদ্ভাসিত হৈ পৰিছে। মুহূৰ্ততে আমি দিনটোৰ ক্লান্তি-অৱসাদ সকলো পাহৰি গ'লো। মই, কন্নকী, জিনা, নাৰ্গিছ, গায়ত্ৰী, হিমাঞ্জলী, হিমাংশু, দেৱৰ্ষি, পৰাগ, দীপক, সৌৰভ, কামাল সকলোৱে মাথো প্ৰাণভৰি উপভোগ কৰিলো সেই সৌন্দৰ্য। পৰা হ'লে সেই ক্ষণতেই যেন ৰৈ যাম অনন্ত কাল.... । কিন্তু ভবা মতে সকলো নহয়, গতিকে আমিও জিৰাই শতাই নিশা ওলাই গ'লো মানাহ দৰ্শনৰ বাবে। আমাৰ লগত আছিল দুজন অৰণ্য ৰক্ষক। আমি যদিও সকলোৱে বাঘ দৰ্শনৰ হাবিয়াসতহে ওলাইছিলো, কিন্তু হয়টো ভাগ্য সুপ্ৰসন্ন নাছিল সেয়ে তেৱাৰ দৰ্শন নহ'ল। কিন্তু আমি চম্বল হৰিণ দেখা পালো, পুনৰ ঘূৰি আহি আমি নিশাৰ আহাৰ গ্ৰহণ কৰো। জোনাকী শুভ্ৰতাত নিমগ্ন হৈ সেই নিশা আমি সকলোৱে বহু পলমকৈ শুবলৈ যাওঁ। আচলতে তেনেকুৱা এটা নিশাত কাৰো শুবলৈ মন নাযায়। পৰাগ, কামালহঁতে সেই প্ৰচণ্ড বতাহতো উজাগৰে কটালে। 'Tumbin...'ৰ গান শুনি শুনি আমি কেতিয়া টোপনিৰ কোলাত ঢলি পৰিলো ক'ব নোৱাৰো। পিছদিনা পুৱতি নিশাতেই উঠি ফ্ৰেছ হৈ একোখন বিস্কুটেৰে চাহ পৰ্ব সমাপন কৰি আমি পুনৰ ৰাওনা হ'লো পদব্ৰজে। বাঘ দৰ্শন নহ'লেও মানাহ নদীৰ বালিচৰত সদ্যপ্ৰাপ্ত পদচিহ্ন দৃষ্টিগোচৰ হ'ল। লগতে টুপিমূৰীয়া বান্দৰৰ জাক আৰু বহুটো চৰাইৰ প্ৰজাতি দেখিলো। ইতিমধ্যে দহ বাজিছিল আৰু আমি পুনৰ আই বি-লৈ উভতি আহি চাহ, কল, কণীৰে আমাৰ ব্ৰেকফাষ্ট সমাপন কৰিছিলো। এই সময়ত আমাক সঙ্গ দিছিল ৰেঞ্জাৰজনে। তেওঁ যথেষ্ট কৌতুকপ্ৰিয় ব্যক্তি আছিল। তাৰপিছত আৰম্ভ হ'ল আমাৰ নৌকা ভ্ৰমণ পৰ্ব। খুপি খুপি এটি ওখ গৰাৰ পৰা তললৈ নামি অহা কাৰ্যটো সঁচাকৈ অতি ৰোমাঞ্চকৰ আছিল। নাঁৱত উঠি নদী পাৰ হৈ আমি সিপাৰে থকা ভূটানৰ অন্তৰ্গত 'ৰয়েল মানাহ নেচনেল পাৰ্ক'ত উপস্থিত হ'লো। তাৰে ৰেঞ্জাৰজনৰ সৌহাৰ্দ্যপূৰ্ণ ব্যৱহাৰে আমাক মুগ্ধ কৰিলে। ৰয়েল মানাহৰ অলপ ভিতৰতেই ভূটানৰ ৰজাৰ ৰাজকীয় অতিথিশালাটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। আমি তাত সোণালী বান্দৰৰ জাক দেখা পালো। ইতিমধ্যে আমি নাঁৱত উভতিবৰ বাবে সাজু হৈছিলো।

ইথোপিয়ান ইণ্ডোটেন সংযোজনৰ মিলনভূমি ভূটানৰ পাদ-দেশৰ পৰা বিশিষ্ট ঘন অৰণ্যৰ সৌন্দৰ্য সম্ভাৰেৰে মানাহ নৈ ওলাই আহিছে আৰু ইণ্ডোটেন ৰাজ্যৰ বন্যপ্ৰাণীৰ আবাস স্থান প্ৰদান কৰিছে। মানাহ অকল সৌন্দৰ্যৰ প্ৰাচুৰ্যৰে পৰিপূৰ্ণ এক উদ্যানেই নহয়, সংৰক্ষিত প্ৰাণীসমূহৰ বিশাল হস্তী, বনৰীয়া ম'হকে ধৰি সৰু নলগাহৰি, সোণালী বান্দৰ, ডুৰা, কাছ, বেঙ্গল ফ্ৰোৰিকান আদিৰ ই বাসগৃহও। মানাহত নথিভুক্ত কৰা ৬০ বিধ স্তন্যপায়ী জন্তুৰ ২১ বিধেই ভাৰতীয় বন্যপ্ৰাণী সংৰক্ষণ আইন (১৯৭২)ৰ ১নং তালিকাত স্থান পাইছে।

মানাহ নৈখন ভাৰত-ভূটান সীমান্তৰ পাদদেশৰ ঠেক বাটেৰে ওখ-চাপৰ ভূমিৰ মাজেৰে প্ৰচণ্ড গৰজেৰে আহি এই ৰাষ্ট্ৰীয় উদ্যানত তিনিটা ভাগত বিভক্ত হৈছে। ইয়াৰ প্ৰধান ভাগটোৱে উদ্যানৰ ৩০ কিঃমিঃ ভিতৰেৰে বৈ গৈছে, য'ত ই বেকী নাম পাইছে। মানাহ নদীৰ পাৰৰ শান্তি আৰু নিৰ্জনতাৰে ভৰা 'মথনগুৰি'ৰ পৰ্যটন ভূমি প্ৰকৃতিৰ এক দুৰ্লভ দান। প্ৰকৃততে মানাহ হ'ল তৃণভূমি, অৰণ্য, নদী, জলাহপূৰ্ণ সমভূমি আৰু পাৰ্বত্য ভূমিৰ এক অপূৰ্ব সমাহাৰ। ই প্ৰদান কৰিছে বহুতো স্তন্যপায়ী প্ৰাণী, পক্ষী, সৰীসৃপ, উভচৰ প্ৰাণী, পোক-পতঙ্গ আৰু বিবিধ প্ৰজাতিৰ পখিলাৰ এক উপযুক্ত বাসস্থান।

মানাহত হিমালয়ৰ পাদদেশৰ সাৰুৱা বনাঞ্চল, পূৱৰ ভাবৰ শাল, পূব হিমালয়ৰ অৰ্ধসেউজ বনাঞ্চল, সেমেকা তৃণভূমি আৰু আৰ্দ্ৰ বনাঞ্চল যেনে— ঔটেঙাৰ দলনি আৰু গ্ৰীষ্ম আৰ্দ্ৰ আৰু সেউজ বনাঞ্চল পোৱা যায়। প্ৰায় ৫৫০ বিধৰো অধিক প্ৰজাতিৰ উদ্ভিদ বৰ্তমানলৈ চিনাক্ত কৰা হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল শিশু (<u>Dalbergia</u> <u>sisoo</u>), শাল (<u>Shorea</u> <u>robusta</u>), শিমলু (<u>Bombax</u> <u>ceiba</u>), শিৰিশ (<u>Albizzia</u> <u>lebek</u>), অমাৰি (<u>Aphanamixis</u> <u>polystachya</u>), কদম (<u>Anthocephalvs</u> <u>cadamba</u>), জামু (<u>Syzygium</u> <u>cumini</u>), উৰিয়াম (<u>Bischofia</u> <u>javanica</u>), কাঞ্চন (<u>Bauhinia</u> <u>Purpurea</u>), ঔটেঙা (<u>Dillenia</u> <u>Indica</u>), আজাৰ (<u>Lagerstroemia</u> <u>Parriflora</u>), বহেৰিয়া (<u>Terminalia</u> <u>bellirica</u>), শিলিখা (<u>T.</u> <u>chebula</u>) ইত্যাদি। আনহাতে ঘাঁহ-বনৰ ভিতৰত উল্লেখযোগ্য উলু (<u>Imperata</u> <u>cylindrica</u>), কাহি (<u>Saccharum</u> <u>spontaneum</u>), বাৰেঞ্জা (<u>Narenga</u> <u>porphyrocoma</u>), ইকৰা (<u>Erianthus</u> <u>ravanae</u>) ইত্যাদি।

আনহাতে ইয়াৰ জৈৱ বৈচিত্ৰতা অভাৱনীয়ভাৱে অতি বেছি। ইয়াত ৬০ বিধ স্তন্যপায়ী জন্তু, ৩১২ টা প্ৰজাতিৰ পক্ষী, ৪২ প্ৰকাৰৰ সৰীসৃপ, ৭ প্ৰকাৰৰ উভচৰ প্ৰাণী আৰু ৫৪ প্ৰকাৰৰ মৎস্যৰ প্ৰজাতি বৰ্তমানলৈ ৰেকৰ্ড বুকত সন্নিৱিষ্ট কৰা হৈছে। নিম্নস্তৰৰ জীৱসমূহৰ

এতিয়াও অধ্যয়ন কৰা হোৱা নাই। ইয়াৰ উল্লেখযোগ্য জীৱ-জন্তুৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগিব নল গাহৰি বা পিগ্‌মি হগ্ (Sus Salvanius)। ইয়াক থলুৱা ভাষাত অস্মা থাখ্‌ৰি বোলে। সোণালী বান্দৰ (Trachypithecus Geei) হ'ল আন এবিধ বৈশিষ্ট্যপূৰ্ণ প্ৰাণী। কিন্তু ই হ'ল বৰ্তমান এবিধ বিপথগামী প্ৰজাতি (Endangered Spesies)। ইয়াক মানাহৰ পশ্চিমাঞ্চলত পোৱা যায়। সোণকোষ (Sankosh), মানাহ আৰু ব্ৰহ্মপুত্ৰ নদীৰ দ্বাৰা ইয়াৰ বিস্তাৰণ সীমাবদ্ধ হৈ আছে (ইয়াক পশ্চিম, পূব আৰু দক্ষিণাঞ্চলত পোৱা যায়)। থলুৱা বাসিন্দা সকলে ইয়াৰ তথা ইয়াৰ আবাসভূমি সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বেঙ্গল ফ্লৰিকান (Houbaropsis Bengalensis) হ'ল আন এবিধ বিশেষভাৱে উল্লেখযোগ্য পক্ষী। ইও হ'ল এবিধ বিপথগামী বাষ্টাৰ্ড। ১৯৮৯-৯০ বৰ্ষত প্ৰায় ইয়াৰ আশীটা প্ৰজাতি চিনাক্ত কৰা হৈছিল যদিও ইয়াৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। কাক্‌লাবাৰী অঞ্চলত ইয়াৰ থলুৱা বাসিন্দাসকলে এই বিশেষ প্ৰজাতি তথা ইয়াৰ আবাসভূমি সংৰক্ষণত গুৰুত্ব প্ৰদান কৰিছে। ১৯৭৩ চনত মানাহত ব্যঘ্ৰ প্ৰকল্প মুকলি কৰা হয়। বাঘ (Panthera Tigris) ইয়াৰ মুখ্য আকৰ্ষণ। যোৱা নব্বৈ দশকৰ ভিতৰত চোৰাং চিকাৰীৰ বাবে ইয়াৰ সংখ্যা বহুখিনি কমি গৈছিল। হাতী (Elephas Maximus)ৰ ৰম্যভূমি হ'ল মানাহ। অভয়াৰণ্যখনত ৫০০ টাৰো অধিক হস্তী আছে। ইয়াৰোপৰি পোৱা অন্য স্তন্যপায়ী প্ৰাণীসমূহ হ'ল নাহৰফুটুকী বাঘ (P. pardus), সোণালী মেকুৰী (Felis temmincki), লিঅ'পাৰ্ড কেট (F. bengalenensis), টুপীমূৰীয়া বান্দৰ (Trachypithecus pileata), শ্লথ ভালুক (Melursus ursinus), বনৰীয়া কুকুৰ (Coun alpinus), গড় (Rhinoceros unicornis), চম্বৰ (Cervus unicolor), ম'হ (Bubalus arnee), হৰিণ (C. porcinus), বাইচন (Bog gourus), শহাপহু (Caprolagus hispidvs), ক'লা ভালুক (Urgus thibetanus), ওটাৰ (Lutra Lutra) ইত্যাদি প্ৰধান। পক্ষীৰ ভিতৰত অৰিএণ্টেল হোৱাইট (Byps bengalensis) ইত্যাদি প্ৰধান। আনহাতে সৰীসৃপৰ ভিতৰত ফেঁটী সাপ (Naja kouthia), ৰজা ফেঁটী (Ophiophagvs hannah), ক্ৰেইট (Bangarvs fasciatvs), কাছ (Kachvga sylhetunsis), Varanvs bengalensis আদি উল্লেখযোগ্য।

**বিশেষভাৱে স্মৰণীয় ঃ**

১৯০৫ ঃ সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃতি লাভ।

১৯০৭ ঃ মানাহ সংৰক্ষিত বনাঞ্চল।

১৯২৮ ঃ মানাহ অভয়াৰণ্য (৩৬০ বৰ্গ কিঃমিঃ জুৰি)।

১৯৭৩ ঃ মানাহ ব্যঘ্ৰ প্ৰকল্প (২৮৩৭ বৰ্গ কিঃমিঃ)।

১৯৮৫ ঃ World heritage site (Natural) হিচাপে UNESCO ৰ দ্বাৰা ঘোষণা।

১৯৮৯ ঃ সংৰক্ষিত বায়'স্ফিয়াৰ অঞ্চল (২৮৩৭ বৰ্গ কিঃমিঃ।

১৯৯০ ঃ ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা (৫০০ বৰ্গ কিঃমিঃ)।

২০০৩ ঃ চিৰাং ৰিপু হস্তী প্ৰকল্প (২৬০০ বৰ্গ কিঃমিঃ)।

প্ৰকৃতিৰ অপূৰ্ব অৱদান মানাহ। ইয়াত সংঘটিত চোৰাং চিকাৰে ভাবুকিৰ সৃষ্টি কৰিছে। কিন্তু সুখৰ বিষয় যে ইয়াৰ জনজাতীয় তথা থলুৱা সম্প্ৰদায়ৰ লোকসকলে ইয়াৰ সংৰক্ষণত অগ্ৰণী ভূমিকা গ্ৰহণ কৰাৰ লগতে ইক'টুৰিজিমলৈও উৎসাহ যোগাইছে। দুৰ্ভাগ্যজনকভাৱে ১৯৯২ চনত মানাহক 'World Heritage Site in Danger' হিচাপে অন্তৰ্ভুক্ত কৰা হয়। আনহাতে বৰ্তমান মানাহৰ আন্তঃগাঠনি উন্নীতকৰণ প্ৰক্ৰিয়াত বৰ্তমানৰ ক্ষেত্ৰ সঞ্চালক শ্ৰদ্ধেয় অভিজিৎ ৰাভা ডাঙৰীয়াৰ লগতে কৰ্মীবৃন্দৰ অৱদান অনস্বীকাৰ্য। তেওঁলোকৰ আশাশুধীয়া চেষ্টাই নিশ্চয় বাস্তৱ ৰূপ পাব। এইটো অতি আনন্দৰ বিষয় যে মানাহত বাঘ তথা অজগৰৰ সংখ্যা বৃদ্ধি পাইছে। মই আমাৰ মানাহ ভ্ৰমণত পোৱা সকলোধৰণৰ সহায় তথা আদৰ-আপ্যায়নৰ কথা কেতিয়াও পাহৰিব নোৱাৰিম। ৰাভাডাঙৰীয়া তথা কৰ্মীবৃন্দলৈ এই সুযোগতে মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আমি দহনৱেম্বৰৰ দিনা নৌকা ভ্ৰমণ সমাপ্ত কৰি বাংলো পাওঁতে প্ৰায় ১-৩০ বাজিছিল। সুস্বাদু হাঁহৰ মঙহ, কুকুৰাৰ মঙহ, বিবিধ শাক-পাচলিৰ ব্যঞ্জনেৰে আমি দুপৰীয়াৰ সাজ গ্ৰহণ কৰিছিলো। তাৰপিছত আমি কিছুসময় জিৰণি লৈছিলো। তাত পৰ্যটকে নিজাববীয়াকৈ আহাৰৰ সামগ্ৰী লৈ যাব লাগে, আনহাতে বন্ধা-বঢ়াৰ সকলো সু-ব্যৱস্থা আছে। আমাৰ সকলোৰে প্ৰত্যেকটো মুহূৰ্ত বিষাদে আৱৰি আছিল কাৰণ বিদায়ৰ ক্ষণ সমাগত। অৱশেষত আবেলি চাৰে চাৰি বজাত আমি ঘৰ অভিমুখে ৰাওনা হ'লো। এৰি থৈ আহিলো মানাহৰ নৈসৰ্গিক শোভা আৰু লগত লৈ আহিলো কেতিয়াও পাহৰিব নোৱাৰাকৈ স্মৃতিৰ সঁফুৰাত দুটি সোণালী দিন...। মানাহৰ সেই নিশাটিৰ নৈসৰ্গিক দৃশ্য এতিয়া মাথো এটি নষ্টালজিয়া...। পাহৰিব কিন্তু নোৱাৰি, ই সঁচাকৈ মনত খোদিত হৈ ৰ'ল। সঁচাকৈ I will always go back to Manas!! আপুনিও যদি জন-অৰণ্যৰ পৰা বিচ্ছিন্ন হৈ প্ৰকৃতিৰ বুকুত অৰণ্যত এৰাতি কটোৱাৰ কথা ভাবিছে, তেন্তে সোণালী জয়ন্তীৰ বৰ্ষই গৰকা মানাহৰ কথা নাপাহৰিব।

**পৰ্যটকৰ বাবে তথ্য ঃ**

বন্যপ্ৰাণী দৰ্শনৰ বাবে ডিচেম্বৰৰ পৰা মাৰ্চ মাহ উপযুক্ত।

**আবাসস্থান ঃ**

মথনগুৰিত ঃ ওপৰৰ ভৱন (দুখন বিচনাযুক্ত ৬টা কোঠালী), তলৰ ভৱন (দুখন বিচনাযুক্ত ২টা কোঠালী), কুটীৰ (দুখন বিচনাযুক্ত ৩টা কোঠালী), ডৰমিটৰি (৪টা কোঠালীযুক্ত)।

বাঁহবাৰীত ঃ বন পৰিদৰ্শন বঙলা (দুখন বিচনাযুক্ত ২টা কোঠালী)।

বৰপেটা ৰোডত ঃ বন পৰিদৰ্শন বঙলা (দুটা কোঠালী)। ○○

# "Political Participation of Women in India" An Overview.

✍ **Barnali Deka**
Lecturer, Deptt. of Pol. Sc.

"The success of a country mainly depends upon the effective participation of its members in the decission making process, which shape their life. Direct and indirect participation of citizens in public affairs and their involvement in the conduct of public affairs is the life of a participatory democracy. Participation of the citizens act as a check against the sinister interest of the privileged few over the general interest of the citizens. Thus the success of modern welfare state largely depends on the effective participation of citizens in decission making process. But a society in which a substantial part of population is denied any participation whatsoever is likely to be highly exploisive. Democracy becomes meaningful only when citizens, men and women are politically equal to the point of power sharing in proportion of their share in the population as a whole."

In some countries social status of women is very high but political participation is limited. In the concept of New World also women have a very limited role in political process. The political space all over the globe is very limited for women. In Indian tradition, from the very early period preference is given to boys than girls. The religious teachings also refers women or girls to be projected as Sita or to sacrifice for the sake of others. Women have been projected as a symbol of happiness, co-existence, peace and production. Ability of women was judged by her capacity to reproduce. She was expected to reproduce a male child. Thus the culture of dominance and alienation has strengthened the institution of patriarchy. As a result, women became weaker and exploited having limited right on property, limited access on education and reproduction.

As a result, if we want any political evenue for women there was a need for social reform, Thus during the fight against colonisers towards the end of 19th century a lot of reforms were brought by liberal reformers like Rammohan Roy, Vivekananda etc. on humanitarian ground. During the period of freedom struggle question of women's emancipation again disappeared. The leaders never thought of women's issue in negotiation for women's political power. They thought that colonial power only capture the material side and it was not necessary to deal with inside world which was not influenced by colonisers.

There was a controversial question about Gandhi's role - did he gave much attention on women issues? He said that women's participation in freedom struggle was their 'Dharma'. Gandhi spoke about absolute equality about men and women but not gave a positive role of women in political space. Although he was initially against women taking part in any direct political action, he later reversed his decission and encouraged their participation in the political process. It led to awareness amongst the educated few that not only raised the self-confidence of women, but also made them eager to participate in the political process in a more meaningful way. Annie Besant became Congress President as early as 1919, Sorojini Naidu was president of

Congress party in 1925. Starting with such kind of high profile role, Women's participation in politics enhanced drastically in the 30's and 40's. However the decades following independence witnessed a remarkable decline in women's involvement in politics.

With the inauguration of new constitution a new chapter was began. The constitution provided equal right to men and women. Indian government has passed various bills for the protection of women's rights. But inspite of the constitutional and legal provisions, it is often complained that Indian women have not been able to get adequate and proportionate participation in our political system. In free India, women participation in electoral politics have been minimal. If we analyse the representation of women members from the first Lok-Sabha election we find that in the first Lok-sabha election, the total number of seats were 499, and the numbers of women member were only 22. The Percentage was 4.40%. After that in the later elections, the members increased slightly but it never crossed the number of 50. In the sixth Lok Sabha election the percentage was much lower i.e. 3.4%. It was only in the eight Lok Sobha election that women representation reached an all time high of 8.1% out of the total strength Of 544 members of the house . Thus, it is clear that though Indian women constitute about 50% of the total electorate they have never been able to get adequate participation.

Another controversial issue in the Indian political system is the question of reservation of women and the participation women in Panchayati Raj institutions. The Constitutional 73rd and 74th Amendment Acts (1992, enforced 1993) provided 33% reservation of seats for women in PRIs in the country. About one million women entered in the public arena through this act. No doubt reservation particularly in the local sphere increases, but only reservation is not enough for women's effective political participation. The most important need for women is that they should meaningfully use power. There is a disparity between the formal idea of women's political participation and their meaningful use of power. For example, 'Vote Power'. Women have never emerged as a potential voters block. Since independence many Indian women have been failed to effectively use this power due to various causes. Many women vote according to the will of their husbands or family members. In many cases women are forcefully deprived of their right to vote. Our electoral process on one hand contributing to the increasing modernisation of Indian politics on the other hand it also show some signs of becoming more traditional in Indian setting. Moreover, Panchayats are mostly dominated by males. A few women members working in the Panchayats, with the entry of 'Party Politics' into village level elections, often influenced by party dictates. Therefore they feel powerless within their respective parties. The unwillingness of the parties and leaders to enroll more women in their fold is another important factor.

In the modern society active participation in politics by every segment of the population irrespective of their sex, caste, creed, religion is considered as an essential requirement. Being a part of the population, the female -folk too need to be aware of the recent happenings, ups and downs in politics and also to participate in various public and political activities including elections where she needs to take part not only as a voter but also as a decission maker.○○

# WOMEN – A JOURNEY

✍ Bandana Bhardawag
1st Year (Arts)

The global population, involves both men and women.

The new world era is very advanced in every field and the weaker class is no more weaker any more as they involve themselves in every side of success. Thus one of the sector of involvement is in management i.e. planning and managerial functions. The total global population is 650 cores and among them the weaker class is 323 core. Thus, the weaker stronger community is none other than us the women community in India which total population is 102 core and women is 49 core. Any appraisal of women's economic rules and their opportunities for participation in economic activities cannot be done in isolation of the society. Throughout the history of mankind women have been engaged in economic activates along with man, as a matter of fact, the economic function has been the joint responsibility. Women are in born manager and planners. Studies reveal that woman are more sincere and dedicated towards their duties than men. The adage "behind every successful man there is woman" has been proved right time again through the ages. In ancient times, the Rajmata (Mother of the King) was considered as the principal advisor to the kind. Not only this, women have should their abilities in the battle field to Rani Laxmibai, Mula Gabharu etc. The late Indira Gandhi steered the nation for well over eleven years. The latest in line is Mrs. Kiran Bedi, a senior I.P.S. Officer (Currently adviser of UN) who has been awarded the Magsaysay award for her outstanding contribution to public life. Gold Mayor of Isracl (President) Bandar Nayar of Sri Lanka (President). Angela Marcellus (Chancellor of Germany), Johnson Shirley (President of Liberia), Michacl Basalt (President Celia) they are the bunch of successful bloomer, the leader of the weaker section.

In agrarian Societies, where family is the unit of production. The transition from traditional agricultural house hold industry to modern organized industries and from rural to urban areas, is destroying the traditional division of labour and women now find themselves handicapped by lack of opportunities to acquire those new skills and felt unwanted in the new set-up. The significance of women's participation in the planning process has therefore emerged not out of fundamental consideration but out of the need to maximize out put in growth, to reduce the growth of population and to contain misery and discontent that interferes with productive and growth. Since, time immemorial Indian women spends 73000 hours of her life in kitchen, but directly or indirectly they plan to uplift their standard. They always participate in planning process, as incident participation of Gargee, Maitayee, Lopamudra etc. in socioeconomic activities during the Vedic times, situation got altered in the post Vedic age Manu the first law given declaring that "from the cradle to the grave a women is always under the shadow of a man, in child hood-under father, youth under husband and in old age under son"

The number of problems exist in the society which have made it difficult for the proper integration of women in the planning process. The problems are economic, educational, social administrative, political. In the present scenario, women constitute 49% of total population. So, none can stop then from participating and thus, they erase backwardness

and uplift them selves by the 5 year plans that are outlined.

First plan (1951-56) The CSWB symbolizes welfare approach to women.

Second plan (1956-61) Protection against injurious works, maternity benefit also implement.

Third plan (1961-66) Promotes female education.

Fourth plan (1969-74) Emphasis of women welfare i.e. immunization.

Fifth plan (1974-79) Train women to generate income and their protection.

On 1977, the 6th and 7th plan were emphasized and the 8th plan is in its development process.

Though women have reached the summit yet, they lie at the lowest grade. Consumerism leads to rise in crime against women in state the present situation proves the lawgiver Manu's declaration.

At the present world, claims of law-enforcing bodies and women right activities too have secured women an equal status in the existing society appear hallow as the world continues to stick with its reputation of being an unsafe territory for women. Though women are at the Everest yet many lie on the valley. Out of the hundred only ten are the leaders or at the top but others are normal living being. The CID under section 498-A of the India penal code, indicated the figure of crime on women for the last five years.

| Year | Rape | Kidnapping | Lawelty by husband | Others | Total |
|---|---|---|---|---|---|
| 2002 | 903 | 1276 | 1694 | 1228 | 5101 |
| 2003 | 1049 | 1351 | 1808 | 1083 | 5291 |
| 2004 | 1036 | 1552 | 1945 | 1122 | 5655 |
| 2005 | 1217 | 1456 | 2206 | 1159 | 6038 |
| 2006 | 1203 | 1150 | 2378 | 1141 | 5872 |

The above survey is an approximate numbers. Many now, fight for women right though many may have reached the highest level yet many suffer. The suffers suffer due to their lack of confidence. The major drawbacks of women is education, employment, health, confidence and support. Thus, it is the duty of the women herself to stand for her rights. The parents mostly of India consider daughter as their burdens. So it is right of the parents to educate them and stand at their daughter's support. Women should not be like a domestic pet but should be strong and stand against her right. M.K. Gandhi said "No development of country if women are not developed" and this remains the cause of country's backwardness.

Thus, to conclude we women should have our motto "The realm of knowledge we shall explore, we shall not lag behind men, knowledge shall be ours as well, we shall grow food for the world, we shall beget gods for the world." (These are the stunning lines of Subramanya Bharati. So, one of the most enduring field is the "management field". As women are in born managers they should be given this field and they will be successful in this sector. Thus, this can be one of the step to uplift the women class. The present PWDVA-2005 (Protection to women for domestic violence Act) has 5 chapter, 37 sections and it acts like a fire brigade against violent fire like sexual, emotional, verbal, economical harassment done on women. According to this Act, if there is direct problem, than direct case in filed and direct judgment is given. Every women should be aware of this act and social workers should provide knowledge of this act to those women of rural areas. The District Social welfare officers is the protecting officer. Who helps women in every field of distress.

Thus, all, this measures help to uplift women class so, that they can improve their standard and gradually reach the submit.

"Women life is A journey- From the valley to the summit" OO

# A Bird's Eyeview on the NCC (S.W.) Mangaldai College

✍ **Leena Saikia**
ANO, 73 Assam Girls (I) Coy, NCC Tezpur

NCC (National Cadet Corps) was established in 1948 in India. But NCC for Girls was established in 1949. Today NCC is quite popular in our country. In its syllabus social service, Adventure training and Programme on nature, Ecological awareness are being included. Apart from these, its motto is Unity and Discipline. The aims of NCC are to develope qualities of character, courage, comradship, discipline, leadership, secular quality, spirit of adventure, sportmanship and ideal of selfless service and to create human resources organised, trained and motivated youth to provide service for nation and make good citizen.

In Mangaldai College, girls NCC has been introduced in 2003 with the strength of 52 (fifty two) cadets under 73 Assam Girls (I) Coy, NCC Tezpur, NER Directorate, Shillong. As soon as it has been started, it has gained its momentum and now in its full swing it has left its footprirts in each and every camp within and outside the state. Morning shows the day. In the first year, Darshana Goswami, Manisha Das and Kabita Barua attended Spl. NIC'03 (Special National Intergration Camp) at Dibrugarh University and have been awarded with Best Group Dance, Best Poster Making and 3rd prize in extempore speech competition. In 2004, Kabita Barua and Najia Jyoshna Ara Begum have been selected and attended TSC (Thal Sainik Camp) at Delhi. In Gwalior, 5 (five) cadets attended Rock Climbing Camp,05. They also got 1st prize in group song. In NIC at Nagaland, the cadets of our college won 2nd prize in group dance competition. Darshana Goswami also attended Personality Development Course of 33B in 2005 at OTA, Gwalior.

In each year cadets of Mangaldai College have been attending CATC (Combined Annual Training Camp) and have shown good performance with appreciation. In 2006, twenty cadets attended CATC, Phulbari and won 1st prize in group song, group dance, line area, drill, firing, guard of honour and 2nd prize in solo song, solo dance competition. In that year again 26 (twenty six) cadets attended in another CATC, Phulbari and in the 3rd camp, 7 (seven) cadets attended. The PRD II in the same year was attended by Rehena Begum and Mainathi Boro. In the following year 2007, NIC held at Itanagar, was attended by 2 (two) cadets. Deepshikha Konwar attended the TSC in Delhi in 2007. In the same year, 2 (two) cadets attended the BLC (Basic Leadership Camp) in Gujrat and 2 (two) in All India Tracking Camp, Sikkim in which Fahmida Begum won the 1st prize for solo song. SUO Mainathi Bodo attended Republic Day Parad,08 in Delhi for the first time from Mangaldai College Girl's Wing. We are proud that two girl cadets of our college have been awarded Sahara Scholarship which amount Rs. 12,000/- (Rupees twelve thousand) in the last year.

Some of the other activities such as Parade in Republic Day at Independence Day at Gandhi Maidan, Traffic control, Blood Donation, NCC Day Celebration (4th Sunday of Nov), Plantation of trees etc.

I wish all the cadets a bright future and also wishing long life of NCC, Mangaldai College.

Jai Hind.

OO

# Thinks

✍ **Bohni Sikha Ghosh**
T.D.C. 1st year (Arts)

Sky is blue,
it's only clue;
Up above the sky
The heaven!
I am here
to meet my dear God.
He is there
death is coming
waiting for us.
I am coming for you.
He said, O yes
You may come....
Earth said, not now,
It is not the real time,
Time moment has gone,
may you come. ○○

# Way to pleasure

✍ **Sangeeta Sarmah**
T.D.C. 1st Yr. (Arts)

You please don't scold me
Let me be free.
If you want me happy to be
Never expect anything from me.
Because ... my ability comes never
That will prove me failure
Trees, earth, sky, the society and thee
All are my interest
But why is it to me?
That I am in the failure's chest.
Because I will not be able
To give anything
So please stop expecting
It is the way to my pleasure
You don't use me further. ○○

# সম্পাদনা সমিতি

## মঙ্গলদৈ মহাবিদ্যালয় আলোচনী

## ২০০৬-০৭ বৰ্ষ



ছাজাদুৰ ৰহমান
উপদেষ্টা



বিচিত্ৰ কুমাৰ মেধি
উপদেষ্টা




মতিৰাম মেধি
উপদেষ্টা



ৰূপজ্যোতি বৰুৱা
উপদেষ্টা



ঘনকান্ত বৰুৱা
উপদেষ্টা



ড০ বিজয় কুমাৰ শৰ্মা
তত্বাৱধায়ক



প্ৰণামিকা শৰ্মা
সম্পাদিকা



মুনিন্দ্ৰ ডেকা
সদস্য



প্ৰণিতা দেৱী
সদস্যা



শিৱ শঙ্কৰ চৌধুৰী
সদস্য



মনোজ হাজৰিকা
সদস্য



নয়ন চহৰীয়া
সদস্য

# মহাবিদ্যালয়ৰ গৌৰৱ (১ম শ্ৰেণীৰ স্থানপ্ৰাপ্ত)



দৃষ্টি দাস
ভূগোল বিভাগ



পুনম বড়া
ভূগোল বিভাগ



ডালিমী ডেকা
ভূগোল বিভাগ



মৌচুমী হাজৰিকা
প্ৰাণী বিজ্ঞান বিভাগ



দেৱৰ্ষি চৌধুৰী
প্ৰাণী বিজ্ঞান বিভাগ



মঞ্জুশ্ৰী শৰ্মা
শিক্ষা বিভাগ



২০০৬-০৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্যবৃন্দৰ সৈতে প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়
মুনিন্দ্ৰ ডেকা, নয়ন ডেকা, প্ৰণৱ কুমাৰ নাথ, ড০ যাদৱ চন্দ্ৰ নাথ, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ, নয়নজ্যোতি চহৰীয়া, প্ৰণামিকা শৰ্মা, ধনজিৎ ডেকা



পৰ্বতাৰোহণ অৱস্থাত মনীষা দাস



ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ৰ সৈতে মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ



আন্তঃ মহাবিদ্যালয় এথলেটিকচ্‌ত অংশগ্ৰহণ কৰা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবৃন্দ



নৱজ্যোতি কলিতা, মৃগাংক শৰ্মা, সমৰজ্যোতি শইকীয়া, ৰাতুল ডেকা, ঋতুপৰ্ণ কলিতা, চয়নিকা শইকীয়া, দেৱব্ৰত ডেকা (যুৱ মহোৎসৱত নাটক আৰু মুকাভিনয় প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত দল)

## বছৰৰ শ্ৰেষ্ঠ



মনীষা দাস
শ্ৰেষ্ঠ খেলুৱৈ



প্ৰণামিকা শৰ্মা
শ্ৰেষ্ঠ সাহিত্যিক



চন্দ্ৰমা শইকীয়া
শ্ৰেষ্ঠ গায়িকা



হিমাংশু দত্ত, প্ৰাণজিৎ ডেকা
কুইজৰ শ্ৰেষ্ঠ দল
(যুৱমহোৎসৱত কুইজ প্ৰতিযোগিতাত তৃতীয় স্থান প্ৰাপ্ত)

# উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাৰম্ভতে বীৰ শ্বহীদসকলৰ বিদেহী আত্মাৰ প্ৰতি শ্ৰদ্ধা নিবেদিছোঁ। মহাবিদ্যালয়খনৰ যিসকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত উপ-সভাপতিৰ পদত জয়ী হৈছো, তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ প্ৰতিটো দিশতে উন্নতি কামনা কৰি সকলো দিশতে সততে চকু ৰাখিছিলো। আমাৰ ছাত্ৰ জিৰণি কোঠাৰ বাৰুকৈয়ে অভাৱ অনুভৱ কৰিছিলো। সেয়ে আমি মঙলদৈ মহাবিদ্যালয় পৰিচালনা সমিতি সভাপতি তথা প্ৰাক্তন স্থানীয় বিধায়ক গৰাকীৰ ওচৰত আবেদন দাখিল কৰোঁ আৰু তেওঁ আমাক সঁহাৰি দিয়ে। সেই অনুদানেৰে ছাত্ৰ-জিৰণি কোঠা নিৰ্মাণ কৰা হয়। ইয়াৰ উপৰিও বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজা উলহ-মালহেৰে পালন কৰা হয়। আমাৰ কাৰ্যকালত ড° যাদৱ চন্দ্ৰ নাথদেৱৰ বিদায় সম্ভাষণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। শেষত যিসকলে মোৰ কাৰ্যকালত প্ৰেৰণা, উৎসাহ-উদ্দীপনা যোগালে সেই সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শ্ৰদ্ধাৰে—
শ্ৰীনয়ন চহৰীয়া
উপ-সভাপতি

সম্পাদকীয় প্ৰতিবেদন

# সাধাৰণ সম্পাদক



জয় জয়তে আপ্ৰাণ চেষ্টা কৰি যিসকলে মহাবিদ্যালয়খন স্থাপন কৰিছিল তেওঁলোকলৈ এই সুযোগতে শ্ৰদ্ধা নিবেদিছো। মোক ভোট দি ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদক পদত জয়ী কৰোৱা সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। সাধাৰণ সম্পাদকৰ দৰে গুৰু ভাৰ লৈ মহাবিদ্যালয়খনৰ প্ৰতিটো দিশৰ প্ৰতি দৃষ্টি ৰাখিছিলো। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে ইউনিফৰ্ম পিন্ধাত গুৰুত্ব দিছিলো। মোৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ বাবে প্ৰাথমিক প্ৰয়োজন বিশুদ্ধ খোৱা পানী যোগান প্ৰকল্পৰ বাবে মাননীয় বিধায়ক ৰিহণ দৈমাৰীদেৱে অনুদান আগবঢ়ায়। কেন্টিনৰ সন্মুখত নৰ্দমাৰ সু-ব্যৱস্থা কৰা হয়। তদুপৰি বনৌষধিৰ বাগিছা এখন পাতি তাত বিভিন্ন ধৰণৰ বনৌষধিৰ গছ পুলি ৰোপন কৰা হয়। নৱাগতসকলক আদৰণি জনোৱা অনুষ্ঠান 'নৱাগত আদৰণি সভা' সুন্দৰভাৱে পালন কৰিছিলো। মহাবিদ্যালয় সপ্তাহো অতি সুচাৰুৰূপে পালন কৰা হৈছিল। মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থকা অভিনেতা চম্পক শৰ্মা, উদয় শংকৰ ভূঞা উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰ খোৰাক যোগাব সক্ষম হৈছিল। আমাৰ অতিকে শ্ৰদ্ধাৰ ছাৰ সকলো ক্ষেত্ৰতে সু-পৰামৰ্শ আগবঢ়োৱা ড° যাদৱ চন্দ্ৰ নাথদেৱৰ বিদায় সম্ভাষণ অনুষ্ঠান অনুষ্ঠিত কৰিছিলোঁ। তেখেতৰ কৃতিৰাজি জীয়াই ৰাখিবৰ বাবে কীৰ্তিয়স্য নামেৰে স্মৰণিকা এখনো প্ৰকাশ কৰি উলিওৱা হয়। শেষত মোৰ কাৰ্যকালত যিসকলে সহায়-সহযোগিতা আগবঢ়ালে সেই সকলক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

শ্ৰদ্ধাৰে—
শ্ৰীমনোজ হাজৰিকা
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

# খেল বিভাগ



*অতীতৰ ভেটিতেই ভৱিষ্যত গঢ় লৈ উঠে। সেয়েহে যিমান দূৰলৈ পৰা সিমান পিছলৈ ঘূৰি চোৱা। তোমাৰ অতীতত এৰি অহা সেই শাহতে নিজৰাৰ পৰা আকণ্ঠ পান কৰা আৰু তাৰ পাছত তুমি আগলৈ চোৱা, আগুৱাই যোৱা আৰু ভাৰতক পূৰ্ব স্থিতিলৈ উজ্জ্বলতৰ মহত্বৰ আৰু উন্নততৰ কৰি গঢ়ি তোলা।*

*—স্বামী বিবেকানন্দ*

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল জাতীয় বীৰে দেশৰ স্বাৰ্থৰ বাবে নিজৰ প্ৰাণ আহুতি দিলে, সেইসকল দেশপ্ৰেমিকৰ লগতে যিসকল প্ৰয়াত আৰু জীৱিত ব্যক্তিয়ে নিজৰ একক প্ৰচেষ্টাৰে এই ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খন গঢ়ি তুলিলে সেইসকল ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ লগতে স্মৰণ কৰিলোঁ।

মহাবিদ্যালয়ৰ ২০০৬-০৭ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত খেল বিভাগৰ সম্পাদক পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হওঁ। সেয়েহে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আজিৰ সমাজ আৰু সংস্কৃতি বৰ্তমান ধ্বংসৰ গৰাহত।

ইয়াৰ বাবে যুৱ উশৃঙ্খলতা দায়ীনে? নে পশ্চিমীয়া সংস্কৃতিৰ পয়োভৰ? নে ৰাজনীতিৰ প্ৰভাৱ? এক কথাত ক'বলৈ গ'লে এই সমাজ-সংস্কৃতিৰ বাবে দায়ী আমি নিজে। যান্ত্ৰিকতাৰ যুগত বৰ্তমান আমি একো একোটা ৰিমট কণ্ট্ৰোলেৰে চলা মাথোঁ এটা যন্ত্ৰহে। আমি আমাৰ নিজৰ ভাষা সংস্কৃতি পাহৰি পশ্চিমীয়া সংস্কৃতিক আকোৱালি লৈ নিজৰ জাতি, ভাষা, সংস্কৃতিৰ অস্তিত্ব নাইকীয়া কৰি পেলাইছো। দ্বিতীয়তে আজিৰ সমাজ, দেশ ধ্বংস হোৱাৰ প্ৰধান কাৰণ হ'ল যুৱ উশৃঙ্খলতা। বৰ্তমান প্ৰায়বোৰ লোকেই সহজতে ধন উপাৰ্জন কৰাৰ চেষ্টাত। সেইবাবে যুৱক-যুৱতীসকলে সমাজৰ অভিশাপস্বৰূপ কামত লিপ্ত হ'ব ধৰিছে। ইয়াৰ উপৰিও প্ৰায়বোৰ যুৱক-যুৱতী নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষিত হ'ব ধৰিছে। ফলত দেশখনৰ লগতে সমাজৰ সুস্থিৰ পৰিৱেশ নোহোৱা হৈ পৰিছে। তৃতীয়তে এই সকলোবোৰৰ বাবে দায়ী গণতান্ত্ৰিক দেশত ৰাজনীতিৰ প্ৰভাৱ। আজি কিহৰ কাৰণে আমাৰ অসমীয়া যুৱক-যুৱতীসকল হাবিৰ মাজে মাজে ঘূৰিব লগা হৈছে? স্বাধীনতা নে নিবনুৱা সমস্যা? কি উদ্দেশ্য লৈ কিহৰ সহায়ত আমাৰ অসমীয়া যুৱক-যুৱতীসকলে হাতত মাৰণাস্ত্ৰ লৈ হাবিয়ে হাবিয়ে ঘূৰি ফুৰিছে। যদি চৰকাৰে চৰকাৰী পৃষ্ঠপোষকতা প্ৰদান কৰিলেহেঁতেন তেতিয়া ই যুৱ অস্থিৰতা প্ৰশমনৰ কৌশলত পৰিণত হোৱাৰ লগে লগে কৰ্ম সংস্কৃতিৰ পৰিৱেশ অব্যাহত থাকিলহেঁতেন আৰু নিবনুৱা সমস্যা কিছু পৰিমাণে হ'লেও প্ৰশমিত হ'লহেঁতেন।

চাৰ্লচ ফ্ৰাঞ্চিচ আডামছে কোৱাৰ দৰে ইয়াৰ অৰ্থ এইটোও নহয় যে দুৰ্নীতিক ঢাকি ৰাখিব লাগিব। প্ৰকৃততে দুৰ্নীতি ভ্ৰষ্টাচাৰৰ বিকল্প কিবা এটাও জনসাধাৰণৰ সন্মুখত থিয় কৰোৱাটো প্ৰয়োজন। আমি যদি ছাত্ৰ সমাজ আৰু প্ৰচাৰ মাধ্যমবোৰ দুৰ্নীতিৰ বিৰুদ্ধে থিয় দিও তেতিয়া হ'লে কিছু পৰিমাণে দুৰ্নীতি লাঘৱ হ'ব।

**মহাবিদ্যালয়ৰ খেল সম্পৰ্কে ঃ** মই নিজৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি একেবাৰে সেৰেঙা। মহাবিদ্যালয়খনত প্ৰায় তিনি হেজাৰ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মাত্ৰ এশমান ছাত্ৰ-ছাত্ৰী উপস্থিত থকাটো তেনেই লজ্জাজনক। হয়তো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে খেল অনুশীলনৰ বাবে সুবিধা পোৱা নাই। তাৰবাবে মহাবিদ্যালয় কৰ্তৃপক্ষই এই দিশত চকু দিব লাগিব।

**ছাত্ৰ একতা সভাৰ কাৰ্যকালত মোৰ উল্লেখযোগ্য দিশঃ** ১) নলবাৰী জিলাত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ এথেলেটিকচ্ মহোৎসৱত যোগদান কৰি লং জাম্প আৰু ত্ৰিপল জাম্পত ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰাটো এটা উল্লেখনীয় দিশ। ২) বৰপেটা জিলাত অনুষ্ঠিত হোৱা মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত যোগদান কৰাটো। ৩) মহাবিদ্যালয়ত লং টেনিছৰ সকলো সামগ্ৰী কিনি খেলিব পৰাকৈ সকলো যোগান ধৰা হৈছে।

**কৃতজ্ঞতা জ্ঞাপন ঃ** মোৰ কাৰ্যকালত সকলো দিশতে প্ৰয়োজনীয় পৰামৰ্শৰে উপকৃত কৰা শ্ৰদ্ধাৰ ড° যাদৱ চন্দ্ৰ নাথ চাৰ আৰু মাননীয় শ্ৰীশশীন চহৰীয়া চাৰৰ লগতে মোৰ বন্ধু-বান্ধৱসকল আৰু চানদাৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'লো।

শেষত সকলোৰে ওচৰত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো।

শ্ৰদ্ধাৰে—
শ্ৰীৰেৱজিৎ বড়া
খেল সম্পাদক

সম্পাদকীয় প্ৰতিবেদন

# সাহিত্য বিভাগ



ভাৰতৰ পূৱ প্ৰান্তত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ মনোমোহা এই ৰাজ্য অসম। কোঁচ-কছাৰী, কেওঁট-কলিতা আদি জনগোষ্ঠীৰ সমন্বয়ত গঠিত মনোৰম দেশ অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৰ প্ৰতি মোৰ এই প্ৰতিবেদনৰ আদিতেই শ্ৰদ্ধা নিৱেদিছোঁ। কৃতজ্ঞতা জ্ঞাপন কৰিছো এইসকল ছাত্ৰ-ছাত্ৰীৰ প্ৰতি যিসকলে মঙলদৈ মহাবিদ্যালয়ৰ দৰে সন্মানীয় মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাহিত্য বিভাগৰ সম্পাদকৰ পদত মোক অধিষ্ঠিত কৰিলে।

সাহিত্যৰ পৰিসৰ বহু বিশাল। ই কোনো বাধা নামানে। ই নামানে কোনো ভেদা-ভেদ। পৱিত্ৰ মনৰ গৰাকীৰ নিৰ্মল হৃদয়ৰ পৰা সৃষ্টি হয় সাহিত্য। ইয়াত নাথাকে কোনো কলুষতা। সাহিত্য এক সৃষ্টিকামী সৃষ্টি। ই কেতিয়াও ধ্বংসৰ ফালে নাচায়। মই সাহিত্যৰ সংজ্ঞা দিব বিচৰা নাই। মই মাথো মোৰ মনত সাহিত্য বুলিলে সততে উদয় হোৱা ধাৰণাখিনিহে ব্যক্ত কৰিব বিচাৰিছোঁ। মই জানো মানুহৰ অভিজ্ঞতাৰ স্মৃতিৰ পৰা সাহিত্যৰ সৃষ্টি হয় আৰু স্মৃতি কেতিয়াওতো মিছা হ'ব নোৱাৰে। গতিকে সাহিত্য হৈছে সত্যৰ সঁফুৰা। সত্যই হৈছে সুন্দৰ। সুন্দৰ সত্যতেই জানো ঈশ্বৰৰ বসতি নহয়। অৰ্থাৎ সাহিত্যৰ যোগেদি আমি ঈশ্বৰক পাব পাৰো আৰু তাতেই আমি বিচাৰি পাম শান্তি, পোহৰ।

**মহাবিদ্যালয় সপ্তাহ ঃ** নিজৰ দায়িত্বভাৰ গ্ৰহণ কৰি সাহিত্য বিভাগৰ সম্পাদক হিচাপে বিগত ২০০৬-০৭ বৰ্ষত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ ভিতৰত এক মিনিটৰ গল্প লিখা, স্বৰচিত কবিতা, স্বৰচিত কবিতা আবৃত্তি আদি অন্যতম। ইয়াৰ ভিতৰত মোৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰা। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° যাদৱ চন্দ্ৰ নাথদেৱে। প্ৰাচীৰ পত্ৰিকা প্ৰকাশত বিশেষভাৱে মৃত্যুঞ্জয়দাই সহায় আগবঢ়ায়। তাৰ বাবে তেওঁৰ ওচৰত মই চিৰ কৃতজ্ঞ। সকলোৰে সহযোগত তথা দিহা-পৰামৰ্শৰে সুকলমে মোৰ বাকী কাৰ্যসূচী সমূহ শেষ হয়। মানুহ আশাবাদী। উচ্চকাংখ্যা কৰাতো এক সহজাত প্ৰবৃত্তি। অধিক কৰাৰ মানসিকতা সকলোৰে আছে। ময়ো তাৰ ব্যতিক্ৰম নহও। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ হকে অধিক কৰাৰ তথা ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে বিভিন্ন পৰিকল্পনা হাতত লোৱা মোৰ উচ্চ আকাংখ্যা আছিল। কিন্তু মোৰ আশা আশা হৈ ৰ'ল। কোনো ফল নধৰিলে। কাৰণ আৰ্থিক অনাটন। সেয়ে কামত বাধা আহিল। মোৰ বিভাগৰ দ্বাৰা প্ৰকাশ কৰা কবিতা সংকলন 'প্ৰেৰণা' প্ৰকাশৰ ক্ষেত্ৰতো বহু অসুবিধা আহি পৰিছিল। কিন্তু বন্ধু-বান্ধৱীসকলৰ উৎসাহ আৰু সহযোগৰ বাবে মই কবিতা সংকলনখন প্ৰকাশৰ দিশত আগ বাঢ়িলো।

**কৃতজ্ঞতা জ্ঞাপন ঃ** সাধাৰণতে উপকাৰৰ কোনো বিনিময় নাথাকে। তদুপৰি আদিৰ পৰা আমাৰ বিভিন্ন কাম-কাজৰ লগত জড়িত থকা বা প্ৰয়োজনীয় দিহা-পৰামৰ্শ আদিৰে উপকৃত কৰোঁতা সকলৰ ভিতৰত প্ৰধানকৈ শ্ৰীডিম্বেশ্বৰ বৰুৱা ছাৰ, মৃত্যুঞ্জয়দা, অতুল, নৃত্য, ভবালী, কৌশিক, শিৱ, জ্যোতিষ, অজয়, ধৰ্মেন্দ্ৰ, তুলু, প্ৰণিতা, তৃষ্ণা, অবিনাশ, প্ৰণামিকা, সৌৰভ, মানস, বিপ্লৱ ওচৰত কৃতজ্ঞ।

**সামৰণি ঃ** আমাৰ কথাতে কয় 'কাৰ্যৰ বুজিবা ভাওঁ, ছাগৰ পখালিবা পাওঁ'। এতিয়া কাৰ্যৰ ভাওঁ বুজিবলৈ নামঘৰৰ বাটচ'ৰাত সোমোৱাহে হৈছে। আহ্বান, বিসৰ্জন বা পূজা মন্ত্ৰ কিঞ্চিত জনা হোৱা নাই। খোলত চাপৰ পৰিছেহে, মণিকূট পোৱাৰ সময় নৌ এখোন। দিনে দিনে লাভ কৰা অভিজ্ঞতাই জ্ঞান পূৰঠ কৰাত অৰিহণা যোগায়। এনেকৈয়ে নল মৰিব, গঁজালি উঠিব। সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ৰ'ল হেজাৰ শুভেচ্ছা কিম্ অধিকম্।

শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাত হওঁক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।

ধন্যবাদেৰে—
শ্ৰীধনজিৎ ডেকা
সম্পাদক, সাহিত্য বিভাগ

# সাংস্কৃতিক বিভাগ

## সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত শ্ৰদ্ধা নিবেদিছো মঙলদৈ মাহবিদ্যালয়ত জন্ম লগ্নৰে পৰা যি সকল ব্যক্তিৰ বহু শ্ৰম আৰু অৰ্থৰ ফলত এই পূৰ্ণাংগ মহাবিদ্যালয়খনি স্থাপন হ'ল। তেওঁলোকে শিক্ষাৰ চাকি জ্বলোৱাত আমাক যি সুবিধা কৰিলে তাৰ বাবে আমি তেখেত সকলৰ ওচৰত সদায় ঋণী।

২০০৬-০৭ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক পদত বিজয়ী হোৱাত ছাত্ৰ-ছাত্ৰী সকলৰ যি সহায়-সহযোগিতা পালো তাৰ বাবে সকলোলৈ হিয়াভৰা মৰম যাচিলো। সংগীত আৰু সাংস্কৃতিক বিভাগৰ বিষয়ে বেছি ক'বলৈ নাযাওঁ কাৰণ আপোনালোক সকলোৱে এই বিষয়ে জ্ঞাত। তথাপি দুটামান কথা নকলে ভুল হ'ব বুলি লিখিলোঁ।

পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ প্ৰাণী হ'ল মানুহ আৰু মানুহক শ্ৰেষ্ঠতম প্ৰদান কৰাৰ প্ৰথম কাৰণতো হ'ল আমি সাহিত্য সংগীত কলাৰ চৰ্চা কৰো। এগছি চাকি কেতিয়াও দ্বীপ্তিমান নহয় যদিহে এটা শিখা বা শলিতা নাথাকে। ঠিক তেনেদৰে এটা জাতি কেতিয়াও সভ্যতাৰ পথলৈ নাহে। যদি তেওঁলোক সাহিত্য সংগীত কলাৰ চৰ্চা নকৰে বিভিন্ন সময়ত বিভিন্ন পণ্ডিতে কৈছে 'সাহিত্য সংগীত কলা বিহীন মনুষ্য সাক্ষাত পশু।'

গতিকে মই মোক চিনিবলৈ বা ৰাইজৰ মাজত পৰিচিত কৰিবলৈ বা আমাৰ জাতিটোক বিশ্বৰ বুকুত পৰিচিত কৰিবলৈ বা আমাৰ ভাব ধাৰণা উপস্থাপন কৰিবলৈ আমি সংস্কৃতি আকোৱালি লবই লাগিব। ভাৰতীয় সভ্যতা অতি প্ৰাচীন সভ্যতা। প্ৰায় ৬ হাজাৰ বছৰ পুৰণি সভ্যতা প্ৰথমতে কেন্দ্ৰিক সভ্যতা গঢ়ি উঠিছিল, যেনে সিন্ধু সভ্যতা হৰপ্পা সভ্যতা।

বৰ্তমান সময়ত কিছুমান যুৱক যুৱতীয়ে আধুনিকতাৰ নামৰ অপ সংস্কৃতিক আদৰিলোৱা দেখা গৈছে। বিশেষকৈ পশ্চিমীয়া দেশবোৰক অনুসৰণ কৰি সিহঁতৰ পিন্ধণ উৰণ কথা পতাৰ চাল-চলন আদি ধুনীয়াকৈ আয়ত্ব কৰিলৈছে। আজিৰ বহু অসমীয়াই অসমীয়াত কথা নাপাতে আজিৰ অসমীয়াই অসমীয়া সাজপাৰ নিপিন্ধে। থলুৱা সংস্কৃতিক বাদ দি পাশচাত্য সংগীত শুনে। তেওঁলোকে নিজকে অসমীয়া বুলি ক'বলৈ লাজ কৰে আৰু নিজকে আধুনিক বুলি ভাৱে। আকৌ কিছুমান যুৱতীয়ে চুটি চুটি বৈদেশিক কাপোৰৰ প্ৰতি আগ্ৰহী হোৱা দেখা যায়। কাৰণ তেওঁ আকৰ্ষণীয় হ'ব বিচাৰে নিজকে আধুনিক সজাব বিচাৰে। যাৰ ফলত প্ৰতিদিনে হৈছে হত্যা লুণ্ঠন ধৰ্ষণ আদিৰ দৰে অমানুষিক কাৰ্য নিতৌ প্ৰতিখন বাতৰি কাকতত পোৱা যায়। এইখিনিতে মই ক'ব বিচাৰিছো যে আধুনিকতাৰ দৰকাৰ কিন্তু পুৰণিক বাদ দি আধুনিকতাক আদৰিব নোৱাৰি সংশোধন কৰিব পাৰি। আপোনালোকে জানো পুৰণিক বাদ দিব পাৰে? নোৱাৰে। যদি বাদ দিয়ে তেতিয়া এটা প্ৰশ্ন উদয় হ'ব আপুনি কোন? অৰ্থাৎ আপুনি নিজকে নিজে চিনি নোপোৱা অৱস্থা হ'ব কাৰণ মোৰ বা আপোনাৰ যদি জন্মই নাই তেতিয়া ক'ত কেতিয়া কেনেকৈ উৎপন্ন হ'লো বা আছো নে নাই বিভিন্ন ধৰণৰ প্ৰশ্ন উদয় হ'ব। মই বৈদেশিক ভাষা কোৱা বা জনা বৈদেশিক সংগীত শুনা অপৰাধ বুলি ক'ব বিচৰা নাই আৰু বৈদেশিক সাজ পাৰো বেয়া বুলি কোৱা নাই। আমি যিহেতু সমাজ প্ৰিয় সেয়েহে আমাৰ সমাজে গ্ৰহণ নকৰা সাজ পোচাক পৰিধান নকৰাই ভাল বুলি মই ভাবো। বিদেশৰ জলবায়ু আৰু তেওঁলোকৰ চিন্তাধাৰা আমাৰ দেশৰ লগত একে নহয়। সেয়ে তেওঁ লোকে নিজক জল বায়ুৰ লগত খাপ খুৱাবৰ কাৰণে তেনেকুৱা পোছাক পিন্ধে। মই ইয়াকো কব বিচৰা নাইযে আমিবোৰ ঠেক গণ্ডীৰ নিম্ন চিন্তা ধাৰাৰ মানুহ। মাত্ৰ কব বিচাৰিছোঁ এইবোৰে যাতে কেতিয়াও অসমীয়া সংস্কৃতিক বাধা প্ৰদান নকৰে। ৰাইজ আমি সজাগ হ'বলৈ হ'ল যিখন দেশত পুৰণি কালত বিদেশৰ পৰা বিভিন্ন ছাত্ৰ-ছাত্ৰী শিক্ষা গ্ৰহণ কৰিবলৈ আহি বিভিন্ন দেশ শিক্ষিত কৰিলে। সেইখন দেশতে যদি শিক্ষিত আৰু সংস্কৃতিবান মানুহ কমি যায় তেতিয়া বৰ লাজৰ কথা হ'ব। যি দৰে মাছবোৰে পানী কমি গ'লে আনন্দহে কৰে মৃত্যু অহাৰ কথা গম নাপায়। আমি আমাৰ সৃষ্টিবোৰ ৰীতি-নীতিবোৰ আমাৰ সপোন বোৰ গমনোপোৱা কৈয়ে হেৰুৱাই পেলাম। যদি এই সংস্কৃতি তেনেকুৱা পাশচাত্য টৌৰ স'তে আনন্দ

কৰো তেতিয়া হয়তো এদিন আমাৰ নিজৰ বুলিবলে একো নাথাকে আৰু পৃথিৱীৰ বুকুত আমাৰ আসন শূণ্য হ'ব। গতিকে আমি শিক্ষিত হ'ব লাগে, জ্ঞানী হ'ব লাগে সংস্কৃতিবান হ'ব লাগে।

<u>কাৰ্যকাল</u> ঃ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হৈয়ে মোৰ প্ৰথম কাম আছিল গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় সংগীত কৰ্মশালাত ১৬-১২-০৬ ৰ পৰা ১৮-১২-০৬ লৈ মহাবিদ্যালয় দুইজন ছাত্ৰ আৰু দুজনী ছাত্ৰী অংশগ্ৰহণ কৰিব কাৰণে সু-ব্যৱস্থা কৰি দিয়াৰ। প্ৰতি বছৰৰ দৰে এই বাৰো মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। ১২-১২-০৬ তাৰিখৰ পৰা ২৬-১২-০৬ তাৰিখলৈ বিভিন্ন বিভাগীয় প্ৰতিযোগিতা বন্ধু-বান্ধবীসকলৰ সহায় সহযোগিতাত সুকলমে চলাবলৈ পাই মই নিজে সুখী অনুভৱ কৰিছোঁ। প্ৰতিযোগিতাৰ বিচাৰ যাতে সুবিচাৰ হয় তাৰ কাৰণে বিভিন্ন ঠাইৰ পৰা অভিজ্ঞ ব্যক্তিক আমন্ত্ৰণ কৰি আনিছিলোঁ।

<u>অভাৱ অভিযোগ</u> ঃ মহাবিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ সুকীয়া আখৰা গৃহ নাই বাবে সংগীত নৃত্য নাটকৰ আখৰাৰ বিভিন্ন সময়ত অসুবিধা হয়। মহাবিদ্যালয়ৰ কোনো ধৰণৰ বাদ্য যন্ত্ৰ নাই বাবে ভাৰাত আনিবলগীয়া হয়। সীমিত সময়ত ঘূৰাই দিব লাগে কাৰণে আখৰা কৰাত অসুবিধা হয়। মহাবিদ্যালয় সপ্তাহৰ কিছুদিন আগতে মোৰ তত্বাৱধায়ক হৰিমন ডেকা ছাৰ কামৰ বাবে অসমৰ বাহিৰলৈ যাবলগা হয়। মই বিপাঙত পৰিছিলোঁ। মোৰ ভুল শুধৰণি বা পৰামৰ্শ দিব কোনে? ভয়ো লাগিছিল কিন্তু ভগৱানৰ আশীৰ্বাদত আৰু বন্ধুবৰ্গ আৰু মোৰ দাদা শ্ৰীধনজিৎ ডেকাৰ সহযোগত সুকলমে প্ৰতিযোগিতাবোৰ শেষ কৰো।

মঙলদৈ মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয়ত প্ৰতিযোগিতাৰ সংখ্যা খুব কম দেখিবলৈ পাওঁ। যিখন মহাবিদ্যালয়ক আন্তঃ মহাবিদ্যালয় নাট মাহোৎসৱত আন মহাবিদ্যালয়ে নাটৰ ক্ষেত্ৰত ভয় কৰে। তেনে এখন কলেজত এই অৱস্থা।

প্ৰতিযোগিতা চলি থকা অৱস্থাত বিচাৰকসকলে মোক এটাই মাত্ৰ প্ৰশ্ন কৰিছিল প্ৰতিযোগীৰ সংখ্যা ইমান কম কিয়? মই বৰ লাজ পাইছিলো। কাৰণ মহাবিদ্যালয়ত প্ৰায় ৩ হাজাৰ ছাত্ৰ-ছাত্ৰী পঢ়ে তাৰ তুলনাত প্ৰতিযোগিতাৰ সংখ্যা নিচেই কম দেখা যায়। ইয়াৰ কাৰণ বাৰু আপোনালোকে কি বুলি ভাবে? মঙলদৈ মহাবিদ্যালয়ত বাৰু প্ৰতিযোগীৰ অভাৱ নেকি? নহয়, মহাবিদ্যালয়ত বহুতো প্ৰতিভাৱান ল'ৰা-ছোৱালী আছে। মহাবিদ্যালয় সপ্তাহত বহুকেইজন ছাত্ৰ-ছাত্ৰীক জোৰ কৰি অংশ গ্ৰহণ কৰাইছিলো আৰু ফলাফলো ভাল দেখা পাইছিলো। প্ৰতিভা থাকিলে নহ'ব ইয়াক প্ৰকাশো কৰিব লাগিব। সেয়ে সকলোলৈ মোৰ অনুৰোধ আগন্তুক দিনবোৰত যাতে তেওঁলোকে নিজৰ প্ৰতিভা প্ৰকাশ কৰাত কুণ্ঠাবোধ নকৰে। মহাবিদ্যালয়ত বহুতে ঐক্য পোচাক পৰিধান নকৰে। ল'ৰাজন বা ছোৱালী জনী মহাবিদ্যালয়ৰ নে বাহিৰৰ ধৰিব নোৱাৰা হয়। সেই সুৰুঙাকলৈ বাহিৰৰ ল'ৰাবোৰ আহি শৈক্ষিক পৰিবেশত আঘাট কৰে। কেইজন মানৰ ভুলৰ কাৰণে সমস্যাবোৰ ভূগিব লাগে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে। আমি ছাত্ৰ একতা সভাই ঐক্য পোচাক বাধ্যতা মূলক কৰিছো। ইয়াক পালন কৰা প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰে দায়িত্ব। অকল ছাত্ৰ একতা সভাৰে নহয়। গতিকে সমূহ ছাত্ৰ-ছাত্ৰীলৈ অনুৰোধ যাতে তেওঁলোকে মহাবিদ্যালয়ৰ ঐক্য পোচাক পৰিধান কৰি আহে।

আমি সকলো একেই ছাত্ৰ, সকলোৰে অধিকাৰ একে সমান, মহাবিদ্যালয়খনিৰ উন্নয়নত সকলোৰে সমান দায়িত্ব থকা প্ৰয়োজন। মাত্ৰ এটাই কথা মনত ৰাখিব লাগে

আমি শিক্ষা গ্ৰহণ কৰিবলৈ আহিছো।
শেষ কৰিবলৈ নহয়।
নিজ জীৱন গঢ়িবলৈ আহিছো।
আনক ধ্বংস কৰিবলৈ নহয়।
আহিছো পোহৰ বিচাৰি
সুৰুজৰ দৰে ৰঙীণ হ'বলৈ
সদায় উজলাম
নিজৰ লগতে মহাবিদ্যালয়ৰ নাম।।

শেষত ছাৰ, বাইদেউ বন্ধু বান্ধৱী, ভাইটি, ভন্টি সকললৈ আন্তৰিক অভিনন্দন যাচি মোৰ প্ৰতিবেদনখনিৰ অন্ত পেলালো

।। জয়তু মঙলদৈ মহাবিদ্যালয়।।

শ্ৰীনয়ন মণি ডেকা
সম্পাদক, সাংস্কৃতিক বিভাগ

## সম্পাদকীয় প্ৰতিবেদন

# তৰ্ক আৰু বক্তৃতা বিভাগ



সকলোৰে শ্ৰদ্ধা আৰু মৰমক আগত ৰাখি প্ৰতিবেদনৰ পাতনি মেলিছো। যিসকল ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত মঙলদৈ চহৰত বৌদ্ধিক উত্তৰণৰ প্ৰাণকেন্দ্ৰ স্বৰূপে জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে জ্ঞানৰ চকু মোকলোৱাৰ মাধ্যমৰ সৃষ্টি হ'ল তেওঁলোকলৈ মোৰ সহস্ৰ প্ৰণাম।

বহুতো পণ্ডিতৰ মতে কেতিয়াবা যোগ্য ব্যক্তিয়েও বহু চেষ্টাৰ পিছতো বিচৰা মতে উচ্চ পদত প্ৰতিষ্ঠিত নহয়। কিন্তু অযোগ্য এজনে অতি কম চেষ্টাতে এটা উচ্চ পদত আসীন হোৱা পৰিলক্ষিত হয়। ই এক অপ্ৰিয় সত্য কথা। বৰ্তমান সমাজত নিবনুৱা সমস্যাৰ ই এক অন্যতম কাৰণ। যি কি নহওঁক উল্লেখিত বৰ্ণনাটি দি লিখকৰ কৃতিত্বৰ পাহাৰ গঢ়াৰ ধৃষ্টতা মই নকৰো। কিন্তু এজন সম্পাদক হৈ যেতিয়া বিষয়বস্তুৰ ওপৰত জ্ঞান নাথাকে ই অত্যন্ত লাজৰ কথা। মই ঠিক তেনেই কৰিছিলো। তৰ্কৰ ওপৰত জ্ঞান তথা অভিজ্ঞতা নথকাকৈয়ে মই এবছৰীয়া কাৰ্যকালৰ কাৰ্যভাৰ গ্ৰহণ কৰো। ইয়াৰ আগত এই বিভাগটোৰ দ্বাৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাবোৰত অংশগ্ৰহণ কৰাৰ অপচেষ্টা মই কোনো কাৰণেই কেতিয়াও কৰা নাছিলো। কিন্তু মোৰ এই প্ৰতিবেদন প্ৰকাশিত আলোচনী সম্পাদকৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ প্ৰতি থকা আগ্ৰহ দেখি অভিমতৰ লগতে উত্তেজক মন্তব্য শুনি ময়ো আগ্ৰহী হৈ পৰিলো। জীৱনত এক নতুনত্ব অনাৰ বাবে। কাৰণ মানসিক অসন্তুষ্টি অনুভৱ কৰাৰ ফলত নজনাক জানিবৰ বাবে অন্তহীন উঠে। এই আকাংক্ষা জাগি প্ৰেৰণাতে নিজৰ প্ৰকৃতিক সলোৱাকো কুণ্ঠাবোধ কৰা নাযায় আৰু এই আকঙ্খাৰ পবিচক্ৰই মোৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদক হোৱাৰ কাৰক।

বছৰেকীয়া কাৰ্যকালত মই কিমান সফল হ'লো নাজানো। কিন্তু প্ৰতিটো কাৰ্যসূচীতে সমূহ শিক্ষা গুৰু তথা মঙলদৈ মহাবিদ্যালয়ৰ লগত জড়িত সমূহ কৰ্মচাৰী আৰু লগতে সমূহ বন্ধু আৰু ভাই-ভনীৰ পৰা যিকোনো ধৰণৰ সহায়-সহযোগিতা পালো তাৰ বাবে মই নিজকে ধন্য বুলি ক'ব খোজো। এই সহায়ৰ বাবে আপোনা সবক কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ কৃতজ্ঞতাৰ ভাষা আজি মই আবেগৰ বন্যাত হেৰুৱাই পেলাইছো। ভৱিষ্যতেও আপোনাসবৰ এই দৰেই সহায় পাবলৈ প্ৰচেষ্টা মোৰ আহোৰাত্ৰ।

গোটেই বছৰটোৰ কাৰ্যকালত দোষ-ক্ৰটি হোৱাটো স্বাভাৱিক। দোষ-ক্ৰটি হোৱা নাই বুলি কৈ মই মোৰ সময়ত ক'লা প্ৰতিবেদকৰ উপচাৰ নলও। কাৰণ মানুহৰ চিন্তা সকলো সময়তে শুদ্ধ বা যথাৰ্থ নহ'বও পাৰে। চিন্তা শুদ্ধ হ'লেহে যথাৰ্থ জ্ঞানত উপনীত হ'ব পাৰি। যথাৰ্থ জ্ঞানৰ মাধ্যমেৰে সত্যোপলব্ধি হয় আৰু সত্যোপলব্ধিয়েই জ্ঞান অন্বেষণৰ চৰম লক্ষ্য। সেয়ে সত্যোপলব্ধিৰ বাবে চিন্তাক শুদ্ধ পথেৰে পৰিচালিত কৰা প্ৰয়োজন। হয়টো মোৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'বও পাৰে। সেয়ে সম্পাদক সকলক শুদ্ধ পথেৰে পৰিচালিত কৰাৰ দায়িত্ব ছাত্ৰ-ছাত্ৰীৰ। ভুল সকলোৰে হয়। সকলো সম্পাদকেই কম বেছি পৰিমানে ভুল কৰে। সম্পাদকৰ বিকৃত চিন্তাবোৰকে আঙুলিয়াই দিয়াৰ দায়িত্ব আপোনাসবৰ। কাৰণ সম্পাদকসকল আপোনাসকলৰে প্ৰতিনিধি। তেওঁলোকৰ দোষ-ক্ৰটিবোৰ আঙুলিয়াই দিয়াৰ অভাৱত ভুল সদায় ভুল হৈয়েই থাকিব আৰু নতুন নতুন ভুলৰ সৃষ্টি হ'ব আৰু সময়ত এই দৰে গণতন্ত্ৰ বাদ গৈ ৰাজতন্ত্ৰ সৃষ্টি হ'ব। সেয়ে মই সকলোকে কও যে সমালোচনা হ'ল শুধৰণিৰ এক অন্যতম কাৰক।

শেষত এই সম্পাদকীয় কাৰ্যকালত মোৰ যি দোষ-ক্ৰটি ৰৈ গ'ল তাৰ বাবে আপোনাসবৰ ওচৰত ক্ষমা-মাৰ্জনা বিচাৰিছো। আৰু মোক গোটেই বছৰত কৰা সহায়-সহযোগিতাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শ্ৰীদেবৰ্ষি ডেকা
সম্পাদক
তৰ্ক আৰু বক্তৃতা বিভাগ

# সম্পাদকীয় প্ৰতিবেদন

## চাৰুকলা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণীতে যিসকল ছাত্ৰ-ছাত্ৰীৰ অফুৰন্ত মৰম চেনেহ তথা আৰ্শীবাদেৰে মঙলদৈ কলেজৰ চাৰুকলা বিভাগৰ সম্পাদকৰ পদত অধিষ্ঠিত হোৱাৰ সুযোগ লাভ কৰিছিলো, সেইসকল ছাত্ৰ-ছাত্ৰীলৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যভাৰ গ্ৰহণৰ পিছতে মহাবিদালয় সপ্তাহ অনুষ্ঠিত হয়। মহাবিদ্যালয় খনত এটা চিত্ৰকলাৰ পৰিবেশ সৃষ্টি কৰাৰ উদ্দেশ্যে অসমৰ সুপৰিচিত তিনিগৰাকী চিত্ৰশিল্পীক আমন্ত্ৰণ কৰি আনি এখনি এদিনীয়া চিত্ৰকৰ্মশালাৰ আয়োজন কৰিছিলো আৰু অন্যান্য প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহত বিভাগীয় তৰফৰ পৰা এখনি এদিনীয়া প্ৰতিযোগিতামূলক প্ৰদৰ্শনী অনুষ্ঠিত কৰিছিলো। এই বছৰৰ শ্ৰেষ্ঠ সুকুমাৰ শিল্পী মহম্মদ লিয়াকত আলি হোৱাৰ উপৰিও কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীৰ সৃষ্টি সমূহ সচাঁকৈয়ে প্ৰশংসনীয় হৈছিল। ভৱিষ্যতে তেওঁলোকে ভাল পৰিবেশ পালে তেওঁলোকৰ সৃষ্টি সমূহৰ মান আৰু উন্নত হ'ব বুলি আশা কৰিলো। আৰ্থিক দিশত দুৰ্বল মোৰ এই বিভাগটো। সেইবাবে মই বহুতো কিবা কিবি কৰিম বুলি ভাবি শেষ সময়ত থমকি ৰব লগা হৈছিল।

সকলো কাৰ্যৰ আৰম্ভণীতে কাৰোবাৰ উৎসাহ, সাহায্য সহযোগিতা আদি থাকে। মোৰ কাৰ্য্য কালত বিশেষভাৱে সু-পৰামৰ্শ আগবঢ়োৱা ব্যক্তিজন হৈছে মোৰ চিৰনমস্য শিক্ষাগুৰু শ্ৰীযুত প্ৰণৱ দাস ছাৰদেৱ। তেখেতলৈ মোৰফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায়ৰ হাত আগবঢ়োৱা মোৰ দাদা মৃত্যুঞ্জয়দেৱ শৰ্মা, চন্দনদা, প্ৰনামিকা, ভূপেন, ঋতুপৰ্ণ, লীনা, ছয়নিকা, মুন্না, নিপু, ছবিন্দ্ৰ, শংকৰ, ধ্ৰুৱ, ভৰত, শিবু, প্ৰবীন তথা মঙলদৈ ছোৱালী ছাত্ৰী নিবাস আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ শলাগৰ শৰাই আগবঢ়ালোঁ। মোৰ মঙলদৈ কলেজ সকলোদিশতে আগৰনুৱা হোৱা কামনাৰে মোৰ প্ৰতিবেদনৰ সমাপ্ত কৰিলোঁ।

শ্ৰীসুৰজিত কুমাৰ ডেকা
সম্পাদক, চাৰুকলা বিভাগ

## ছাত্ৰ জিৰণি কোঠা



প্ৰতিবেদনৰ আৰম্ভণিতে দৰং জিলাৰ ঐতিহ্যমণ্ডিত বিদ্যানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদক হিচাপে মোক বিপুল ভোটত নিৰ্বাচিত কৰি কলেজখনলৈ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে সমূহ ছাত্ৰ ছাত্ৰীলৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ আছিল 'মহাবিদ্যালয় সপ্তাহ'। প্ৰতি বছৰৰ দৰে এই বছৰো 'মহাবিদ্যালয় সপ্তাহ' অতি উলহ-মালহেৰে পালন কৰা হৈছিল। 'মহাবিদ্যালয় সপ্তাহ' শিক্ষাৰ বিকাশ আৰু ছাত্ৰ ছাত্ৰীসকলৰ মানসিক, কায়িক আৰু আধ্যাত্মিক দিশত প্ৰভূত বৰঙণি যোগায়। এই ক্ষেত্ৰত মঙলদৈ মহাবিদ্যালয়ে প্ৰতিবছৰে আপোচহীন পদক্ষেপ গ্ৰহণ কৰি আহিছে। 'মহাবিদ্যালয় সপ্তাহ'ত ছাত্ৰ জিৰণি কোঠা বিভাগৰ অন্তৰ্গত, কেৰম, বেডমিন্টন, ডবা আদি খেল অনুষ্ঠিত কৰিছিলো।

মঙলদৈ মহাবিদ্যালয়ৰ দৰে এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত এটি ছাত্ৰ জিৰণি কোঠাৰ দায়িত্বৰ প্ৰাসংগিকতা কিমান এয়া আজি সকলোৰে উপলব্ধি কৰিব পাৰে। কিন্তু সোণালী জয়ন্তী গৰকি যোৱা মঙলদৈ মহাবিদ্যালয়ৰ সকলো ছাত্ৰৰ বাবে ছাত্ৰ জিৰণি কোঠাটো এটা ডাঙৰ অভাৱ আছিল। সেইটো আমি ছাত্ৰসকলে বাৰুকৈয়ে অভাৱ অনুভৱ কৰিছিলো। সেয়েহে মই নিৰ্বাচনত জয়ী হৈ শপত লোৱাৰ পিছতে আৰু তত্বাৱধায়ক ছাৰ আৰু মই অধ্যক্ষ ছাৰৰ লগত ছাত্ৰ জিৰণি কোঠাৰ অভাৱৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছিলো আৰু অধ্যক্ষ ড° নাথ ছাৰে ভূত বাংলা সদৃশ পুৰণা ছাত্ৰ জিৰণি কোঠাটো পুনৰ মেৰামতি কৰি তুলিবলৈ অনুমতি দিয়ে। মই 'মহাবিদ্যালয় সপ্তাহ'ৰ পিছতে পুৰণা ছাত্ৰ জিৰণি কোঠাটো চাফ চিকুণ কৰি ভঙা বেৰ সমূহ গাঁঠনি, প্লাষ্টাৰ কৰি, ৰং, তেল দি নতুনকৈ সজাই

সম্পাদকীয় প্ৰতিবেদন

তোলো আৰু ছাত্ৰ জিৰণি কোঠাটোত প্ৰয়োজনীয় ছাত্ৰ জিৰণি কোঠাৰ চাইন বোৰ্ড, ফেন আদি সামগ্ৰীসমূহ নতুনকৈ কিনি আনো।

মই সকলো ছাত্ৰ-ছাত্ৰীকে জনাবলৈ পাই সুখী হৈছো যে মোৰ কাৰ্যকালত বহু বছৰে অব্যৱহৃত হৈ পৰি থকা জিৰণি কোঠাটো মেৰামতি কৰি সুন্দৰ ভাৱে সজাই নতুন কৰি তু লিলো। এটা সু-খবৰ যে আমাৰ মহাবিদ্যালয়ৰ স্থায়ীভাৱে নিৰ্মিত ছাত্ৰ জিৰণি কোঠাটো দুই বছৰ বন্ধ থকা কামটো মোৰ কাৰ্যকালত পুনৰ আৰম্ভ কৰি সম্পূৰ্ণ কৰি তোলা হয়। এইখিনিতে এটা কথা উল্লেখ কৰো যে আগৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকসকলে মহাবিদ্যালয় সপ্তাহত নিজৰ বিভাগৰ খেলসমূহ অনুষ্ঠিত কৰিয়েই নিজৰ দায়িত্ব সামৰিছিল। সেয়ে ইমান বছৰে ছাত্ৰ জিৰণি কোঠাটো জৰাজীৰ্ণ অৱস্থাত পৰি আছিল। মোৰ আগন্তুক ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক সকলক বিশেষ অনুৰোধ যে, আগৰ সম্পাদকসকলৰ দৰে মহাবিদ্যালয়ৰ সপ্তাহৰ খেলসমূহ অনুষ্ঠিত কৰিয়েই যাতে নিজৰ দায়িত্ব সামৰি নথয়। এজন বিভাগীয় সম্পাদকৰ নিজৰ কাৰ্যকালত বহুতো দায়িত্ব পালন কৰিবলগীয়া থাকে।

**কৃতজ্ঞতা ঃ** মোৰ কাৰ্যকালত সকলো দিশৰে পৰা সহায় কৰা মোৰ অভিভাৱক স্বৰূপ অধ্যক্ষ ড° যাদৱ চন্দ্ৰ নাথ ছাৰ, মোৰ তত্বাৱধায়ক মৃদুল ডেকা ছাৰ সম্বন্ধিতে বিশেষকৈ মুন্নাদা (দ্বীপকিশোৰ) দুলু, নয়ন, হৃদয়, হিমাংশু, কপিল, ৰূপ, ধীৰাজ, R.S. বু, চুমু, ভাস্কৰ, বিকাশ, (চুনু) প্ৰণৱ, যুগল, পিনাকী, নিকু, বিদ্যুত, জীৱন, নলিনী, মৃণাল, দিপীকা সিং, পাপৰী, মিতালী, প্ৰণামিকা, প্ৰণামী, গীতিকা, পূৰবী, মাচুম, বনশ্ৰী, কৰবী, কাকলি, বন্দিতা, হিমাদ্ৰী, নিবেদিতা, গায়ত্ৰী, চন্দ্ৰমা, মহাবিদ্যালয়ৰ ছাত্ৰী নিবাস, অধিকাৰী মেচ, শইকীয়া মেচ, হাজৰিকা মেচ, চাংকাকতি মেচ, চন্দ্ৰালয় আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এই বছৰতে আমাৰ কাৰ্যকালত নতুনকৈ অৰ্থাৎ দায়িত্বভাৰ লোৱা ছাজাদুৰ ৰহমান চাৰক মোৰ শুভেচ্ছা জনালোঁ।

**সামৰণি ঃ** হস্তীৰো পিছলে পাৱ, সৎজনৰো বুৰে নাওঁ। কাৰ্যকালৰ ভিতৰত জ্ঞাত অজ্ঞাত হোৱা ভুলৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰি অনাগত দিনত আপোনালোকৰ আশীৰ্বাদ আৰু মৰম বিচাৰি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

শ্ৰীমুনীন্দ্ৰ ডেকা
সম্পাদক
ছাত্ৰ জিৰণি কোঠা

# সমাজ সেৱা বিভাগ



বাৰ্ষিক প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ হিয়াৰ আকিঞ্চন প্ৰণিপাত যাচিছোঁ মাতৃভূমিৰ স্বাধীনতা আৰু জাতীয়তাৰ বাবে অসীম সাহস আৰু ত্যাগৰ পৰিচয় দি নিজৰ প্ৰাণ উছৰ্গা কৰা মহান পুৰুষসকললৈ, যাৰ আশীষ আৰু শুভকামনাৰে আমি অন্ধকাৰৰ পৰা পোহৰলৈ আগুৱাই যোৱাৰ প্ৰেৰণা পাইছো।

মানুহ সামাজিক প্ৰাণী আৰু সমাজক সেৱা কৰাটো অন্যতম কৰ্তব্য। এই উদ্দেশ্য আগত ৰাখিয়ে মই ২০০৬-০৭ বৰ্ষৰ মঙলদৈ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সমাজসেৱা বিভাগত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো আৰু জয়ী হৈছিলো। সমাজসেৱা হৈছে দেশ এখনৰ উন্নতিৰ মেৰুদণ্ড স্বৰূপ। বৰ্তমানৰ ছাত্ৰ ভৱিষ্যতৰ নাগৰিক গতিকে ছাত্ৰ অৱস্থাৰ পৰা সমাজসেৱাৰ মনোভাৱ গঢ়িব পাৰিলেহে ভৱিষ্যতে এজন সু-নাগৰিক হিচাপে দেশখনক উন্নতিৰ মুখলৈ অগুৱাই নিব পৰা যাব।

হে মহান ছাত্ৰ বন্ধুসকল,

আপোনাসৱে মোক সমাজ সেৱা বিভাগৰ সম্পাদক পদত জয়ী কৰি দি মহাবিদ্যালয়খনৰ কি কি উন্নতি তথা পৰিৱৰ্তন ঘটিল, তাক চোৱাটো বিচাৰ্য বিষয় নহয়। কিন্তু কি কি কৰিব লাগিব তাৰ প্ৰতিহে চকু দিয়াতো উচিত। ২০০৬-০৭ বৰ্ষত মই সমাজসেৱা বিভাগত জয়ী হৈ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহত চাফাই প্ৰতিযোগিতা, বৃক্ষৰোপন কাৰ্যসূচী আদি অনুষ্ঠিত কৰোঁ। চাফাই প্ৰতিযোগিতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ই আমাৰ বাবে হয়তো সু-ফল স্বৰূপ। এই প্ৰতিযোগিতাখনিত প্ৰথম শ্ৰেষ্ঠ দল হয় N.C.C. Girls Wives আৰু দ্বিতীয় শ্ৰেষ্ঠ দল হয় N.C.C. Boys Division।

**ভ্ৰমণ ঃ** এইখিনিতে উল্লেখ কৰিব পাৰি যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ কেৰাচিন তেলৰ সমস্যাটো দূৰ কৰিবলৈ চেষ্টা কৰিলোঁ। এই ক্ষেত্ৰত মই সাফল্য লাভ কৰিলোঁ। দ্বিতীয়তে, মোৰ অতি মৰমৰ বন্ধু শ্ৰীমনোজ হাজৰিকাক (সাধাৰণ সম্পাদক,২০০৭ বৰ্ষ) লগত লৈ

সম্পাদকীয় প্ৰতিবেদন

মহাবিদ্যালয়ত দুখন ফুলনি গঢ়াৰ কথা চিন্তা কৰিলো, এই ফুলনি দুখনৰ কাম প্ৰায় সম্পন্ন হৈছে শেষত মহাবিদ্যালয়ৰ ছাত্ৰ নিবাস আৰু ছাত্ৰী জিৰণী কোঠাৰ কিছু আছুতীয়া সমস্যাও সমাধান কৰিলোঁ। এই সকলোবোৰ কাৰ্যত মোক বন্ধুবৰ তপন আৰু নজৰুলে বাৰুকৈ সহায় কৰিছিল। ইয়াৰ উপৰিও মহাবিদ্যালয়খন পৰিষ্কাৰকৈ ৰখাৰ ক্ষেত্ৰত মই গুৰুত্ব দিছিলোঁ।

মোৰ কাৰ্যকালৰ সময়ত প্ৰতিটো কাৰ্যতে পৰামৰ্শ তথা সহায় আগবঢ়াইছিল মোৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° যাদৱ চন্দ্ৰ নাথদেৱে। শ্ৰদ্ধাৰ ছাৰদেৱলৈ মোৰ অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছোঁ। ইয়াৰ উপৰিও মোৰ কাৰ্যসূচী তথা প্ৰতিটো মুহূৰ্ততে পৰামৰ্শ আগবঢ়াইছিল তত্বাৱধায়ক ছাৰ শ্ৰীডিম্বেশ্বৰ কলিতা আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীহৰিমন ডেকাছাৰে। এওঁলোক দুয়োজনলৈও মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু চতুৰ্থশ্ৰেণীৰ কৰ্মচাৰীবৃন্দলৈও কৃতজ্ঞতা নিবেদিছোঁ। এই সকলোবোৰৰ উপৰিও মোৰ প্ৰতিটো পলতে সহায় কৰা মৰমৰ বন্ধু নজৰুল, নয়ন, দেৱৰ্ষি, মনোজ আদিলৈ মোৰ হৃদয়ৰ পৰা অফুৰন্ত মৰম যাচিলোঁ আৰু লগতে মহাবিদ্যালয়ৰ সমূহ বন্ধুবৰ্গ আৰু ভাইটি-ভণ্টীলৈ আন্তৰিক হিয়াভৰা মৰম যাচিলোঁ।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি আৰু অজানিতে কৰা দোষ-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

।। জয়তু মঙলদৈ মহাবিদ্যালয় ।।

।। জয়তু সমাজসেৱা বিভাগ ।।

।। জয় আই অসম ।।

শ্ৰদ্ধাৰে—

শ্ৰীপ্ৰণৱ কুমাৰ নাথ

সম্পাদক, সমাজসেৱা বিভাগ

# ছাত্ৰী জিৰণি কোঠা



প্ৰতিবেদনৰ আৰম্ভণীতে দেশ মাতৃৰ অস্তিত্ব ৰক্ষাৰ হেতু যি সকল বীৰ-বীৰঙ্গনাই নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি অকালতে জীৱনৰ বন্তি গছি নুমুৱাই শ্বহীদ হ'ল তেখেত সকলক মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু যি সকল ব্যক্তিৰ নিষ্ঠা আৰু কেচা ঘামেৰে এই বিশাল অনুষ্ঠানটিৰ বীজ ৰোপণ কৰা হৈছিল সেই সকল মহান ব্যক্তিৰ শ্ৰীচৰণত প্ৰণিপাত জনাইছোঁ। দৰং জিলাৰ ঐতিহ্যমণ্ডিত তথা প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ আগশাৰীৰ শিক্ষানুষ্ঠান মঙলদৈ মহাবিদ্যালয়ে অৰ্ধশতিকা জ্ঞানৰ পোহৰ বিলাই সোণালী জয়ন্তী ইতিমধ্যে গৰকি আহিছে আৰু মহাবিদ্যালয়ৰ শিক্ষাৰ্থীক কৃতাৰ্থ কৰিছে। এই ক্ষণতে যিসকল বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ মৰম আৰু সহানুভূতিৰে ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ দায়িত্ব অৰ্পন কৰি তেওঁলোকৰ বাবে সেৱা আগবঢ়োৱাৰ সুবিধাকণ দিলে তেওঁলোকলৈ মোৰ হিয়া ভৰা মৰম তথা শ্ৰদ্ধা নিবেদন কৰিছোঁ। এই বিভাগৰ বিভিন্ন দিশ পৰিচালনাত সততে মোক দিহা পৰামৰ্শ দি উৎসাহিত কৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা মাননীয়া শ্ৰীপ্লাৰিতা পাটোৱাৰী বাইদেউলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিছো আমাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত প্ৰথম পদক্ষেপ হিচাপে আহি পৰে মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহৰ ছাত্ৰ জিৰণী কোঠাৰ বিভাগৰ দ্বাৰা অনুষ্ঠিত খেলসমূহ যেনে- বেডমিন্টন, কেৰম, দবা, লুডু আদি। এই প্ৰতিযোগিতা সমূহত বহু প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। খেল পৰিচালনা কৰাত মোক বিশেষ ভাৱে সহায় কৰে পঙ্কজ জ্যোতি ডেকা, মনীষা, কবিতা সকলো অনুষ্ঠান কোনো হাই-হুৰুমি নোহোৱাকে অতি শান্তিপূৰ্ণ ভাৱে তথা সুকলমে অনুষ্ঠিত হৈ যায়।

মোৰ কাৰ্যকালত বিশেষ ভাৱে সহায়ৰ হাত আগবঢ়োৱা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ লগতে অতি মৰমৰ বন্ধু বান্ধবী সকলক মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। 'মানুহ মাত্ৰেই ভুল' সেয়ে সদৌ শেষত মোৰ কাৰ্যকালত হোৱা মোৰ জ্ঞাত-অজ্ঞাত সকলো ভুলৰ বাবে মহাবিদ্যালয়ৰ সবাৰে ওচৰত ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

।। জয়তু মঙলদৈ মহাবিদ্যালয় ।।

।। জয় আই অসম ।।

শ্ৰদ্ধাৰে—

শ্ৰীপ্ৰণিতা দেৱী

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

# ৰাষ্ট্ৰীয় সেৱা আঁচনি



প্ৰতিবেদনৰ প্ৰাকমুহূৰ্তত মই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়ক তথা স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকলৰ হৈ সেইসকল বীৰ শ্বহীদক প্ৰণাম জনাইছো যিসকলৰ জীৱন দানত আজি আমি মুক্তভাৱে জীৱন যাপন কৰিছোঁ আৰু লগতে যিসকল ব্যক্তিৰ অশেষ চেষ্টাৰ ফলত মহাবিদ্যালয়খন স্থাপন হৈছিল। মোক যিসকল স্বেচ্ছাসেৱক-সেৱিকাই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধিনায়ক হিচাপে মনোনয়ন কৰি সেৱা আগ বঢ়াবলৈ সুযোগকণ দিছিল সেইসকললৈও আন্তৰিক মৰম আৰু কৃতজ্ঞতা যাচিলোঁ।

কৰ্ম সকলোৱে কৰে, সকলো মানুহেই নিজৰ নিজৰ কৰ্মত ডাঙৰ কিন্তু যি কৰ্মৰ দ্বাৰা সমাজৰ উন্নতি সাধন হয় সেই কৰ্মহে শ্ৰেষ্ঠ কৰ্ম। গতিকে (সকলোৱে) সমাজৰ হকে কৰ্ম আগ বঢ়াই নিজৰ দেশৰ, সমাজৰ উন্নতি সাধন কৰাই হৈছে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মূল লক্ষ্য।

২০০৬-০৭ বৰ্ষৰ মোৰ কাৰ্যকালৰ চমু খতিয়ান ঃ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ এটি ডাঙৰ সদস্যা আছিল যিটো সমস্যা ৩৪ বছৰ পিছতহে সমাধান হ'ল। সেই সমস্যাটো হ'ল N.S.S. ৰ কাৰ্যালয়ৰ বাবে এটি আহল-বহল কোঠা। কাৰ্যালয়টো অতি সৰু হোৱা বাবে মাত্ৰ ১০ জনৰপৰা ১৫ জনমানহে সদস্য একেলগে বহি আলোচনা কৰিবলগীয়া হৈছিল। N.S.S. ৰ বহুত সদস্য-সদস্যা থকাৰ বাবে সৰু কোঠাটোত বহিবলৈ অসুবিধাৰ সৃষ্টি হৈছিল। প্ৰত্যেক বছৰে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক দাবী জনোৱা হৈছিল যদিও কোঠাটিৰ প্ৰতি কোনো গুৰুত্ব দিয়া নাছিল।

মঙলদৈ মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক শ্ৰীতপন মহন্ত আৰু মই বহুদিন ধৰি অধ্যক্ষ মহোদয়ক কোৱাত এটি আহল-বহল কোঠা N.S.S. ৰ বাবে মুকলি কৰি দিয়ে। বৰ্তমান N.S.S. দুটা ডাঙৰ কোঠা— এটা সা-সঁজুলিৰ বাবে আৰু আনটো কাৰ্যালয়ৰ বাবে মুকলি কৰা হয়।

ইং ১০-৯-০৬ তাৰিখ ৰবিবাৰে বছৰটোৰ প্ৰথমটো শ্ৰমদান শিবিৰ অনুষ্ঠিত কৰা হয়। এই শ্ৰমদান শিবিৰত ২০ জন সদস্য আৰু ১১ জনী সদস্যাই যোগদান কৰে। এই শিবিৰত এখন নতুন ফুলনি বাগিছা আৰম্ভ কৰা হয় আৰু নতুন কাৰ্যালয়টো পৰিষ্কাৰ কৰা হয়।

ইং ১৪-৯-০৬ তাৰিখ বৃহস্পতিবাৰে বছৰটোৰ দ্বিতীয়টো শ্ৰমদান শিবিৰ অনুষ্ঠিত কৰা হয়। এই শিবিৰত ৪৮ জন সদস্য আৰু ১৮ জনী সদস্যাই অংশগ্ৰহণ কৰে। এই শিবিৰত মহাবিদ্যালয়ৰ ঠায়ে ঠায়ে তৰ্জা বেৰ দিয়া, হাবি-জংঘল কটা, ফুলনি, কোঠাৰ মেৰামতি কৰা আৰু ৰং কৰাৰ উপৰিও মহাবিদ্যালয়খন ঝাৰুৰে পৰিষ্কাৰ কৰা হয়।

ইং ১৫-৯-০৬ তাৰিখ শুক্ৰবাৰে মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যালয় পুৰণি স্থানৰ পৰা নতুন স্থানলৈ স্থানান্তৰিত কৰা হয়। মহাবিদ্যালয়ৰ ৪০ নং শ্ৰেণীকোঠাটো ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যালয়ৰ বাবে অধ্যক্ষ মহোদয়ে আগ বঢ়ায়। নতুন কাৰ্যালয় মুকলি কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° যাদৱ চন্দ্ৰ নাথদেৱে। এই সভাত প্ৰাক্তন কাৰ্যসূচী বিষয়া শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱাদেৱ, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বিষয়া কেপ্তেইন হৰিমন ডেকাদেৱ আৰু ৯৫ জনৰ অধিক সদস্য-সদস্যাৰ লগতে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ৫৫ জন কেডেট উপস্থিত থাকে। সেইদিনা N.S.S. ৰ ন-পুৰণি সতীৰ্থ সম্মিলনখনিও অনুষ্ঠিত কৰা হয়।

ইং ২০-৯-০৬ তাৰিখ বুধবাৰে মঙলদৈ মহাবিদ্যালয়ৰ 'প্ৰতিষ্ঠা দিৱস' অনুষ্ঠানত ২৫ জন সদস্য আৰু ৬ জনী সদস্যাই সেৱা আগ বঢ়ায়।

## ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰতিবেদন

ইং ৩-৯-০৬ তাৰিখ ৰবিবাৰে নৰ্থ মঙলদৈ ক্লাৱে অনুষ্ঠিত কৰা অভিৰুচি ক্ৰীড়া দিৱসৰ সমূহীয়া দৌৰত ২৮ জন সদস্যাই অংশগ্ৰহণ কৰে।

ইং ২৮-১০-০৬ তাৰিখ শনিবাৰে ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীয়ে অনুষ্ঠিত কৰা ৰক্তদান শিবিৰত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৬ জন সদস্য আৰু ৮ জনী সদস্যাই ৰক্তদান কৰে।

ইং ৮-১০-০৬ তাৰিখ ৰবিবাৰে প্ৰজাপিতা ব্ৰহ্মাকুমাৰীয়ে অনুষ্ঠিত কৰা 'স্বৰ্ণীম ভাৰত যুৱ পদ যাত্ৰা,২০০৬' শান্তিসমদলত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ২১ জন সদস্য-সদস্যাই অংশগ্ৰহণ কৰে।

ইং ১২-১১-০৬ তাৰিখ ৰবিবাৰে ১৭ জন সদস্যই ৰাতিপুৱা ৭ বজাৰ পৰা দুপৰীয়া ১ বজালৈ মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰে।

ইং ১৫-১১-০৬ তাৰিখ বুধবাৰে মঙলদৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ '৩৪তম প্ৰতিষ্ঠা দিৱস' সভা আয়োজন কৰা হয়। প্ৰতিষ্ঠা দিৱসত প্ৰাক্তন কাৰ্যসূচী বিষয়া, প্ৰাক্তন অধিনায়কসকলক নিমন্ত্ৰণ জনোৱা হয়। প্ৰতিষ্ঠা দিৱসত আমন্ত্ৰিত ব্যক্তিৰ দ্বাৰা এখন সভা অনুষ্ঠিত কৰা হয়। এই সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ উপৰিও বহুতো ব্যক্তি উপস্থিত থাকে। এই সভাত N.S.S. ৰ ৩০ জনৰো অধিক কেডেট আৰু মহাবিদ্যালয়ৰ কেইবাজনো ছাত্ৰ উপস্থিত থাকে। এই অনুষ্ঠানত পতাকা উত্তোলন কৰে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যসূচী বিষয়া শ্ৰীযুত ৰমণী চহৰীয়াদেৱে আৰু সভা মুকলি কৰে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° যাদৱ চন্দ্ৰ নাথদেৱে।

ইং ৬-১১-০৬ তাৰিখৰ পৰা ইং ১১-১১-০৬ তাৰিখলৈ হোৱা মঙলদৈ ৰাসোৎসৱত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ৯১ জন সদস্যই নিষ্ঠাৰে সেৱা আগবঢ়ায় সুনাম অৰ্জন কৰে।

মঙলদৈ মহাবিদ্যালয় বহুত উন্নত হৈছে যদিও কিছুমান সমস্যা বৰ্তমানো আছে। খেল-ধেমালি কৰিবলৈ বহুত ঠাই আছে যদিও খেলৰ সঁজুলিৰ প্ৰয়োজন বুলি মই ভাবো। কাৰণ সকলো ছাত্ৰ-ছাত্ৰীৰ সকলো সময়তে ক্লাচ নাথাকে। গতিকে ক্লাচ নথকা সময়ত কিছুমান খেল-ধেমালিও কৰিব পাৰে।

N.S.S. ৰ সদস্য-সদস্যাৰ বাবে দুখন কেৰম বৰ্ড আৰু এখন ডবা খেলৰ সঁজুলি ছাত্ৰ জিৰণি কোঠা আৰু ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকৰ পৰা লোৱা হয়।

আমাৰ বিভিন্ন কাম-কাজৰ লগত জড়িত থকা আৰু দিহা-পৰামৰ্শৰে উপকৃত কৰা অধ্যক্ষ ড° যাদৱ চন্দ্ৰ নাথদেৱ, কাৰ্যসূচী বিষয়া শ্ৰীযুত ৰমণী চহৰীয়াদেৱ আৰু শ্ৰীযুত ৰাজেন্দ্ৰ বৰুৱা ছাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ লগতে N.C.C. ৰ বিষয়া কেপ্টেইন হৰিমন ডেকা ছাৰলৈও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক তপন মহন্ত, N.S.S. ৰ সক্ৰীয় সদস্য জ্যোতিষ, নৱ, প্ৰণতি, ৰাজু, তৃষ্ণ, সংগীতাৰ লগতে সকলো সদস্য-সদস্যাক অধিনায়কৰ মেজৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু মহাবিদ্যালয়ৰ যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে আমাক সহায় কৰিছিল সেইবোৰকো কৃতজ্ঞতা তথা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

শেষত অজানিত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সকলো দিশৰে উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

।। জয়তু মঙলদৈ মহাবিদ্যালয় ।।

।। জয়তু ৰাষ্ট্ৰীয় সেৱা আঁচনি ।।

শ্ৰদ্ধাৰে—

শ্ৰীসৌৰভ জ্যোতি কাশ্যপ

অধিনায়ক, ৰাষ্ট্ৰীয় সেৱা আঁচনি




# Mangaldai College Magazine

Printed at Comp-Ed Offset, Mangaldai